# Narangian

# নাৰেংগীয়ান

VOL. XV, 2017-2018 | পঞ্চদশ সংখ্যা, ২০১৭-২০১৮

नारंगीयन



**Editor**

**Mamoni Roy**

## Narangi Anchalik Mahavidyalaya

## নাৰেংগী আঞ্চলিক মহাবিদ্যালয় ▪ नारंगी आंचलिक महाविद्यालय

# Narangi Anchalik Mahavidyalaya

# নাৰেংগী আঞ্চলিক মহাবিদ্যালয়

# नारंगी आंचलिक महाविद्यालय

বিদ্যা দদাতি বিনয়

ESTD: 1991 : NARANGI : GUWAHATI - 71

নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ ওপৰোক্ত প্ৰতীকটোৰ মূল ভেটি হিচাপে কাৰ্বিসকলে "চং-নক্" (ঢাল-তৰোৱাল) নৃত্যত ব্যৱহাৰ কৰা ঢালখন লোৱা হৈছে, যাৰ অৰ্থ মুক্ত পৃথিৱী। তাৰ ওপৰত স্থাপন কৰা হৈছে ঠগাত আটোম-টোকাৰীকৈ ৰখা এখন গ্ৰন্থ। ইয়াৰ দ্বাৰাই জ্ঞানৰ আহৰণেৰে উত্তৰ পুৰুষে ৰামধেনুৰ ৰঙৰ দৰেই বিতোপন কৰি জীৱন গঢ় দি কৰ্মমুখি নাগৰিক হৈ পৰিব। বোকাত ফুলা পদুমৰ দৰেই এই বিদ্যানুষ্ঠানৰ পৰা আহৰণ কৰা জ্ঞান বিভূষণৰ দ্বাৰা কৰ্মমুখি নাগৰিক হৈ পৰিব বিনয়ী দয়াৰ সাগৰ।

**The College Emblem of Narangi Anchalik Mahavidyalaya is purely symbolic. The bottom of the emblem displays a shield used by the Karbis during "Changnak" dance. It signifies the open earth and is symbolical with the area that our college is located. On top of the shield (dhal) there is Xaroi where a holy book is kept. It stands for knowledge which will spread like rainbow.**

# Narangian

# নাৰেংগীয়ান

VOL. XV, 2017-2018 | পঞ্চদশ সংখ্যা, ২০১৭-২০১৮

# नारंगीयन



*Editor*

**Mamoni Roy**

Narangi Anchalik Mahavidy

নাৰেংগী আঞ্চলিক মহাবি

नारंगी आंचलिक महाविद

# উচৰ্গা

আশাশুধিয়া প্ৰচেষ্টাৰে যিসকল
ব্যক্তিয়ে 'নাৰেঙ্গী আঞ্চলিক
মহাবিদ্যালয়'ক মহিমা মণ্ডিত কৰিলে
প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত সেই
সকলো ব্যক্তিলৈ এই সংখ্যাৰ
নাৰেঙ্গীয়ান উচৰ্গা কৰা হ'ল।



# Message from GB President

The basic objective of education is to help develop learners mentally, physically and morally. However the modern education in practice emphasizes more on material prosperity in life. Barring few exceptions the importance of a degree is more judged today by the volume of pay packet it can fetch. People are virtually running after material prosperity and as a result an environment has been created where mental peace and happiness have been eluding. Almost every individual has been under pressure of tension and contradiction. Even after amassing immense material prosperity, people are found to be restless and unhappy. This is particularly relevant in respect of the affluent people of the west in particular. In spite of possessing everything for material and physical needs many of them are found to be suffering from insecurity and at times from insomnia.

Every person in the earth desires to be content and happy. But these have been conspicuous by absence in case of most of the people even after having everything/needed for fulfillment of material and physical needs.

Since the destiny of an individual as well as of a nation is practically shaped by prevalent education , its approach, content and the quality are vital. Almost everywhere the present resently he absence of value based education may be said to be majorcause of this state of affairs.

The cherished values once practiced in India were integral part of our education in the pre independence era. These values gave our country a special status in the eyes of world community .We are proud of the cherished values being practiced earlier in our country.

The main cause of today's uneasy situation may be attributed to the erosion of these cherished human and social values which were once s dear to India. In the wake of such a situation value based education has been the need of the hour. We must keep in mind that the main objective of education is not only to arm a student with more and more information for getting a well paid job but to help him or her develop in all areas of life. The present class room teaching along can never make a student educated in this context. Thus there should be an over hauling of education by synchronizing its modern contents with the cherished values India can boast of. I am confident that Narangian an integral organ of extracurricular activities in the campus will help in fulfillment of these needs to make one happy and content in life.

15.11.2018
(Pramode Ch Chakravarty)
President, Governing Body.

MESSAGE

# MESSAGE



## অধ্যক্ষৰ শুভেচ্ছা-পত্ৰ

প্ৰতিবছৰে শ শ শিক্ষাৰ্থী নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰপৰা স্নাতক ডিগ্ৰী লৈ ওলাই যায়। তাৰে বহু শিক্ষাৰ্থীয়ে থৈ যায় তেওঁলোকৰ লিখনি। সংৰক্ষিত হৈ ৰয় মহাবিদ্যালয়ৰ ইতিহাসৰ বুকুৰিত। বহু শিক্ষাৰ্থীৰ বাবে নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ নাৰেংগীয়ানেই প্ৰথম লিখনি প্ৰকাশৰ সুখানুভূতি অনুভৱ হোৱাৰ আধাৰ। নিজেই লিখা নিজৰে সৃষ্টি, কিন্তু প্ৰকাশ হোৱা পিছত বাৰে বাৰে পঢ়ে। কোনোবাই পঢ়ি ভাল পাইছে বুলি ক'লে পুনৰ লিখাৰ হাবিয়াস জাগে। নাৰেংগীয়ান মহাবিদ্যালয়খনৰ বাবে এনে এখন মাধ্যম য'ত প্ৰতিফলিত হয় শিক্ষক-কৰ্মচাৰী আৰু উচ্চতৰ মাধ্যমিকৰপৰা স্নাতক মহলাৰ শিক্ষাৰ্থীৰ বছৰটোৰ কাৰ্যকলাপ আৰু পৰিকল্পনা।

এই বছৰৰ নাৰেংগীয়ান সময়মতে ওলোৱাৰ পথত। মহাবিদ্যালয়খনৰ সমূহ পৰিয়ালৰ আন্তৰিক অভিনন্দন জনোৱাৰ লগতে ইংৰাজী নৱবৰ্ষ ২০১৯ আৰু ভোগালী বিহুৰ শুভকামনা জনালোঁ।

(ৰীতা দত্ত হাজৰিকা)
ভাৰপ্ৰাপ্ত অধ্যক্ষা
নাৰেংগী আঞ্চলিক মহাবিদ্যালয়
নাৰেংগী, গুৱাহাটী-১৭১



**Editorial Board, Narangian (XV Edition)**

Sitting L to R : Rama Bhandari, Ruplekha Phukan Barthakur, Dr. Karabi Goswami, Reeta Dutta Hazorika (Principal i/c), Mrinal Medhi (Vice Principal)
Standing L to R : Biplab Thakuria, Mamoni Roy, Pranjal Pandey

# Editorial

In the year 2018, I was elected as a Magazine secretary of our college students union and resolved to perform the duty and responsibility of the magazine office sincerely. The thought of joining in and putting my efforts in the publication of the magazine 'Narangian' albeit a challenging one, make my joy knew to bounds. While expressing my immaculate and heartfelt gratitude to the principal Reeta Dutta Hazarika and my professor in-charge Dr. Karabi Goswami, Ruplekha Phukan Barthakur, Rama Bhandari for giving me the opportunity to undertake the responsibilities as the magazine secretary. I would also like to thank who helped me out to design the logo and a big thanks to Biplob Thakuria, working president, Pranjal Pandey - debate and quize secretary S.U.N.A.M. 2017 - 2018, to make the cover page and all the sketch and drawings of the magazine within a limited time period.

I feel happy to inform that every year our college organizes a wall magazine competition and to preserve the write-ups, a wall magazine section has been included in this edition of 'Narangian'.

I would like to extend my sincerest gratitude to each and every one who contributed this writings in the different sections of the magazine articles, poems, story, drawing etc, making it possible to be in the hands of its readers. I also express my gratefulness to my fellow students, Union members for their support and exuberance, which is ineffable. Last but not the least, a salute to the magazine committee for undertaking all the necessary works, though arduous, has published the magazine with great motivation and dexterity.

Mamoni Roy

**(Mamoni Roy)**
Magazine Secretary.
S.U.N.A.M. 2017-2018



Narangian
নাৰেংগীয়ান
नारंगीयन

# সূচীপত্ৰ ............ CONTENTS বিষয়-সূচী

## অসমীয়া বিভাগ


- **ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকত নাৰী মনস্তত্বৰ প্ৰতিফলন** 7
  ড° নীৰা দাস
- **অপেশ্বৰী পূজাৰ গীত** 12
  ড° সৰোজ কাকতি
- **ঐতিহাসিক স্থান গুপ্তকাশী বিশ্বনাথ** 14
  ড° কৰবী গোস্বামী
- **ৰাজনৈতিক কাৰ্টুন আৰু আমি** 18
  গীতিকা শৰ্মা
- **বৰ্তমান সমাজত নৱপ্ৰজন্মৰ ভূমিকা** 21
  কৰবী কলিতা
- **নাৰী শিক্ষাৰ গুৰুত্ব** 22
  আকলিমা আকতাৰা
- **বৰ্তমান সময়ত উচ্চ শিক্ষাৰ সংকট** 23
  সীমা কলিতা
- **আজিৰ নব প্ৰজন্ম** 25
  বিকাশ ৰাজবংশী
- **ড্ৰাগছ— এক ভয়াৱহ ব্যাধি** 26
  নিচুমণি বৰদলৈ
- **ৰেগিং** 28
  নয়নমণি সৰকাৰ
- **বিহুত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰসমূহ** 29
  ৰাজু ক্ৰ
- **পৰিৱেশ সংৰক্ষণ** 30
  ডিম্পল কলিতা
- **কুইজ** 31
  কবিতা দাস
- **বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ** 32
  ৰিয়া শীল
- **বানপানীৰ সময়ত ল'ব লগা সাৱধানতা** 33
  পৰেশ তালুকদাৰ
- **মুখাপিন্ধা ভদ্ৰলোক** 34
  কৰবী কলিতা
- **নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)** 35
  কেপ্টেইন মিনু দাস
- **মগৰামি** 36
  ৰীতা দত্ত হাজৰিকা
- **পোহৰ আহে এই বাটে** 46
  মিনু দাস
- **নিহাৰিকা** 48
  জোণ্টি খাখলাৰী
- **কৌতুক** 48
  বিকি বসুমতাৰী

- জীৱনত এন্ধাৰৰ একুৰা 49
  প্ৰাঞ্জল পাণ্ডে
- সন্দেহাতীত সমাজ 50
  সীমা কলিতা
- সৰু মনৰ চিন্তাৰে 51
  চাইতুন বেগম
- ক'লা ডাৱৰৰ আঁৰে আঁৰে... 53
  প্ৰাঞ্জল পাণ্ডে
- ন্যায় 56
  নিপু শৰ্মা
- বিৰহত মচগুল 57
  নয়নমণি সৰকাৰ
- কুইজ 57
  কবিতা দাস
- লিমাৰিক 58
  ড° পৰিণীতা শইকীয়া বৰা
- স্বপ্নময় বাস্তৱ 64
  মমীনা বহাং
- সম্পূৰ্ণ বিপ্লৱী হোৱাৰ পথত 64
  মাধুৰ্য্য ভূঞা
- তুমি 65
  মল্লিকা কেলেং
- আমি যাত্ৰী 65
  ডিম্পল কলিতা
- অশ্ৰুভৰা প্ৰেম 66
- আমাৰ মহাবিদ্যালয় 66
  নয়নমণি সৰকাৰ
- সুখ 67
  সীমা কলিতা
- মোৰ দৃষ্টিৰ প্ৰকৃতি 67
  কৰবী কলিতা
- ফাগুন 68
  প্ৰাঞ্জল পাণ্ডে
- সফল 68
  অম্লানজ্যোতি শৰ্মা
- মোৰ মা 69
- বৰষুণৰ টোপোলা 69
  বিচিত্ৰা ডেকা
- নাৰী 70
  কংকিতা ভৰদ্বাজ
- সপোন 71
  দীপিকা গগৈ
- মা 71
  সঞ্জয় বৰ্মন
- আমাৰ কলেজ 72
  তুলিকা ডেকা
- মোৰ ইচ্ছা 72
  ছাত্তাৰ আলী
- আইতা 73
  চাইতুন বেগম
- জীৱন ৰথ 73
  ৰজিতা শৰ্মা
- মোৰ স্মৃতিৰ স্খলন 74
  পূজা প্ৰধান
- যন্ত্ৰণা 74
  বিকাশ ৰাজবংশী


## ENGLISH SECTION


- **Emily Dickinson The American Letter Writer** 77
  Sumitra D' Chettry
- **Fatehpur Sikri City of victory and faith** 79
  Preetymala Baruah
- **Teacher, teaching profession and Tol satisfaction: An analysis** 81
  Garima Saikia
- **Role of New Generation in the present society** 83
  Sneha Bose
- **Thabal Chongba dancing by moonlight** 84
- **Phumdi** 84
  S. Meenakshi Sarma
- **Music, a passion** 85
  Ankita Mahanta
- **Social Media's Impact on Youth** 86
  Bimal Rampal
- **The little known story of The Mayong village** 87
  Rimli Rajbongshi
- **Christmas** 88
  Kredict D Sangma
- **Talking about the refreshing cup-tea** 89
  Sunita Haloi
- **Raju and Riya's labour** 90
  Sumi Deka
- **The selfish people** 91
  Dolley Sharma
- **Joke** 91
  Arjen Ali
- **Recipe** 92
  Ruplekha Phukan Barthakur
- **Teacher** 93
  Rosie Patangia
- **The silhoutte is of a life!** 93
  Rajlakshmi Das
- **Faded** 94
  Mallika Keleng
- **Coy Princess** 94
  Shekharjyoti Das
- **A one-sided love** 94
  Dimpy Das
- **Teachers** 95
  Dolley Sharma
- **Listen before you speak** 95
  Arjen Ali
- **The Only You** 95
  Sumi Deka
- **When I met a little boy** 96
  Rimli Rajbongshi
- **Family** 96
  Helmina Khatun
- **Friends and friendship** 96
  Sunita Kumari
- **Lovely time** 97
  Sumi Deka
- **Wild nights** 97
  Dimpy Das
- **A Heart touching poem by A Soldiers** 97
  Salma Khatun
- **A Dancer** 98
  Sweta Rakhal
- **My second self** 98
  Geremsa Kachary
- **How can she be so beautiful** 98
  Shekhar Jyoti Das


## हिन्दी विभाग


- **दया धर्म का मूल है** 101
  समाइना ब्रह्म
- **वर्तमान समय में नवयुवकों की भुमिका** 102
  प्रनव झा
- **सूफी काव्य में प्रेम का महत्व** 103
  सरिता कुमारी
- **दिल है हिन्दुस्तानी के अक्षय धवन** 104
  प्रियंका कुमारी
- **जैसे को तैसा** 105
  रजिता शर्मा
- **गुरु महिमा** 106
  साहिबा खातून
- **कलम** 108

মূল অসমীয়া - अतनु भट्टाचार्य
भावानुवाद - हेमन्त कुमार राभा

- **माँ का प्यार** — 108
  गीता उपाध्याय
- **हिन्दी की यात्रा** — 109
  रमा भण्डारी
- **दिल की आस** — 109
  विमल रामपाल
- **पिता** — 110
  साहिबा खातुन
- **है केरेला तु जिन्दाबाद** — 110
  साहिबा खातुन
- **स्त्री** — 111
  हिरेन कुमारी शाह
- **नारी** — 111
  रत्ना दास
- **कितना अजीब लगता है** — 112
  रेसु चौहान
- **छात्र फेल क्यों होते हैं ?**
  सबनम खातून


## প্ৰচীৰ পত্ৰিকা বিভাগ


- অৰ্থনীতি বিভাগ — 115
- ইতিহাস বিভাগ — 118
- অসমীয়া বিভাগ — 121
- ৰাজনীতি বিজ্ঞান বিভাগ — 126
- हिन्दी विभाग — 130
- দৰ্শন বিভাগ — 134
- ইংৰাজী বিভাগ — 140
- বাণিজ্য শাখা — 141


## REPORT SECTION


- **Executive President** — 145
  Biplab Thakuria
- **উপ-সভাপতিৰ প্ৰতিবেদন** — 146
  নিচুমণি বৰদলৈ
- **সহঃ সাধাৰণ সম্পাদিকা** — 148
  পূজা ৰয়
- **সাংস্কৃতিক সম্পাদিকা** — 149
  সংগীতা কলিতা
- **Magazine Secretary** — 150
  Mamoni Roy
- **বহিঃখেল সম্পাদক** — 151
  বিশ্বজিৎ বড়ো
- **অন্তঃখেল সম্পাদক** — 152
  হিৰাজ আলী আহমেদ
- **Social Service secretary** — 153
  Dimpy Das
- **তৰ্ক আৰু কুইজ সম্পাদক** — 154
  প্ৰাঞ্জল পাণ্ডে
- **ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক** — 156
  চন্দন ডেকা
- **ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা** — 157
  বৰষা কলিতা
- **Results of College Week Events (2017-2018)** — 158


Narangian
নাৰেংগীয়ান
नारंगीयन



# অসমীয়া বিভাগ









Art By : Mamoni Roy



# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকত নাৰী মনস্তত্ত্বৰ প্ৰতিফলন

ড° নীৰা দাস
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ

**প্ৰস্তাৱনা ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া নাট্য সাহিত্যৰ নতুন দিগন্তৰ সূচনা কৰিছে। তেওঁৰ ৰচিত নাটসমূহ হ'ল— ৰূপালীম, শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, নিমাতী কইনা, সোণপখিলী, লভিতা, খনিকৰ, কনকলতা আৰু সুন্দৰ কোঁৱৰ। 'ৰূপালীম' জ্যোতিপ্ৰসাদৰ মহত্তম সৃষ্টি। 'ৰূপালীম' জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্পী জীৱনৰ সাৰ্থক নিদৰ্শন। সম্পূৰ্ণ কাল্পনিক কাহিনী এটা লৈ এই নাট ৰচনা কৰা হৈছে। এই নাটত মাত্ৰ সাতটা অংক আছে। এই সাতটা অংকৰ মাজেৰে তেওঁ নাটকত কেইবাটাও ঘটনাৰ সংযোগ কৰিছে। এই নাটত কাহিনী উপস্থাপন, নাটকীয় সংঘাত, নাটকীয় কাৰিকৰী নিৰ্দেশনা, পৰিৱেশ, পৰিস্থিতি আদি ৰূপায়ণ কৰাত তেওঁ সিদ্ধহস্ততাৰ পৰিচয় দিছে। তেওঁৰ এই নাটত নাৰীৰ দুই বিপৰীতধৰ্মী চৰিত্ৰৰ সমাৱেশ দেখা গৈছে। সেই বিপৰীতধৰ্মী নাৰী চৰিত্ৰ দুটি হ'ল— ৰূপালীম আৰু ইতিভেন। এই নাৰী চৰিত্ৰ দুটিৰ মাজেৰে দুই ভিন্ন নাৰীৰ ভিন্ন মনস্তত্ত্বৰ প্ৰতিফলন দেখা গৈছে। নাৰীৰ দুই ভিন্ন ৰূপৰ সমাৱেশ— এই নাটখনত লেখত ল'বলগীয়া অৱদান।



জ্যোতিপ্ৰসাদৰ 'ৰূপালীম' নাটত পৰিদৃষ্ট হোৱা নাৰীৰ মনস্তত্ত্বৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে আমি সমাজত নাৰীৰ স্থান সম্পৰ্কে কিছু কথা জনা প্ৰয়োজন। 'প্ৰকৃততে কিন্তু প্ৰাচীন সমাজত নাৰীৰ স্থান কোনোকালেই সন্মানজনক নাছিল। আদিম প্ৰাক্ বৈদিক যুগত যিপৰ্যন্ত সমাজৰ ট্ৰাইবেল গাঁথনি অটুট আছিল, খাদ্য আহৰণ পদ্ধতি আদিম ৰূপত আছিল সেইপৰ্যন্ত নাৰী-পুৰুষৰ স্থানৰ মাজত কোনো প্ৰভেদ নাছিল।' (নিৰ্বাচিত প্ৰবন্ধপুঞ্জ, প্ৰবন্ধ- প্ৰাচীন ভাৰতীয় সমাজত নাৰীৰ স্থান ঃ মেদিনী চৌধুৰী, পৃঃ ৮৭)। উপনিষদত উল্লিখিত আছে যে মহৰ্ষি যাজ্ঞবল্ক্যৰ বেদজ্ঞানী পত্নী মৈত্ৰেয়ী আৰু ঋষি বাচক্লুৰ জীয়ৰী গাৰ্গী আদি বিদুষী মহিলাৰ সমাজত সন্মানজনক স্থান আছিল। মৈত্ৰেয়ীয়ে স্বামীৰপৰা আত্মজ্ঞান শিক্ষা লাভ কৰিছিল। গাৰ্গী আছিল খ্যাতনামা প্ৰতিভাসম্পন্ন নাৰী। প্ৰাচীন ভাৰতীয় নাৰী সমাজত তেওঁলোকৰ স্থান আছিল অতি উচ্চ। অশোক-পুত্ৰী

সংঘমিত্ৰাই শ্ৰীলংকাত বৌদ্ধ ধৰ্ম প্ৰচাৰৰ বাবে নেতৃত্ব দিছিল। হৰ্ষবৰ্দ্ধনৰ ভনীয়েক ৰাজ্যশ্ৰীয়ে ককায়েকৰ সৈতে দাৰ্শনিক চিন্তাৰ আলোচনাত ভাগ লৈছিল। এওঁলোক নাৰী সমাজৰ আকাংক্ষাৰ প্ৰতীক আছিল। মনুসংহিতাত নাৰীৰ স্থান সম্বন্ধে কোৱা হৈছিল যে নাৰী শৈশৱকালত পিতৃৰ, যৌৱনকালত স্বামীৰ আৰু বৃদ্ধকালত পুত্ৰৰ অধীন হয়। 'অথৰ্ববেদ, স্মৃতিশাস্ত্ৰত পতিৰ মৃত্যুত পত্নীৰ ঐচ্ছিক সহমৰণৰ ব্যৱস্থা দিয়া হৈছিল। এনে দুৰ্ভোগৰ হাত সাৰিবলৈকে বহু নাৰীয়ে স্বতন্ত্ৰ হোৱাৰ কামনাৰে ভিক্ষুণী, দেৱদাসী, ৰাজধনি অৰ্থাৎ ৰাজবাৰাংগনাৰ বৃত্তি গ্ৰহণ কৰিছিল।' (নিৰ্বাচিত প্ৰবন্ধপুঞ্জ, গুৱাহাটী সাহিত্য সভা, পৃঃ ৯০)

বৰ্তমান বিশ্বায়নৰ যুগত নাৰী-পুৰুষ সমানে আগবাঢ়ি গৈছে। আজিৰ নাৰী-পুৰুষ সমানেই বাহিৰৰ জগতখনত ব্যস্ত হৈ পৰিছে। আজিৰ নাৰী কেৱল সন্তানদায়িনী মাতৃয়ে নহয়। ঘৰৰ চাৰিবেৰৰ মাজতে সীমাবদ্ধ হৈ নাথাকি পুৰুষৰ সমানে অফিচ, কাছাৰী, শিক্ষানুষ্ঠান আদি বিভিন্ন কৰ্মক্ষেত্ৰত জড়িত হৈ পৰিছে। পুৰুষৰ দৰে নাৰীয়েও আধুনিক শিক্ষাৰে শিক্ষিত হৈ সমাজক উন্নতিৰ শিখৰলৈ আগবঢ়াই নিবলৈ সক্ষম হৈছে। ঘৰৰ পৰিয়ালৰ উপৰি দেশৰ হকে, দহৰ হকে নিজকে জড়িত কৰি কৰ্মত আগুৱাই গৈছে। এইটো ঠিক যে নাৰী-পুৰুষৰ সমানে সমানে আগবাঢ়ি গ'লেও তেওঁলোকৰ মাজত লিংগভিত্তিক বৈষম্য আছে। তেওঁলোকৰ চিন্তাশক্তি, কাম-কাজ, আচাৰ-ব্যৱহাৰ আদিত এই বৈষম্য পৰিলক্ষিত হয়। নাৰীৰ স্বভাৱত কোমলতা, উদাৰতা, ধৈৰ্য, সহনশীলতা আদি গুণ বিৰাজমান। এই নাৰীয়ে আকৌ প্ৰয়োজনসাপেক্ষে ৰুদ্ৰমূৰ্তিও ধাৰণ কৰিব পাৰে। নাৰীৰ অন্তৰত যিদৰে প্ৰেম, ভালপোৱা, স্নেহ আদিৰ উদ্ৰেক হয়, সেইদৰে প্ৰেম-ভালপোৱা আদিৰ বিফলতাত ক্ৰোধান্বিত হৈ ভয়ংকৰ ৰূপ লয়। এনে প্ৰেম বিফলতাত ক্ষুণ্ণ হৈ নাৰীয়ে জীৱনলৈ বিপদ মাতি অনা সম্পৰ্কে আমি বুৰঞ্জীৰ পাতত দেখিবলৈ পাওঁ। নাৰীৰ ঠিক এনেধৰণৰ মনস্তত্বই জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকত দেখিবলৈ পোৱা গৈছে। তেওঁৰ এই সাতটা অংকৰ 'ৰূপালীম' নাটকত দুটা বিপৰীতধৰ্মী নাৰী চৰিত্ৰৰ সমাৱেশ ঘটিছে। সেই নাৰী চৰিত্ৰ দুটি হ'ল— ৰূপালীম আৰু ইতিভেন। এই বিপৰীতধৰ্মী চৰিত্ৰ দুটিৰ মাজেৰে নাৰীৰ ভিন্ন মনস্তত্বৰ প্ৰকাশ ঘটিছে।

### গৱেষণাৰ উৎস আৰু পদ্ধতি

এই ক্ষুদ্ৰ গৱেষণা-পত্ৰখনৰ বাবে জ্যোতিপ্ৰসাদৰ ৰচনাৱলীৰ ওপৰত নিৰ্ভৰ কৰা হৈছে। প্ৰয়োজনসাপেক্ষে জ্যোতিপ্ৰসাদ আগৰৱালা সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰিকাকত আদিৰো সহায় লোৱা হৈছে। এই আলোচনা-পত্ৰৰ বাবে প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে যদিও প্ৰয়োজন অনুযায়ী বৰ্ণনাত্মক পদ্ধতিৰো সহায় লোৱা হ'ব।

### বিষয়বস্তুৰ উপস্থাপন

'ৰূপালীম' নাটকৰ পটভূমি অসমৰ পুব সীমান্তৰ এখন পৰ্বতীয়া ৰাজ্য। সেই ৰাজ্যৰ অধিবাসীসকল হ'ল সভ্য বৌদ্ধ জাতিৰ অন্তৰ্গত ৰূকমী জনজাতি। প্ৰান্তদেশীয় বৌদ্ধ জনজাতিৰ সামন্তযুগীয় পটভূমিত 'ৰূপালীম' নাটকৰ কাহিনীভাগ গঢ় লৈ উঠিছে। নাটৰ কাহিনী আৰু চৰিত্ৰ সকলো কাল্পনিক। এই নাটকত আখ্যানতকৈ চৰিত্ৰৰ প্ৰাধান্য অধিক। নাটকৰ আৰম্ভণিতে দেখা গৈছে সেই জনজাতীয় লোকসকলৰ চাংঘৰসমূহ। সেই ৰাজ্যত ৰূকমী ফৈদৰ ৰূপহী 'দীপলিপ বসন্তৰ কুঁহিপাতৰ দৰে কুমলীয়া ৰূকমী ছোৱালী' ৰূপালীম আঁঠুমূৰীয়া চিত্ৰ-বিচিত্ৰ মেখেলা পিন্ধি, বুকুত চিত্ৰ-বিচিত্ৰ মেৰণি মাৰি গাত বগা পাতল সূতাৰ কাপোৰ লৈ প্ৰেমাস্পদ মায়াব'ৰ ওচৰলৈ আহে। মায়াব' কুৰি বছৰীয়া সফল ৰূকমী ডেকা। সি চিত্ৰ-বিচিত্ৰ কাপোৰ পিন্ধি হাতত বাঁহী লৈ নৈৰ পাৰত উপস্থিত হয় প্ৰেমিকা ৰূপালীমক লগ পাবলৈ। পাহাৰী গাভৰুৰ স্বভাৱজাত সৰলতাৰে পৰিপূৰ্ণ ৰূপালীমৰ চৰিত্ৰ। তেওঁলোক দুয়োৰে ভালপোৱাৰ মাজত কোনো কাম ভাব জাগি উঠা নাই। তেওঁলোকৰ ভালপোৱাত আছিল বিশ্বাস, মৰম-চেনেহ। ৰূপালীমৰ চৰিত্ৰত প্ৰাণ আছে, ঐশ্বৰ্য আছে, কমনীয়তা আছে। তাই মায়াব'ক প্ৰাণ ভৰি ভাল পায়। মায়াব' তাইৰ প্ৰাণৰ দেৱতা, হৃদয়ৰ গৰাকী। ৰূপালীমক লাভ কৰাৰ ক্ষেত্ৰত বৃদ্ধ জুনাফাই চৰ্ত ৰাখিছিল এইদৰে— "মায়াব', ৰূপালীমক বিয়া কৰাবলৈ এনেয়ে নাপাৱ। নিজে এটা বাঘ মাৰি তাৰ মূৰটো মোৰ আগত দিবি, তেতিয়াহে তাইক তোলৈ দিম।' ৰূপালীমৰ সৰল মনে কন্দনামুৱা হৈ ক'বলৈ ধৰিলে— 'ময়ো যাম। ময়ো চিকাৰলৈ যাম।' মায়াব'ই প্ৰতিজ্ঞা কৰা মতে বাঘৰ মূৰ আনি জুনাফাৰ চাংঘৰৰ আগচোতালত পেলাইহি। ৰূপালীমে বাঘৰ মূৰটো দেখি তাইৰ পোৱালিকেইটালৈ মনত পেলাই 'মই সিহঁতক খাবলৈ দিম, নহ'লে সিহঁতে অকলে অকলে হাবিত কান্দি কান্দি ঘূৰি ফুৰিব'— বুলি কোৱা কথাৰ মাজেৰে ৰূপালীমৰ অন্তৰত বনৰ জীৱ-জন্তুৰ প্ৰতি থকা মৰম-চেনেহ সুন্দৰভাৱে প্ৰকাশ পাইছে। জ্যোতিপ্ৰসাদ আগৰৱালাই ৰূপালীমৰ চৰিত্ৰত নাৰীৰ স্বভাৱজাত কোমলতা আৰোপ কৰি প্ৰকাশ কৰিছে। বাঘৰ মূৰটোৰ আন এজন দাবীদাৰ ৰেণথিয়াঙৰ লগত মায়াব'ৰ ৰণ হৈ থাকোঁতে প্ৰান্তদেশৰ অধিপতি মণিমুঞ্চই সুন্দৰী ৰূপালীমক দেখা পাই 'অৰণ্যে, অৰণ্যে, এই মুকুতা যদিও শামুকৰ পেটত উপজিছে, ইয়াত ইয়াৰ ঠাই নহয়। ই ৰাজকাৰেঙৰহে উপযোগী'— বুলি কৈ ৰূপালীমক বলেৰে নিজ ৰাজ্যলৈ লৈ যায়। ৰূপালীমৰ সুকোমলতাক তেওঁলোকে ভৰিৰে মোহাৰি পেলালে। মায়াব' তাইৰ প্ৰাণৰ গৰাকী। তাইৰ সৰল প্ৰেম আৰু নিষ্ঠাই মায়াব'ক বিচাৰি হাবাথুৰি খাইছিল। যাৰবাবে তাই মণিমুঞ্চৰ ৰাজকাৰেং, সাজসজ্জা, সুন্দৰ ফুলি, বিলাসী জীৱনৰ সুখ-স্বাচ্ছন্দ্যকো তুচ্ছ জ্ঞান কৰিছিল। মায়াব' তাইৰ গোটেই জীৱন জুৰি আছে। ৰূপালীমৰ চৰিত্ৰ শিশুসুলভ কমনীয়তাৰে পৰিপূৰ্ণ। মায়াব'ই নিজৰ বাঁহীটো খুব ভাল পায় বাবে ৰূপালীমে বাঁহীটোকে তাইৰ প্ৰেমৰ প্ৰতিদ্বন্দী বুলি নিজ ভৰিৰে গচকি ভাঙি পেলাইছে। পিছত যেতিয়া গম পালে যে সেই বাঁহীৰ মাতটিয়ে মায়াব'ক ৰূপালীমৰ কথা সোঁৱৰায় তেতিয়া ৰূপালীমে অবুজ শিশুৰ দৰে পেঁপাটো আনি চুমা খাইছে আৰু হুকহুকাই কান্দিছে। ৰূপালীমৰ চৰিত্ৰত সহজ-সৰল পৰ্বতীয়া ছোৱালীৰ অকপট প্ৰেম, নিষ্পাপ মনৰ সুন্দৰ ছবি ইয়াত প্ৰতিফলিত হৈছে।

আকৌ মণিমুঞ্চই জোৰকৈ ৰূপালীমক হৰণ কৰি নিয়াত অসহায় বৃদ্ধ জুনাফাই ৰূকমী ৰজাৰ ওচৰত গৈ জীয়েকৰ উদ্ধাৰৰ বাবে ন্যায় বিচাৰি যায়। দুৰ্বলচিতীয়া, সুৰামত্ত ৰূকমী ৰজাই তাৰ কোনো প্ৰতিকাৰ নাই বুলি অক্ষমতা প্ৰকাশ কৰিছে। কাৰণ তেওঁৰ ভনীয়েক ইতিভেনক প্ৰতাপী মণিমুঞ্চই বিয়া কৰাব বিচাৰিছে। সেয়ে তেওঁৰ বিৰুদ্ধে যোৱাৰ সাহস তেওঁৰ নাই। তেতিয়া ৰূকমী ৰজাৰ বক্তব্যৰ তীব্ৰ বিৰোধিতা কৰি তেওঁৰ ভগ্নী ইতিভেনে এইবুলি প্ৰত্যুত্তৰ দিছে— 'ৰূকমী ৰাজ্যত এতিয়াও বিচাৰ আছে।' ইতিভেনে ৰূকমী ডেকাসকলক জাগ্ৰত কৰি তুলিবলৈ তেজস্বী ভাষাৰে ৰূকমী প্ৰজাসকলক উদ্দেশ্যি কৈছিল— 'সৌৱা সৌৱা— তোমালোকৰ বীৰ পূৰ্বপুৰুষসকলৰ মহান মৈদামবোৰে বুকুত ৰূকমী মহাবীৰসকলক লৈ এতিয়াও মহাগৌৰৱেৰে মূৰ দাঙি ৰূকমী জাতিৰ গৌৰৱ ঘোষিব লাগিছে। আজি ৰূকমী ৰূপহীৰ ৰূপ ফুল-মোহৰা শত্ৰুৱে মোহাৰি গ'ল, তোমাৰ যুগ-যুগান্তৰ ৰূকমী পুৰুষসকলে, বুকুৰ তেজেৰে শলিতা তিয়াই জ্বলাই যোৱা ৰূকমী গৌৰৱৰ বন্তি শত্ৰুৱে ভৰিৰ ধূলাৰে ছাটি মাৰি নুমাই গ'ল। তোমাৰ তেজ থাকোঁতেও, প্ৰাণ থাকোঁতেও বৈ চাই আছাঁ। ইমান দুৰ্বল হৈ, ইমান জুৰুলা হৈ, ইমান নিশকতীয়া হৈ, ইমান অমানুহ হৈ জীয়াই নেথাকিবা। এই ৰাজ্যত তোমালোকৰ থাকিবৰ একো অধিকাৰ নাই। ৰূকমী বুলি চিনাকি নিদিবা। ডেকা বুলি নক'বা। এই পৱিত্ৰ ভূমিত আৰু তোমালোকৰ জন্ম নুবুলিবা। ৰূকমী বীৰসকলে কোৱা ভাষা, ৰূকমী ভাষা, ৰূকমী বীৰপুত্ৰই মাতৃক মাতা ভাষা, ৰূকমী বীৰ-সন্তানে জন্মভূমিক অৰ্চনা কৰা ভাষা, ৰূকমী সতীয়ে স্বামীক ভক্তি জনোৱা, ৰূকমী যুঁজাৰুৱে মৰণ জয় কৰিবলৈ শত্ৰু-সৈন্যক আহ্বান কৰা ভাষাৰ পৱিত্ৰ শব্দ তোমালোকৰ মুখেৰে উচ্চাৰণ নকৰিবা। তোমালোক ৰূকমী নোহোৱা-ৰূকমীৰ সন্তান নোহোৱা।' আকৌ দুগুণ উৎসাহেৰে ক'বলৈ ধৰিলে— 'তেন্তে ৰূকমী বীৰসকল, ওলোৱা-ৰূকমী জাতিৰ অপমানৰ প্ৰতিশোধ ল'বলৈ-ৰূকমী জাতিৰ মান ৰাখিবলৈ-ৰূকমী ৰূপহীৰ সতীত্ব ৰাখিবলৈ। তোমালোকৰ ৰজা যদি অসমৰ্থ— তেন্তে মই তোমালোকক বাট দেখুৱাই নিম।' ৰূকমী গাভৰু ৰূপালীমৰ সন্মান ৰক্ষাৰ্থে ইতিভেনে মণিমুঞ্চৰ বিৰুদ্ধে মৰণ বিজয়ী অভিযান চলাইছে। এই যুদ্ধত ইতিভেনক দেশপ্ৰেমিকা আৰু সুদক্ষ শাসনকৰ্তীৰ ৰূপত দেখা গৈছে। স্বদেশ আৰু স্বজাতিৰ মৰ্যাদা, গৌৰৱ সম্পৰ্কে সচেতন ইতিভেনৰ পুৰুষৰ দৰেই সাহস আৰু দৃঢ়তা আছে। তেওঁৰ বক্তব্যত সেইটো প্ৰকাশ পাইছে। আকৌ কৈছে— 'ৰূকমী ৰাইজসকল, কাক লাগে? মোৰ এই কাপুৰুষ ৰূকমী জাতিৰ কলংক ককাইক নে তোমালোকৰ মান-গৌৰৱৰ কাৰণে প্ৰাণ দিবলৈ ওলোৱা এই ইতিভেনক?' ইতিভেনৰ এই বীৰাংগনাৰ ৰূপত ৰূকমী ডেকা-গাভৰুৱে বুকুত অদম্য সাহস আৰু চেতনা পায়। তেওঁ স্বদেশ আৰু স্বজাতিৰ নাৰীৰ প্ৰতি দিয়া উক্তি যথেষ্ট উদ্দীপনাময় বুলি ক'ব পাৰি।

ইতিভেন মণিমুঞ্চৰ বাগ্‌দত্তা। মণিমুঞ্চৰ প্ৰতি ইতিভেনৰ অন্তৰৰ প্ৰেম আছিল নিৰ্মল আৰু পৱিত্ৰ। যেতিয়া মণিমুঞ্চই ৰূপালীমৰ সৌন্দৰ্যত মুগ্ধ হৈ বল প্ৰয়োগ কৰি নিজৰ কাৰেঙলৈ

লৈ আহিছিল, তেতিয়া ইতিভেন হৈ পৰিছিল অতি ঈৰ্ষাপৰায়ণ আৰু প্ৰতিশোধপৰায়ণ। সেয়ে ৰুকমী ডেকা-গাভৰুক জাগ্ৰত কৰি ৰাজ ক্ষমতাৰ অধিকাৰিণী হৈ পৰে। ভাবি স্বামীক উদ্ধাৰ কৰিবলৈ ইতিভেনে যিমান পাৰি সিমান শক্তি প্ৰয়োগ কৰিছে। ৰুকমী প্ৰজাসকলক উচটাই মণিমুগ্ধৰ দেশ আক্ৰমণ কৰিছে। ইয়াত ইতিভেনক সাধাৰণ নাৰীৰ স্বভাৱজাত ঈৰ্ষা আৰু বিদ্বেষৰ বশৱৰ্তী হৈ পৰা দেখা গৈছে।

ইতিভেনৰ চৰিত্ৰত নৈতিকতাৰ আদৰ্শ বিৰাজমান। তেওঁ প্ৰেমতকৈও নৈতিকতাক বেছি প্ৰাধান্য দিয়ে। সেয়েহে ককায়েক ৰুকমী ৰজাৰ আগত কৈছিল— 'তেনে স্বামী মই নবৰোঁ। মোক বিয়া কৰাবলৈ ওলাই মোৰ জাতিৰ এজনী সামান্য দৰিদ্ৰ ছোৱালীৰ সোণ যেন গাৰ বৰণ দেখিয়েই যি এনে নীচ আচৰণ কৰিবলৈকো সংকোচ নকৰিলে, তেনে পুৰুষক মই ঘিণ কৰোঁ।' ইতিভেনে তাইৰ প্ৰেমাস্পদক এই ৰূপত কেতিয়াও বিচৰা নাছিল। সাহসী আৰু বীৰাংগনা হ'লেও ইতিভেন আছিল এগৰাকী প্ৰকৃত প্ৰেমিকা। নৈতিকতাক বিসৰ্জন দিবলৈ কুণ্ঠবোধ নকৰা মণিমুগ্ধক তাই ঘিণ কৰে। সঁচা অৰ্থত ক'বলৈ গ'লে ইতিভেন অন্যায়ৰ বিৰুদ্ধে মাত মতা এগৰাকী সাহসী নাৰী। অন্যায়ৰ প্ৰতিৰোধ কৰা তেওঁৰ ধৰ্ম।

ইতিভেন ইমানেই সক্ৰিয় যে বাগ্‌দত্ত হোৱা সত্ত্বেও প্ৰান্ত দেশৰ অধিপতি মণিমুগ্ধৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। মণিমুগ্ধৰ ৰাজ্য আক্ৰমণ কৰা কাৰ্যই ইতিভেনৰ স্বদেশ প্ৰেমৰ নিদৰ্শন দাঙি ধৰিছে। ৰুকমী সৈন্যৰ নেতৃত্ব বহন কৰি প্ৰান্ত দেশৰ অধিপতি মণিমুগ্ধৰ ৰাজকাৰেং আক্ৰমণ কৰিছে। শেষত ইতিভেন সেনাপতি ৰেণথিয়াঙৰ হাতত বন্দী হৈছে। মণিমুগ্ধই আক্ৰমণকাৰীৰ গাঁও-ভূঁই, নগৰ-চহৰ সকলো জ্বলাই দিবলৈ আদেশ দিয়ে। এই আদেশ শুনি নাৰীৰ মনৰ কোমলতাত আঘাতপ্ৰাপ্ত হৈ ইতিভেন শিয়ৰি উঠে। তাই ক্ৰুদ্ধ বাঘিনীৰ দৰে গৰজি উঠি মণিমুগ্ধক ক'বলৈ ধৰিলে— 'তুমি ৰূপালীমক হৰণ কৰি আমাৰ দেশক অপমান কৰিছা। নিৰাশ্ৰয়া অবলাৰ ওপৰত অত্যাচাৰ কৰিছা। মই দেশৰ মান, জাতিৰ মান ৰাখিবলৈ প্ৰাণ দিবলৈ আহিছোঁ।' লগে লগে মণিমুগ্ধই প্ৰত্যুত্তৰ দিছে এইদৰে— 'অৱশ্যে মিছা কথা। তুমি আহিছা তোমাৰ ঈৰ্ষাৰ সন্তুষ্টিৰ বাবে মোৰ ওপৰত প্ৰতিশোধ ল'বলৈ।' নাৰীৰ প্ৰতি নাৰীৰ ঈৰ্ষা নাৰী মনস্তত্ত্বৰ এক অন্যতম দিশ বুলিব পাৰি। এই ঈৰ্ষাই ইতিভেনক কঠোৰ হ'বলৈ বাধ্য কৰিছে। মণিমুগ্ধই ৰূপালীমক কুঁৱৰী কৰিবলৈ মনস্থ কৰাত ইতিভেন অগ্নিশৰ্মা হৈ পৰে। 'ইতিভেন খণ্ডত একো নাই হৈ নিজকে বন্ধ সোণৰ শিকলিডালেৰে মণিমুগ্ধক অতৰ্কিতে বৰ টানকৈ কোব মাৰে। সেই কোব মণিমুগ্ধৰ মূৰত লাগি হো-হোকৈ তেজ বৰলৈ ধৰে। মূৰ্ছা যোৱা যেন দেখি বিহ্বল হৈ মণিমুগ্ধৰ বাউসীত ধৰি জোকাৰি লৰালৰিকৈ পানী আনি মূৰত-চকুত দিবলৈ ধৰে।' মণিমুগ্ধৰ প্ৰতি ভালপোৱা থকাৰ বাবেই যে ইতিভেনে এনে কাৰ্য কৰিছিল সেয়া ইয়াত স্পষ্ট হৈ পৰিছে।

ইতিভেন আছিল বাস্তৱমুখী। তাইৰ প্ৰেম, ভালপোৱা আছিল প্ৰকৃত। তাত কোনো কৃত্ৰিমতা নাছিল। সেয়ে মণিমুগ্ধৰ মূৰৰ আঘাত দেখি নিজেও হুকহুকাই কান্দি দিছিল। দুখত কাতৰ হৈ মণিমুগ্ধক সাবটি ধৰি মূৰত চুমা খাই গালখন মূৰত লগাই ভালপোৱাৰ কথা কৈছিল। আচলতে ইতিভেনে মণিমুগ্ধক অন্তৰেৰে ভাল পাইছিল। মণিমুগ্ধইও ইতিভেনক বৰ ভাল পায়। সেয়েহে ইতিভেনে মণিমুগ্ধক কৈছিল— 'তেন্তে আৰু তুমি ৰূপালীমৰ কথা নক'বা। তাইক আৰু ইয়ালৈ নানিবা।' কিন্তু ৰূপালীমৰ সৌন্দৰ্য দেখি তাক উপভোগ কৰিবলৈ বিচৰাত ইতিভেনৰ মনত ঘৃণাৰ ভাব জাগিছিল। মণিমুগ্ধই ৰূপালীমৰ সৌন্দৰ্য উপভোগ কৰিবলৈ নাপালে জীৱন অসাৰ্থক বুলি কোৱাত ইতিভেনে উত্তেজিত হৈ খণ্ডতে কৈছিল— 'তোমাক এইবাৰ মই ৰূপালীমক লগ পোৱাৰ আগতে শেষ কৰিম।' ইতিভেনে ৰূপালীমক তেওঁৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বী বুলি জ্ঞান কৰিছিল। ইতিভেনৰ নাৰীসুলভ প্ৰণয়জনিত ঈৰ্ষাকে আগৰৱালাই ইয়াত প্ৰকাশ কৰিছে। নিজৰ ভাবী স্বামীৰ এনে নৈতিকতাহীন কাৰ্যক তেওঁ কেতিয়াও প্ৰশ্ৰয় নিদিয়ে। ইতিভেনৰ মতে দৈহিক সম্পৰ্ক নিজ বিবাহিত পত্নীৰ লগতহে হ'ব লাগে, আনৰ লগত নহয়। নাৰীক বিবাহ কৰোৱা আৰু নাৰীৰ সৌন্দৰ্য উপভোগ কৰা— মণিমুগ্ধৰ বাবে এই দুটাৰ মাজত পাৰ্থক্য আছে। নাৰীৰ স্বভাৱজাত অনুভূতিৰে ইতিভেনে সেই কথা মানি ল'ব পৰা নাই। ইতিভেনৰ মতে ভালপোৱা নাৰীগৰাকীৰ দেহৰ সৌন্দৰ্য উপভোগ কৰাটোহে পুৰুষৰ বাবে কৰণীয়। এইক্ষেত্ৰত ইতিভেনৰ বাস্তৱমুখিতাৰ পৰিচয় পোৱা গৈছে। ন্যায়, নৈতিকতা তেওঁৰ চৰিত্ৰৰ ভূষণ।

আনফালে ৰূপালীমৰ চৰিত্ৰত জনজাতীয় সৰলতা বিৰাজমান। 'হৰিণাৰ মাংসই বৈৰী' হোৱাৰ দৰে ৰূপালীমৰ ৰূপ-যৌৱনেই তাইৰ কাল হ'ল। মায়াব' তাইৰ প্ৰাণৰ গৰাকী। দুয়োৰে প্ৰেম আছিল অতি পবিত্ৰ। মায়াব'ক তাই কিমান ভাল পায় ক'ব নোৱাৰে। কিন্তু ভাল পায়, খুব ভাল পায়। 'গছত যিমান ফুল আছে, ডালত যিমান পাত আছে, নৈত যিমান পানী আছে, শূইন্যত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে তিমান।' ইয়াত সহজ-সৰল পৰ্বতীয়া ছোৱালীৰ নিষ্পাপ, অকপট প্ৰেমৰ নিদৰ্শন প্ৰকাশ পাইছে। এই ৰূপালীমৰ ৰূপ ক্ষুধা পান কৰিবলৈ প্ৰান্তদেশৰ অধিপতি মণিমুগ্ধ ব্যাকুল হৈ পৰিছে। ৰূপালীমৰ ৰূপ-সুধা পান কৰিব নোৱাৰিলে তেওঁৰ জীৱন বৃথা। সেয়ে তেওঁ কৈছে— 'তোমাৰ কাৰণে মই বহুত তললৈ নামি গ'লোঁ— মানুহৰ শাৰীৰপৰা হিংস্ৰ পশুৰ শাৰীলৈ তোমাক পাবলৈ।' আনপিনে মণিমুগ্ধই ইতিভেনক ভাল পায় আৰু বিবাহ কৰাব বুলি ঠিৰাং কৰিছিল।

ৰূপালীমে মায়াব', জুনাফা আৰু ৰুকমী জাতিক ৰক্ষা কৰিবলৈ নিজৰ দেহা মণিমুগ্ধক দান কৰিবলৈ প্ৰস্তুত হৈছে। ৰূপালীম স্বদেশ, স্বজাতি আৰু আপোনজনৰ মুক্তিৰ বিনিময়ত বাধ্য হৈ মণিমুগ্ধৰ ওচৰত আত্মসমৰ্পণ কৰিছিল।

'মণিমুগ্ধ— বুজিছা? যদি এই শৰীৰ মোক দান কৰা, তেতিয়াহ'লে তোমাৰ মায়াব'ক এৰি দিম। ... তোমাৰ দেশৰ সকলো মানুহক।

ৰূপালীম— তেনে তাকে কৰা, তাকে কৰা। তুমি মোক যি কৰিবলৈ কোৱা মই তাকে কৰিম। মই তাকে কৰিম। সিহঁতক এৰি দিয়া। সিহঁতক এতিয়াই এৰি দিয়া।'

ৰূপালীমৰ মায়াব'ৰ প্ৰতি থকা অকপট প্ৰেম, নিষ্ঠা আৰু ত্যাগে মণিমুগ্ধৰ অন্তৰ মহীয়ান আৰু পবিত্ৰ কৰি তুলিলে। ফলত ৰূপালীমে নাৰীত্বক বিসৰ্জন দিয়াৰপৰা ৰক্ষা পৰিছিল। ৰূপালীমৰ সতীত্বত কোনো চেকা নপৰিল। তাই সম্পূৰ্ণ সতীত্বৰে নিজৰ আপোনজনৰ ওচৰলৈ উভতি গ'ল। আনফালে ৰূপালীমে নিজৰ দেহাদানৰ বিনিময়ত ৰুকমী বন্দীয়ে মুক্তি পোৱা, ইতিভেন, জুনাফা আদিয়েও মুক্তি লাভ কৰা বিষয়ত ইতিভেন যথেষ্ট ক্ষুণ্ণ হৈ পৰিছিল। সেয়ে ৰূপালীম সম্পূৰ্ণ সতীত্বৰে কোনো হানি নোহোৱাকৈ উভতি অহা কথা ইতিভেনে বিশ্বাসত ল'ব পৰা নাছিল। বাপেক জুনাফাৰ মুখেৰে ইতিভেনে কোৱাইছে ৰূপালীম অসতী, কলংকিত বুলি। ইতিভেনে কৈছে— 'ৰুকমী তিৰোতাৰ সতীত্ব এটা ডকাইতৰ চৰণত উপহাৰ দি তাই আকৌ ঘূৰি আহি দেশৰ সতীৰ আসনত বহিব খোজে। তাই আকৌ ক'ব খোজে তাইৰ সতীত্বত বোলে চেকা পৰা নাই। মণিমুগ্ধই হৰণ কৰি তাইক পঠিয়াই দিছে।' ৰুকমী সমাজেও তাইক বিশ্বাস নকৰিলে। নৃশংসভাৱে ইতিভেনৰ আদেশত ৰূপালীমলৈ কাঁড়ীকেইটাই কাঁড় মাৰে। কাঁড় গৈ ৰূপালীমৰ গাত বিন্ধা খায়। ইতিভেনৰ ইংগিতত প্ৰহৰীবোৰে ৰূপালীমক চিতাত তুলি জুই জ্বলাই দিয়ে। ৰূপালীমক জীয়াই জীয়াই চিতাত তুলি জ্বলাই দি হত্যা কৰিবলৈ ইতিভেনে কঠোৰভাৱে নিৰ্দেশ দিছিল। ইতিভেনৰ ঈৰ্ষাৰ বশৱৰ্তী হৈ মণিমুগ্ধৰ ইন্দ্ৰিয়জ কামনা আৰু সমাজৰ অন্ধবিশ্বাসৰ জুইত ৰূপালীম জাহ গ'ল। এইদৰে মণিমুগ্ধক একো কৰিব নোৱাৰি ইতিভেনে ৰূপালীমৰ ওপৰত প্ৰতিশোধ লৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাই নাটৰ শেষত ইতিভেনৰ নাৰীসুলভ ঈৰ্ষাৰ সলনি স্বদেশ আৰু স্বজাতিৰ সন্মান ৰক্ষা কৰিবলৈহে, গৌৰৱ ৰক্ষা কৰিবলৈহে ৰূপালীমক হত্যা কৰা দেখুৱাইছে। এইদৰে আগৰৱালাদেৱে ৰূপালীম আৰু ইতিভেন— এই নাৰী চৰিত্ৰ দুটি বিপৰীতধৰ্মী চৰিত্ৰ হিচাপে সৃষ্টি কৰি নাৰী মনস্তত্ত্বৰ বিভিন্ন দিশৰ প্ৰতিফলন কৰিবলৈ সক্ষম হৈছে।

জ্যোতিপ্ৰসাদ আগৰৱালাই 'ৰূপালীম' নাটত চৰিত্ৰৰ বিচিত্ৰতা দেখুৱাবলৈ যাওঁতে নাৰী মনস্তত্ত্বৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটিছে। ■

..............................

**গ্ৰন্থপঞ্জী**


১। গৰীয়সী- (সম্পাঃ) চন্দ্ৰপ্ৰসাদ শইকীয়া, দশম বছৰ, দশম সংখ্যা, জুলাই, ২০০৩।

২। ডেকা, নমিতা আৰু শইকীয়া বৰা লীলাৱতী (সম্পাঃ)- জ্যোতি অন্বেষণ, বাণী মন্দিৰ, গুৱাহাটী, ২০০৩।

৩। বৰুৱা, প্ৰফুল্ল কুমাৰ-জ্যোতিপ্ৰসাদৰ নাটক, বনলতা, ১৯৯৯

৪। শৰ্মা, সত্যেন্দ্ৰ নাথ (সম্পাঃ)- জ্যোতিপ্ৰসাদ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৯৯।

# অপেশ্বৰী পূজাৰ গীত

ড° সৰোজ কাকতি
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

বজালী মহাবিদ্যালয়ত অসমীয়া বিষয়টোক প্ৰধান বিষয় হিচাপে লৈ তিনি বছৰীয়া স্নাতকৰ পাঠ্যক্ৰম পঢ়ি থাকোঁতে ১৯৮৯ চনত পাঠশালাত অসম সাহিত্য সভাৰ অধিৱেশন হৈছিল। আমাৰ মহাবিদ্যালয়ৰ নিচেই কাষতে থকা ভট্টদেৱ ক্ষেত্ৰত অধিৱেশনৰ সকলো আয়োজন কৰা হৈছিল, সভাপতি হৈছিল মহেন্দ্ৰ বৰাদেৱ আৰু অধিৱেশনৰ স্মৃতিগ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব দিয়া হৈছিল বজালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ভূপেন শৰ্মা ছাৰক। স্মৃতিগ্ৰন্থখনৰ বাবে ছাৰে মোক এটা প্ৰবন্ধ লিখিবলৈ দিলে, বিষয়টো হ'ল বজালী অঞ্চলৰ গ্ৰাম্য জীৱনৰ খেল-ধেমালি। এই বিষয়টোৰ তথ্য সংগ্ৰহ কৰিবলৈ চাইকেল চলাই কেইখনমান গাঁৱলৈ গ'লোঁ, খেলবিলাকৰ সৈতে গোৱা কিছুমান গীতো সংগ্ৰহ কৰিলোঁ। সাহিত্য সভাৰ অধিৱেশনৰ সামৰণি পৰিল, মই ভাবিলোঁ এই অঞ্চলত যিবোৰ লোকগীত প্ৰচলিত আছে, সেইবোৰ মই সংগ্ৰহ নকৰো কিয়। এটা সময়ত এইবোৰ গীত মানুহে পাহৰি যাব। এই ভাবি বিভিন্ন গাঁৱলৈ চাইকেল চলাই গ'লোঁ। মানুহৰ আদৰ, সঁহাৰি পাই বৰ ভাল লাগিল। গাঁওবাসীৰ আৰ্থিক অৱস্থা ভাল নাছিল কিন্তু তেওঁলোকৰ মৰম-চেনেহৰ কোনো অভাৱ নাছিল। হাতী ধৰাৰ গীত সংগ্ৰহ কৰিবলৈ শিমলাৰ ওচৰৰ বহু দূৰৰ গাঁও এখনলৈ গৈছিলোঁ, মানুহজনক পুৱাই লগ কৰিবলৈ তিনি বজাতে চাইকেল যাত্ৰা আৰম্ভ কৰিছিলোঁ। কথাবোৰ মনত পৰিলে ভাল লাগে। গীতবোৰ সংগ্ৰহ কৰি আমাৰ বিভাগৰ ছাৰ গোলোকেশ্বৰ গোস্বামী, ভূপেন শৰ্মা আৰু সুৰুচি বাইদেউক দেখুৱাইছিলোঁ। তেখেতসকলে বাৰুকৈয়ে উৎসাহ দিছিল আৰু এনেকৈ মুঠ তেইছটা বিষয়ৰ গীত সংগ্ৰহ কৰিছিলোঁ। 'বজালী অঞ্চলৰ লোকগীত' নাম দি এতিয়া সেইখিনি গীতৰ সংকলন এখন প্ৰকাশৰ আয়োজন কৰি আছোঁ। সেই প্ৰচেষ্টাত মই আচলতে বজালী অঞ্চলত প্ৰচলিত লোকগীতৰ বিশাল ভাণ্ডাৰৰপৰা অতি ক্ষুদ্ৰ অংশ এটাহে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিলোঁ।

এনে বিভিন্ন গীতৰ ভিতৰত অপেশ্বৰী সবাহৰ গীত অন্যতম।

স্বৰ্গৰ অপেশ্বৰীসকলে অতীতৰপৰাই সৌন্দৰ্য আৰু মংগলময়তাৰ প্ৰতীকৰূপে জনমানসত স্থান লাভ কৰি আহিছে। জনবিশ্বাসৰ কল্পনা মতে বিপদৰ সময়ত তেওঁলোকে আহি বিপদগ্ৰস্তক সহায় কৰে, হাতত থাকে যাদুদণ্ড। এই যাদুকাঠিৰে তেওঁলোকে ফুলহীন গছতো ফুলৰ সৃষ্টি কৰে। বন্ধ হৈ থকা নৈ, নিজৰা আদি পানীৰে উপচি পৰে, ফলহীন গছো ফলেৰে ভৰি পৰে, সকলোধৰণৰ পূৰ্ণতাৰ প্ৰতীক হ'ল এই অপেশ্বৰীসকল।

লোকবিশ্বাস অনুসৰি তেওঁলোকে স্বৰ্গত বিচৰণ কৰোঁতে শিশুসকলে কেতিয়াবা অজানিতে তেওঁলোকৰ গাৰ ছায়াত ভৰি দিলে শিশুৰ গাত নানা আসোঁৱাহ দেখা যায়। উপযুক্ত বয়সত খোজ কাঢ়িব নোৱৰা, ভালদৰে মুখৰ মাত নোলোৱা, বিনাকাৰণত শুকাই-খীনাই যোৱা, সময়মতে পুষ্পিতা নোহোৱা আদি নানা কাৰণত অপেশ্বৰী সবাহ অনুষ্ঠিত কৰা হয়। দেওবাৰে দুপৰ বেলা শিশু কন্যাক নিমন্ত্ৰণ কৰি ভৰি-হাত ধুৱাই দি তেওঁলোকক অপেশ্বৰীৰূপে পূজা কৰা হয়।

নামনি অসম বা উজনি অসম দুয়ো ঠাইতে অপেশ্বৰীপূজাৰ গীত তাকৰীয়া যদিও যিখিনি আছে সেইখিনিৰ কাব্যিক মূল্য অতি বেছি। স্বৰ্গৰপৰা নামি অহা অপেশ্বৰীসকলক মহামায়া আদ্যাশক্তি দুৰ্গাদেৱীৰে আন এটা ৰূপ বুলি পূজা কৰা হয়।

পুবে দিলা কুৰী, (?) দেৱতাৰ পুখুৰী,
আনে অপেশ্বৰীৰ পানী।
ফুল দিলু শাৰী শাৰী, আসন দিলু পাৰি।
অপেশ্বৰীৰ পূজাত লাগে, আপি অকুমাৰী।।
সনাৰে জখলা, ৰূপাৰে মেখলা, নামি আহে অপেশ্বৰী।
ইন্দ্ৰই বোলে অপেশ্বৰী তোমাৰ মিলিলা ভোগ
যোৱা শীঘ্ৰ কৰি।।
চালত আছে চালকুঁৱেৰী ৰভাই আছে চাই।
দণ্ড ছত্ৰ ধৰিলা ভাঙুৱাক লাগাল পাই।।
কি দিয়া পূজিম আই কি আছে আমাৰে।
ধন জন মন বুদ্ধি সমস্ত তোমাৰে।।

অন্তৰৰ নিৰ্মল ভক্তিৰ সুন্দৰ প্ৰকাশ এই গীতসমূহৰ মাজত পোৱা যায়। দুখীয়াৰ ঘৰলৈ অপেশ্বৰী আইসকল আহিছে, তেওঁলোকক কিহেৰে আপ্যায়ন কৰিব? মূৰৰ চুলিৰে তেওঁলোকৰ চৰণ মচি দি, দেহৰে সাঁকো পাৰি দি অন্তৰৰ ভক্তি প্ৰকাশ কৰিছে। তেওঁলোক আহিব বুলিয়েই বাটৰ দুবৰি উভালি পেলাইছে।

দুখীয়াৰ ঘৰকে আইছা অপেশ্বৰী
দিবাৰ নাইকা একো।
মাথাৰে কেশেদি চৰণ মচিলোঁ,
দেহেদি পাৰিলোঁ সাঁকো।।
বাটৰে দুবেৰি ফেলং মই উভেৰি
আই আহিব বুলি।
আদখেন বাটৰপে সুদন পুচন
গিৰস্থ সুখী না দুখী।।

অপেশ্বৰীসকল আদ্যাশক্তি মহামায়া দুৰ্গাৰে আন এটা ৰূপ। সময়ত তেওঁৰ বালিকা ৰূপ আৰু প্ৰচণ্ডী ৰূপেৰে তেওঁ মহিষাসুৰকো বধ কৰে।

এক ফালে বালিকা একফালে চণ্ডিকা,
মাজে বিশ্বেশ্বৰী আই।
একে আসনতে তিনিও বৈনেকে,
নানা বলি পূজা খায়।।
চণ্ডিকাৰ কাপালে বালিকা গোসাঁনী,
আপুনি উৎপত্তি ধৰে।
মহিষা অসুৰে, মুখ চাই ৰহিলা
আই সংহাৰণ কৰে।।
আই ঠাকুৰাণী আহি আগতে,
আই শংখ বজাই।
বিমানে সহিতে নামি আহিলা,
নৰ মনিচকে চাই।।

অপেশ্বৰীসকল বা আইসকলক একেই দুৰ্গা দেৱীৰে আন এটা ৰূপ বুলি পূজা সেৱা কৰা হয়। সেয়েহে মহিষা অসুৰক সংহাৰ কৰা, সেই দক্ষ ৰজাৰ দুহিতা সতীয়েই হ'ল পাৰ্বতী।

দক্ষৰ ঘৰতে আছিলা ভগৱতী
তোমাৰ নাম থলা সতী।
স্বামী নিন্দা শুনি, প্ৰাণকে তেজিলা,
ইজন্মে হৈলা পাৰবতী।।
সনাৰে জখলা ৰূপৰে মেখলা
নামি আহে অপেশ্বৰী।
আকাশৰ দেৱতা, মেৰুত ঘূৰিছে,
কুমাৰীক পূজা কৰি।।
স্বৰ্গৰ অপেশ্বৰী বৰিম কেনেকৰি,
দিমনো কেনেকৈ ৰতি।
শুকান পিঠাগুৰি পিহনাত পিহিছে
জয় দেউ কৰিছে স্তুতি।।

দেওবাৰে দুপৰ বেলা অনুষ্ঠিত হোৱা পূজাত পিঠাগুৰি, আৰৈ চাউল, ফুল, তুলসী আদি পূজাৰ উপকৰণৰূপে আগবঢ়োৱা হয়। নাগপত্নীসকলে যেনেদৰে কৃষ্ণক স্তুতি কৰি তেওঁলোকৰ স্বামীৰ জীৱন দান বিচাৰিছিল, তেনেদৰে আইসকলেও অপেশ্বৰীসকলৰ ওচৰত শিশুটিক ৰোগমুক্ত কৰি পুনৰ্জীৱন দান বিচাৰিছে। দুখীয়াৰ ঘৰত তেওঁলোকক দিবলৈ বিশেষ উপচাৰ নাই, অন্তৰ ভৰা ভক্তিৰে দিয়া সাধাৰণ উপচাৰখিনিকে যাতে তেওঁলোকে গ্ৰহণ কৰে।

দেওবাৰে দিপৰ বেলা ছায়াত নেদে ভৰি।
দয়া কৰা ক্ষমা কৰা আই অপেশ্বৰী।।
নাগ পত্নী স্তুতি কৰে হৰি মোৰ প্ৰাণ।
আঞ্চল পাতি মাগো আই দিয়া জীউ দান।।
চৰু ভৰা শুকিল গুৱাৰও মনে ল'বা।
গোপিনী কৰিছে স্তুতি দয়া কৰি যাবা।।
স্বৰ্গৰ অপেশ্বৰী আই দাসীক কৰিবা দয়া।
ফুল তুলসী পূজে আপুনি সন্তুষ্ট হ'বা।।
বিলাই দিয়া নিৰ্মালি মাথাই তুলি লওঁ।
বিদায় দিয়া অপেশ্বৰী ঘৰা-ঘৰি যাওঁ।

গীতবোৰৰ কথাবস্তুৰপৰা বুজিব পাৰি প্ৰাচীন অসমত চলি থকা শৈৱ আৰু শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ কথা। সেইকাৰণে শিৱ, পাৰ্বতী, কালী নাগ, নাগপত্নীসকলৰ উল্লেখ গীতৰ মাজত পোৱা গৈছে। গীতবোৰত পাৰ্বতী আইৰ প্ৰাধান্য সৰ্বাধিক।

আই আহিছি আসনে বহিছি, মাৰে আউলা চাউলৰ চাতি।
হাসে খলা-খলি, কৰে ধূলা-ধূলি, ৰাইজৰ কাৰণি দেখি।।
ঘিলিয়াৰ গাছতে ঘিলিয়া নাইকা,
পাতে জুন জুন সৰে।
মাজৰ মণিকূটত বহিছি দেৱী আই,
বিত্তালে ধেমালি কৰে।।
শীতেলী নদীতে আই চিলন কৰে,
লাহৰ চুলি কচা মেলি।
যুগ যুগ আগতে আই সৰজিলা,
জীৱদান মাগিলোঁ আমি।।
আই আহিবাৰ হ'ল চাৰি দিন, কেলেহী নগৰৰপৰা।
যাবা না নাযাবা, হৰৰ পাৰেৱতী,
কালী নাগ আহিছি সাৰা।।
বহি আছে দেৱী আই দুয়ো হাতে মুঠি।
ৰাইজৰ উপচক্ৰ যাওক পানী উঠি।।
বহি আছে দেৱী আই দুয়োহাতে খাৰু।
মলয়াৰ বা লৈ হৰে বজায় ডম্বৰু।।

এইদৰে প্ৰাচীন কালত লোকশিল্পীসকলে ৰচনা কৰা এই গীতবোৰৰ জৰিয়তে দৈৱ শক্তি আহ্বণ কৰি শিশুসকলৰ ৰোগ নিৰাময়ৰ প্ৰচেষ্টা কৰা হৈছিল। বিজ্ঞানৰ আবিষ্কাৰ, আধুনিক চিকিৎসা পদ্ধতিৰ প্ৰচলন, শিশুসকলৰ বিভিন্ন ৰোগৰ প্ৰতিষেধক প্ৰদান আদি ব্যৱস্থাৰ ফলত জনসমাজৰ এই অপেশ্বৰী পূজাৰ প্ৰচলন গাঁও অঞ্চলতো প্ৰায় নাইকিয়া হৈছে। সেয়েহে লোক-সাহিত্যৰ অন্যতম অংগস্বৰূপে এই গীতবোৰৰ ঐতিহাসিক আৰু সামাজিক গুৰুত্ব সদায়ে থাকিব। ■

# ঐতিহাসিক স্থান গুপ্তকাশী বিশ্বনাথ

ড° কৰবী গোস্বামী
সহকাৰী অধ্যাপক, দৰ্শন বিভাগ

বিশ্বনাথ চাৰিআলিৰ ব্ৰহ্মপুত্ৰৰ পাৰত এক ঐতিহাসিক স্থান বিশ্বনাথঘাট। বিভিন্ন মঠ-মন্দিৰেৰে পৰিপূৰ্ণ মনোমোহা প্ৰাকৃতিক পৰিবেশত অৱস্থিত বিশ্বনাথ ঘাট পৰ্যটনৰ বাবেও বহু সম্ভাৱনাপূৰ্ণ স্থান। বুঢ়ীগাং- ব্ৰহ্মপুত্ৰৰ সংগমত, বৰ্তমান বিশ্বনাথ চাৰিআলি নগৰৰপৰা প্ৰায় ৯ কিলোমিটাৰ দক্ষিণত অৱস্থিত এই ইতিহাসপ্ৰসিদ্ধ বিশ্বনাথ ঘাট। বিশ্বনাথত আৱিষ্কৃত বিভিন্ন শৈল সামগ্ৰী আৰু আহিলা-পাতিয়ে ইয়াৰ ইতিহাস যে বহু পুৰণি প্ৰমাণ কৰিছে। অষ্ট্ৰিক, মংগোলীয় আৰু আৰ্য সংস্কৃতিৰ পূৰ্ণ নিদৰ্শন, ইয়াত খনন কাৰ্যত উদ্ধাৰ হোৱা সামগ্ৰী আৰু মঠ-মন্দিৰসমূহে দাঙি ধৰিছে। কালিকা পুৰাণতো বিশ্বনাথৰ অৱস্থিতি, ইয়াত থকা দেৱ-দেৱীৰ মন্দিৰ আৰু মন্দিৰৰ দেৱ-দেৱীৰ পূজা কৰাৰ নিয়মো স্পষ্টকৈ উল্লেখ পোৱা যায়। ইতিহাসত লিপিবদ্ধ তথ্যৰ উপৰিও বহু অলিখিত লোককথাও ইয়াত প্ৰচালিত হৈ আছে। এই সকলো লিখিত আৰু অলিখিত তথ্যই প্ৰমাণ কৰিছে যে বিশ্বনাথঘাট এক প্ৰাচীনতম পৱিত্ৰ স্থান। কালিকা পুৰাণত উল্লেখ থকা অনুসৰি জগতপতি গৰুড়ধ্বজ নামৰ কোনো এক আৰ্য-পুত্ৰই পশ্চিম ফালৰপৰা আহি বিশ্বনাথত হয়গ্ৰীৱ নামৰ এক অসুৰক বধি এই তীৰ্থত আৰ্য সংস্কৃতি ৰোপণ কৰি মণিকূটলৈ (হাজো) গমন কৰিলে। কালিকা পুৰাণৰ উল্লেখ অনুসৰি বৃদ্ধগংগাৰ (বুঢ়ীগাং) পানীৰ মাজত ব্ৰহ্মপুত্ৰৰ পাৰত বিশ্বনাথ নামে শিৱলিংগ আৰু যোনী-ৰূপা মহাদেৱী বিশ্বদেৱী আছে। বুঢ়ীগাঙৰ পানীৰ মাজৰ মন্দিৰৰ ভংগাৱশেষে আজিও তাৰ ঐতিহ্য বহন কৰি আছে। আহোম ৰাজত্বকালতো বিশ্বনাথ ক্ষেত্ৰত কেইবাটাও দ'ল-দেৱালয় নিৰ্মিত হৈছিল। ১৮৪২ চনত কমিছনাৰ জেনকিন্সে লিখা এক ফয়চলা পত্ৰত বিশ্বনাথত ২৭খন দেৱালয়ৰ কথা উল্লেখ কৰিছে। 'পবিত্ৰ অসম' পুথিত সৰ্বানন্দ ৰাজকুমাৰদেৱে বিশ্বনাথৰ ৩০খন দেৱালয়ৰ নাম উল্লেখ কৰিছে। বিশ্বনাথ দেৱালয়ৰ পুৰোহিত প্ৰয়াত শিৱ বৰঠাকুৰৰ এখন সৰু হাতপুথিত বিশ্বনাথ সম্পৰ্কীয় বিভিন্ন প্ৰবাদ, মঠ-মন্দিৰ আৰু তাতে প্ৰচলিত ৰীতি-নীতিৰ বৰ্ণনা কৰিছে।

বিশ্বৰ নাথ 'বিশ্বনাথ' অৰ্থাৎ বিশ্বৰ গৰাকী। বিশ্বনাথৰ অধিষ্ঠান ক্ষেত্ৰ বাৰানসীক কাশী বোলে। বিশ্বনাথক 'গুপ্তকাশী' বোলা হয় কিয়নো এইখন কাশী বুলি জনাজাত নহয়। কিম্বদন্তি মতে, 'কুমুদ' আৰু 'কৌস্তভ' নামৰ দুজন মুনিৰ শাপত বিশ্বনাথ গুপ্তকাশী হ'ল। কথিত আছে যে শোণিতপুৰৰ অসুৰৰাজ বলিৰ পুত্ৰ বাণ অত্যন্ত শিৱভক্ত আছিল। তেওঁ প্ৰতিদিনে একোখনকৈ 'শিৱ' সাজি পূজা কৰিছিল। পূজাত সন্তুষ্ট হৈ মহাদেৱে এৰাতি ৰজাক স্বপ্নত ক'লে যে তেওঁ বাণৰ ৰাজ্যতে স্বয়ম্ভু কাশীৰূপে বিৰাজমান হৈ আছে, গতিকে প্ৰতিদিনে একোখন শিৱ সাজি পূজা



বিশ্বনাথ দেৱালয়

কৰাতকৈ মহাদেৱৰ অৱস্থান সম্পৰ্কে ব্ৰহ্মপুত্ৰৰ পাৰত তপস্যা কৰি থকা কুমদ আৰু কৌস্তভ মুনিক সুধি পূজা কৰিবলৈ নিৰ্দেশ দিলে। সেই অনুসৰি পিছদিনা বাণ ৰজাই দুই মুনিৰ ওচৰত উপস্থিত হৈ সুধিলে 'কুত্ৰ কাশী' অৰ্থাৎ কাশীৰ অৱস্থান ক'ত। ধ্যানত মগ্ন ঋষিয়ে ৰজাৰ কথা নুশুনিলে। প্ৰখৰ ৰ'দ আৰু তপ্ত বালিত খোজ কাঢ়ি লালকাল হৈ যোৱা ৰজাই খঙতে দ্বিতীয়বাৰলৈ 'কুত্ৰ কাশী' বুলি চিঞৰিলে। সেই চিঞৰ শুনি দুয়ো মুনিৰ ধ্যান ভংগ হ'ল। ধ্যান ভংগ হোৱাত মুনিৰো খং উঠিল আৰু লগে লগেই তেওঁলোকে 'গুপ্তকাশী' বুলি খঙেৰে ক'লে, যিটো পৰোক্ষভাবে বিশ্বনাথৰ ওপৰত অভিশাপ হ'ল। আকস্মিকভাবে অভিশপ্ত হৈ সেই স্থানত শিৱৰ আৱিৰ্ভাৱ



পানীৰ মাজত বিশ্বনাথ

হৈ দুই মুনিক ব্ৰাহ্মণ হৈয়ো খং দমন কৰিব নোৱাৰি অভিশাপ দিয়া বাবে, তেওঁলোকৰ হিয়া দয়া-মায়াহীন শিলৰ দৰে বুলি ক'লে। তেতিয়া দুই মুনি ক্ৰমে শিল হৈ আহিব ধৰিলে। তেওঁলোকে শিৱক স্তুতি কৰি ইয়াৰ খণ্ডন বিচাৰিলে। তেতিয়া মহাদেৱে ক'লে যে কলিৰ শেষত সপ্ত-ম্লেচ্ছৰ যুদ্ধ হ'ব আৰু যুদ্ধত মৃত সৈনিকৰ তেজ ব্ৰহ্মপুত্ৰৰে বৈ আহিব। সেই তেজ যেতিয়া তেওঁলোকৰ গাত লাগিব, তেতিয়াহে তেওঁলোকে পূৰ্বৰ ৰূপ ঘূৰাই পাব আৰু তেওঁলোকৰ কমণ্ডলুৰ পানীৰে যেতিয়া মহাদেৱক স্নান কৰাব, তেতিয়া তেওঁ শাপমুক্ত হ'ব। তেতিয়ালৈকে তেওঁ গুপ্ত হৈয়ে থাকিব আৰু ওচৰৰপৰা আহিও তেওঁক কোনেও চিনি নাপাব। কেৱল পৰম ভক্তজনেহে তেওঁক বিচাৰি পাব। শিলঘাটৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰত 'দুই মুনি শিলা' নামে জনাজাত, দুই শিলাখণ্ডই অভিশপ্ত ঋষিদ্বয় বুলি কোৱা হয় আৰু তেতিয়াৰেপৰা বিশ্বনাথ গুপ্তকাশী নামে পৰিচিত হ'ল।

আন এক কিম্বদন্তি মতে আকৌ এক কোটি শিৱলিংগৰ অধিষ্ঠান ক্ষেত্ৰ বিশ্বনাথ পূৰ্ণকাশীয়ে আছিল। কিন্তু পৃথিৱীত দুখন কাশী থাকিব নোৱাৰে বাবে দেৱতাসকলে এটি শিৱলিংগ বিশ্বনাথ ক্ষেত্ৰৰপৰা নি ব্ৰহ্মপুত্ৰৰ সিপাৰে হাতীমূৰা পৰ্বতৰ কাষত স্থাপন কৰিলে। ফলত বিশ্বনাথ এক কোটিলৈ এখন 'শিৱ' কম শিৱৰ স্থান হ'ল। বিশ্বনাথত থকা প্ৰতিটো শিলেই শিৱ বুলি ধৰা হয় আৰু সেয়েহে ইয়াৰ শিল দাঙিব বা স্থানান্তৰ কৰিব নাপায় বুলি কয়।

বুঢ়ীগাং আৰু ব্ৰহ্মপুত্ৰৰ সংগমত বিশ্বনাথ শিৱলিংগ আৰু যোনি মণ্ডল ৰূপিনী মহাদেৱী বিশ্বদেৱীয়ে অৱস্থান কৰিছে। য'তে ভৈৰৱ শিৱ ত'তে ভৈৰৱী শক্তি। কামাখ্যা ভৈৰৱী, অলপ আঁতৰত 'উমানন্দ' ভৈৰৱ অৱস্থিত। মহাভৈৰৱৰ অলপ আঁতৰত ভৈৰৱী। সেই দৰে বিশ্বনাথতো ভৈৰৱ-ভৈৰৱী, বিশ্বনাথ-বিশ্বদেৱী একেলগে আছে। বিশ্বনাথৰ শক্তিপীঠ চণ্ডী আৰু উমা দেৱালয়। 'বিশ্বনাথ লিংগ' বাৰিষা পানীৰ তল যায়। কাতি মাহত ওলায়। 'গোসাঁই' ওলালে, বালি খান্দি পৰিষ্কাৰ কৰি ঘৰ সজা হয় আৰু আঘোণ মাহৰ এটি শুভদিনত বছৰৰ প্ৰথম পূজাভাগ আৰম্ভ কৰা হয়। সেইদিনাৰপৰা ব'হাগৰ ২ তাৰিখলৈ দৈনিক পূজা কৰা হয়। ব'হাগ বিহুৰ তৃতীয় দিনটো 'গোসাঁই বিহু', সেইদিনা বিশ্বনাথৰ গহ্বৰ সাধাৰণতে পানীৰে উপচি পৰে। পানীতে পূজা কৰি বামৰ 'বিশ্বনাথ'ক আহোম ৰজাদিনীয়া 'কেঁকোৱা দোলা'ত তুলি তিনিমাইল দূৰৰ ভীৰ গাঁৱলৈ ফুৰাবলৈ নিয়া হয়। কিয়নো ভীৰ বিশ্বনাথ মহাপ্ৰভুৰ ঠাকুৰ দেউবীৰ গাঁও। সেই গাঁৱৰ নামঘৰ 'বিশ্বনাথৰ নামঘৰ'। 'গোসাঁই ফুৰোৱা' বিশ্বনাথৰ ৰাজদিনীয়া প্ৰাচীন আৰু প্ৰধান উৎসৱ। গোসাঁইৰ দোলাৰ ওপৰত 'আৰোৱান' ধৰি ঠাকুৰ দেউবী আৰু ৰাইজো শোভাযাত্ৰাৰে উৎসৱ কৰি গোসাঁইক ফুৰাবলৈ নিয়াৰ দৃশ্য অপূৰ্ব, যি এবাৰ দেখিছে, সি ধন্য হৈছে। 'বিশ্বনাথ মহাপ্ৰভু' ফুৰিবলৈ ওলালে সাতখন 'আৰোৱান' লোৱাৰ নিয়ম যি আজিও প্ৰতিপালিত হৈ আহিছে। কিন্তু আজিকালি ভক্তই মানস কৰি দিয়া বাবে আৰোৱানৰ সংখ্যা এশৰো ওচৰা-উচৰি হয়। 'গোসাঁই ফুৰোৱা'ত গোসাঁই ঘূৰি আহি ৰাতি মন্দিৰ সোমাবলৈ ধৰোঁতে গোসাঁনীপক্ষৰ মানুহে গোসাঁইক মন্দিৰত সোমাবলৈ নিদি বাধা দিয়ে। দুয়োপক্ষৰ মাজত সাংসাৰিক লোকশিক্ষামূলক

আমোদজনক তৰ্কাতৰ্কি হয় আৰু শেষত তিনিবাৰ মন্দিৰ প্ৰদক্ষিণ কৰি মন্দিৰত প্ৰৱেশ কৰোৱা হয়। এই প্ৰথা কীৰ্তন ঘৰৰ ফাকুৱা উৎসৱৰ 'বাঁহ ভঙা'ৰ লগত মিল আছে।

যি ঠাইত আজিকালি ব্ৰহ্মপুত্ৰৰ গৰ্ভৰ প্ৰাচীন বিশ্বনাথ মন্দিৰৰ ভগ্নাৱশেষ আৰু বিশ্বনাথ লিংগ অৱস্থিত, সেই ঠাই প্ৰাচীন কালত যথেষ্ট ওখ আৰু শিলাময় আছিল। ব্ৰহ্মপুত্ৰৰ প্ৰবল বানত বিশ্বনাথ মন্দিৰ ধ্বংসপ্ৰাপ্ত হয়। ইয়াৰ ফলত প্ৰাচীন পীঠ, স্থান, ব্ৰহ্মপুত্ৰৰ গৰ্ভত গোসাঁই পৰাত সেই ঠাইত পুনৰ মন্দিৰ নিৰ্মাণ অসম্ভৱ হয় সেইবাবেই পুৰণি পীঠৰপৰা ২০০ মিটাৰমান পশ্চিমৰ বৰ্তমানৰ বামৰ বিশ্বনাথ মন্দিৰ লক্ষ্মী সিংহ স্বৰ্গদেৱে ১৭৭৪ চনত ধ্বংসপ্ৰাপ্ত মন্দিৰৰ বহুতো শিল-ইটা অনাই নতুনকৈ বিশ্বনাথ মন্দিৰ সজাই দিয়ে। বৰ্তমান প্ৰাচীন মূল পীঠ আৰু বৰ্তমানৰ মন্দিৰ দুয়ো ঠাইতে সমানে পূজা-অৰ্চনা হয়। খৰালি হ'লেই বিশ্বনাথৰ দেৱলীয়া লোকসকলে বালি খান্দি গোসাঁই উলিয়াই পূজা-সেৱা কৰে।

বিশ্বনাথঘাটৰ দুই দেৱীপীঠ উমা আৰু চণ্ডী। প্ৰাচীন বিশ্বনাথ পীঠৰপৰা তিনিশ মিটাৰমান দক্ষিণ-পশ্চিমে ব্ৰহ্মপুত্ৰৰ গৰাৰ এক প্ৰকাণ্ড শিলাখণ্ডৰ ওপৰত এই দেৱালয় আছে। ইয়াৰ মূল বিগ্ৰহ দুটা ওচৰা-উচৰি শৈলগৰ্ত। কালিকা পুৰাণত চণ্ডীকেই বিশ্বদেৱী মহাদেৱী বুলি কোৱা হৈছে বুলি অসম সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ 'বিশ্বনাথ-দীপিকা'ত নিত্যানন্দ গগৈৰ 'বিশ্বনাথৰ পুৰণি কীৰ্তি' নামৰ প্ৰবন্ধটোত উল্লেখ আছে। আহোমৰ দিনত বন্ধা প্ৰাচীন মন্দিৰ প্ৰাকৃতিক দুৰ্যোগত ভাঙি পৰে। পুৰণি স্মৃতিচিহ্নৰ ভিতৰত এতিয়া আছে দেৱালয়ৰপৰা দক্ষিণফালে ব্ৰহ্মপুত্ৰৰ পানীলৈ উঠা-নমা কৰিব পৰা এখন পকী খটখটী আৰু কাষত দুখন আহোমদিনীয়া ইটাৰ দেৱাল। বৰ্তমান ইয়াত থকা আলিংগনৰত হৰগৌৰীৰ যুগল মূৰ্তিটো ১৯৬৮ চনত দেৱালয়ৰ কাষত ব্ৰহ্মপুত্ৰৰ তলিত উদ্ধাৰ কৰা হৈছিল। চণ্ডীত এই মূৰ্তিৰ বাহিৰেও শিলেৰে বনোৱা চালি ধৰি থকা এটা ধুনীয়া চতুৰ্ভুজ বিষ্ণুমূৰ্তি ৰক্ষিত আছে।



চণ্ডী মন্দিৰত সংৰক্ষিত মূৰ্তি

বিশ্বনাথ ক্ষেত্ৰৰ অন্তৰ্গত উমা-টুমনি দ্বীপৰ দক্ষিণ-পশ্চিম কোণৰ উচ্চতম স্থানৰ এটা প্ৰকাণ্ড শিলাখণ্ডৰ ওপৰত এই দেৱালয়। চণ্ডী আৰু বিশ্বনাথৰ সমসাময়িক এই দেৱালয়। এই তিনিখন পীঠস্থানৰ অৱস্থিতি ত্ৰিভুজৰ দৰে। ইয়াৰো মূল বিগ্ৰহ দুটা শৈল কুণ্ড। প্ৰাক্ আহোম যুগৰ যোনিপীঠৰ অংশবিশেষ, ভগ্ন গজসিংহৰ মূৰ্তি আদি থকা কেইবাটাও শিল ইয়াত আজিও দৃশ্যমান। শিব সিংহৰ দিনত সজা প্ৰাচীন দেৱালয় এতিয়া নাই। কথিত আছে ইয়াতে উমাই তপস্যা কৰি শিৱক সাক্ষাৎ কৰিছিল। উমা আৰু চণ্ডী দুয়োখন শক্তিপীঠ। চণ্ডীত 'সতী'ৰ সোঁ বাহু আৰু সোঁস্তন আৰু উমাত বাঁও বাহু আৰু বাঁও স্তন পৰিছিল বুলি কোৱা হয়। দুয়োখনেই উপ-পীঠ।

বিশ্বনাথত থকা সাতাইছখন দেৱালয়ৰ ভিতৰত বৰ্তমান বামৰ আৰু পানীৰ বিশ্বনাথ, পূৰ্বশংকৰ, উমা, চণ্ডী, মুক্তিনাথ অন্নপূৰ্ণা, বাণেশ্বৰ বৰদৌল, সূৰ্যমাধৱ, কমলেশ্বৰ আৰু প্ৰতাপগড়ৰ বুঢ়া মাধৱত পূজা উৎসৱাদি হৈ থাকে।

চণ্ডীৰপৰা মাত্ৰ ১৩ মিটাৰ পশ্চিমত থকা দেৱালয়খনকে বৰ্তমান কোনোৱে সূৰ্যমাধৱ আৰু কোনোৱে বৰ্তমান গণেশ দেৱালয় বুলি কয়। গণেশৰ মূৰ্তিয়ে মূল বিগ্ৰহ হিচাপে স্থান পোৱা এই দেৱালয়ৰ মূৰ্তিটো আজি প্ৰায় এশবছৰমান আগতে পদ্মেশ্বৰ শৰ্মা ঠাকুৰ নামৰ এজন লোকে ইয়াত স্থাপন কৰিছিল। কোৱা হয় কালিকা পুৰাণৰ কালৰ, জগতপতি গৰুড়ধ্বজ বিষ্ণু আৰু আহোম যুগৰ সূৰ্যমাধৱ মন্দিৰ একেটাই আছিল। সেই কালত এই মন্দিৰটো আছিল বিশ্বনাথ মন্দিৰ ক্ষেত্ৰৰ পশ্চিম দিশত আৰু কমলেশ্বৰ দেৱালয়ৰপৰা ৬০ মিটাৰমান দক্ষিণ-পশ্চিমত। দৰং গেজেটিয়াৰৰ মতে গদাধৰ সিংহই ১৬৮৫ চনত সূৰ্যমাধৱ দেৱালয় সজাইছিল। সেই মন্দিৰ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। সম্প্ৰতি গণেশ দেৱালয়ত, (সূৰ্যমাধৱ) ৰক্ষিত বিতোপন চতুৰ্ভুজ গণেশৰ মূৰ্তিটো অষ্টম-দশম শতিকাৰ মানৰ। তদুপৰি আহোম যুগীয় চতুৰ্ভুজ সূৰ্যৰ মূৰ্তিও ইয়াত আছে। পুৰণি কালৰপৰা জন্মাষ্টমী পূজা সূৰ্যমাধৱ দেৱালয়ত গোটেই ৰাতি ধৰি হয়। নামনি অসমৰ 'জ্বলা বটা' দৰে এবিধ মচলাৰ প্ৰসাদো জন্মাষ্টমীত তৈয়াৰ কৰা হয়।

১৭৫৯ চনত ৰাজেশ্বৰ সিংহই বিশ্বনাথত যজ্ঞেশ্বৰ সদাশিৱৰ মন্দিৰ নিৰ্মাণ কৰে, যিটো বৰ্তমান বাণেশ্বৰ বৰদ'ল নামেৰে পৰিচিত। মন্দিৰৰ স্থপতি ৰীতি অসমীয়াৰ নিজা বুলিব পাৰি। ইয়াৰ শিখৰ নাগৰ ৰীতিৰ, আমলক আৰু কলহ প্ৰতিষ্ঠা কৰা আছে। মণ্ডপগৃহৰ দুৱাৰ দক্ষিণ মুখে যদিও পূবৰ বেৰত দুখন উপ-দুৱাৰ আছে। এই মন্দিৰৰ প্ৰধান বিগ্ৰহ হ'ল এটি বিতোপন বাণলিংগ। ইয়াৰ বাহিৰেও মস্তকহীন শিৱমূৰ্তি আৰু এটি গণেশৰ প্ৰতিকৃতি ইয়াত ৰক্ষিত হৈ আছে।

প্ৰাচীন বিশ্বনাথ মন্দিৰৰ পীঠৰপৰা মাত্ৰ ৫ মিটাৰ উত্তৰ-পূৱত শংকৰ দেৱালয় অৱস্থিত। বৰ্তমান ইয়াত বিগ্ৰহ কুণ্ডটোৰ বাদে একো স্মৃতিচিহ্ন নাই।



উমাদেৱীৰ পীঠ

উমাটুমনিত উমা দেৱালয়ৰপৰা ২৩ মিটাৰ উত্তৰত বাসুদেৱ দ'ল অৱস্থিত। পুৰণি স্মৃতি হিচাপে ইয়াত বৰ্তমান তিনি মিটাৰ দীঘ-প্ৰস্থৰ এটা ইটাৰ ভেটি আৰু অনাদৃতভাৱে পৰি থকা বংশীবাদন কৃষ্ণৰ মূৰ্তিৰ বাহিৰে একো নাই।

কমলেশ্বৰ সিংহই ইটাৰে বিশ্বনাথ ক্ষেত্ৰত কমলেশ্বৰ শিৱ মন্দিৰটো সজাইছিল। এইটো মন্দিৰো প্ৰাকৃতিক দুৰ্যোগত ভাঙি যায়। কমলেশ্বৰৰপৰা ১২০ মিঃ পূবে ব্ৰহ্মপুত্ৰৰ পাৰত মুক্তিনাথ শিৱ মন্দিৰ আছিল। ইয়েই আহোম যুগৰ বিশ্বনাথ ক্ষেত্ৰৰ শেষ কীৰ্তিচিহ্ন।

তদুপৰি প্ৰতাপগড় বাগিচাত বুঢ়া মাধৱ দেৱালয় অৱস্থিত। ইয়াতো বহু প্ৰাচীন শৈল মন্দিৰৰ কলচী শৈলদ্বাৰপট্টিৰ অৱশেষ, বিষ্ণু পদ্ম আদি ভাস্কৰ্য আছে। শিব সিংহৰ দিনৰ এই মন্দিৰো ধ্বংসপ্ৰাপ্ত হয়।

এই মঠ-মন্দিৰসমূহৰ উপৰি খননকাৰ্যত উদ্ধাৰ হোৱা বুঢ়া মাধৱ দেৱালয়ৰ তাৰা দেৱীৰ মূৰ্তি আৰু বিশ্বনাথ ক্ষেত্ৰত থকা 'ভালুক গোসাঁই' নামে পৰিচিত অশোক স্তম্ভৰ দৰে পিঠিয়া-পিঠিৰ চতুৰ সিংহৰ প্ৰতিমূৰ্তি (যদিও চক্ৰটো নাই) থকালৈ চাই বিশ্বনাথ অঞ্চলত বৌদ্ধ মন্দিৰ আৰু বৌদ্ধধৰ্মী লোক থকা বুলি অনুমান কৰা হয়।

বিশ্বনাথ ক্ষেত্ৰৰ বৰ্তমানৰ অৱস্থাটোলৈ চাই দেখা যায় যে বহুতো প্ৰাচীন কীৰ্তিচিহ্ন ইয়াত অনাদৃত হিচাপে পৰি আছে। দুৰ্যোগত জাহ যোৱাৰ পিছত থকা অৱশিষ্টখিনিৰো সংৰক্ষণৰ ব্যৱস্থা সঠিক নহয়। সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰে পৰিবিষ্ট এই ক্ষেত্ৰখন সম্পূৰ্ণ ৰক্ষণাবেক্ষণ কৰি পৰ্যটকক আকৰ্ষণ কৰিব পৰাৰ পূৰ্ণ সম্ভাৱনা আছে। প্ৰদূষিত পৰিৱেশেও পৰ্যটকক ইয়ালৈ আকৰ্ষিত কৰিব পৰা নাই যেন ভাব হয়। বিশ্বনাথ পীঠৰপৰা বা চণ্ডী আৰু উমাটুমনিলৈ দলঙৰ ব্যৱস্থা কৰি, পৰ্যটনৰ সুবিধাসমূহ কৰিব পাৰিলে পৰ্যটকক আকৰ্ষিত কৰিব পৰাৰ পূৰ্ণ সম্ভাৱনা আছে। ■

*প্ৰসংগ পুথি ঃ*

১। *বিশ্বনাথৰ পুৰণি কীৰ্তি (প্ৰবন্ধ), নিত্যানন্দ গগৈ, 'বিশ্বনাথ-দীপিকা', স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা ষট্ পঞ্চাশতম অধিৱেশন, ১৯৯০ চন।*

২। *'গুপ্তকাশী বিশ্বনাথ' শিৱ বৰঠাকুৰ, বৰঠাকুৰ প্ৰকাশন, বিশ্বনাথ ঘাট, ২০১৪।*

# ৰাজনৈতিক কাৰ্টুন আৰু আমি

গীতিকা শৰ্মা
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

বাতৰিকাকত, আলোচনী আৰু আজিকালি ছ'চিয়েল মিডিয়াতো আমি যথেষ্ট খবৰ আৰু বিভিন্নধৰণৰ ঘটনাৰ বিষয়ে জানিব পাৰোঁ। পৃষ্ঠাজোৰা খবৰে কেতিয়াবা মনত ৰেখাপাত কৰে বা চিন্তাৰ উদ্রেগ কৰে আৰু কেতিয়াবা দোমোজাত পেলায় যে ঘটনাসমূহ কিয় হৈছে বা কি হ'ব তাৰ ফলাফল। কিন্তু তাৰ মাজতে যেতিয়া আমি বাতৰিকাকতৰ সম্পাদকীয় পৃষ্ঠা বা প্ৰথম পৃষ্ঠাৰ এটা কোণত সৰুকৈ এটা কাৰ্টুন দেখা পাওঁ, তাৰ হাস্যকৰ, ব্যংগাত্মক কিন্তু অৰ্থবহ চৰিত্ৰ অংকন আৰু তাৰ লগত জড়িত বক্তব্য পঢ়িবলৈ পাওঁ, তেতিয়া পৃষ্ঠাজোৰা খবৰে দিব নোৱৰা প্ৰশ্নৰ উত্তৰ পোৱা যায়। আৰু তেনে চিত্ৰাংকনেই হৈছে কাৰ্টুন। কাৰ্টুন অংকন কৰা শিল্পীজনৰ দৃষ্টিৰে পাঠকে সেই বিষয়টো নতুনকৈ চাবলৈ সুযোগ পায়।

ৰাষ্ট্ৰ এখনত যিধৰণৰ ৰাজনৈতিক ব্যৱস্থাই নাথাকক কিয় জনসাধাৰণ সদায় মুখ্য বিষয়। সাধাৰণ জনতাৰ স্বাৰ্থ আৰু স্বাধীনতা ৰক্ষাৰ বাবেই হয়তো কাৰ্টুনৰ সৃষ্টি হৈছিল। কাৰ্টুনৰ ইতিহাসৰ পাততো তাৰেই উমান পোৱা যায়। বিশেষকৈ ৰাজনৈতিক কাৰ্টুনৰ এইক্ষেত্ৰত বিশেষ গুৰুত্ব আছে।




**ৰাজনৈতিক কাৰ্টুন আৰু ইয়াৰ ইতিহাস**

সাধাৰণ ভাষাত কোনো এক বিষয়বস্তুৰ ওপৰত ব্যংগাত্মক চৰিত্ৰ অংকনকে কাৰ্টুন বোলা হয়। বাতৰিকাকত, আলোচনী আদিত এনেধৰণৰ চৰিত্ৰ অংকনৰ আঁৰত বিশেষ উদ্দেশ্য থাকে। অৰ্থাৎ ইয়াৰ জৰিয়তে বিষয়বস্তুটো সম্পৰ্কত প্ৰকৃত স্বৰূপ প্ৰকাশ কৰাত চেষ্টা কৰা হয়। যেতিয়া ৰাজনৈতিক বিষয়বস্তু লৈ এনেধৰণৰ চৰিত্ৰ অংকন কৰা হয়, তেতিয়া তাক ৰাজনৈতিক কাৰ্টুন বোলা হয়।

১৪শ শতিকাৰ শেষৰ ফালে ইংলেণ্ডত ৰাজনৈতিক ঘটনাৰ বিশ্লেষণত বাতৰিকাকতত প্ৰথম কাৰ্টুন প্ৰয়োগ কৰা হৈছিল। ফ্ৰান্সৰ বিপ্লৱৰ সময়তো কাৰ্টুনৰ কেৰিকেছাৰৰ জৰিয়তে বাতৰিকাকতত সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতি হুবহু পৰিৱেশন কৰা হৈছিল। জেম্ছ গিলৰে (James Gillray)ক ৰাজনৈতিক কাৰ্টুনৰ জনক বুলি জনা যায়। তেওঁক ব্যংগাত্মক কাৰ্টুনৰ জনক বুলি জনা যায়। তেওঁৰ ব্যংগাত্মক কাৰ্টুনত ইংলেণ্ডৰ ৰজা, যুৱৰাজ কোনো সাৰি যোৱা নাছিল। বিশেষকৈ ইংলেণ্ডৰ ৰজা জৰ্জ তৃতীয়, ফ্ৰান্সৰ বিপ্লৱ আৰু নেপ'লিয়নৰ চৰিত্ৰ তেওঁৰ কাৰ্টুনৰ জৰিয়তে জনসাধাৰণৰ আগত জীৱন্ত ৰূপত উপস্থাপন কৰিছিল। তেওঁৰ কাৰ্টুনসমূহৰ যোগেদি ৰাজপৰিয়ালৰ সমালোচনাও কৰিছিল। জৰ্জ ক্ৰুইকস্কউক (১৭৯২-১৮৭৮) আন এগৰাকী বিখ্যাত কাৰ্টুনিষ্ট ব্ৰিটেইনৰ ৰাজনৈতিক দল আৰু যুৱৰাজক লৈ কাৰ্টুন অংকন কৰিছিল। সেই সময়ত ফ্ৰান্স আৰু ইংলেণ্ডত বাতৰিকাকত আৰু আলোচনীত কাৰ্টুনৰ মাধ্যমেৰে বহুতো সামাজিক, ৰাজনৈতিক ঘটনাৰ আভাস পোৱা গৈছিল। Dunch নামৰ ইংলেণ্ডৰ ৰাজনৈতিক সাপ্তাহিকখন কাৰ্টুনৰ বাবেই সাধাৰণ লোকৰ মাজত জনপ্ৰিয় আছিল। ১৮৪১ চনত হেনৰী মেথিউ ড্ৰ সম্পাদনা কৰা এই সাপ্তাহিকখনৰ ব্যংগাত্মক ছবিসমূহৰ অন্তৰ্নিহিত অৰ্থই এফালে মানুহক আমোদ দিছিল আৰু আনফালে সমাজৰ সমসাময়িক ঘটনাসমূহৰ প্ৰতি সচেতন কৰি তুলিছিল। ১৮৪৩ চনত আলোচনীখনত হাস্যকৰ ছবিক বুজাবলৈ পোনপ্ৰথমবাৰৰ বাবে 'Cartoon' শব্দটো প্ৰয়োগ কৰা হয়। ইয়াৰ মুখ্য কাৰ্টুনিষ্ট আছিল Jonn Jenniel, আধুনিক যুগত বাতৰিকাকত আৰু আলোচনীৰ উপৰি আৰু বিভিন্ন ৰাজহুৱা গণমাধ্যমত কাৰ্টুনৰ জনপ্ৰিয়তা আৰু প্ৰসাৰতা এক শক্তিশালী জনসংযোগ আহিলা হিচাপে বৃদ্ধি পাইছে। আজিকালি জনস্বাৰ্থজড়িত সংবাদ দিবলৈ শ্ৰাব্য-দৃশ্য মাধ্যম, ইণ্টাৰনেট, বোলছবি, বিজ্ঞাপন আদি সকলোতে কাৰ্টুন উত্তম মাধ্যম হিচাপে প্ৰয়োগ কৰা হয়। প্ৰকৃততে কাৰ্টুনসমূহ সাধাৰণ ছবিতকৈ পৃথক। কিয়নো কাৰ্টুনৰ বিষয়সমূহ গুৰুত্বপূৰ্ণ কিন্তু তাক আমোদজনকভাৱে বা কৌতুকপূৰ্ণৰূপে প্ৰকাশ কৰা হয়।

**ভাৰতত ৰাজনৈতিক কাৰ্টুনৰ ভূমিকা**

ব্ৰিটিছৰ ৰাজত্বকালতেই ভাৰতত ৰাজনৈতিক সাধনা বিশ্লেষণত প্ৰথম ৰাজনৈতিক কাৰ্টুন ব্যৱহাৰ হয় যদিও পশ্চিমীয়া সমাজৰপৰা ভাৰতৰ সমাজত কাৰ্টুনৰ আৱিৰ্ভাৱ হয়, সময় যোৱাৰ লগে লগে ভাৰতৰ নিজস্ব সমাজৰ বৈশিষ্ট্যৰে স্বকীয় ৰূপত কাৰ্টুনৰ শিল্পীসকলে ইয়াত প্ৰয়োগ কৰা দেখা যায়। আৰু অতি সোনকালে জনসাধাৰণৰ মাজত বিশেষভাৱে জনপ্ৰিয় হ'বলৈ ধৰে। কে শংকৰ পিল্লাইকে কিছুমানে ভাৰতৰ ৰাজনৈতিক কাৰ্টুনৰ পিতৃ বুলি ক'ব খোজে। বৰ্তমান ভাৰতৰ প্ৰায় সকলো অঞ্চলতে স্বকীয় বৈশিষ্ট্য থকা ৰাজনৈতিক কাৰ্টুনৰ অংকন কৰা বহুতো চিত্ৰশিল্পী আছে। তেওঁলোকৰ কাৰ্টুনৰ চৰিত্ৰসমূহ বহুতৰে মাজত জনপ্ৰিয়। তেনে এক বিখ্যাত আৰু জনপ্ৰিয় কাৰ্টুন চৰিত্ৰ হৈছে Common man (সাধাৰণ মানুহ) বিখ্যাত কাৰ্টুনিষ্ট আৰ কে লক্ষ্মণ (২৪ অক্টোবৰ, ১৯২১-২৬ জানুৱাৰী, ২০১৫) সৃষ্টি কৰা এই কাৰ্টুন চৰিত্ৰটোৰ জৰিয়তে ভাৰতৰ সাধাৰণ জনতাক প্ৰতিনিধিত্ব কৰিছিল। ভাৰতৰ সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতি, চৰকাৰৰ নীতি আদিয়ে জনসাধাৰণৰ ওপৰত কি প্ৰতিক্ৰিয়া কৰিছিল, তাক হুবহু ৰূপত প্ৰতিফলিত কৰিছিল। আন কথাত ক'বলৈ গ'লে commn man কৌতুক চৰিত্ৰটোৱে ভাৰতৰ সাধাৰণ মানুহৰ আশা, আকাংক্ষা, দুখ-দুৰ্দশা ফুটাই তুলিব পাৰিছিল। আগশাৰীৰ বাতৰিকাকত আৰু আলোচনী যেনে— 'Jimes of India', 'The Hindu' আদিত ৰাজনৈতিক ঘটনাৰ বিশ্লেষণত কাৰ্টুনক শক্তিশালী মাধ্যম হিচাপে প্ৰয়োগ কৰা হৈছিল। আৰ কে লক্ষ্মণক তেওঁৰ কাৰ্টুনৰ পাৰদৰ্শিতাৰ বাবেই 'পদ্ম বিভূষণ' উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতৰ বিখ্যাত কাৰ্টুনিষ্টসকল হ'ল হৰিশ চন্দ্ৰ লাল্পি, চি জে মচুদেৱন, সুধীৰ ধৰ, বি ডি ৰামমূৰ্তি, বান থাকাৰে, খুশৱন্ত সিং ইত্যাদি।

**অসমৰ ৰাজনৈতিক কাৰ্টুনৰ আৰম্ভণি**

অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি বৈষ্ণৱী আন্দোলন আৰম্ভ কৰিছিল, তেতিয়াই চৰিত্ৰ অংকনৰ প্ৰথম আৰম্ভণি হৈছিল বুলি ক'ব পাৰি। (১৪৪৯-১৫৬৮) কিয়নো গুৰুজনাই সাঁচিপাতৰ পুথিতে প্ৰথম তেনে ছবি অংকন কৰি একোটা কাহিনী প্ৰকাশ কৰিছিল। অৱশ্যে সেই ছবিবোৰ আজিৰ কাৰ্টুনৰ দৰে নাছিল। কোনো সমালোচনামূলক ভাব নাই, কিন্তু তেওঁ বৈষ্ণৱ ধৰ্মক প্ৰচাৰৰ এক মাধ্যম হিচাপে হাস্যৰসৰ জৰিয়তে ছবি অংকন কৰিছিল।

আধুনিক অসমৰ আৰম্ভণিতেই আলোচনীৰ কাৰ্টুনৰ প্ৰয়োগ দেখা গৈছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদিত বাঁহীত কাৰ্টুন সন্নিবিষ্ট আছিল। জনপ্ৰিয় কাৰ্টুনৰ চৰিত্ৰসমূহ আছিল কৃপাবৰ বৰুৱা, মিমান বিহাৰ, ভোজন বিহাৰ ইত্যাদি। সমসাময়িক অসমীয়া সমাজখনেই তেওঁৰ কাৰ্টুনৰ বিষয়বস্তু আছিল। অসমীয়া



মানুহৰ এলেহুৱা স্বভাবটোক লৈ কানীয়া বুলি তেওঁ চৰিত্ৰ অংকন কৰিছিল। প্ৰকৃততে তেওঁ অন্ধভাৱে পশ্চিমীয়া সংস্কৃতি অনুসৰণ কৰা নতুনকৈ উদ্ভৱ হোৱা অসমীয়া মাধ্যবিত্ত শ্ৰেণীটোক লক্ষ্য কৰিছে, আমোদৰ মাজেৰে কাৰ্টুনৰ জৰিয়তে দোষবোৰ আঙুলিয়াই দিছিল।

**ৰাজনৈতিক কাৰ্টুনৰ গুৰুত্ব**

"The pen is mighter than the sward"– বুলি এষাৰ কথা আছে। ইয়াৰ অৰ্থ হ'ল হিংসা বা শক্তি প্ৰয়োগ কৰি যি কাম কৰিব নোৱাৰি, কলমৰ লেখাৰে তাক কিন্তু কৰিব পাৰি। বিশেষকৈ জনসাধাৰণে মন প্ৰভাৱান্বিত কৰিবলৈ শক্তিৰ নহয়, শব্দৰহে প্ৰয়োজন। কলমেৰে লিখা শব্দ আৰু চিত্ৰ দুয়োটাৰে সমানে গুৰুত্ব আছে। এজন সাংবাদিক আৰু এজন কাৰ্টুনিষ্টৰ মাজত একে উপাদান থাকে, যাৰ জৰিয়তে জনসাধাৰণ আৰু চৰকাৰক কি ক'ব বিচাৰিছে তাক ভাবিবলৈ বাধ্য কৰাব পাৰে। যিহেতু বাতৰিকাকত আদি গণমাধ্যমসমূহত সামাজিক, ৰাজনৈতিক ঘটনাৰ বিষয়ে আলোচনা কৰা হয় আৰু কাৰ্টুনিষ্টসকলেও কৌতুকপূৰ্ণ ছবিৰ জৰিয়তে কিন্তু অৰ্থবহভাৱে সেই বিষয়সমূহ উপস্থাপন কৰে, তাৰ ফলত জনসাধাৰণে জানিবলৈ সুবিধা পায় যে সমাজখনত প্ৰকৃততে কি ঘটি আছে। আকৌ চৰকাৰ আৰু ৰাজনৈতিক দল, নেতাসকলকো ক্ষমতা প্ৰয়োগত সচেতনতা অবলম্বন কৰিবলৈ সকীয়াই দিয়া হয়।

পৃথিৱীৰ বিভিন্ন দেশত ৰাজনৈতিক কাৰ্টুনৰ বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হয়। অষ্ট্ৰেলিয়াত গণতন্ত্ৰত কথা কোৱাৰ স্বাধীনতাৰ বিশেষ মূল্য দিয়া হয়। তাৰ লগতে চিত্ৰ অংকনৰো স্বাধীনতা আছে। সেইবাবে অষ্ট্ৰেলিয়াৰ কাৰ্টুনিষ্টসকলে মুক্তভাৱে ব্যংগাত্মক চিত্ৰৰদ্বাৰাই ৰাজনৈতিক ঘটনা বা সমস্যাবিলাক উদঙাই দিয়াই নহয়, ৰাজনৈতিক দল বা নেতাৰ স্বৈৰাচাৰী কাৰ্যক কাৰ্টুনৰ জৰিয়তে চোকা সমালোচনাও কৰে।

প্ৰকৃততে কাৰ্টুনৰ জৰিয়তে কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ আসোঁৱাহবোৰ প্ৰকাশ কৰাক লৈ সমালোচনা বা বিতৰ্ক চলি আছে যদিও কাৰ্টুনৰ প্ৰয়োজনীয়তা কোনেও নুই কৰিবও নোৱাৰে। কাৰ্টুন বা ব্যংগাত্মক চিত্ৰই মানুহক আমোদ দিয়ে। এই আমোদ, কৌতুকতাই জীৱনক উপলব্ধি কৰিবলৈ শিকায় আৰু সুখ অনুভৱ কৰাত সহায় কৰে আৰু তাৰে সুযোগ লৈ কাৰ্টুনিষ্টসকলে গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ চৰিত্ৰ অংকন কৰি জনসাধাৰণক সেইবোৰৰ প্ৰতি অতি সহজে সচেতন কৰি তুলিব পাৰে, যিটো পৃষ্ঠাজোৰা বাতৰিকাকতৰ সম্পাদকীয়ত কেতিয়াবা নোৱাৰিব পাৰে। প্ৰাচীন গ্ৰীচৰ গুহা মানৱসকলে সেই তেতিয়াৰ দিনত গুহাৰ দেৱালত চিত্ৰ অংকন কৰি মানৱভাৱে প্ৰকাশ কৰিব বিচাৰিছিল, সেয়াই হয়তো মানৱ জাতিৰ প্ৰথম কাৰ্টুন। এতিয়া বিশ্বৰ প্ৰায় সকলো দেশতে জনসাধাৰণৰ, জনসংযোগৰ এক শক্তিশালী মাধ্যম হিচাপে কাৰ্টুনৰ বহুলভাৱে জনপ্ৰিয়তা আছে।

কাৰ্টুনৰ গুৰুত্ব উপলব্ধি কৰিয়েই পাঠ্যপুথিত কাৰ্টুন অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে সেই বিষয়টোক লৈ বহুতৰে মাজত মতানৈক্যও দেখা গৈছে। কিছুমানে ক'ব বিচাৰে যে ৰাজনৈতিক কাৰ্টুনৰ জৰিয়তে ৰাজনৈতিক নেতা বা দল বা বিশিষ্ট ব্যক্তিবিশেষক তিৰস্কাৰ কৰা হয়। কিন্তু প্ৰকৃততে ৰাজনৈতিক কাৰ্টুনৰ উদ্দেশ্য সেইটো নহয়। কোনো বিশেষ ঘটনা বা সমস্যা যেতিয়া সামাজিক বা ৰাজনৈতিক দিশৰপৰা চিন্তনীয় হৈ পৰে, তেনে বিষয় লৈ কাৰ্টুন চিত্ৰাংকন কৰা শিল্পীজনে সম্পূৰ্ণ নিজৰ দৃষ্টিভংগীৰে ছবিৰ মাজেৰে তাক কৌতুকপূৰ্ণ অথচ অৰ্থবহ কৰি তোলে। পাঠকে শিল্পীজনৰ দৃষ্টিভংগীৰে ছবি চাই নিজৰ ধাৰণা কৰিব পাৰে। তাত কোনো বাধ্যবাধকতা নাথাকে।

বৰ্তমান বিশ্বৰ প্ৰায়বোৰ দেশতে গণতান্ত্ৰিক শাসন ব্যৱস্থা দেখা যায়। আৰু ৰাজনৈতিক কাৰ্টুনৰ গণতন্ত্ৰত বিশেষ প্ৰয়োজন আছে। কিয়নো প্ৰায়ে দেখা যায় পৰোক্ষ গণতন্ত্ৰত জনসাধাৰণৰ প্ৰতিনিধিসকলে ৰাইজৰ ভোটেৰে নিৰ্বাচনত জয়লাভ কৰি শাসনৰ ক্ষমতা পায়। কিন্তু বেছিভাগেই ৰাইজৰ স্বাৰ্থক পিঠি দি নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণতহে ব্যস্ত হয়। তেনেক্ষেত্ৰত ৰাইজে জনসংযোগৰ গণমাধ্যমবোৰৰ যোগেদি প্ৰতিবাদ কৰে। ৰাজনৈতিক কাৰ্টুন এনে এক মাধ্যম যি জনসাধাৰণক ৰাজনৈতিক চেতনা জাগ্ৰত কৰিব পাৰে আৰু সঠিক সিদ্ধান্ত লোৱাত সহায় কৰিব পাৰে। স্বাধীন ৰাষ্ট্ৰ এখনত জনসাধাৰণে তেতিয়াহে গণতন্ত্ৰক প্ৰকৃত অৰ্থত উপলব্ধি কৰিব পাৰিব যেতিয়া নিজৰ চেতনাৰে শুদ্ধ-অশুদ্ধ বিচাৰ কৰিব পাৰিব আৰু নিজৰ লগতে আনকো সাহসেৰে সত্যক স্বীকাৰ কৰি নিৰ্ভীকভাৱে তাক প্ৰতিষ্ঠা কৰিবলৈ বাধ্য কৰাব পাৰিব। এই পদক্ষেপ লোৱাৰ ক্ষেত্ৰত ৰাজনৈতিক কাৰ্টুনে আৰম্ভণিৰেপৰাই সাধাৰণ শ্ৰেণীৰ ৰাইজক বিশেষভাৱে অনুপ্ৰেৰণা যোগাই আহিছে আৰু অনাগত দিনতো এই শিল্পৰ গুৰুত্ব অক্ষুণ্ণ থাকিব। ■





# বৰ্তমান সমাজত নৱপ্ৰজন্মৰ ভূমিকা

## (মহাবিদ্যালয় সপ্তাহৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰবন্ধ)

**কৰবী কলিতা**
স্নাতক দ্বিতীয় ষাণ্মাসিক, দৰ্শন বিভাগ

**আৰম্ভণি ঃ**

সমাজ এখন দ্ৰুতগতিত সলনি হয়। এই সলনিত সমাজত নৱপ্ৰজন্মই এটা বিশেষ ৰূপ পৰিচালনা কৰে। প্ৰতিটো প্ৰজন্মই সমাজ এখনৰ পৰিৱৰ্তন কৰি তাক এখন সু-সমাজ কৰি গঢ়ি তোলে। এখন সু-সমাজৰ জৰিয়তেহে এখন উজ্জ্বল দেশৰ ভৱিষ্যৎ গঢ়ে, যাৰবাবে নৱপ্ৰজন্মই এটা বিশেষ ভূমিকা আগবঢ়ায়।

**বৰ্তমান সমাজ ঃ**

বৰ্তমান সমাজখন উচ্চ চিন্তাধাৰাৰ সমাজ কিন্তু লগতে কিছুমান ৰীতি-নীতিৰে আৱৰা।

**বৰ্তমানৰ নৱপ্ৰজন্ম ঃ**

বৰ্তমানৰ নৱপ্ৰজন্ম উচ্চ আকাংক্ষা আৰু পৰিৱৰ্তনৰ প্ৰতি আগ্ৰহী।

**বৰ্তমান সমাজত নৱপ্ৰজন্মৰ ভূমিকা ঃ**

নৱপ্ৰজন্মই বহুতো দিশেৰে বৰ্তমান সমাজখন পৰিচালিত কৰিব পাৰে। কু-সংস্কাৰমুক্ত কৰাটো এখন সু-সমাজৰ কাৰণে নিতান্তই প্ৰয়োজন।

বৰ্তমানৰ নৱপ্ৰজন্মই শিক্ষাৰ জৰিয়তে এখন সু আৰু উন্নত সমাজ গঢ়িব পাৰে। বৰ্তমান সমাজত নৱপ্ৰজন্মৰ ভূমিকা নীতিগত, পৰিৱৰ্তিত আৰু বৈজ্ঞানিক হোৱাটো প্ৰয়োজন। নিজ সমাজৰ সাজ-পোছাক, ঐতিহ্য, পৰম্পৰাবোৰক বৈজ্ঞানিক আৰু বিশ্ব দৰবাৰৰ লগত তুলনা কৰি সেইবোৰক সু-সংহত কৰাটো নৱপ্ৰজন্মৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব। নৱপ্ৰজন্মই সমাজৰ কু-সংস্কাৰবোৰ দূৰ কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰদ্বাৰা সকলো ব্যক্তিৰ কল্যাণ সাধন কৰিব পাৰে। ডাইনী হত্যাৰ নিচিনা বহুতো কু-সংস্কাৰ দূৰ কৰিব লাগে।

সমাজ এখনৰ ভৱিষ্যৎ যিহেতু বৰ্তমানৰ নৱপ্ৰজন্মৰ ওপৰত নিৰ্ভৰ কৰে, সেয়েহে সমাজৰ প্ৰতিটো কথাত নৱপ্ৰজন্মই যোগদান কৰি নিজৰ ভূমিকা সুচাৰুৰূপে পৰিচালনা কৰাটো প্ৰয়োজন। এখন সমাজৰ সু-ভৱিষ্যৎ গঢ়িবলৈ নৱপ্ৰজন্মই অতীতৰ বহুতো কথা লগতে সমাজৰ উন্নতিৰ লগত জড়িত ব্যক্তিৰ পৰা পৰামৰ্শ গ্ৰহণ কৰি সমাজৰ উন্নতিৰ কাৰণে আগবঢ়োৱাটো দৰকাৰ। বৰ্তমান সমাজৰ নৱপ্ৰজন্মৰ দিশ নিৰূপণৰ যি ভূমিকা তাৰ কাৰণে সমাজখনৰ বহু হানি হয়। দিশ নিৰূপণৰ ভুলৰ বাবে বহুতে কানি দ্ৰব্য আদি সেৱন কৰি সমাজখন দূষিত কৰিছে। যাৰবাবে নৱপ্ৰজন্ম সতৰ্ক হোৱা উচিত আৰু নিজৰ লগতে সমাজখনৰ হিতৰ বাবে শুদ্ধ পথ অবলম্বন কৰিব লাগে। সমাজ এখনৰ প্ৰতিটো ঘটনাৰ লগত নৱপ্ৰজন্ম জড়িত কিন্তু বৰ্তমান বহুতো অনাকাংক্ষিত কাৰণৰ বাবে নৱপ্ৰজন্ম জগৰীয়া, সেয়েহে বৰ্তমানৰ নৱপ্ৰজন্মই বহুতো নীতিশিক্ষা লৈ লগতে ভুল আৰু শুদ্ধৰ কথা গম লৈ শুদ্ধ পথ অবলম্বন কৰি আগবাঢ়িব লাগে। নিজকে এজন সামাজিক প্ৰাণী হিচাপে ভাবি সমাজৰ হিতৰ কাৰণে নিজে আৰু নিজৰ লগত জড়িত থকা সকলোকে ভাল পথ প্ৰদৰ্শন কৰাটো প্ৰতিজন নৱপ্ৰজন্মৰ দায়িত্ব।

অৱশেষত দেশৰ উন্নতিত নৱপ্ৰজন্মই এটা বিশেষ ভূমিকা আগবঢ়াই যাবৰ বাবে নৱপ্ৰজন্মৰ উচ্চ দৃষ্টিভংগী নিতান্তই প্ৰয়োজন। ■



# নাৰী শিক্ষাৰ গুৰুত্ব

আকলিমা আকতাৰা
স্নাতক পঞ্চম ষাণ্মাসিক, কলা শাখা

সমাজ এখন যুগৰ লগত আগুৱাই যাবলৈ হ'লে পুৰুষ আৰু নাৰীৰ যৌথ প্ৰচেষ্টাৰ ফলতেই এখন সমাজে সৰ্বাংগসুন্দৰ সমাজ হিচাপে পূৰ্ণতা লাভ কৰিব পাৰে। নাৰী শিক্ষা অবিহনে এখন সুসভ্য আৰু পৰিপূৰ্ণ সমাজ গঠন কৰা কেতিয়াও সম্ভৱ নহয়।

প্ৰাচীন কালৰে পৰা প্ৰতিখন দেশ তথা সমাজে নাৰী শিক্ষাৰ প্ৰতি আওকাণ কৰা দেখা যায়। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগতো নাৰীসকলক শিক্ষাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। প্ৰকৃততে লক্ষ্য কৰিলে দেখা যায় যে নাৰীসকল পুৰুষৰ তুলনাত কোনোগুণেই কম নহয়। তথাপি নাৰীসকল সমাজৰ বিভিন্ন ফালৰপৰা বঞ্চিত হোৱা দেখা যায়। বৰ্তমান সভ্যতাৰ যুগতো প্ৰায় সকলো সমাজতে নাৰীসকল সৰ্বতোপ্ৰকাৰে অৱহেলিত হৈ আহিছে। এই যুগতো সমাজত বহুতো নাৰী স্বামীদ্বাৰা প্ৰতাৰিত হোৱা দেখা যায়। পুৰুষ শ্ৰেণীয়ে ভাবে যে নাৰীসকল চাৰিবেৰৰ ভিতৰত আবদ্ধ হৈ থাকি ৰান্ধনি ঘৰৰ দায়িত্ব পালন কৰিব লাগে। আমাৰ সমাজৰ বেছিসংখ্যক অভিভাৱকৰে এটা ভুল ধাৰণা যে ছোৱালীসকলক যিহেতু বিয়া দিবই লাগিব আৰু আনৰ ঘৰলৈ গৈ ৰন্ধা-বঢ়া, গোবৰ, ছাই আদি পেলাবই লাগিব, গতিকে ছোৱালীসকলক পঢ়া-শুনা কৰিবলৈ দি কি লাভ? এনে কু-সংস্কাৰমূলক মনোভাব লৈ থকাটো সমাজৰ পক্ষে এটা অভিশাপ বা বেয়া লক্ষণ।

আমাৰ সমাজৰ প্ৰায়ভাগ মানুহেই কৃষিজীৱী। গতিকে মাক-দেউতাক দিনটো কৃষিকৰ্মত ব্যস্ত থাকে আৰু ছোৱালীসকলক শিক্ষিত কৰাৰ কথা নাভাবি ঘৰুৱা কামত ব্যস্ত ৰাখে। ফলত নিৰক্ষৰ অৱস্থাতে তেওঁলোকক বিয়া দিয়ে। নিৰক্ষৰ থকাৰ ফলতেই বিয়াৰ পিছত নানান সমস্যাই দেখা দিয়ে। নিৰক্ষৰ হৈ থকাৰ বাবে বৰ্তমান আমাৰ দেশৰ এটা প্ৰধান সমস্যা হ'ল জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি।

ইয়াৰ প্ৰধান কাৰণ হ'ল নাৰী শিক্ষাৰ অভাৱ আৰু ইয়াৰ বাবে একমাত্ৰ দোষী হ'ল অভিভাৱক। লক্ষণীয় যে এটা পৰিয়ালত যদি এজন ল'ৰা আৰু এজনী ছোৱালীয়ে লিখা-পঢ়া কৰে, অভিভাৱকৰ ফালৰ পৰা ল'ৰাজনৰ প্ৰতি বেছি গুৰুত্ব দিয়া দেখা যায়। এইক্ষেত্ৰত অভিভাৱকৰ এটা ডাঙৰ ভুল ধাৰণা বুলি মই ভাবোঁ। তদুপৰি ধৰ্মীয় গোড়ামিও আমাৰ সমাজত নাৰী শিক্ষাৰ এক অন্তৰায়। এনেবোৰ অন্তৰায় দূৰ কৰিলেহে আমাৰ সমাজ আদৰ্শবান সমাজত পৰিণত হ'ব।

ঘৰখনেই হ'ল ল'ৰা-ছোৱালীৰ বাবে একমাত্ৰ শিক্ষানুষ্ঠান আৰু মাতৃয়ে হ'ল একমাত্ৰ শিক্ষক। ল'ৰা-ছোৱালীৰ চৰিত্ৰ গঠন, শিক্ষা-দীক্ষা আৰু মানসিক বিকাশ নিৰ্ভৰ কৰে শিক্ষিত মাতৃৰ ওপৰত। সেয়ে কবি যব্বকৰ কছাফীয়ে কৈছিল— 'এজনী শিক্ষিতা মাতৃ এশজন শিক্ষকতকৈও শ্ৰেষ্ঠ'। সেয়েহে আমাৰ সমাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি আঁতৰাই নাৰী শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়া উচিত। ■







# বৰ্তমান সময়ত উচ্চ শিক্ষাৰ সংকট

সীমা কলিতা
স্নাতক তৃতীয় ষাণ্মাসিক, শিক্ষা বিভাগ

মানৱ জীৱনৰ উৎকৃষ্টতম আৱিষ্কাৰবোৰৰ ভিতৰত শিক্ষা প্ৰক্ৰিয়া অন্যতম। শিক্ষাৰ প্ৰভাৱ যদি মানৱ জাতিৰ ওপৰত নপৰিলেহেঁতেন, এতিয়াও মানুহে পশুৰ তুল্য আদিম বৰ্বৰ মানৱ সভ্যতাৰ দৰে আচৰণজনিত কামত মগ্ন থাকিলহেঁতেন। গতিকে মানৱ সভ্যতাক শুদ্ধ আকাৰ দান কৰাৰ মূল মাধ্যম তথা অস্ত্ৰ হৈছে শিক্ষা। শিক্ষা যদিও জন্মৰ পৰা মৃত্যুলৈ চলি থকা এক অবিৰত প্ৰক্ৰিয়া তথাপি ইয়াক বিভিন্ন স্তৰ অনুযায়ী কিছুমান অনুষ্ঠানৰ জৰিয়তে লাভ কৰিব পাৰি। উচ্চ শিক্ষা হ'ল শিক্ষাৰ এক পৰ্যায় বা স্তৰ।

অসমৰ উচ্চ শিক্ষাৰ বিকাশৰ ধাৰা স্বাধীনতাৰ পিছৰ পৰা আৰম্ভ হয়। এই সময়ৰ পৰাই উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। কিন্তু বিভিন্ন কাৰণত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনে বৰ্তমান ভৱিষ্যতৰ বাবে উপযুক্ত মানৱ সম্পদ সৃষ্টি কৰিব পৰা নাই। বৰ্তমান উচ্চ শিক্ষাৰ যি উদ্দেশ্য, তাৰ বিকাশৰদ্বাৰা উপযুক্ত মানৱ সম্পদ সৃষ্টি কৰিবলৈ যাওঁতে বৰ্তমানৰ উচ্চ শিক্ষাই বহুতো সংকটৰ সন্মুখীন হ'বলগা হৈছে। তলত উচ্চ শিক্ষাৰ কেইটামান সংকট আলোচনা কৰা হ'ল—

১) **উদ্দেশ্যহীনতা ঃ** বৰ্তমান সময়ত বহুত ছাত্ৰ-ছাত্ৰীয়ে একো কৰিব লগা নাথাকে বাবে উচ্চ শিক্ষা ল'বলৈ যায়। উচ্চ শিক্ষাগ্ৰহণ কৰি কি কৰিব? বা কৰিব লগানো কি? এই সম্পৰ্কত কোনোধৰণৰ দিক্ নিৰ্দেশনা নাথাকে। অৱশেষত এনে উদ্দেশ্যবিহীন শিক্ষাই তেওঁলোকৰ মনত ভ্ৰান্ত ধাৰণা, হতাশা আদিৰ জন্ম দিয়ে।

২) **অনুপযুক্ত পাঠ্যক্ৰম ঃ** বৰ্তমান উচ্চ শিক্ষাৰ পাঠ্যক্ৰম গতানুগতিক, ত্ৰুটিপূৰ্ণ, আমনিলগা বিধৰ। পাঠ্যক্ৰমসমূহ তত্ত্বগধুৰ, বিষয়কেন্দ্ৰিক। ই মানুহৰ জীৱনৰ প্ৰয়োজনীয় আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰে। বাস্তৱ জীৱনৰ লগত মিল নথকা পাঠ্যক্ৰমসমূহে নিবনুৱা সমস্যাৰহে সৃষ্টি কৰে।

৩) **বৰ্ধিতকৰণৰ সমস্যা ঃ** শিক্ষাৰ চাহিদা বৃদ্ধিৰ লগে লগে শিক্ষাগ্ৰহণৰ উপযুক্ত অনুষ্ঠান নোহোৱাৰ ফলত য'তে-ত'তে জধে-মধে কলেজ স্থাপন কৰা হৈছে। এই কলেজবিলাকৰ

জনসংখ্যা অনুপাতে প্ৰয়োজন আছে কিন্তু প্ৰয়োজন পূৰণ কৰিব পৰাধৰণৰ অৱস্থা নাই।

৪) **উপযুক্ত শিক্ষকৰ অভাৱ :** কলেজীয়া বা উচ্চ শিক্ষাৰ আন এটা সংকট হ'ল অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱ। উন্নত অঞ্চলৰ কলেজত এই সংকট অনুভূত নহয় যদিও গাঁৱলীয়া অঞ্চলৰ কলেজত বৰ্তমানো এই সংকট দেখিবলৈ পোৱা যায়।

৫) **ছাত্ৰ বিশৃংখলতা :** ছাত্ৰৰ বিশৃংখলতা বৰ্তমান সময়ত এটা ডাঙৰ সংকটৰূপে দেখা দিছে। দলীয় ৰাজনীতি, মূল্যবোধৰ অৱক্ষয় আদি সামাজিক সমস্যাসমূহে উচ্চ শিক্ষাৰ ছাত্ৰ-ছাত্ৰীসকলক বেছিকৈ ক্ৰিয়া কৰে। এই সামাজিক সমস্যাসমূহৰদ্বাৰা আক্ৰান্ত হৈ ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাত মন নিদি শ্ৰেণীকোঠাত অনুপস্থিত হৈ অনুষ্ঠানটোৰ সমগ্ৰ শৈক্ষিক পৰিৱেশটোৱে নষ্ট কৰি পেলায়।

৬) **পুথিভঁৰাল, পৰীক্ষাগাৰ আদিৰ বেয়া অৱস্থা :** সৰহভাগ কলেজৰে পৰীক্ষাগাৰ, পুথিভঁৰাল আদিৰ সমস্যা সন্তোষজনক নহয়। বিজ্ঞান আদি বিষয়ৰ গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষা আদি চলাবলৈ হ'লে উন্নত মানৰ পৰীক্ষাগাৰৰ প্ৰয়োজন। কিন্তু দুখৰ বিষয়— আমাৰ কলেজবোৰৰ পৰীক্ষাগাৰেই হওক বা গ্ৰন্থাগাৰেই হওক তাৰ অৱস্থা অতি নিম্ন স্তৰৰ।

৭) **বিজ্ঞান শিক্ষাৰ মহাবিদ্যালয়ৰ অভাৱ :** বৰ্তমান কলা শাখাৰ কলেজৰ তুলনাত বিজ্ঞান শাখাৰ কলেজৰ সংখ্যা নগণ্য। ইয়াৰ মূলতে হ'ল আৰ্থিক দৈন্য। বিজ্ঞান শাখাৰ কলেজ খুলিবলৈ যথেষ্ট টকাৰ দৰকাৰ। তদুপৰি বিজ্ঞান শিক্ষকসকলৰ শৈক্ষিক সমাজত চাহিদা আছে, যদিও যোগ্য শিক্ষকৰ অভাৱ পৰিলক্ষিত হয়।

৮) **দোষযুক্ত পৰীক্ষা পদ্ধতি :** উচ্চ শিক্ষাৰ ক্ষেত্ৰত বৰ্তমানৰ পৰীক্ষা পদ্ধতিটো দোষমুক্ত নহয়। ই ছাত্ৰৰ জ্ঞানৰ জোখ লোৱাৰ প্ৰকৃত অভীক্ষা নহয়। পৰীক্ষা হলত নকলৰ প্ৰভাৱো বেছি। উত্তৰবহী পৰীক্ষা কৰা পদ্ধতিও নিয়ম বৈধ নহয়।

৯) **শিক্ষা মাধ্যমৰ সমস্যা :** ভাষা সমস্যা হ'ল উচ্চ শিক্ষাৰ এটি জটিল সংকট। শিক্ষা মাধ্যমৰ সমস্যাটো স্বাৰ্থৰ দৃষ্টিভংগীৰদ্বাৰা দুষ্ট। বিষয়ৰ গভীৰ জ্ঞানৰ ওপৰত নিম্ন প্ৰাধান্যতকৈ ওপৰে ওপৰে ইংৰাজী ক'ব পাৰিলে বেছি প্ৰাধান্য দিয়া হয়।

১০) **নিম্ন মানৰ গৱেষণাৰ পৰিৱেশ :** উচ্চ শিক্ষাৰ মুখ্য উদ্দেশ্য হৈছে গৱেষণা কাৰ্য। উচ্চস্তৰীয় গৱেষণা কাৰ্যৰদ্বাৰা সত্যৰ অনুসন্ধান কৰি সমাজলৈ নতুন নতুন বৰঙণি আগবঢ়োৱা কাৰ্য উচ্চ শিক্ষাৰ হোৱা উচিত। কিন্তু বৰ্তমানৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত গৱেষণাৰ গুণগত মান আৰু সংখ্যাগত মান দুয়োটায়ে কম।

১১) **প্ৰশাসন সম্পৰ্কীয় সমস্যা :** বৰ্তমান বিভিন্ন ঠাইত জধে-মধে স্থাপন হোৱা কলেজবোৰৰ আভ্যন্তৰীণ প্ৰশাসন স্থিৰ নহয়। পৰিচালনা সমিতিৰ আভ্যন্তৰীণ গোলমাল, দলীয় ৰাজনীতিৰ প্ৰভাৱ, ৰাজহুৱা ধনৰ আত্মসাৎ, শৈক্ষিক বাতাৱৰণৰ অভাৱ ইত্যাদিয়ে কলেজবোৰকে নহয় বিশ্ববিদ্যালয়কো বহুত নিম্ন মানৰ কৰি তুলিছে।

গতিকে দেখা গ'ল যে উচ্চ শিক্ষাৰ ক্ষেত্ৰত বহু সংকট দেখা যায়। উচ্চ শিক্ষাৰ এইবোৰ সংকট নাইকিয়া কৰিবলৈ হ'লে কৰ্মশালা, চক্ৰ আদি পাতি চৰকাৰে বা উচ্চ শিক্ষা পৰিচালনাৰ কৰ্মকৰ্তাসকলে বিভিন্ন উপায় গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব লাগে। উচ্চ শিক্ষাৰে বিভিন্ন দিশত শিক্ষিত হৈ সমাজৰ বিভিন্ন দিশলৈ একোজন উপযুক্ত যোগ্য মানৱ সম্পদ যাব পাৰিলেহে সমাজৰ উন্নতি প্ৰবাহিত হৈ থাকিব। ■





# আজিৰ নৱ প্ৰজন্ম

বিকাশ ৰাজবংশী
স্নাতক প্ৰথম ষাণ্মাসিক

বৰ্তমান যুগত ল'ৰা-ছোৱালীবোৰ প্ৰায়েই ধ্বংসৰ পথলৈ আগবাঢ়ি গৈছে। তাৰ প্ৰধান কাৰণ হ'ল মদ, ভাং, চিগাৰেট আৰু প্ৰধানকৈ হ'ল ড্ৰাগ, night box আৰু বাইক।

যদি চোৱা যায় তেন্তে আমি প্ৰায়েই এনেধৰণৰ কিছুমান ল'ৰা দেখিবলৈ পাওঁ, যিবোৰে ১৩ বা ১৪ বছৰ বয়সতে বাপ্তাই-ঘাটে উৎসৱ-পাৰ্বণ আহিলে আজিৰ প্ৰজন্মই মদ-ভাং খাই মাতাল হৈ নানাধৰণৰ বেয়া কামত লিপ্ত হৈ পৰে আৰু বন্ধু-বান্ধৱৰ মাজত কাজিয়াৰ সৃষ্টি হৈ পৰে।

এই সকলো দ্ৰব্যৰ ভিতৰত আন এবিধ মাৰাত্মক দ্ৰব্য হ'ল ড্ৰাগছ। এইবিধ দ্ৰব্য ল'ৰা-ছোৱালী সমানে সেৱন কৰা দেখা যায়। এই দ্ৰব্যবিধ এবাৰ সেৱন কৰিলে ইয়াক সহজে আঁতৰাব নোৱাৰি। এইবোৰ অধিক সেৱনৰ ফলত বহুতৰে মৃত্যুও হোৱা দেখা যায়।

আজিকালি প্ৰায়েই কিছুমান ধনী ঘৰৰ ল'ৰা-ছোৱালীক night box'ত গৈ নিচাযুক্ত দ্ৰব্য সেৱন কৰি অশ্লীল সাজপাৰ পৰিধান কৰি ৰাতি দুপৰলৈ নাচি থকা দেখা যায়।

ল'ৰাবোৰে বাইক আৰু স্কুটীৰ ষ্টাণ্ট কৰি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰি নিজৰ লগতে আনবো বিপদ মাতি আনে। গতিকে উঠি অহা প্ৰজন্ম বা নৱপ্ৰজন্মলৈ এয়ে অনুৰোধ যে নিচাযুক্ত দ্ৰব্য, night box'ত বাইক বা স্কুটী ষ্টাণ্টৰ দৰে মাৰাত্মক কাৰ্যবোৰ কৰি নিজৰ জীৱনটো এক বেদনাদায়ক পৰিস্থিতিৰ সন্মুখীন নকৰি, এক সুখীময় জীৱন গঢ়ি তোলে যেন। ■



# ড্ৰাগ্‌ছ— এক ভয়াৱহ ব্যাধি

নিচুমণি বৰদলৈ
ইতিহাস বিভাগ, পঞ্চম ষাণ্মাসিক

'নিচা মানেই সৰ্বনাশ'— এই কথাষাৰ সৰ্বজনবিদিত। জনসাধাৰণে জনা মতে মদ, ভাং আৰু আফিং— এই তিনিওবিধেই আছিল আমাৰ দেশৰ অত্যন্ত ক্ষতিকাৰক মাদক দ্ৰব্য। বিশেষকৈ মদ আৰু আফিঙৰ ৰাগিত কিমান ব্যক্তিৰ অকাল মৃত্যু হৈছে, কিমান গৃহস্থী সৰ্বস্বান্ত হৈছে তাৰ হিচাপ নাই। কিন্তু 'ভূতৰ ওপৰত দানহ'ৰ দৰে আধুনিক কালৰ আৱিষ্কৃত সোণতকৈ দামী জীৱননাশক বিষধৰ মাদক দ্ৰব্য হ'ল ড্ৰাগ্‌ছ। এই ভয়ংকৰ ড্ৰাগ্‌ছ—হেৰোইন, কোকেইন, হাচিছ, ব্ৰাউন ছুগাৰ, মাৰিজুৱানা, লেক, মেনডেক্স আদি বিভিন্ন নামেৰে বিভূষিত হৈ অনুপ্ৰৱেশ কৰিছে তৃতীয় বিশ্বত অৰ্থাৎ সদ্য স্বাধীনতাপ্ৰাপ্ত দেশসমূহত। ই সাম্ৰাজ্যবাদী ক্ৰূৰতাৰ জঘন্যবাদী নিদৰ্শন আৰু ভাৰতৰ হৃৎপিণ্ডই হ'ল প্ৰধান লক্ষ্যস্থল। ভাৰতৰ হৃৎপিণ্ড অৰ্থাৎ বিপুল সম্ভাৱনাময় ভাৰতৰ যুৱ সমাজ এই দুৰ্ভাগ্যজনক সৰ্বনাশৰ চিকাৰ। উন্নয়নশীল দেশসমূহৰ যুৱ সমাজ বিপথগামী হ'লে তৃতীয় বিশ্বৰ সৰ্বনাশ যদিও সাম্ৰাজ্যবাদী শক্তিৰ পৰম লাভ। ভাৰতলৈ মাদক দ্ৰব্য সম্প্ৰসাৰণ সাম্ৰাজ্যবাদী চক্ৰান্তৰ এটি সুনিশ্চিত অংগ। ইয়াৰ পিছত আছে পাৰমাণৱিক চোৰাং চক্ৰান্ততকৈও ঘৃণিত চক্ৰান্ত। এই জীৱনঘাতী মাদক দ্ৰব্যৰ প্ৰৱেশ পথ— মধ্য প্ৰাচ্যৰ পৰা পাকিস্তানেৰে আহে ভাৰতলৈ আৰু অধিকাংশ ভাৰতত বিতৰণ কৰি অৱশিষ্ট অংশ গুপ্তপথেৰে চালান হয় ম্যানমাৰ, ছিংগাপুৰ, হংকং, ইণ্ডোনেছিয়া আদি দেশসমূহলৈ। এই কুখ্যাত চোৰাং ব্যৱসায়ত কোনো সুস্থ চেতনাৰ মানুহ লিপ্ত নহয়। সিহঁত নিষিদ্ধ জগতৰ জঘন্যতম প্ৰাণী। সিহঁতৰ নানা কুট-কৌশলত জড়িত হয় বিভিন্ন জীৱিকাৰ উচ্চাকাংক্ষী মানুহ, বিশেষকৈ বহু বেক্যৰ যুৱক পাকচক্ৰত পৰি সিহঁতৰ বহু সম্ভাৱনাপূৰ্ণ জীৱনলৈ মাতি আনে সৰ্বনাশ। এই পৰম বিষধৰ, প্ৰাণঘাতী ড্ৰাগ্‌ছৰ আসক্তিত লিপ্ত হয় মধ্যবিত্ত পৰিয়ালৰ হতাশাগ্ৰস্ত বেকাৰ যুৱক, স্কুল-কলেজৰ উচ্ছৃংখল ছাত্ৰ, সাংসাৰিক বেদনাক্লিষ্ট অফিচ কৰ্মচাৰী, আনকি আসক্ত হয় কোনো কোনো পৰিয়ালৰ অতি চঞ্চলা-চপলা জীয়ৰী আৰু ভাগ্যহীনা গৃহস্থবধূও।

ড্ৰাগ্‌ছ হ'ল এবিধ ক্ষণিক উত্তেজক মাদক দ্ৰব্য, যিয়ে মানুহৰ স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰে। ই হয়তো গ্ৰহণ কৰ্তাক এক বিশেষ প্ৰেৰণা দিয়ে, যাৰ বলত তেওঁ 'বীৰৰ দৰে' নিজৰ মনোকামনা পূৰণ কৰিবলৈ সাহসৰ সমল গোটাব পাৰে। কিন্তু আটাইতকৈ বিপদগামী কথাটো হ'ল সেৱনৰ মাত্ৰা। ড্ৰাগ্‌ছ বাৰে বাৰে একে মাত্ৰাত সেৱন কৰিলে শৰীৰত ইয়াৰ ক্ৰিয়াক্ষমতা ক্ৰমে কমি আহে। সেয়ে গ্ৰহণকাৰীয়ে আগৰ সমানে উত্তেজক অনুভূতি পাবলৈ হ'লে ড্ৰাগছ সেৱনৰ মাত্ৰা বঢ়াই দিবলগীয়া হয়। কাৰণ যিকোনো ড্ৰাগছে এটা মাত্ৰাৰ পাছত মানৱ দেহত সহনশীলতা বঢ়ায় আৰু ই শৰীৰ বৃত্তিক পৰিৱৰ্তন ঘটায়। এই দুটা কথাৰ বাবেই ড্ৰাগ্‌ছ সেৱনকাৰীয়ে ড্ৰাগ্‌ছ গ্ৰহণ বন্ধ কৰিলে বা গ্ৰহণৰ মাত্ৰা কমাই দিলে এক বিশেষ দোষত ভোগে। যাক চিকিৎসা বিজ্ঞানৰ ভাষাত 'প্ৰত্যাহাৰজনিত অসুস্থতা' বুলি কোৱা হয়। সেয়েহে দেখা যায় যে কোনো ড্ৰাগ্‌ছ আসক্ত ব্যক্তিয়ে বাধ্যতামূলকভাৱে দেহ আৰু মনৰ তাড়নাত ড্ৰাগ্‌ছ গ্ৰহণ কৰি যায় আৰু সময়ে সময়ে ড্ৰাগ্‌ছৰ মাত্ৰা বঢ়াই যায় বা মাত্ৰা বঢ়াবলৈ বাধ্য হয়।

সাধাৰণতে ১৫ বছৰৰ পৰা ২০ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে কৌতূহল নাইবা প্ৰলোভনৰ বশৱতী হৈ ড্ৰাগ্‌ছৰ নিচাত জড়িত হৈ পৰে। এই সময়তে অভিভাৱকসকল সতৰ্ক হোৱা উচিত।

ড্ৰাগ্‌ছ আসক্তিৰ লক্ষণসমূহ যেনে— ভোক নলগা, ৰক্তহীনতা, দেহৰ ওজন কমি যোৱা, চকু ৰঙা পৰি থকা, দৃষ্টিশক্তি কমি যোৱা, চলন-ফুৰণত অস্থিৰতা আদি নানাধৰণৰ উপসৰ্গত আক্ৰান্ত হৈ এই ৰোগ নিৰাময়ৰ অসাধ্য হয়। মূৰকত চূড়ান্ত পৰিণতি হয় অকাল মৃত্যু।

বৰ্তমান ভাৰতবৰ্ষ ভগ্নপ্ৰায় সমাজ, দ্বন্দ্বময় ৰাজনীতি, শিথিল অৰ্থনীতি আৰু দেশৰ নানা আভ্যন্তৰীণ সমস্যাত জৰ্জৰিত, দীৰ্ণ-বিদীৰ্ণ। সুচিন্তিত পৰিকল্পনা, সমৱেত শুভ প্ৰয়াস আৰু সদিচ্ছাৰ সহযোগত হয়তো সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাসমূহৰ সমাধান সম্ভৱ হ'ব। কিন্তু তিলে তিলে হননকাৰী এই নৱাগত বিষধৰ ড্ৰাগ্‌ছৰ আক্ৰমণৰ পৰা সমাজক বিশেষকৈ যুৱ সমাজক ৰক্ষণ কৰাৰ উপায় কি? বহু পিতা-মাতা, শিক্ষক-অধ্যাপক, অভিভাৱক আৰু দায়িত্বশীল ব্যক্তি আতংকিত হৈ শৰণাপন্ন হৈছে মনস্তত্ত্ব বিশাৰদ, সংশোধনব্ৰতী একশ্ৰেণী চিকিৎসকৰ ওচৰত। এই নতুন বিষ-ব্যাধি নিৰাময়ৰ প্ৰয়াস চলাইছে যদিও অধিকাংশই জীৱনৰ খেলা শেষ কৰি উটি গৈছে মহাকালৰ স্ৰোতত।

দুৰ্নীতি, অৱক্ষয় আৰু মাদকাসক্তিৰ প্ৰচণ্ড উৰ্মিমালা যেতিয়া বলে, তেতিয়া প্ৰয়োজন স্বসীমান্তত নিৰ্মিত আত্মৰক্ষাৰ সুদৃঢ় দুৰ্গ, জাতিৰ ঋজু মেৰুদণ্ড আৰু বলিষ্ঠ চৰিত্ৰ হ'ল সেই দুৰ্গৰ সুউচ্চ স্তম্ভ আৰু সুকঠিন ভিত্তি। স্বাধীনতাৰ সুদীৰ্ঘ সত্তৰ বছৰেও সেই স্তম্ভ, সেই ভিত্তিসুদৃঢ় জাতীয় চৰিত্ৰ গঢ়ি নুঠিল। তাৰ একমাত্ৰ কাৰণ হ'ল সকলো ক্ষেত্ৰতেই আমাৰ দাৰুণ ব্যৰ্থতা। যুৱ সমাজ সুদীৰ্ঘকাল উপেক্ষিত হ'ল। শত সহস্ৰ প্ৰতিশ্ৰুতিৰ এটাও পূৰণ নহ'ল। স্বাভাৱিকতে আশাভংগৰ বেদনাত সিহঁত হ'ল আচ্ছন্ন, প্ৰতিকাৰৰ সকলো পথ সিহঁতৰ সন্মুখত অৱৰুদ্ধ। নৈৰাজ্যৰ সুতীব্ৰ যন্ত্ৰণাত মৰ্মাহত হৈ সিহঁতে বাছি লৈছে মাদকাসক্তিৰ আকৰ্ষণত আত্ম বিনষ্টিৰ পথ।

বৰ্তমান অতীৱ প্ৰয়োজন মাদকাসক্তিৰ ভয়াৱহ পৰিণাম সম্বন্ধে অত্যধিক প্ৰচাৰ। এনে কাৰ্যৰ বাবে আমাৰ প্ৰয়োজন স্থিৰভাৱে নিৰ্ধাৰিত লক্ষ্য, উৎসৰ্গিত প্ৰাণৰ এজাক সমাজকৰ্মী, এদল বিশেষ মনস্তত্ত্ব বিশাৰদ চিকিৎসক আৰু ৰোগীৰ পৰিয়ালৰ সক্ৰিয় সহযোগ। প্ৰয়োজন সুপৰিকল্পিত, দীৰ্ঘস্থায়ী, সহানুভূতিপূৰ্ণ চিকিৎসা। বিশেষভাৱে প্ৰচেষ্টা চলাব লাগিব। দুৰ্নীতিমুক্ত সমাজ গঠন আৰু কঠোৰ হাতেৰে বন্ধ কৰিব লাগিব মাদক দ্ৰব্যৰ চোৰাং অনুপ্ৰৱেশ। অন্যথা তৃতীয় বিশ্ব, বিশেষকৈ ভাৰতৰ যুৱ সমাজ ক্ৰমান্বয়ে অগ্ৰসৰ হ'ব আত্মহননৰ পথত। ■



# ৰেগিং




**নয়নমণি সৰকাৰ**
**ৰাজনীতি বিজ্ঞান বিভাগ, দ্বিতীয় ষাণ্মাসিক**

ৰেগিং হ'ল এক সামাজিক ব্যাধি। অতীতত ৰেগিং বুলি কোনো শব্দ নাছিল যদিও বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা কৰিও তেওঁলোকে সেই অশুভ কামত জড়িত হয়। তেওঁলোকে পাহৰি যায় যে নিজৰ ভাই-ভনী, মা-দেউতা আছে বুলি। যদি এবাৰ নিজৰ মা-ভনীৰ প্ৰতি সেই সকল লোকৰ শ্ৰদ্ধা থাকিলহেঁতেন, তেন্তে তেওঁলোকে কিন্তু সেই ৰেগিঙৰ পৰা আঁতৰত থাকিব পাৰে। এদিন এজন বহু ধনী ঘৰৰ ল'ৰা পঢ়া-শুনাত বৰ ভাল কিন্তু সি কলেজলৈ যোৱাৰ পিছত বেয়া সংগবোৰৰ লগত পৰি নিচাজাতীয় দ্ৰব্য সেৱন কৰিবলৈ ধৰিলে আৰু এনেকৈ সি সমাজৰ অপ্ৰিয় ছাত্ৰ হ'বলৈ ধৰিলে। বাটৰ কাষেৰে এদিন ল'ৰা এটা গৈ আছিল, তাক দেখা পাই সেই নিচা কৰি থকা ল'ৰাবোৰে ৰেগিং কৰিবলৈ ধৰিলে, তাৰ উপৰি মহিলা বা ছোৱালীসকলক নিৰ্যাতন কৰাৰ চেষ্টা কৰে। সেয়ে বৰ্তমান ৰেগিং এক সামাজিক ব্যাধি। বৰ্তমান এই ৰেগিং আঁতৰ কৰিবলৈ হ'লে নিজকে নিজে শাসন কৰিব লাগে। লাহে লাহে সকলো সামাজিক হৈ পৰিব।

এদিন মই কটন কলেজৰ ফালেৰে অকলে গৈ আছিলোঁ, তেতিয়া সন্ধিয়া হৈছিল। তাত বহি থকা কটন কলেজৰ ল'ৰাবো মোক দেখা পাই বহু ককৰ্থনা আৰু গালি পাৰিবলৈ ধৰিলে কি মই সকলো চকুৰ আগত দেখা পায়ো একো মাত মাতিব প নাছিলোঁ। মূৰটো তললৈ দি তাৰপৰা গুচি আহিলোঁ। কাৰ তেওঁলোকে সেই সময়ত নিচাজাতীয় দ্ৰব্য যেনে— মদ, গুট আদি খাই কথা পাতি আছিল।

গতিকে এই সকলো কথাই সমাজৰ লগত জড়িত, এ কৰিলে আমাৰ সমাজখন কি হ'ব? এখন ভাল সুস্থ সমাজ গঢ় কৰিবলৈ হ'লে এই নিচাজাতীয় দ্ৰব্যবোৰ আমাৰ ভাৰতত উৎপ কৰা বন্ধ কৰি দিব লাগিব আৰু লগতে মূল্যবোধ শিক্ষাৰ জ্ঞা দিব লাগিব। নিজৰ মা-দেউতাক শ্ৰদ্ধা-ভক্তি আৰু নিজকে শাস কৰিবলৈ শিকিব লাগিব। তেতিয়াহে আমাৰ সমাজৰ কু-প্ৰথাবো আঁতৰ হ'ব।

এই গল্পটোত মোৰ নিজৰ অভিজ্ঞতাৰ বিষয়ে ক'ব পাই বহু আনন্দিত হৈছোঁ। আৰু সৰ্বশেষত সকলোকে ক'ব যাওঁ— আমি সকলোৱে মূল্যবোধৰ শিক্ষা অধ্যয়ন কৰিব লাগে। তেতিয়াহে সমাজৰ কু-প্ৰথাবোৰ আঁতৰ হ'ব। ■





# বিহুত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰসমূহ



**ৰাজু ক্ৰ**
**কাৰ্যালয় সহায়ক**

**পেঁপা ঃ** পেঁপা প্ৰধানকৈ ম'হৰ সিঙৰ। পেঁপা দুই প্ৰকাৰৰ। সেয়া হ'ল—
১) গুটীয়া পেঁপা বা গোৱাল পেঁপা
২) যুৰীয়া পেঁপা

পেঁপাৰ প্ৰতিটো অংগৰ নাম হ'ল—
১) শিঙা বা থুলা
২) চুপহি
৩) নলিচা বা গবনলা
৪) থুৰি আৰু জিভা

**গগনা ঃ** গগনা হ'ল দুইপ্ৰকাৰৰ।
১) লাহৰী বা ৰূপহী গগনা
২) ৰামধন গগনা

গগনাৰ প্ৰতিটো অংগৰ নাম হ'ল— জিভা, মেখেলা।

**ঢোল ঃ** ঢোল কেইবাপ্ৰকাৰৰো আছে। সেইবোৰ হ'ল—
১) বিহু ঢোল বা পাতি ঢোল
২) ওজা ঢোল

ঢোলৰ অংগসমূহ হ'ল—
১) কাঠনি ছাল
২) কুৰল
৩) তালি
৪) কন্নাৰি
৫) বৰতি
৬) কন্নাৰি জৰী
৭) মলুৱা
৮) কঁঠালৰ খোলা
৯) কোবনি
১০) ঢোলৰ মাৰিৰ এটা নাম মাহিতা

**টকা ঃ** টকা কেইবাপ্ৰকাৰৰো আছে। সেইবোৰ হ'ল—
১) পাতি টকা বা হাত টকা
১) বৰ টকা বা মাটি টকা
১) জেং টকা বা ধুতং

**সুতুলি ঃ** সুতুলিও কেইবাপ্ৰকাৰৰ। যেনে—
১) বিহুৱতী সুতুলি
২) পক্ষী সুতুলি
৩) পিঠা সুতুলি
৪) বাঁহ সুতুলি

**জাপি ঃ** বিহুৰ সময়ত জাপিৰ আদৰ বহুত যদিও অন্যান্য কামতো জাপি ব্যৱহাৰ কৰা হয়। এই জাপিবোৰ হ'ল—
১) গৰখীয়া জাপি
২) পানী জাপি
৩) টুপী জাপি
৪) উকা জাপি
৫) বনুৱা জাপি
৬) ফুলাম জাপি
৭) সৰু দৈয়া জাপি
৮) পদুমীয়া জাপি
৯) হালোৱা জাপি
১০) বৰ জাপি

**খোপা ঃ** মহিলাসকলে মূৰত বন্ধা খোপাবোৰ বিভিন্নপ্ৰকাৰৰ। সেইবোৰ হ'ল—
১) তগৰ খোপা
২) ঘিলা খোপা
৩) উধনীয়া খোপা
৪) কলডিলীয়া খোপা
৫) চকা খোপা
৬) থিয় খোপা
৭) নেঘেৰী খোপা
৮) তেঁতেলী খোপা
৯) লিগিৰী খোপা
১০) চেলা খোপা

**সাতবিহু ঃ** এইদৰে সাতবিহুকো বিভিন্ন নামেৰে জনা যায়। সেই নামসমূহ হ'ল—
১) গৰু বিহু
২) মানুহ বিহু
৩) গোসাঁই বিহু
৪) তাঁতৰ বিহু
৫) নাঙল বিহু
৬) চেনেহী বিহু
৭) চেৰা বিহু ■



# পৰিৱেশ সংৰক্ষণ

ডিম্পল কলিতা
স্নাতক তৃতীয় ষাণ্মাসিক

বৰ্তমান পৃথিৱীৰ সকলো অঞ্চলতে পৰিৱেশ ধ্বংসৰ মুখলৈ আগবাঢ়ি গৈ আছে। বৰ্তমান সময়ত যি দ্ৰুতগতিত নষ্ট হ'বলৈ গৈ আছে। সেই গতিয়ে অসমত গোটেই পৃথিৱী ধ্বংস কৰিব। কোনো এটা অঞ্চল বা দেশৰ পৰিৱেশ প্ৰদূষণ হ'লে কেৱল প্ৰদূষিত অঞ্চল বা দেশতেই ক্ষতি কৰিব তেনে নহয়। ই তাৰ চাৰিওকাষে থকা অঞ্চলসমূহ বা দেশসমূহতো ক্ষতি কৰিব পাৰে। বৰ্তমান পৰিৱেশ সংৰক্ষণ অতি এটা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। কিয়নো পৰিৱেশ ধ্বংস হোৱা মানে এই পৃথিৱীৰ বস্তুবোৰ এফালৰ পৰা শেষ হৈ যোৱা। পৃথিৱীত দিনক দিনে যান-বাহন, উদ্যোগ, কাৰখানা, বিভিন্ন গেছ প্ৰকল্প, বিভিন্নপ্ৰকাৰৰ ইন্ধন আদিৰ পৰা নিৰ্গত হোৱা ধোঁৱা অৰ্থাৎ কাৰ্বন-ডাই-অক্সাইড ($CO_2$)ৰ পৰিমাণ বৃদ্ধি পাই আহিছে। ফলত বায়ু প্ৰদূষণ বাঢ়ি গৈছে। আকৌ বায়ু প্ৰদূষণৰ ফলত মানুহৰ লগত আন জীৱবোৰো বিনষ্ট হৈছে। মানুহৰ হাঁওফাওঁৰ বেমাৰ বেছি হৈছে আৰু মানুহে অকাল মৃত্যুক সাৱটি ল'বলগা হৈছে। ক্লʼৰফ্লʼৰ কাৰ্বন (CFC) নামৰ বিষাক্ত কাৰ্বন উৎপন্ন হোৱাৰ ফলত জীৱবোৰ পৰিৱেশত বৰ্তি থাকিব নোৱৰা হৈছে। ঠিক তেনেদৰে মাটি প্ৰদূষণেও পৃথিৱীৰ জীৱবোৰক ক্ষয়-ক্ষতি কৰিছে। মাটিত অত্যধিক পৰিমাণে কীটনাশক ৰাসায়নিক সাৰ প্ৰয়োগ কৰা, মাটিত পাচন নোহোৱা সামগ্ৰী পেলাই দিয়া, জৈৱিক সাৰৰ প্ৰয়োগ কম হোৱাৰ বাবে এনে কিছুমান কাৰণ[...] বাবে মাটি প্ৰদূষণ হয়। মাটি[...] প্ৰদূষণ হ'লে মানুহৰো যথে[...] ক্ষয়-ক্ষতি হয়। কৃষি শস্য[...] উৎপাদন কমি যায়। মাটি [...] পৰি যায়। কৃষিৰ শস্য উৎপাদ[ন] কমি অহাৰ ফলত মানুহ[...] লগতে আন জীৱবোৰৰে[...] সংকেট দেখা দিয়ে।

বৰ্তমান সময়ত পানী[...] প্ৰদূষণো এটা উল্লেখনী[য়] বিষয়— কাৰণ পানীয়েই[...] প্ৰাণীৰ প্ৰাণ। পানী নহ'[লে] পৃথিৱীত কোনো জীৱ জীয়া[ই] থাকিব নোৱাৰে। পানীৰ[...] গেলা-পচা বস্তু, পেলনীয়[া] সামগ্ৰী, কল-কাৰখানাৰ পৰ[া] নিৰ্গত লেতেৰা পানী আৰ[ু] আৱৰ্জনা, বিভিন্ন বিষাক্ত পদা[ৰ্থ] আদি পেলালে পানী প্ৰদূষ[ণ] হয়। পানীৰপৰাই মানুহৰ বে[মাৰ] বেমাৰ হয় আৰু দূষিত পা[নী] মানুহে খালে বা ব্যৱহাৰ কৰি[লে] মানুহৰ বেমাৰ সৃষ্টি হ'ব পাৰে[...] পানীৰ প্ৰদূষণ হ'[লে] খোৱা পানীৰ নাটনি হ'ব[...] কিয়নো পৃথিৱীৰ ভূ-গৰ্ভস্থ[...] খোৱাৰ উপযোগী পানী[...] পৰিমাণ অতি কম। তদুপৰি[...] এনে পৰিৱেশৰ পানীত থক[া] বিভিন্ন জীৱসমূহ লুপ্ত হৈ যায়[...]

আকৌ শব্দ প্ৰদূষণো এটা[...] পৰিৱেশৰ সমস্যা। একেৰাহে[...] ডাঙৰকৈ শব্দ হৈ থাকিলে তথা[...] মানুহৰ শ্ৰব্য সীমা কম্পনতকৈ[...] যদি শব্দ কম্পনাংক বেছি হয় আৰু শুনিবলৈ আমনি লাগে তাকে শব্দ প্ৰদূষণ বোলে। শব্দ প্ৰদূষণৰ ফলত বিশেষকৈ পঢ়ি থকা ছাত্ৰ-ছাত্ৰী অথবা যিকোনো মানুহৰ বিভিন্ন কামত ব্যাঘাত জন্মিব পাৰে। একেদৰে মেচিনবিলাকৰ শব্দ শুনি মানুহে কাণেৰে নুশুনা হৈ পৰিব পাৰে।





বৰ্তমান পৰিৱেশৰ যি বিপদাপন্ন অৱস্থা পাইছেগৈ, সেয়া বৰ ভয়ানক। সেইবাবে মানুহে পৰিৱেশ সংৰক্ষণ প্ৰণালী অৱলম্বন কৰিব লাগে। সকলো মানুহে পৰিৱেশ সংৰক্ষণৰ কাৰণে আগবাঢ়িব লাগিব, তেতিয়াহে নিৰ্মল পৰিৱেশ চিৰদিন থাকিব। আমি হাতত ল'ব পৰা প্ৰণালীসমূহৰ কিছুমান তলত দিয়া হ'ল—

১) বায়ু প্ৰদূষণ ৰোধ কৰিবলৈ প্ৰথমে জধে-মধে গছ-গছনি কটা বন্ধ কৰিব লাগিব। গছ-গছনি ৰোপণৰ হাৰ বৃদ্ধি কৰিব লাগিব। সকলো ধোঁৱা আৰু বিষাক্ত গেছ নিৰ্গত হোৱা উদ্যান প্ৰকল্পসমূহ বন্ধ কৰিব লাগিব। গাড়ী-মটৰসমূহ প্ৰদূষণ নোহোৱা প্ৰদূষণ প্ৰতিৰোধী যন্ত্ৰ লগাব লাগে।

২) মাটি প্ৰদূষণ ৰোধ কৰিবলৈ মাটিত লো, টিন, পলিথিন, প্লাষ্টিক আদি পেলোৱা বন্ধ কৰি পুনৰাবৰ্তন পদ্ধতিৰে পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিব লাগে। কৃষি ক্ষেত্ৰত কীটনাশকৰ সলনি জৈৱিক কীটনাশক ব্যৱহাৰ কৰিব লাগে। গছ-গছনি কটা বন্ধ কৰিব লাগে। কিয়নো গছ-গছনিয়ে মাটি প্ৰদূষণ ৰোধ কৰাত মুখ্য ভূমিকা পালন কৰে। ছন পৰা মাটি চহাই জৈৱিক সাৰ প্ৰয়োগ কৰি খেতি কৰিব লাগে।

৩) পানী প্ৰদূষণ ৰোধ কৰিবলৈ পানীত পেলনীয়া বস্তু পেলোৱা বন্ধ কৰিব লাগে। কল-কাৰখানাৰ আৱৰ্জনাসমূহ শোধন কৰিহে পানীত পেলাব লাগে বা পুতি থ'ব লাগে। পানীত বিষাক্ত পদাৰ্থ পেলোৱাতো নিষিদ্ধ কৰিব লাগে, কাৰণ সেই পদাৰ্থসমূহে পানী প্ৰদূষণ কৰে আৰু পানীত থকা সকলো জীৱ-জন্তুৰ মৃত্যু হয়।

৪) শব্দ প্ৰদূষণ ৰোধ কৰিবলৈ যিবোৰ যন্ত্ৰৰ পৰা ডাঙৰকৈ শব্দ ওলায়, তাত শব্দ প্ৰতিৰোধী যন্ত্ৰ লগাব লাগে। গছ-গছনিয়ে শব্দ প্ৰদূষণত মুখ্য ভূমিকা লয়। সেইবাবে গছ-গছনি ৰোপণ কৰি শব্দ প্ৰদূষণ ৰোধ কৰিব পাৰি।

শেষত ক'ব পাৰি যে পৰিৱেশ সংৰক্ষণ নকৰিলে ভৱিষ্যৎ জীৱন অতি কষ্টকৰ হ'ব। পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাত মুখ্য উপাদান গছ-গছনি। সেইবাবে গছ-গছনিৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে। পৰিৱেশ ৰক্ষাৰ কাৰণে সকলোৱেই হাত আগবঢ়াব লাগিব, কাৰণ পৰিৱেশ কেৱল এজন মানুহৰ কাৰণে নালাগে পৃথিৱীৰ সকলো জীৱ-জন্তুৰ পৰা আদি কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱবোৰকো পৰিৱেশৰ দৰকাৰ। সেইবাবে পৰিৱেশ সংৰক্ষণ কৰি নিজে বাচি থকাৰ লগতে আনকো বচাই ৰাখিব লাগে।

'মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
ভাবিব কোনেনো কোৱা?' ■

## ????????????? কুইজ ????????????

১। বিশ্বৰ আটাইতকৈ দ্ৰুতবেগী চৰাই কোনবিধ?
উঃ ছুইফট।

২। বিশ্বৰ প্ৰথম মহিলা মহাকাশচাৰীগৰাকীৰ নাম কি?
উঃ ৰাছিয়াৰ ভেলেণ্টিনা তেৰেস্কোভা।

৩। ২০১৬ বৰ্ষত অলিম্পিক খেল ক'ত অনুষ্ঠিত হৈছে?
উঃ ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ' চহৰত।

৪। বিশ্বৰ প্ৰথম বাতৰিকাকতখনৰ নাম কি?
উঃ এভিছা ৰিলেশ্বন অৰ্ডাৰ জে টুং (জাৰ্মানী)

৫। ভাৰতৰ মানচেষ্টাৰ চিটী বুলি কাক কোৱা হয়?
উঃ গুজৰাটৰ আহমেদাবাদক।

৬। অৰ্জুনৰ ৰথখনৰ নাম কি?
উঃ কপিধ্বজ।

৭। গোবিন্দ পিল্লাই সংগীতৰ লগত জড়িত কোনবিধ বাদ্যৰ বাবে বিখ্যাত?
উঃ বেহেলা।

৮। তিৰুপতি বালাজী মন্দিৰ ভাৰতৰ কোন অংশত অৱস্থিত।
উঃ দক্ষিণ অংশত।

*কবিতা দাস, পঞ্চম ষাণ্মাসিক*

# বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ

ৰিয়া শীল
প্ৰথম বাৰ্ষিক, উচ্চতৰ মাধ্যমিক কলা শাখা



সত্য আৰু সুন্দৰৰ সাধক ৰবীন্দ্ৰনাথ আছিল প্ৰকৃতি আৰু মানৱপ্ৰেমী। 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল'— এয়ে আছিল তেওঁৰ সংগীতৰ সাধনা। 'সত্যম শিৱম সুন্দৰম'— এয়া আছিল তেওঁৰ দৰ্শনৰ মৰ্মবাণী।

এই বিশ্বকবিগৰাকীৰ জন্ম হৈছিল ১৮৬১ চনৰ ৭ মে' তাৰিখে কলকাতাৰ জোৰাসাঁকো নামৰ ঠাইত। তেখেতৰ দেউতাকৰ নাম আছিল দেবেন্দ্ৰনাথ ঠাকুৰ আৰু মাতৃ সাৰদা দেৱী। শৈশৱতে মাতৃহাৰা হোৱা ৰবীন্দ্ৰনাথ পিতৃৰ অসীম স্নেহ আৰু ভাতৃসকলৰ আদৰত ডাঙৰ-দীঘল হৈছিল।

ৰবীন্দ্ৰনাথ ঠাকুৰে 'গীতাঞ্জলি' নামৰ দাৰ্শনিক আৰু আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ পুথিখনৰ বাবে ১৯১৩ চনত সাহিত্যৰ নোবেল বঁটা লাভ কৰিছিল। তেখেতৰ কাব্যপুথি কেইখন হ'ল— প্ৰভাত সংগীত, চিত্ৰা, সোনাৰতৰী আদি। নাটককেইখন হ'ল— বাল্মীকি, প্ৰতিভা, বিসৰ্জন আৰু মুক্তধাৰা। উপন্যাস হ'ল— চোখেৰ বালি আৰু নৌকা ডুবি আদি প্ৰাচ্য আৰু পাশ্চাত্যৰ সংগীত সাধনাই ৰীবন্দ্ৰনাথক শ্ৰেষ্ঠ সংগীতজ্ঞৰূপে প্ৰতিষ্ঠা কৰে। তেওঁৰ স্ব-ৰচিত গীতসমূহক নিজেই সুৰ সংযোজনা কৰি এক অভিনৱ ঐতিহ্যৰ সৃষ্টি কৰে আৰু সেয়ে ৰবীন্দ্ৰ সংগীতৰূপে অভিহিত হয়। ৰবীন্দ্ৰনাথ ঠাকুৰ কালজয়ী শিল্পীয়েই যে আছিল এনে নহয়, তেওঁ হাড়ে-হিমজুৱে স্বদেশপ্ৰেমী আছিল। সেয়ে তেওঁ আমাৰ ৰাষ্ট্ৰীয় সংগীত 'জন গণ মন অধিনায়ক' গীতটো ৰচনা কৰিছিল। 'আমাৰ সোনাৰ বাংলা আমি তোমাকে ভালবাসি' শীৰ্ষক গীতটিয়ে পৰৱৰ্তী সময়ত স্বাধীন বাংলাদেশৰ ১৯৭২ চনত ৰাষ্ট্ৰীয় সংগীতৰ মৰ্যাদা লাভ কৰিছিল। 'যদি তোৰ ডাক শুনে কেও না আসে তবে একলা চলো ৰে... ৰ' দৰে তীব্ৰ জাতীয় আৱেদনময়ী গীতে চিৰকাল জনপ্ৰিয়তা লাভ কৰি থাকিব। স্বদেশী আন্দোলনক কেন্দ্ৰ কৰি কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে ৰচনা কৰা ২৩টি গীত ভাৰতীয় সংস্কৃতিৰ সম্পদ হৈ থাকিব। আৰু স্বদেশী আন্দোলনৰ পটভূমিত ৰবীন্দ্ৰনাথে ৰচনা কৰা এটা বিখ্যাত প্ৰবন্ধ আছিল 'ভাই ভাই এক ঠাই'।

এই সুন্দৰৰ সাধক, মানৱপ্ৰেমী কবি, মহামনীষীগৰাকীয়ে ১৯৪১ চনৰ আগষ্ট মাহত মৃত্যুবৰণ কৰে। ■





# বানপানীৰ সময়ত ল'ব লগা সাৱধানতা

পৰেশ তালুকদাৰ
স্নাতক তৃতীয় ষাণ্মাসিক

***এসময়ত ব্ৰহ্মপুত্ৰৰ পাৰত নিয়মীয়াকৈ বানপানী হোৱা ঠাইবোৰত জনবসতি প্ৰায় নাছিল বা অতি পাতলীয়া আছিল। বানপানী হোৱাৰ বাবে তেনে ঠাইত স্থায়ী জনবসতিৰ বাবে উপযুক্ত বুলি ভবা নাছিল। কিন্তু বৰ্তমান ক্ষিপ্ৰগতিত জনসংখ্যা বৃদ্ধি পোৱাৰ ফলত বানপানী হোৱা প্লাৱন ভূমিতো মানুহে বসতি কৰিবলৈ লৈছে। সেয়ে তেনে ঠাইত জনসংখ্যাৰ পৰিমাণ বাঢ়িছে।***

বানপানী হৈছে অসমৰ এক উল্লেখযোগ্য প্ৰাকৃতিক দুৰ্যোগ। অসমত প্ৰতিবছৰে বানপানী হোৱা দেখা যায়। অধিক অঞ্চলত হিমবাহ, মানুহৰ বসতি, বনাঞ্চল ধ্বংস আৰু জধে-মধে নিৰ্মাণকাৰ্য। যেনে— বাট-পথ, ৰে'ল আলি, মথাউৰি আদি বন্ধাৰ বাবে ঠাইবিশেষে বানপানী হয়।

অসমৰ জিলাসমূহৰ ভিতৰত— ধেমাজি, লখিমপুৰ, নলবাৰী, মৰিগাঁও, শোণিতপুৰ, গোলাঘাট, নগাঁও, বৰপেটা, ডিব্ৰুগড় জিলাত বানপানীৰ প্ৰকোপ বেছি। ৰাজ্যখনত প্ৰতিবছৰে বানপানীয়ে বহুতো ক্ষয়-ক্ষতি কৰে। বিভিন্নধৰণৰ শস্য, মাছ পোহা, ঘৰ-দুৱাৰ, মানুহ, বিভিন্নধৰণৰ জীৱ-জন্তু আদিৰ লগতে বাট-পথ, দলং আদিৰ বিস্তৰ ক্ষতি কৰে। প্ৰতিবছৰে বানপানীৰ ফলত ৰাজ্যখনত বহুপৰিমাণে মাটি আৰু বনাঞ্চলৰ লগতে তাত থকা বনৰীয়া জীৱ-জন্তু আদি বিস্তৰ পৰিমাণে ক্ষতি হয়। ৰাজ্যখনত দিনক দিনে জনসংখ্যাৰ হাৰ বৃদ্ধি পোৱাৰ ফলত বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সংখ্যাও বৃদ্ধি পাইছে।

এসময়ত ব্ৰহ্মপুত্ৰৰ পাৰত নিয়মীয়াকৈ বানপানী হোৱা ঠাইবোৰত জনবসতি প্ৰায় নাছিল বা অতি পাতলীয়া আছিল। বানপানী হোৱাৰ বাবে তেনে ঠাইত স্থায়ী জনবসতিৰ বাবে উপযুক্ত বুলি ভবা নাছিল। কিন্তু বৰ্তমান ক্ষিপ্ৰগতিত জনসংখ্যা বৃদ্ধি পোৱাৰ ফলত বানপানী হোৱা প্লাৱন ভূমিতো মানুহে বসতি কৰিবলৈ লৈছে। সেয়ে তেনে ঠাইত জনসংখ্যাৰ পৰিমাণ বাঢ়িছে। বানপানী হোৱাৰ আগত ল'বলগা সাৱধানতাসমূহ হ'ল—

১) সৰ্পদৰ্শন আৰু পেটচলা (ডায়েৰিয়া)ৰ বাবে অতিৰিক্ত ঔষধসহ প্ৰাথমিক চিকিৎসাৰ বাকচ মজুত ৰখা।
২) বস্তু বন্ধাৰ বাবে টান ৰছী।
৩) বিশুদ্ধ খোৱাপানী আৰু খাদ্য-সামগ্ৰী।
৪) এটা ৰেডিঅ', টৰ্চলাইট আৰু ওপৰঞ্চি বেটাৰী।
৫) কাপোৰ-কানি আৰু মূল্যবান সামগ্ৰী ৰাখিবলৈ পানী নোসোমোৱা মোনা, ছাতি আৰু বাঁহৰ লাঠি আদি প্ৰয়োজনীয় সামগ্ৰী মজুত কৰি থ'ব লাগে।

**বানপানী হোৱাৰ সময়ত ল'বলগা সাৱধানতাসমূহ—**

১) জৰুৰীকালীন বস্তুসমূহ লৈ নিৰাপদ স্থানলৈ যোৱা।
২) বানপানীৰ মাজলৈ নোযোৱা।
৩) বিছনা বা মেজৰ ওপৰত ঘৰুৱা সামগ্ৰীসমূহ উঠাই লোৱা।
৪) বানপানীৰ সময়ত পৰিষ্কাৰ খোৱাপানীৰ বাবে দমকলৰ উচ্চতা বৃদ্ধি কৰা।
৫) বানপানীৰ সময়ত শিশুক বানপানীৰ কাষত খেলিব দিব নালাগে।

**বানপানীৰ পিছত আমি কি কি কৰিব লাগে—**

১) বানপানী হৈ যোৱাৰ পিছত চৌপাশৰ চাৰিওফালে কীটনাশক দ্ৰব্য ছটিয়াব লাগে।
২) আমি নিজৰ স্বাস্থ্য পৰীক্ষা কৰিব লাগে।
৩) পানী গৰম কৰি খাব লাগে।
৪) নিজৰ প্ৰয়োজনীয় খাদ্য-সামগ্ৰী তথা লাগতিয়াল বস্তুসমূহ গোটাব লাগে।
৫) নিজৰ চৌপাশটো চাফা কৰিব লাগে। ■



# মুখাপিন্ধা ভদ্ৰলোক

কৰবী কলিতা
তৃতীয় ষাণ্মাসিক, দৰ্শন বিভাগ

আমাৰ অসমীয়া সমাজত এষাৰ জনপ্ৰিয় বাক্য আছে, এই কথাশাৰী কেতিয়াবা কাৰোবাক নিন্দা কৰিবৰ বাবে নাইবা কেতিয়াবা গালি আকাৰে আৰু কেতিয়াবা ইয়াৰ আচল অৰ্থ বিচাৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই কথাযাৰ হ'লে আমি সাধাৰণ মানুহে এবাৰলৈ হ'লেও ব্যৱহাৰ কৰা 'মুখাপিন্ধা ভদ্ৰলোক'।

আমাৰ দেশ ভাৰতবৰ্ষই দুৰ্নীতিৰ ফালৰ পৰা পৃথিৱীৰ ভিতৰত এক বৃহৎ স্থান দখল কৰি আহিছে। এতিয়া প্ৰশ্ন হ'ল দুৰ্নীতি কৰিবলৈ কোন ইমান দুৰ্নীতিগ্ৰস্ত লোক আছে আমাৰ মাজত, মই কিন্তু 'মুখা পিন্ধা ভদ্ৰলোক' কথাশাৰী এইক্ষেত্ৰত বেছি প্ৰযোজ্য বুলি ভাবোঁ। আমাৰ মাজত ভদ্ৰলোকৰ দৰে কা... কৰি সমাজখনক দুৰ্নীতিগ্ৰস্ত কৰা এইসকল কিছুমান মুখাপি... ভদ্ৰলোক।

শিক্ষা, স্বাস্থ্য, আইন, ব্যৱসায় সকলো দিশত কিছুমা... 'মুখাপিন্ধা ভদ্ৰলোক' শিখৰৰ স্থানত অধিষ্ঠিত হৈ আমাৰ এ... সমাজখন বহুপৰিমাণে পৰিচালনা কৰি আছে, যাৰবাবে সমাজ... হৈ পৰিছে দুৰ্নীতিগ্ৰস্ত।

কেতিয়াবা আকৌ এই মুখাপিন্ধা ভদ্ৰলোকসকলৰ বাবে আমি বহুতে বিপদৰ সন্মুখীন হওঁ, অতি বিপদৰ সন্মুখীন হৈ প্ৰাণ হেৰুওৱাৰ উদাহৰণো আমি নোপোৱা নহয়। ভদ্ৰলোক... দৰে আচৰণ কৰি স্ব-স্বাৰ্থৰ বাবে আনক হানি কৰাটো কোনো এক বিশেষ শ্ৰেণীৰ চাৰিত্ৰিক বৈশিষ্ট্য নহয়। দোকানী-পোহাৰী বিষয়া-কৰ্মচাৰী, নেতা-পালিনেতা আদি সমাজৰ সকলো স্তৰ... লোকৰ একেই চৰিত্ৰ, সমূহীয়া স্বাৰ্থতকৈ ব্যক্তিস্বাৰ্থ আগত... অফিচ-কাছাৰী, ব্যৱসায়-বাণিজ্য, ৰাজনীতি-সমাজনীতি ইত্যাদি ক্ষেত্ৰবোৰৰ যিফালেই চকু দিয়া যায়, সেইফালেই নৈতিক স্খলন।

সমাজত এইসকল 'মুখাপিন্ধা ভদ্ৰলোক'ৰ বাবে নানাধৰণ... অমূল্যবোধ, অসামাজিক, লগতে ভাবিব নোৱাৰাধৰণৰ কা... কিছুমানো হৈ আছে, যাৰ পৰিণতিত বুজিব নোৱাৰাধৰণে সমাজখনক আভ্যন্তৰীণভাৱে ক্ষতি কৰি আছে। নিজ স্বাৰ্থৰ বাবে মানৱতাক দানৱলৈ পৰিৱৰ্তিত কৰিবলৈও এইসকল লোকে অকণো চিন্তা নকৰে।

আমি সাধাৰণ লোকে যদিও এই কথাযাৰ ব্যৱহাৰ কৰোঁ তথাপি কথাষাৰৰ যথাৰ্থ অৰ্থ সম্পৰ্কে বহুলোক জ্ঞাত নহয়। সমাজত ভদ্ৰলোক হিচাপে বাস কৰা বা নিজকে ভদ্ৰ বুলি পৰিচ... দিয়া এইসকলৰ আচল ব্যক্তিত্ব বা চৰিত্ৰ বহুধৰণৰ হ'ব পাৰে কিন্তু এওঁলোকৰ মাজত এটা সামঞ্জস্য হ'ল এওঁলোকে এবে... প্ৰকাৰৰ মুখা ব্যৱহাৰ কৰে— 'ভদ্ৰতাৰ মুখা'।

এইসকল সমাজৰ বাবে অতি হানিকাৰক, এইসকলক চিনাক্ত কৰাও বহুপৰিমাণে কঠিন। আমাৰ মাজতেই বাস কৰা এওঁলোক 'মুখাপিন্ধা ভদ্ৰলোক'। ■





# নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)

## ২০১৭-১৮ বৰ্ষৰ কাৰ্যক্ৰমণিকা (২০১৮ৰ আগষ্ট মাহলৈ)

কেপ্টেইন মিনু দাস
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

২০১২ চনত নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ মুঠ ৫৩গৰাকী ছোৱালী কেডেটক লৈ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC) ইউনিট আৰম্ভ কৰা হয়। বৰ্তমান বিপথগামী যুৱ মানসিকতাৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্য আগত ৰাখি কেডেটৰ বাবে তিনি বছৰীয়া পাঠ্যক্ৰম আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। তদুপৰি কেডেটৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে সময়ে সময়ে ভিন ভিন কাৰ্যসূচী ৰখা হয়। এই কাৰ্যসূচীসমূহত কেডেটৰ নাম মনোনীত কৰা হয় আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ অনুমতিসাপেক্ষে অংশগ্ৰহণৰ ব্যৱস্থা কৰা হয়। ২০১৭-১৮ বৰ্ষতো NCCত ভিন ভিন শিতানৰ প্ৰশিক্ষণ আৰু কাৰ্যসূচী ৰখা হয়। মহাবিদ্যালয়ৰ ছোৱালী কেডেটে এই প্ৰশিক্ষণ আৰু কাৰ্যসূচীত অংশগ্ৰহণ কৰে আৰু পাৰদৰ্শিতা দেখুৱায়।

২০১৭ বৰ্ষৰ ১২-০৪-২০১৭ তাৰিখে নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ত Road Safty Day 'পথ সুৰক্ষা দিৱস' উদ্‌যাপন কৰা হয়। সেই অনুষ্ঠানত কেডেটলৈ নুনমাটি ট্ৰেফিক ইনচাৰ্জ শ্ৰীডি গোস্বামীয়ে Road Safty বিষয়ে ভাষণ আগবঢ়ায়। এই অনুষ্ঠানত গোস্বামীৰ সৈতে কলেজৰ কেডেটে মত-বিনিময় কৰে।

১৫-৮-১৭ৰপৰা ২৪-৮-১৭ তাৰিখলৈ গুৱাহাটীৰ বেলতলাস্থিত আৰ্মী বেছ হাস্পতালত Hospital Attachment camp পতা হয়। নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰী প্ৰিয়ংকা সৰকাৰ আৰু ৰোমা ৰাকসিতে সফলতাৰে অংশগ্ৰহণ কৰে।

১৯-০৯-১৭ তাৰিখে আমাৰ মহাবিদ্যালয়, NCCৰ তৰফৰ পৰা Cleaningness Drive চাফাই অভিযান চলোৱা হয়। মহাবিদ্যালয়ৰ NCCৰ কেডেটে উক্ত অনুষ্ঠানটোৰ জৰিয়তে কলেজ চৌহদৰ লগতে কলেজ সংযোগী পথটোৰ পৰিষ্কাৰ কৰে।

২৫-১১-১৭ তাৰিখে মহাবিদ্যালয়ত NCC Day উপলক্ষে এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। কলেজৰ কেডেটে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে আৰু প্ৰিয়ংকা সৰকাৰে প্ৰথম পুৰস্কাৰ লাভ কৰে।

২০১৮ বৰ্ষৰ প্ৰথমটো Annual Combine Training Camp APS, Narangeত অনুষ্ঠিত হয়। ৩ জুন, ২০১৮ৰপৰা ১৩ জুন, ২০১৮লৈ এই কেম্প অনুষ্ঠিত হয়। আমাৰ মহাবিদ্যালয়ৰ ২০গৰাকী কেডেটে অংশগ্ৰহণ কৰে।

২০১৮ চনত দ্বিতীয়টো CATC অনুষ্ঠিত হয় গুৱাহাটীৰ Sauth Point Schoolত ৭ জুলাই, ২০১৮ৰ পৰা ১৮ জুলাই, ২০১৮লৈ এই কেম্প হয় আৰু আমাৰ কেডেটে অংশগ্ৰহণ কৰে।

২১ জুন, ২০১৮ বিশ্ব যোগ দিৱস উপলক্ষে যোগৰ অনুষ্ঠান এটিৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰবক্তা আৰু যোগগুৰু ড° সৰোজ কাকতিয়ে কেডেটক যোগ প্ৰশিক্ষণ আগবঢ়ায়।

ব্যক্তিত্ব বিকাশত NCCয়ে বৰ্তমান যুগত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে। উচ্ছৃংখল যুৱ মানসিকতাৰ বিপৰীতে আজিৰ যুৱচামক সুস্থ-সবল মানসিক আৰু শাৰীৰিক ক্ষমতাৰ অধিকাৰী কৰি গঢ়ি তোলাত NCCৰ অৱদান অতুলনীয়। ভাৰতবৰ্ষক সৰ্বাংগসুন্দৰ ৰাষ্ট্ৰ নিৰ্মাণত NCCৰ এই ভূমিকাৰ শ্ৰেষ্ঠত্ব সৰ্বজন স্বীকাৰ্য। ■



# মগৰামি

**ৰীতা দত্ত হাজৰিকা**

ভাৰপ্ৰাপ্ত অধ্যক্ষা

মাকে ঘৰৰ চুক-কোণবোৰ বিচাৰি চলাথ কৰিছে। এবাৰ মাতে মাইনা-আ-আ-আ-আ, আনবাৰ মাতে মাইনী-ই-ই-ই-ই-ই।

ক'ত গ'ল ইহঁত? টিউচনৰ ছাৰ আহি বহি আছে। লাজ পাইছোঁ মই— গুচৰীয়াৰ ভাষাৰে কথাখিনি কৈ গিৰিহঁতৰ ওচৰত থিয় হৈ থাকিল যমজ ল'ৰা-ছোৱালীহালৰ মাক ৰাজলক্ষী বৰুৱাই।

অবস্থাৰ খাতিৰত দেউতাকে এটা সোতৰ-ওঠৰ বয়সৰ ল'ৰাক মাইনা আৰু মাইনীক পঢ়ুৱাবলৈ ঘৰুৱা শিক্ষক হিচাপে লগাই দিছে। বৰুৱাৰ পৰিয়ালত প্ৰথম দিনাই ঘৰুৱা শিক্ষকৰ কেঁচা ঘাম বাহিৰ হৈছিল। ডাঙৰ মেহগনি টেবুলখনত তিনিখন চকী। এফালে ঘৰুৱা শিক্ষকজন, আনফালে মাইনা আৰু মাইনী। দুয়োটাৰে সন্মুখত কিতাপ-বহী, কলম-পেঞ্চিল মাকে সজাই থৈ গৈছে। দুয়োটাৰে মুখ গোমোঠা। মাইনীলৈ চাই শিক্ষকজনে সুধিলে।

ঃ তুমি কোন শ্ৰেণীত পঢ়া?

মাইনীয়ে থুতৰিটো ভিত্তিত লগাই শিক্ষকজনলৈ চাই টেবুলখনত হাত দুখন ভাঁজ কৰি মূৰটো হাত দুখনৰ ওপৰত থৈ, টেবুলত মূৰ থৈ শোৱাৰ ভংগিমাৰে তলমূৰ কৰিলে।

ঃ চাওঁ ভন্টী মূৰটো দাঙা, নাপাই নহয় তেনেকে কৰিব। নামটো কি তোমাৰ? তোমাৰ বাৰু লাজ লাগিছে নেকি? ভাইটি... লগে লগে ভাইটিয়েও বায়েকৰ ভংগিমাৰে মুখ লুকুৱালে। কি বিড়ম্বনা! শিক্ষকজন বহাৰপৰা উঠি ভাইটিৰ ডিঙিটো দাঙিবলৈ প্ৰয়াস কৰি নোৱাৰিলে। তেওঁ মুখেৰে নামাতি ল'ৰা-ছোৱালীহাললৈ চাই বহি থাকিল। প্ৰথম দিনা অভিযোগ কৰাটো ঠিক নহ'ব। সেয়েহে মাইনীৰ অংকৰ কিতাপখন মূৰৰ তলৰপৰা তাইৰ মূৰটো লৰি যোৱাকৈ টানি আনিলে আৰু পাত লুটিয়াই থাকিল। দুয়োটা ল'ৰা-ছোৱালী সেইদৰেই মূৰটো টেবুলত লগাই বহি থাকিল। কিছুসময় সেইদৰে পাৰ কৰি শিক্ষকজনে ক'ব আৰম্ভ কৰিলে।

তোমালোকৰ বাৰু কিতাপ পঢ়িবৰ মন নাই নেকি? সেই অৱস্থাতে থাকি দুয়ো মূ জোকাৰিলে। অৰ্থাৎ পঢ়িবৰ মন নাই দুয়োটাৰে।

ঠিক আছে, মই যাওঁ তেনেহ'লে। দুয়ো মূৰ তুলি চকু বহলকৈ মেলি শিক্ষকজনলৈ চাই, খৰখৰকৈ মূৰ লৰালে। দেখাত শিক্ষ দিয়া পুতলাৰ দৰে লাগিছিল সিহঁত দুটাক মানে যাব নালাগে। শিক্ষক বিমূৰত পৰিল হঠাৎ ল'ৰা-ছোৱালী দুটাই ভিতৰ দুৱাৰখনলৈ মূৰ ঘূৰাই চাই থাকিল। সিহঁ ভিতৰৰ দুৱাৰখনৰ ফালে পিঠি দি বহিছিল শিক্ষকজনেও দুৱাৰখনলৈ চাই দেখিলে— ল'ৰা-ছোৱালীহালৰ মাকে এখন ডাঙৰ ট্ৰে একাপ চাহ আৰু ডাঙৰ ডাঙৰ তিনিখ কুকিজ বিস্কুটৰ প্লেট লৈ তেওঁলোকৰ ফালে আহি আছে। টেবুলৰ ওপৰত ট্ৰেখন থৈ শিক্ষকজনলৈ চাহকাপ আগবঢ়াই দি ক'লে— বিস্কুট এটা লোৱা, শৰৎ।

বাকী দুটা ল'ৰা-ছোৱালীহালক দি ক'লে— ঘৰত কৰিবলৈ দিয়া সকলো শৰৎ ছাৰৰ হতুৱাই কৰি ল'বা, মই আজিৰপৰা তোমালোকৰ পঢ়া নাচাওঁ কিন্তু...।

শুনিছা মায়ে কি কৈছে? মই সিহঁতক মা মা, ছাৰে মোক কোন শ্ৰেণীত পঢ়া বুলি সুধিছিল, মই পঞ্চম শ্ৰেণীত বুলি লাহেকৈ ক'লোঁ, শৰৎ ছাৰে বুজিয়ে নাপালে।

শৰৎ ছাৰ বুলি কিয় কৈছা? ছাৰ বুলি ক'বা। ল'ৰা-ছোৱালীহালে মুখত হাত থৈ হাঁহি থাকিল। মাকে ক'লে।

ইহঁত পঞ্চম শ্ৰেণীত পঢ়ে, দুইটা যঁজা। ধৰি পাৰিছা চাগে। চাহ খোৱা, কিবা অসুবিধা পালে ক'বা দেই, বুলি কৈ ভিতৰ সোমাল।

শৰৎ ছাৰে চাহত কটা বিস্কুটটোৰ এটা মুৰ জুবুৰ দিয়া চাই দুয়োটাৰে চকু কপাল উঠিল। দুয়ো চোৰা-চুই কৰিলে আৰু পিছমুহূৰ্ততে দুয়ো উঠি আহি চাহ বাটিত বিস্কুট জুবুৰিয়াবলৈ হেতা-ওপৰা লগালে। এইবাৰ শৰৎ ছাৰৰ চকু কঁপালত উঠিল। নিজে শুকান বিস্কুট কুকুৰে হাড় কামুৰি খোৱাৰ দৰে খাই ল'ৰা-ছোৱালীহালৰ বিস্কুট খোৱা চাই থাকিল। বিস্কুট খাই উঠি দৌৰা-দৌৰিকৈ আহি নিজৰ চকীত বহিলগৈ। শৰৎ ছাৰ সাজু হ'ল দুয়োকে পঢ়ুৱাবলৈ। যেতিয়া পঢ়াৰ কথা আৰম্ভ কৰে, তেতিয়া দুয়ো মুখ লুকুৱাই বহি থাকে। উপায় নাপায় শৰৎ ছাৰে ক'লে—

আজি প্ৰথম দিন যেতিয়া পঢ়া-শুনা নকৰোঁ, সাধুকে কওঁ। শুনিবানে? দুয়ো মূৰ তুলি চালে, একেলগে। চকুবোৰ আনন্দত জলমলাইছিল। শৰৎ ছাৰে সাধু কৈ থাকিল। দুয়ো মাজে মাজে শব্দ হোৱাকৈ হাঁহিছিল আৰু নিৰবচ্ছিন্নভাৱে মূৰ দুপিয়াই আছিল। সাধু কৈ উঠি শৰৎ ছাৰে সুধিলে— সাধু ভাল লাগিল নে। দুয়ো এনেকৈ মূৰ জোকাৰিলে যে শৰৎ ছাৰে বাধা দিলে। মূৰ সৰি পৰিব। শৰৎ ছাৰ থিয় হ'ল। দুয়ো চিঞৰিলে— ছাৰ, কাইলৈ আকৌ আহিব। শৰৎ ছাৰ পুনৰ বহি পৰিল। দুয়োৰে মূৰ গৈ ডিঙি চুলেগৈ। এইবাৰ শৰৎ ছাৰ যাবলৈ ওলাল। মাক— বুলি কিবা ক'ব লওঁতেই মাইনীয়ে লেনিয়াই ক'লে— মা-আ-আ না-ই।

শৰৎ ছাৰে হাঁহি ক'লে ঠিক আছে, মাক ক'বা মই গ'লোঁ বুলি। কাইলৈ নাহোঁ, পৰহি আহিম। দুৱাৰ খুলি ওলাই গৈ শৰৎ ছাৰ মুখামুখি হ'ল মাইনা আৰু মাইনীৰ বায়েক জয়শ্ৰী (মাজনী)ৰ লগত। তাই বাৰান্দাত চকী এখনত বহি আছিল। শৰৎ ছাৰে তাইলৈ চাই সুধিলে— বহিছা? তাই মিচিকিয়া হাঁহিৰে মূৰ জোকাৰি সমৰ্থন দিলে। আৰু মূৰটো বেঁকা কৰি শৰৎ ছাৰ যোৱাৰ ফালে চাই থাকিল। তাই নৱম শ্ৰেণীত পঢ়ে।

এদিনৰ পিছত শৰৎ ছাৰ আহোঁতে বাৰান্দাত ল'ৰা-ছোৱালীহালৰ মাক আৰু জয়শ্ৰীক বহি থকা পালে। জয়শ্ৰী লৰচৰ কৰি বহিল। মাকে মাত লগালে।

আহিলা শৰৎ। ইহঁত দুটাক কোঠাত বহুৱাই আহিছোঁ। তুমি তালৈকে যোৱাগৈ। সন্মতি জনাই শৰৎ ভিতৰ সোমাল। বিশেষ কোঠাটোত সোমাই শৰতে দেখিলে শুভলক্ষ্মী আৰু ভায়েক শান্তভিত (ঘৰত মতা নাম মাইনা-মাইনী) বহি আছে। সন্মুখত কিতাপ মেলা। দুয়ো শৰতলৈ চালে, মুখ দুখন ভাবলেশহীন। শৰতে চকীখনত বহি সুধিলে— কিবা ঘৰৰ কাম দিছেনে? দুয়ো খৰখৰকৈ মূৰ জোকাৰিলে।

কি হ'ল, কথা নোকোৱা নেকি তোমালোকে। হা-হা-হা-হা কৈ দুয়ো হাঁহিব ধৰিলে। শৰতো হাঁহি উঠিল। হাঁহিৰ মাজতে পঢ়া আৰম্ভ কৰিলে। দুয়োটাই ইখনৰ পিছত সিখন কিতাপ-বহী মেলি শৰতৰ ওচৰলৈ উঠি আহিও পঢ়া বুজি ল'লে। এনেতে মাকে চাহ লৈ আহিল। হাত পাতি চাহকাপ হাতত লৈ শৰৎ ছাৰে মাকক ক'লে— ইহঁত দুটা খুব Brilliant বাইদেউ। ভালকৈ পঢ়িলে ভাল ৰিজাল্ট কৰিব পাৰিব। খুব কম সময়ৰ ভিতৰত দুয়োটাই ঘৰৰ কামবোৰ কৰি পেলালে।

শুনিছা, ছাৰে কি কৈছে? ভালকৈ পঢ়িবা দেই। ছাৰে মেট্ৰিকত তিনিটাত লেটাৰ পাই পাছ কৰিছে। তাকো নিজে নিজে পঢ়ি। সিহঁত দুটাই বিস্কুট খাব এৰি শৰতলৈ পিৰিক-পাৰাককৈ চাই থাকিল। মাক ভিতৰলৈ খোজ লোৱাৰ লগে লগে বিস্কুট হাতত লৈ দুয়ো থিয় হ'ল। কথা বিষম দেখি শৰতে লৰালৰিকৈ কাপটো তুলি চাহত শোহা মাৰিলে। সিহঁত দুটা সেমেনা-সেমেনিকৈ বহি পৰিল।

চাহ খাই উঠি পঢ়াৰ কথা কোৱাৰ লগে লগে মাইনীয়ে মূৰটো টেবুলত থৈ আগৰ দৰে বহি পৰিল। শৰৎ ছাৰে মাইনালৈ চালে। লগে লগে সিও মাইনীৰ ভাওকে অনুসৰণ কৰিলে। শৰৎ ছাৰে ভয় খুৱালে— মাক কৈ দিম ৰ'বা বুলি কৈ বাহিৰলৈ ওলাই গ'ল। বাহিৰত জয়শ্ৰী বহি আছিল। শৰতে তাইকে লগালে— ইহঁত দুটাই মগৰামি কৰি আছে। মাক কোৱাগৈ যোৱাচোন। জয়শ্ৰীয়ে চকু দুটা বহলকৈ মেলি শৰতলৈ চালে। ডিঙিটো বগলীৰ দৰে দীঘল কৰি সেপ ঢুকি সুধিলে— কি ক'ম মাক? আকৌ এবাৰ কওকচোন।

মগৰামি কৰিছে বুলি ক'বা। 'মগৰামি মগৰামি' বুলি আওৰাই তাই ভিতৰলৈ দৌৰ মাৰিলে। তাই গৈ দেখে মাক-দেউতাক কিবা কথাত ব্যস্ত হৈ আছে। তাই মাকক হাতত ধৰি আহাঁচোন আহাঁচোন কৈ টানি দেউতাকৰ ওচৰৰপৰা আঁতৰাই আনি ফুচফুচাই ক'লে।

মা, মাইনীহঁতে ডাঙৰ কিবা এটা কৰিছে। শৰতদাই তোমাক মাতিছে। মাকে ইলেক্ট্ৰিক শ্বক খোৱা মানুহৰ দৰে গাটো জোকাৰ এটা মাৰি জীয়েকৰ মুখলৈ ক্ষণিকমান চাই সুধিলে— তই চোৱাগৈ নাই নেকি? কি কৈছে? কিছু ইতস্ততঃ কৰি জয়শ্ৰীয়ে কওঁ নকওঁকৈ ক'লে— মগৰামি কৰিছে বুলি কৈছে। তাই মুখত সোপা মাৰি ধৰি মাকলৈ চালে। মাকৰ মুখত হাঁহিৰ আভা দেখি জয়শ্ৰী থৰ লাগিল। মাকৰ পিছে পিছে গৈ কোঠাত সোমাই দেখে সিহঁত দুটা টেবুলত মূৰ থৈ তলমূৰকৈ আছে। কি কৰিছ তহঁত দুটাই। শৰৎ, মই এছাৰী এডাল আনি দিওঁ, সাৰৌপ সাৰৌপকৈ কোবাবা।

ল'ৰা-ছোৱালীহালে কন্দনামুৱাকৈ মাকলৈ চাই থাকিল। এছাৰী আনিবলৈ কোবাকোবিকৈ ভিতৰলৈ খোজ দিয়া মাকৰ লগে লগে আহি থাকি জয়শ্ৰীয়ে সুধিলে— মা, মগ্‌ৰামি মানে কি? কোৱাচোন?

মগ্‌ৰামি মানে দুষ্টামি কৰা। সেই যে মুৰটো থৈ আছে। ইহঁত দুটাৰ ইমান সাহ দেখিছনে, মাষ্টৰৰ কথা নুশুনে। মাকে কাঠৰ মাৰি এডাল আনি শৰতৰ হাতত দি ক'লে—

তোমাৰ কথা নুশুনিলে উধাই-মুধাই কোবাবা। মাকৰ পিছফালৰপৰা শৰতলৈ চাই থকা জয়শ্ৰীৰ হাতত ধৰি মাক ভিতৰ সোমাল। হাতখন এৰি মাকে জয়শ্ৰীৰ দুইবাহুত ধৰি Serious modeৰে ক'লে।

তুমি টিউচন কৰা কোঠালৈ নাযাবা। তুমি ডাঙৰ হ'লা নহয়, বাহিৰা মানুহৰ ওচৰলৈ, বিশেষকৈ ল'ৰাবোৰৰ ওচৰলৈ নাযাবা। জয়শ্ৰীৰ মাকৰ পিছফালে থিয় হৈ থকা দেউতাকে কৈ উঠিল।

কি শিকাইছা তাইক? মাকে ভিতৰলৈ জয়শ্ৰীক ঠেলি দি ক'লে—

হেৰি, এইটো বেয়া বয়স। ওচৰত পাই থকা যিকোনো মানুহৰ প্ৰতি আকৃষ্ট হৈ যোৱাৰ সম্ভাৱনা বেছি। সেই কাৰণে এই বয়সটো চক্ষালি ৰাখিব লাগে।

হয় নেকি? তোমাৰ ক্ষেত্ৰতো এনে ঘটনা ঘটিছিল নেকি বাৰু? তেওঁ মুখখনৰ লগতে সোঁ-চকুটো কিঞ্চিত বেঁকা কৰি সুধিলে।

নহয় দিয়া, এয়া মোক মোৰ মায়ে কোৱা কথাকে তাইক শিকাইছোঁ।— বুলি স্বামীলৈ বেকা চাৱনি মাৰি আঁতৰি গ'ল।

ইফালে শৰতে হাতত কলমাৰিডাল লৈ মায়ে এইডালেৰে তোমালোকক কোবাব দিছে বুলি মাৰিডাল জোকাৰি দেখুৱালে। মাইনীয়ে কিতাপৰপৰা মূৰ দাঙি ক'লে— ছাৰ, মোৰ পঢ়া হ'ল।

ইমান সোনকালে? মাতাচোন। পাঁচ শাৰীৰ পূৰণৰ নেওতাখন মাইনীয়ে সলসলীয়াকৈ মাতি শুনালে।

ভাল ছোৱালী, এতিয়া ৬ শাৰীটো মুখস্থ কৰা। মাইনীয়ে আগৰ চেও ধৰিলে। শৰতে কলমাৰিডাল জোকাৰি—

নাই মাইনী, এইটো দেখিছা— এইটো? শৰতে কলমাৰিডাল জোকাৰেহে জোকাৰে। মাইনীয়ে ওপৰ মূৰ নকৰে। উপায় নাপাই সাধু কোৱাত লাগিল। দুয়োটা ল'ৰা-ছোৱালীয়ে আনন্দ মনেৰে সাধু শুনি থাকিল। তেনেতে, চুচুক-চামাককৈ জয়শ্ৰী আহি পৰ্দাৰ আঁৰ লৈ সাধু শুনি থাকোঁতে মাকৰ চকুত ধৰা পৰিল। তাইব্লাউজৰ কলাৰটো কামুৰি কামুৰি ক'লে—

—সাধু কৈছে। মনে মনে শুনিছিলোঁ। মাকে হাতত ধৰি টানি লৈ গৈ টেবুলখনত বহুৱাই ক'লে— হম ৱৰ্ক কৰিলি? মই যে কৰিবলৈ দি থৈ গৈছিলোঁ অংককেইটা কৰিলিনে? জয়শ্ৰী তলমূৰকৈ বহি থাকিল। তাইক তাতে এৰি মাক গৈ টিভি চাই থকা গিৰিহঁতক দপদপালে—

এই শৰতটোক লগাই লৈ মোৰ অশান্তিহে হ'ল। কি কৰিছে শৰতে? বেচেৰাই পঢ়াৰ খৰচ উলিয়াইছে। এনেই দিলেও নক'ব পইচাকেইটা। সেয়েহে সিহঁত দুটাক পঢ়ুবাব দিছোঁ। তেওঁ গোমোঠা হৈ থকা পৰিবাৰৰ মুখলৈ চাই থাকি সুধিলে—

কি হ'ল নোকোৱা কিয়?

মাজনীকো টিউচন দিয়াৰ কথা ভাবিছোঁ।

দিয়া শৰতে আপত্তি নকৰিব। এতিয়া টকা এহেজাৰ দিওঁ, তিনিওকে পঢ়ালে ডেৰ হাজাৰ দিম।

মই বেলেগ কথা ভাবিছোঁ। তাইক গজেন মাষ্টৰৰ ওচৰত দিওঁ। এজাক ল'ৰা-ছোৱালী পঢ়ে। চিন্তা নাই। বৰুৱাই বুদ্ধি নোপোৱাৰ অৰ্থত নাক কোঁচালে। কথামতে কাম। মাকে গৈ গজেন মাষ্টৰৰ ওচৰত জয়শ্ৰীৰ টিউচন ঠিক কৰি আহিল। সপ্তাহত তিনি দিন, যিকেইদিন শৰৎ আহিব, বাছি বাছি সেই দিনকেইটা ল'লে। জয়শ্ৰীয়ে কথাটো শুনি ভাল পালে। তাইৰ লগৰ অদিতিহঁতে তাতে টিউচন কৰে। তাই মাকক জনালে যে গজেন ছাৰৰ ঘৰত ল'ৰা-ছোৱালীয়ে একেলগে পঢ়ে। মাক অলপ দোমোজাত পৰা যেন কৰি—

হ'ব কৰি চাচোন এমাহমান।

যদিও বেছি দূৰ নহয়, জয়শ্ৰীৰ মাকে তাইক অনা-নিয়া কৰে। ক্লাছ নাইনৰ ছাত্ৰী হিচাপে তাইৰ আহ-পাহবোৰ ডাঙৰ কাৰণে মাকে কাপোৰ-কানিবোৰ চাই দিয়ে। টিউচনলৈ পাতল আৰু টান কাপোৰ পিন্ধি নাযাবা, ল'ৰাৰ ওচৰত নবহিবা, বিশেষকৈ পিৰিয়ডৰ সময়ত, ইত্যাদি ইত্যাদি উপদেশ চলিয়ে থাকে।

ইফালে শৰতৰ পৰীক্ষাৰ দিন চমু চাপি অহাত সি দেওবাৰে এটাত আগবেলা পঢ়াবলৈ আহিল। সি গেটখন খোলাৰ লগে লগে বাৰান্দাত লুডু খেলি থকা মাইনা আৰু মাইনীয়ে দেখা পাই সাপ এটা দেখাৰ দৰে চিঞৰি ভিতৰলৈ দৌৰ মাৰিলে। গোটেই ঘৰৰ মানুহ সন্ত্ৰম হৈ বাৰান্দালৈ ওলাই আহিল। শৰতৰ লাজ লগাতকৈও বেজাৰ লাগিছিল বেছি। খেলি থকা ল'ৰা-ছোৱালীহালে কিমান বেয়া পায় তাক !তাক বহিবলৈ গৃহস্থই কে'বাবাৰো ক'ব লগা হ'ল। সি জনালে যে তাৰ পৰীক্ষা পিছদিনাখনৰপৰা, সেয়েহে সি পৰীক্ষাৰ কেইদিন নাহে। পিছত দিনকেইটা পূৰাই দিব।

'হ'ব হ'ব' বুলি কৈ দেউতাকে কিবা ক'বলৈ লওঁতেই পিছফালৰপৰা চুপি চুপি কথা শুনি থকা মাইনা আৰু মাইনীয়ে লুডু বৰ্ড জোকাৰি, গুটি সিঁচি 'য়েহ-য়েহ, য়েহ-য়েহ' বুলি নাচি উঠিল। উপাই-নাপাই আটাইবোৰে সিহঁতলৈ চাই হাঁহিব ধৰিলে। তাৰ মাজতে 'যা-যা' বুলি সিঁহত দুটাক খেদা মাৰিলে। শৰতে জয়শ্ৰীলৈ চাই সুধিলে গজেন ছাৰে ভাল পঢ়ায় নহয়। জয়শ্ৰীয়ে মূৰ জোকাৰি সমিধান দিলে— হয়। জয়শ্ৰীৰ মাকলৈ চাই শৰতে ক'লে—

বাইদেউ, কেতিয়াবা গজেন ছাৰে ৰাতিলৈকে পঢ়ায় বুলি শুনো। দেৰি হ'লে আপুনি আগবাঢ়ি যায়ে চাগে। ভাল পঢ়ায় বুলি নাম আছে কাৰণে অভিভাৱকবোৰে আপত্তি নকৰে। জয়শ্ৰীৰ মাক-দেউতাকে চকুৰে মত-বিনিময় কৰিলে। মাকে জয়শ্ৰীক 'চাহকাপ কৰিবলৈ অমিয়াক কোৱাগৈ যোৱা' বুলি ভিতৰলৈ পঠিয়াই শৰতক সুধিলে— শৰৎ, মোক ভাঙি-পাতি কোৱাচোন। গজেন মাষ্টৰৰ চৰিত্ৰ ভাল নহয় নেকি? তেনেকৈ ক'বলৈ হাতত একো প্ৰমাণ নাই বাইদেউ; ল'ৰাবোৰে কোৱা কথা। তথাপি আপোনাক কোৱাটো সমীচীন হ'ব বুলিহে ক'লোঁ।

এতিয়া, আগতে গম পালে... বাৰু গৈ ৰৈ থাকিমগৈ আৰু। কিন্তু হঠাতে দেৰি কৰিলে কি কৰিম? তুমি মোক ভয় খুৱাই দিলা নহয়, শৰৎ।

এহ্‌, তুমি এনেয়ে হুলস্থুল কৰা। ফোন এটা তাইক দি পঠাবা। দেৰি হ'লে তাই তোমাক ফোন কৰি দিব। দেউতাকৰ পোনপটীয়া চিন্তা।

জয়শ্ৰীৰ মাক দোমোজাত পৰিল। তেওঁ কিমান কষ্ট কৰি ফোন চোৱাৰপৰা জয়শ্ৰীক বচাই ৰাখিছে। এতিয়া, পঢ়িবলৈ যাওঁতে ফোন এটা দি পঠিয়াব, ই কেনে কথা। মানুহগৰাকীয়ে অসহায়ভাৱে ইফালে-সিফালে চালে। শৰতৰ বয়স মাথোঁ সোতৰ বছৰ। অৱস্থাই পৰিপক্ক কৰা তাৰ মস্তিষ্কত সুস্থ চিন্তাই সৰ্বাধিক খেলা কৰে। সি বৰুৱাক ক'লে—

ফোন এতিয়াই নিদিলেও হয় ছাৰ। বাইদেউ সন্ত্ৰম হৈ থাকিলেই হ'ব।

শৰৎ চাহ খাই গ'লগৈ। জয়শ্ৰীৰ মাকে ছটফটাই থাকিল।

বেয়াহে কৰিলোঁ নেকি? তাই নিজে পঢ়িয়ে দেখোন ভাল নম্বৰ পাইছিল। বিৰবিৰাই থকা ঘৈণীয়েকক বৰুৱাই ভবিয়ালে। দেখাক দেখি উঠিল গা, কেতুৰীয়ে বোলে মোকো খা। খাকা এতিয়া পাভলুটি মাৰি। ডাঙৰকৈ বৰবৰুৱাই কোৱা কথাটো বাহিৰৰপৰা শুনা গৈছিল।

'পাভলুটি কাক মাৰিব দিছে ভিনদেউ' বুলি কৈ সোমাই আহিল ৰাজলক্ষী বৰুৱাৰ ভনীয়েক আৰু তেওঁৰ তিনিজনীয়া পৰিয়ালটো। একমাত্ৰ ল'ৰা সপ্তু, মাইনা আৰু মাইনীৰ সম বয়সীয়া।

আহঁ, আহঁ। এই বায়েৰাৰ কথা কৈছোঁ। মাজনীক টিউচনত দি টেনচনত ছটফটাই থাকে।

মাজনীক টিউচন কি বিষয়ত দিছ? ভনীয়েকৰ উত্তৰ ঘপহকৈ দিব নোৱাৰি, সেপ ঢুকি কিছুসময় লৈ ক'লে— গোটেইবোৰতে বুলিব পাৰি। চব চাই দিয়ে।

তোক কিহে পাইছে? নিজে ইক'নমিক্‌ছত এম এ। আৰু ক্লাছ নাইনত পঢ়া ছোৱালীজনীক টিউচন দিছ? আমিনো কোন টিউচনডাল কৰি ইমানখিনি পঢ়িলোঁ। বেছি বেছি কৰ। মাজতে বৰুৱাই মাত দিলে। এহ্‌, সেইবোৰ ঢেৰ কথা। মাইনা আৰু মাইনীক পঢ়াবলৈ ল'ৰা এটা আহে...।

সিহঁত দুটাকো টিউচন দিছ? তই A,B,C,D... এইবোৰো নজনা হ'লি নেকি? ঘৰত কি কৰি থাক? ভনীয়েকে বায়েকক তিৰস্কাৰ কৰাটো বৰুৱাই বৰ ভাল পোৱা নাই।

লাগি থাক বায়েক-ভনীয়েক। ব'লা জিন্তু আমি ভিতৰত বহোঁগৈ বুলি সোমাই গ'ল। ভনীয়েকে কোৱা কথাবোৰত বৰুৱানীয়ে বাঁওহাতখন মুঠ মাৰি মুখখনত থোচ দি শুনি থাকিল।

আৰু এই টিউচন মাষ্টৰবোৰ, বেছিভাগেই লুচ্ছা বুজিছ। ভগবানে নকৰক কিবা অশুভ পৰিস্থিতিত পৰিলে কেনেকৈ বাছি আহিব লাগে, তই শিকাইছনে নাই? একো লাজ কৰিব নালাগে, বুজাই দিবি খোলা-খুলিকৈ। আমাৰ শিক্ষা পদ্ধতিত Sex Education নায়েই যেতিয়া, ভাল-বেয়াটো ঘৰতে শিকাব লাগিব। এতিয়া ক'চোন, কি হৈছে?

একো হোৱা নাই। এহ্‌, গজেন মাষ্টৰৰ বিষয়ে কিবা শুনিছ নেকি? মাজনীক তেওঁৰ তাতে দিছোঁ। তেনেকৈ একো এতিয়ালৈকে শুনা নাই। কিন্তু ছোৱালীবোৰৰ উদং হাত-পিঠি এইবোৰত থপৰিয়াই কথা কয় বুলি কোৱা মনত আছে। আৰু কিছুমান ছোৱালীয়েও ড্ৰেছ বেয়াকৈ পিন্ধে বুজিছ। ছৰ্ট-পেন, striped top, stripped off shoulder top পিন্ধিও যায় বোলে।

মাকবোৰে চাব লাগে। ক'ত কি পিন্ধিব লাগে তাক দেখুৱাই নিদিলে ল'ৰা-ছোৱালীয়ে কেনেকৈ জানিব? বৰুৱানীয়ে মাত দিলে। ভনীয়েকে উৎসাহ পাই ক'ব ধৰিলে— সকলো টিউচন মাষ্টৰ একে নহয় অ'। এবাৰ হেনো টিউচন মাষ্টৰে ল-কাটৰ টপ পিন্ধা ছোৱালী এজনীক সকলোৰে আগত ঢাকি-ঢুকি পিন্ধি আহিবা বুলি কৈছিল। ছোৱালীজনীয়ে হেনো সেই দিন ধৰি দীঘল হাতৰ চোলা ডিঙিলৈকে বুটাম মাৰি আহিব ধৰিলে। গৰম দিনত তাইৰ অৱস্থা দেখি মাষ্টৰে পুনৰ ক'বলগীয়া হৈছিল— হ'ব দে', তোক ফাঁচ লাগি যোৱাকৈ বুটাম মাৰি আহিবি বুলি কোৱা নাই নহয়।

ভনীয়েকে কোৱা কথাটো মনত ৰাজলক্ষী বৰুৱাই শিলৰ ৰেখা বুলি ধৰি ল'লে আৰু পিছদিনা মাজনীয়ে হাত খঁৰা টি-ছাৰ্ট এটা পিন্ধি টিউচনলৈ যাবলৈ ওলোৱা দেখা পাই থাপ মাৰি তাইৰ টি-ছাৰ্টটো খুলি পেলালে। তাই ষ্ট্ৰিপ দিয়া লং চেমিজ এটা পিন্ধি আছিল। হাত দুখন বুকুলৈ কোঁচাই লৈ তাই দেউতাকলৈ চালে। বৰুৱাই এবাৰ মাজনীলৈ, আনবাৰ ঘৈণীয়েক যোৱাৰ ফালে চাই থাকিল। ইমান পৰে মাকে থ্ৰী কোৱাৰ্টাৰ হাতৰ টপ এটা আনি মাজনীক পিন্ধালেহি। বাপেক-জীয়েক দুয়োটাই ওঁঠ দুখন একেধৰণেৰে ওন্দোলাই ওলাই গ'ল।

আবেলি, মাইনা আৰু মাইনীক মাকে পঢ়াবলৈ লৈ বাৰে বাৰে উজুটি খাইছে। শনিবাৰৰ মক টেষ্টত কি আহিব তেওঁ ধৰিব পৰা নাই। বহুদিন নপঢ়োৱাৰ কাৰণে তেওঁ নিজকে আচহুৱা অনুভৱ কৰিছে। এবাৰত মাইনাই কৈয়ে দিলে তুমি একো নাজানা। যোৱা ভাত ৰান্ধাগৈ।

সিহঁত দুয়োটাই শৰৎ ছাৰৰ ওচৰত কৰাৰ দৰে আচৰণ আৰম্ভ কৰি দিলে। মাকে কোৱা কথালৈ কেৰেপ নকৰি তলমূৰ কৰি থাকিল দুয়ো। অন্যদিনা হোৱা হ'লে তেওঁৰ খং উঠিলহেঁতেন। কিন্তু দোষটো তেওঁ গা পাতি লৈ উঠি গৈ বৰুৱাক ক'লে— তুমি অলপ সময় সিহঁত দুটাৰ ওচৰত বহাঁগৈ যোৱাচোন, মই কিবা এটা খাবলৈ কৰাওঁ।

বৰুৱাই ক্ষন্তেক মানুহজনীলৈ চাই যাওঁ-নাযাওঁকৈ উঠি গ'ল। পৰ্দাৰ ফাঁকেৰে জুমি চাই দেখে দুয়ো খচ্‌খচকৈ নিজৰ নিজৰ বহীত কিবা লিখি আছে। বৰুৱা সোমাই যোৱাত নাহিবা নাহিবা বুলি ঠেলি-হেঁচুকি উলিয়াই দিলে। বৰুৱা গৈ মাজনীৰ ওচৰত বহি থাকিল। কিছুসময় একান্তমনে পঢ়ি থাকি মাজনীয়ে দেউতাকৰ মুখলৈ চাই সুধিলে—

ঃ দেউতা, নাইনত মই ভাল ৰিজাল্ট কৰিলে কি দিবা?

ঃ ওঁ..., কি দিম? ভাল চাই কাপোৰ এযোৰ দিম আৰু।

ঃ মই মা নেকি? তুমি মাক ভাল লগাবলৈ হ'লে কাপোৰ দিয়া। মোক কাপোৰ নালাগে।

ঃ কি লাগেনো?

ঃ আগতে দিবানে নিদিয়া কোৱা।

ঃ নিদিওঁ।

ঃ কিয় নিদিয়া?

ঃ কাৰণ তোমাক কি লাগে মই নাজানো।

ঃ ম'বাইল এটা দিবা? বৰুৱা ক্ষন্তেক থমকিল। তাৰ পাছত মাজনীলৈ চাই ক'লে—

ঃ এই কথা মাৰৰ আগত ক'ব পাৰিবি? মাজনীয়ে মূৰ জোকাৰি জনালে— তাই নোৱাৰে। বৰুৱাই হাঁহি হাঁহি বহাৰপৰা উঠি ক'লে—

ঃ ময়ো নোৱাৰোঁ। সেইটো আশা বাদ দে। মাজনীয়ে মুখখন ওন্দোলাই টিভিটো অন কৰি ভলিউমটো কমাই দিলে।

শৰতৰ পৰীক্ষা আৰম্ভ হোৱাৰ পিছদিনৰপৰা বৰুৱাৰ ঘৰৰখীয়া কৰি বৰুৱানী মোমায়েকৰ ফালৰ বিয়া এখনলৈ যাবলগীয়া হ'ল। তেওঁ বৰুৱাক লগুৱাক বুজোৱাৰ দৰে কথাবোৰ লাহে লাহে আৰু আঙুলিৰে ইচাৰা কৰি কৰি ক'লে যে মাজনীৰ টিউচনলৈ চাৰে তিনি বজাত লৈ যাব লাগিব। তাইক ক'লা কাপোৰ আৰু চেণ্ডেল পিন্ধি যাব নিদিবা। কাৰণ তাত খুব ম'হ আছে। তাইক ৰাস্তাৰ ইটো পাৰত নমাই গুচি নাহিবা; ভিতৰলৈ সোমাই যোৱাৰ পিছতহে আহিবা। মাইনা আৰু মাইনীকো লগত নিবা। সিহঁত দুটাক চকুৰ আঁৰ হ'ব নিদিবা। অমিয়াক কাপোৰবোৰ ইস্ত্রি...।

হ'ব হ'ব...। তুমি অলপ শান্তিৰে বিয়াখন খোৱাগৈ যোৱা। সেইবোৰ চব নিজে নিজে হৈ থাকিব। বৰুৱাই ঘৈণীয়েকক বাহুত ধৰি আগবঢ়াই দিলে।

চাৰিওটাই বৰুৱানী যোৱালৈ কৰুণভাৱে বাৰান্দাৰপৰা চাই থাকিল। তেওঁ টেক্সিত বহি হাত জোকাৰিলে। গাড়ীখন অদৃশ্য নোহোৱালৈকে গোটেইকেইটাই চাই থাকিল। হাতখন মেলি বৰুৱাই তিনিওটাকে আৱৰি 'ব'লা ব'লা' বুলি ভিতৰলৈ লৈ আহি গান এটা লগাই দিলে ডাঙৰকৈ। গানৰ তালে তালে গোটেইকেইটাই নাচিব ধৰিলে। বৰুৱাই গাঁৰুটো লৈ গিটাৰ বজোৱাৰ লগে লগে হাতত যেয়ে যি পালে তাকে লৈ বাদ্যযন্ত্ৰকৈ ব্যৱহাৰ কৰিলে। ক্ষন্তেকতে কোঠাটো বিশৃংখল হৈ পৰিল।

চাৰে তিনি বজাৰ লগে লগে মাজনী টিউচনলৈ যাবলৈ ওলাল। তাই দেউতাকক জনালে যে সিহঁতক সেইদিনা টেষ্ট লোৱাৰ কথা আছে। যদিহে লয়, তাইৰ দেৰি হ'ব। মাকক কথাটো কোৱা নহ'ল। মাকে পিছত গম পালে বহুত হুলস্থুল কৰিব। গতিকে তাই দেউতাকৰ ম'বাইলটো লগত নিব। টেষ্ট নল'লে মাকক নকয়, যদিহে লয় তেতিয়া মাকলৈ ফোন কৰি কথাটো ক'ব। দেউতাকৰ সম্মতিসাপেক্ষে তাই তেওঁৰ ম'বাইলটো বেগত ভৰাই ল'লে।

দেউতাকে মাজনী কোঠাৰ ভিতৰ নোসোমোৱালৈকে গেটৰ ওচৰৰপৰা চাই থাকিল। গাড়ীখন গেটৰপৰা আঁতৰি অহাৰ লগে লগে মাজনীয়ে হাতত ফোনটো লৈ ওলাই আহি বাৰান্দাত থিয় হ'ল। তাই হাতৰ তলুৱাত লিখি অনা শৰতৰ নম্বৰটো লগালে। ইটো মূৰৰপৰা শৰতৰ মাত শুনা গ'ল— হয় ছাৰ, কওক। খিলখিলাই হাঁহি মাজনীয়ে উত্তৰ দিলে ঃ শৰতদা, মই জয়শ্ৰী।

ঃ জয়শ্ৰী?

ঃ কি হ'ল? মনে মনে থাকিল যে। মই আপোনাৰ পৰীক্ষাৰ খবৰ ল'বলৈ ফোন কৰিছোঁ।

ঃ অ' মোৰ পৰীক্ষা ভাল হৈছে, হৈ যোৱাবোৰ। তুমি ক'ৰপৰা কৈছা? মানে ঘৰৰপৰা নে?

ঃ ই মই টিউচনলৈ আহিছোঁ। শৰতে শুনা পালে জয়শ্ৰীয়ে কাৰোবাক কৈছে sh s-s go away. I am talking with my boyfriend. শৰতে লগে লগে ফোনটো কাটি দিলে। তাৰ পিছত তিনিবাৰ জয়শ্ৰীয়ে ফোন কৰিছিল কিন্তু শৰতে নধৰিলে। শৰতৰপৰা সঁহাৰি নাপাই জয়শ্ৰীয়ে ফোনটো অফ কৰি দিলে।

জয়শ্ৰীৰ টিউচন পাঁচ বজাত শেষ হয়। দেউতাক গজেন মাষ্টৰৰ গেটৰ মুখত ৰৈ থাকিল। লাহে লাহে ল'ৰা-ছোৱালী নিৰ্বলৈ অহা পিতৃ-মাতৃৰ অঘোষিত সভা এখন আৰম্ভ হ'ল। পৃথিৱীত যিমান উমাল ঘটনা, উপ-ঘটনা আলোচনাৰ বিষয়বস্তু। জয়শ্ৰীৰ দেউতাকে মাজে মাজে মাইনা-মাইনীৰ ওচৰলৈ যায়, আকৌ আলোচনাত ব্যস্ত হয়।

ইফালে, জয়শ্ৰীৰ মাকক বাৰে বাৰে হুলস্থুলৰপৰা আঁতৰি ৰঙীন কাপোৰৰ বাহিৰলৈ আহি ফোন লগোৱা দেখা গ'ল। জয়শ্ৰীয়ে টেষ্ট থকা কথাটো কওঁতে তেওঁ জনা নাছিল যে জয়শ্ৰীয়ে দেউতাকৰ ফোনটো লৈ গৈছে। সেয়েহে তেওঁ বাৰে বাৰে ফোন কৰি আছে যদিও ফোনটো ছুইচ অফ পাই থকাত মানুহজনী অস্থিৰ হৈ পৰিল। জয়শ্ৰীৰ লগত একেলগে টিউচন কৰা ৰিমীৰ মাকলৈ ফোন কৰি গম পালে, ৰিমী সেইদিনা টিউচনলৈ যোৱা নাই। বিয়া এখনলৈ যাব। বৰুৱানীয়ে আপদৰ আগজাননীৰ গোন্ধ পাই পাগলীৰ দৰে ঘট্‌ঘটকৈ পানী খাই, বাথৰুমত সোমাই চকুত পানী মাৰিলে। তাইৰ মুখৰ ৰং সলনি হৈ ধৰিব নোৱৰা হ'ল। বৰুৱানীৰ মতে ই গজেন মাষ্টৰৰ পৰিকল্পিত। জয়শ্ৰীয়ে চাগে কৈছে— মা ঘৰত নাই বুলি।

'মানুহটোৱে ফোনটো থৈ ক'ত মৰি আছে বাৰু' বুলি চিঞৰ এটা মাৰি গাধোৱা টুলখনত মূৰে-কপালে হাত দি বহি পৰিল।

এটা সময়ত তেওঁৰ মনত পৰিল শৰতলৈ। তাক ক'লে সি চাইকেল মাৰি বৰুৱাক জয়শ্ৰীৰ ওচৰলৈ যাবলৈ তেওঁ কোৱা বুলি ক'ব পাৰিব। পানীত পৰা মানুহে কুটাডালকে সাৰথি বুলি ভবাৰ দৰে বৰুৱানীয়ে ফোন কৰেহে কৰে, শৰতে নুঠায়। সি ভাবিছে জয়শ্ৰীয়ে আকৌ ফোন কৰিছে। এসময়ত বাথৰুমৰ দুৱাৰত টোকৰ পৰিল।

ঃ বাইদেউ নেকি ভিতৰত? বৰুৱানীৰ ভনীয়েকৰ মাত। অৱশ শৰীৰেৰে বৰুৱানীয়ে দুৱাৰখন খুলি দিলে— অ' বাইদেউ, তোৰ গা বেয়া কৰিছে? মোক কোৱা নাই কিয়? বমি কৰিছ নেকি? মূৰ ঘূৰাইছে? কি হৈছে নক'ব কিয়?

মোক টেক্সি এখন মাতি দে'। এতিয়াই। কাকো নক'বি। চব পন্দ হ'ব। পেটটো বেয়া লাগিছে। হুলস্থুলৰপৰা আঁতৰি থাকিলেই ভাল পাম।

ভনীয়েকে টেক্সি এখন মাতি উঠাই পঠিয়ালে। এঘণ্টাৰ বাট। তেওঁৰ নাযায়-নুপুৱায় যেন লাগিল। হাতত থকা টকাখিনি টেক্সি ড্ৰাইভাৰৰ হাতত গুঁজি দি তেওঁ মেখেলা দাঙি ঘৰৰ ভিতৰলৈ দৌৰি আহিল। বন্ধ দুৱাৰখন ধৰি এনেভাৱে জোকাৰি দিলে যে গোটেই ঘৰটোৰ দুৱাৰ-খিৰিকী ৰজনজনাই গ'ল। দুৱাৰ খুলি দিয়া ব্যক্তিজন আছিল জয়শ্ৰী। তেওঁ জয়শ্ৰীক সাৱটি ধৰি হাওঁহাওঁকৈ কান্দিব ধৰিলে। একো তত্ ধৰিব নোৱাৰি জয়শ্ৰীয়ে দেউতা দেউতা বুলি মৰা চিঞৰত বৰুৱা ভিতৰৰপৰা দৌৰি আহিল। মানুহজনী ইমান পৰে মাটিত বহি পৰিছিল। বৰুৱাই দাড়িৰ লগঁতেই চৰ-ভুকু মাৰি কান্দোন বাঢ়ি গ'ল। আধা দাড়ি আধা চোঁচৰাই বৰুৱাই মানুহজনীক বিছনা পোৱালেহি। দুৱাৰখন মাৰি মানুহজনীৰ ওচৰত বহিল। দুই হাতেৰে মুখখন ঢাকি মানুহগৰাকীয়ে অস্পষ্ট মাতেৰে বাৰে বাৰে ক'লে ফোনটো কিয় ধৰা নাছিলা??? কিয় ধৰা নাছিলা???

লাহে লাহে সকলো স্বাভাৱিক হৈ আহিল। তিনিওটা ল'ৰা-ছোৱালী কৰুণ মুখেৰে আহি মাকৰ গাত ভেজা দিলেহি।

পিছদিনা মাকৰ কথা মতে ফটো তুলিব নোবৰা কম দামৰ ফোন এটা দেউতাকে মাজনীৰ বাবে কিনি আনিলে। তাকে লৈ মাজনীৰ কি ফূৰ্তি। মাকে বুজালে।

: মইবা দেউতাৰে ফোন কৰিলে তুমি ধৰিবই লাগিব, কিবা কাৰণত ফোনটো ধৰিব নোৱাৰিলে কল বেক কৰিবা, স্কুললৈ ফোনটো নিব নোৱাৰিবা, যেতিয়াই-তেতিয়াই, যাকে-তাকে ফোন নকৰিবা।

সেইটো ডেঞ্জাৰাছ— মাজনীয়ে সৰুকৈ ক'লে। মাকে শুনা পাই বক্ৰ-দৃষ্টি মাৰি ক'লে-৫ নম্বৰটো আৰু ডেঞ্জাৰাছ। মাজনীয়ে মুৰটো বাঁওফালে বেঁকা কৰি মাকলৈ চালে, মাকেও চালে, সোঁফালে মুৰটো হলাই চকুৰে চকুৰে চাই ক্ষণিকমান বৈ মাক আঁতৰি যাব খোজা দেখি মাজনীয়ে আগভেটি সাবটি ধৰি আকৌ সুধিলে ৫ নম্বৰটো কৈ যোৱা। কি?

৫ নম্বৰটো হ'ল, মই কোৱা সেই চাৰিটাৰ এটাও যদি ভংগ কৰা, তেতিয়া মই যি কৰিম সেইটোৱেই ৫ নম্বৰ। মাজনীয়ে নাকটো কোঁচাই ভাবিব ধৰিলে। কি হ'ব পাৰে? ফুটাই ভুলুভুলাই— মাটিত পেলাই মেৰেক-মেৰেককৈ গচকি দিব।

পৰীক্ষাৰ পাছত শৰৎ আগৰ দৰেই মাইনা-মাইনীক পঢ়ুৱাবলৈ আহিল। এদিন টিউচনলৈ যাবলৈ সাজু হৈ মাজনীয়ে বাৰান্দাত থিয় হৈ ফোনটো পিটিকি থাকোঁতেই শৰৎ সোমাই আহিল। চাইকেলখন ঠেলি আনি একেবাৰে ছিৰিৰ কাষত থিয় কৰাই থৈ সি মাজনীলৈ চালে। মাজনীয়ে মুখখন বেঁকা কৰি আনফালে চোৱা দেখি শৰতে ডাঙৰকৈ ক'লে— উহ্! চাকৰিটো বাচিল।' বুলি কৈ ভিতৰ সোমাল। মাজনীয়ে যোপাকৈ শৰৎ যোৱাৰ ফালে চাই থাকিল।

ক্লাছ টেষ্টৰ টেষ্টৰ আগে আগে মাজনীক মাকে জনালে যে কালিৰপৰা তুমি অংকত আন এটা টিউচন কৰিব লাগিব।

: মা মই মৰি যাম। দিনে চাৰিটা টিউচন ধেমালি পাইছা? মোৰ মগজ বেয়া হৈ যাব।

: জানিছোঁ। মেট্ৰিকৰ সময়ত সকলোৱে কষ্ট কৰে। ছীট এটা পাব লাগিব। অংকত ভাল নহ'লে ছায়েন্স বা কমাৰ্চ একোতে ছীট নাপাবা। তোমাৰ লগৰবোৰে ভাল কলেজত ছীট পালে আৰু তুমি নাপালে বেয়া নালাগিব জানো।

: টেষ্টৰ পিছত কৰিম দিয়া মা, সিং ছাৰৰ ওচৰতটো? এমাহতে শেষ কৰিম চাবা।

: ৰ'বা, টেষ্টটোও ভাল কৰিব লাগিব নহয়। সিং মাষ্টৰে তিনিমাহৰ এড্‌ভান্স ল'লেই।

: মা, হ'ব নেকি? এই পৰীক্ষাডাল যে কেতিয়া শেষ হ'ব নহয়? মাকলৈ চাই এতিয়া তুমি যোৱা, দুবাৰখন জপাই দিবা আৰু কিবা এটা চোবাই থাকিবলৈ দি যাবা। তাই মুখলৈ চানা খোৱাৰ দৰে কৰি দেখুৱালে। খন্তেক পাছত মাকে পপকৰ্ণ এবাটি থৈ গ'ল।

কলিং বেলৰ শব্দ শুনি মাক দুৱাৰ খুলিবলৈ গৈ দেখে শৰৎ হাতত এটোপোলা মিঠাই। মাইনীয়ে উৎসুকতা সামৰিব নোৱাৰি মাকৰ পিছতে ওলাই শৰতক দেখি চিঞৰিলে—

নপঢ়োঁ, নপঢ়োঁ। আমাৰ ৰিজাল্ট দিয়া নাই নহয়। তাই হাত দুখন জোৰ জোৰকৈ লৰাই ভিৰাই দৌৰ মাৰিলে। মাজনীয়ে মাজনীয়ে মাইনীক থাপ মাৰি ধৰি সুধিলে কোন?

: শৰৎ ছাৰ। তাইৰ মুখত বিতৃষ্ণা। মাজনী ওলাই গৈ ক'লে—

: আজি ৰিজাল্ট দিয়া বুলি গম পাইছোঁ, ফোন কৰিলে ধৰেৱ [illegible] নধৰে?

শৰতে হাঁহি ক'লে— আজি ধৰিলোঁহেঁতেন। মানুহবোৰে ৰিজাল্টৰ খবৰ লৈ আছে যে।

: আৰু ৰিজাল্টটো কওক আকৌ। ভালটো হৈছেই।

: হৈছে আৰু। আজিকালি প'জিচন নাথাকিলে ৰিজাল্ট ভাল হোৱা বুলি ক'ব নোৱাৰি নহয়।

: ৮৫ শতাংশ পাইছে বোলে। গোটেইকেইটাতে লেটাৰ মাৰ্ক [illegible] বৈছে। সি বোলে ফিজিক্সত মেজৰ ল'ব। মাকে উৎফুল্লিত হৈ ক'লে।

: টি-চাৰেই হ'বা চাগে? মাজনীয়ে প্ৰশ্নটো সুধি নিজেই হাঁহিলে।

: চাগে নহয়, হ'মেই। শৰতে তৰ্জনী আঙুলিটো থিয় কৰি ক'লে।

: ভালেই কৰিছা, চোকা মানুহে পঢ়ালেহে ল'ৰা-ছোৱালীয়ে ভালকৈ শিকিব। মাকে উৎসাহ দিলে।

: হয় বাইদেউ, চাকৰি নাপালে টিউচন কৰি হ'লেও খাব পাৰিম। শৰতৰ স্বাভাৱিক উত্তৰ।

: অহ গ-ড, শৰতদা, এইম ইন লাইফ— টিউটৰ! অলপ ডাঙৰকৈ ভাবাঁচোন। মাজনীয়ে হাত দুখন মেলি ক'লে।

ভাবিব পাৰি, কিন্তু প্ৰেক্টিকেলত থাকিলে দুখ নাপায়। মাজনীয়ে চিলিঙলৈ চাই কিবা কথা ভাবি সাউত কৰি উঠি গ'ল।

টেষ্টৰ পিছত মাজনীৰ টিউচনৰ দৌৰ আৰম্ভ হ'ল। ৰাতিপুৱা দুটা, গধূলি দুটা। লগে লগে মাক ছাঁৰ দৰে। মাইনা আৰু মাইনীৰ পঢ়া-শুনাৰ দায়িত্ব শৰতকেই দিছে। মাজনীৰ চুলি বন্ধা, কাপোৰ কানি ঠিক কৰি দিয়া, আনকি বিছনাখনো পাৰি দিয়ে। মাত্ৰ পঢ়া আৰু ভালকৈ পাছ কৰা। তেওঁ বিয়া-বাৰু, আত্মীয়-স্বজনৰ ওচৰলৈ যোৱাও বাদ দিছে। মাজনীৰ দেউতাকক কৈ থৈছে— পৰীক্ষাৰ পিছত কাশ্মীৰলৈ যাব। খালী ভৰিৰে বৰফত খোজ কাঢ়িব। মুৰত এলডা বৰফ লৈ বহি থাকিব। ডাঙৰ ডাঙৰকৈ উশাহ ল'ব। জিৰাব। খাব আৰু ফুৰিব।

: ঠিক আছে, তুমি মাত্ৰ এতিয়া তাইক মন দিয়া। মই টিকট কৰি থ'ম। কেইদিন হ'লে ভাল হ'ব?

কাশ্মীৰত সাত দিন। বাকী যি ভাবা কৰিবা। তাইৰ পৰীক্ষা ১১ এপ্ৰিলত শেষ হ'ব। ১৩ এপ্ৰিলত টিকট কাটিবা। কিন্তু এইবাৰ ঘৰত নাথাকোঁ।

মাজনীৰ দেউতাকে লেপ্‌টপটো ডাইনিং টেবুলখনত উলিয়াই লগে লগে টিকট কাটিয়েই পেলালে। বহুত কমত হৈছেহে। পিছে নন ৰিফাণ্ডেবল।

: হোটেল বুকিংটো কৰি পেলোৱা। ল'ৰাই-ছোৱালীয়ে জট-পট। মাজনী আহি দেউতাকৰ কাষৰ চকীখনত বহি সুধিলে— ফুৰাৰ Planটো নে?

: ওঁ, টিকট হ'ল। এইবাৰ বিছ কাশ্মীৰত। হোটেল বিচাৰি আছোঁ।

: দেউতা, OYO ROOM চোৱা Advance booking হয়।

: তোমাক কোনে ক'লে? লগৰবোৰে গৈয়ে থাকে নহয়।

: হ'ব বাৰু। এইবাৰ OYO ROOMতে থাকিম।

: দেউতা চিকাৰাটো থাকিব পাৰি। এৰাতিমান থাকিম নহয় নে?

: অ' এইবাৰ কাশ্মীৰখন তল-ওপৰ কৰি আহিম দিয়া।

মাইনা আৰু মাইনী দৌৰি আহি ঠেলা-হেঁচা কৰি দেউতাকৰ ওচৰত থিয় হৈ 'কাৰ্টুন উলিয়াই দিয়া, কাৰ্টুন উলিয়াই দিয়া' বুলি জঁপিয়াব ধৰিলে। দেউতাকে দুহাতেৰে ইংগিত দিলে— ৰ'বা। তেওঁ গুগল খুলি কাশ্মীৰ উলিয়ালে।

: এয়া চোৱা কাশ্মীৰ। তাত এপ্ৰ'ল গছবোৰত লমা লমে এপ্ৰ'ল লাগি থাকে, বৰফ পৰে, ব-হু-ত ফুল ফুলে। এয়া টিউলিপ। কিমান ফুলিছে দেখিছানে? এয়া ডাল লেইক। ইয়াত এই নাওবোৰত থাকিব-খাব-শুব-গা-ধুব পাৰি। তেওঁ লেপ্‌টপত ছবিবোৰ দেখুৱাই গ'ল। আৰু শেষত ক'লে—

: আমি মাজনীবাৰ পৰীক্ষাৰ পাছত কাশ্মীৰলৈ ফুৰিবলৈ যাম। সেই ভূস্বৰ্গত আমি সাতদিন থাকিম। তোমালোকে বৰফত খেলিবা, মই ফটো তুলিম।

: আমাক এপ্ৰ'ল ছিডিব দিবনে দেউতা?— মাইনাই সুধিলে।

: এনেয়ে নিদিয়ে, কিন্তু তোমালোকক ছিডিবলৈ মই পাৰ্মিচন লৈ দিম বাৰু।

: য়ে য়ে য়ে, আমি হাতীত উঠিম, এপ্ৰ'ল ছিডিম, জীপ ছাফাৰী কৰিম, বৰফ খেলিম, নাৱত উঠিম, গড় চাম, সিহঁত দুটাৰ সানমিহলি কল্পনাৰ শব্দবোৰে পাঁচজনীয়া পৰীয়ালটোক আত্মহাৰা কৰি তোলে। তাৰ মাজতে মাকে কয়—

এতিয়াও দুমাহ বাকী আছে। পিছে সময় পালে এপদ-দুপদকৈ ডাঙৰ চুটকেছটোত বস্তুবোৰ পেলাই যাব লাগিব। হঠাৎ তেওঁ চিঞৰি উঠিল—

: মাজনী, ঘড়ীটো চোৱা, আৰু ওলোৱাগৈ। কাপোৰ বিছনাত উলিয়াই থোৱা আছে।

টান জীন্‌ছৰ পেণ্ট এটা পিন্ধি ওলাই অহা মাজনীলৈ চাই মাক বৈ গ'ল।

তুমি শকত হৈছা, মাজনী।

হ'ব, মই সলাব নোৱাৰোঁ। থেচি থেচি খোৱাবা। মাকে তাইৰ পিছফালটো চালে আৰু মনতে আওৰালে। হ'ব আজি পিন্ধক আৰু।

গোটেই পৰিয়ালটো গাড়ীখনত উঠি মাজনীক টিউচনত থ'বলৈ গ'ল। গাড়ীৰপৰা নামি কেইখোজমান গৈ মাজনী উভতি আহি আহি ক'লে—

মা, ফোন আনিছানে? মোৰটো থাকি আহিল।

মাকে অনিচ্ছাসত্ত্বেও ফোনটো আগবঢ়াই দিলে। মাজনীয়ে বুজি পাই মুখ টিপি চকু নচুৱাই হাঁহি মাইনীহঁতলৈ চাই হাত জোকাৰিলে। ইহঁত দুটাই 'বাইবাই, বাইবাই'কৈ হুলস্থুল লগাই দিলে। টিউচন কৰিবলৈ অহা ল'ৰা-ছোৱালীজাকেও হাত জোকাৰিলে। বতাহত 'বাই বাই, বাই বাই' শব্দবোৰ বহুসময় উপঙি থাকিল।

মাজনীহঁতৰ টিউচন কৰা ঠাইডোখৰ এটা সৰু শ্ৰেণীকোঠাৰ সমান। তাত পোন্ধৰজনমান ল'ৰা-ছোৱালী। শিক্ষক মানে সিং ছাৰ ওলাই অহা নাই। সিহঁতৰ টিউচনৰ সময় চাৰি বজাত। কিন্তু আটাইকেইটা আধাঘণ্টা আগতে আহে। সেইখিনি সময়ত সিহঁতে গান গায়, কথা পাতে, তৰ্ক কৰে, ইজনে সিজনক জোকায়, ছেল্ফী উঠে। মাজনীৰ ছেল্ফী উঠাৰ চখটো পূৰাবলৈ তাই মাকৰ ফোনটো বুদ্ধি কৰি আনিছে। সেয়েহে আহিয়েই পিঠিৰ বেগটো নানমোৱাকৈয়ে ফটো তোলাত লাগি গ'ল। সকলোৱে হেতা-ওপৰা লগালে। তাৰ মাজতে ধ্যানভ নামৰ ল'ৰাটোৱে মুৰটো বেঞ্চত থৈ জিৰাই থকা দেখি মাজনী ওচৰলৈ গৈ হেঁচুকি ক'লে—

'অ'ই, মগ্‌ৰামি কৰিছ কিয়?'

সি প্ৰশ্নবোধক দৃষ্টিৰে মুৰ তুলি চাই মুখৰ ভিতৰতে আওৰালে— মগ্‌ৰামি। চকু দুটাত হাঁহিৰ আভা বিয়পাই হাতৰ

ইংগিতেৰে সুধিলে— কি সেইটো?

মগ্ৰামি।

কি? কি?

মগ্ৰামি-ই-ই।— মাজনীয়ে চিঞৰি ক'লে। আটাইৰে দৃষ্টি আকৰ্ষণ কৰিছিল তাইৰ মাতটোৱে। তাই বুজালে— পঢ়িবলৈ মন নকৰি এনেকৈ মূৰ পেলাই থকাক 'মগ্ৰামি' কৰা বুলি কয়।

শব্দটো সকলোৰে ভাল লাগিছিল। কথাই কথাই হকে-বিহকে আটায়ে মগ্ৰামি মগ্ৰামি বুলি শব্দটো ব্যৱহাৰ কৰি থাকিল। যেনে— ছাৰ, আজি ওলাই আহিবলৈ পলম কৰিছে, কিবা চাগে 'মগ্ৰামি' কৰি আছে বাইদেউৰ লগত, যোৱাৰ সময়ত আটায়ে একেলগে 'মগ্ৰামি' কৰিম দেই ( মানে ছেল্‌ফী উঠিম দেই), 'মগ্ৰামি' কৰিছ কিয় (ঠেলিছ কিয়) সেইফালে যা, আজি মোৰ একেবাৰে 'মগ্ৰামি' কৰিব মন যোৱা নাই। (ক্লাছ কৰিব মন যোৱা নাই) ইত্যাদি ইত্যাদি। প্ৰত্যেকটো 'মগ্ৰামি'ৰ পিছতে মৰা সিহঁতৰ হাঁহিবোৰে দিগন্ত চুইছিল।

দেৰিকৈ অহা অশোক নামৰ ল'ৰাটোৱে আহিয়ে ক'লে— আজি ছাৰৰ নতুন নাম এটা শুনি আহিছোঁ। চিংৰা-ছাৰ। আমাৰ আগৰ বেট্‌ছটোৱে দিয়া। (সিহঁতক পঢ়ুওৱা শিক্ষকজনৰ নাম বিক্ৰম সিং)।

আৰে ঠিক দিছে। সিং ছাৰ বুলি ক'বলৈ কিবা খৰা-মৰা লাগে। ৰ' বে। তাক আমি দিয়া নতুন নামটো ক আকৌ।

ছোৱালীবোৰে চিঞৰিলে 'মগ্ৰামি'।

'মগ্ৰামি' কিয় দিলি বে।

এতিয়ালৈকে ক্লাছ ল'বলৈ ওলাই অহা নাই, সেইকাৰণে।

এনেতে, কি হ'ল বুলি কৈ বিক্ৰম সিং কোঠাটোত সোমাল। সকলো একান্ত বাধ্য ছাত্ৰ হৈ পৰিল।

ছুটীৰ সময়ত কোনোবা এটাই গালে—

*ছেল্‌ফী লেলেৰে লেলেৰে লেলেৰে,*
*ছেল্‌ফী থোৱা থোৱা লে...।*

মাজনী টিউচনৰপৰা অহাৰ পিছত মাকে ম'বাইলটোত লোৱা ফটোবোৰ চালে। বিভিন্ন প'জিচনত আনকি ডেস্কৰ ওপৰত থিয় হৈয়ো ফটো উঠিছে।

সেইদৰেই দিনবোৰ পাৰ হৈ পৰীক্ষাৰ দিন আহিল। মাইনা-মাইনীৰ লুডুগুটি লৈ কৰা কাজিয়াৰ মাত ডাঙৰ হোৱা দেখি মাক দৌৰি আহিল।

মাজনীবাৰ পৰীক্ষা আছে। নিচিঞৰিবাচোন। কাইলৈ অংকৰ পৰীক্ষা। ভগৱানক নমো মনো কৰা, যাতে বাৰ পৰীক্ষা ভাল হয়।

তুমি আমাক টিভি চাবওঁ নিদিয়া, ফুৰিবলৈও নিনিয়া। নিম নহয় কাশ্মীৰলৈ। বৰফেৰে আইচমেন বনাম। বল লৈ দলিয়া-দলি খেলিম। ইয়াৰ নিচিনা নহয় তাত, ঠাণ্ডা।

মই জেকেটটো ডিঙিলৈকে বুটাম মাৰি লম।

মই মাজনীবাৰ সৰু থাকোঁতে পিন্ধা ছদিটো পিন্ধিম। আৰু ৰঙা চুৰেটোৰটো নিম। মাকে সিঁচৰতি হৈ থকা লুডুগুটিবোৰ বুটলি মুখেৰে কৈ থাকিল— বুটলা, বুটলা। সিহঁত দুয়ো মাকৰ লগতে বুটলা বুটলা বুলি মুখেৰে কৈ গুটিবোৰ সামৰিলে।

মাকে মাজনী পৰীক্ষা দিবলৈ ওলোৱাৰ আগতে সিহঁত দুটাক স্কুললৈ সাজু কৰি পঠিয়ালে। গোসাঁই ঘৰত চাকিগছি চাকি জ্বলালে। মাজনীক সিদ্ধি বাবাৰ কাপোৰখন মূৰত লগাই প্ৰাৰ্থনা কৰিলে। কাপোৰখন গুচাই দিয়াৰ পাছত মাজনীয়ে মাকলৈ চাই সুধিলে— ভাল হ'বনে?

মাকেও হাঁহি হাঁহি ক'লে— কিয় বেয়া হ'ব। তোমাৰ লগতে লগৰবোৰৰো পৰীক্ষা ভাল হ'ব।

মাজনীক পৰীক্ষাগৃহত থৈ আহি মাকে বাটত পোৱা সকলো মঠ-মন্দিৰ, আনকি ফুটপাথত জাবৰ নেপেলাবলৈ সজা শনি মন্দিৰবোৰলৈও প্ৰণিপাত জনালে। গাড়ী চলাই থকা মাজনীৰ দেউতাকে এখন হাতেৰে ষ্টীয়েৰিং আৰু আনখন হাতেৰে মাজনীৰ মাকৰ হাতখন ধৰিলে—

ইমান চিন্তা কৰিছা কিয়? তাইৰ ভাগ্যক আমি লিখি দিব নোৱাৰোঁ নহয়।

আজি জানো কিয় বুকুখন কিবা গধুৰ লাগিছে। অলপমান কান্দি দিলেহে চাগে পাতল লাগিব। সিহঁত দুটাক একেবাৰে লৈ যাওঁ, ক'ৰবাত চাহ একাপকে খাওঁ ব'লা।

আৰু মাত্ৰ এটা আছে। সেইটো শেষ হ'লেই তোমাৰ মুকলি লাগিব। কম কষ্ট কৰিছানে তুমি। তাইৰ লগতে উজাগৰে কটাইছা। মোৰ ওচৰলৈ কিমান দিন অহা নাই জানানে? পূৰা ৪২ দিন।

বাপ্‌ৰে...। সেইটো যে মিনিট কাঁটালৈকে হিচাপ ৰাখিছা, মানিছোঁ দেই। আৰু ৯ দিন আছে শেষ হ'বলৈ। তাৰ পিছত...। একেবাৰে কাশ্মীৰত। দুয়ো হাঁহে।

ল'ৰা-ছোৱালীহাল লগত লৈ বজাৰ কৰিলে। টিছু পেপাৰ, ক'ল্ড ক্ৰীম, গৰম মোজা, বেবী দুটা আৰু তিনিটা ছফ্‌ট টুথ ব্ৰাছ, সৰু সৰু দুটা ট্ৰলি বেগ ল'ৰা-ছোৱালীহালৰ লৈ। সিহঁত দুটাক বুজাব নিজৰ নিজৰ দৰকাৰী বস্তুবোৰ ইয়াত আজিৰপৰা ভৰাই যাবা।

ঘৰলৈ আহি ল'ৰা-ছোৱালীহালক কাপোৰ সলাই কিবা এটা খাব দি আকৌ মাজনীক আনিবলৈ গোটেইকেইটা ওলাই আহিল।







পৰীক্ষা হলৰপৰা লগৰকেইজনীৰ লগত কথা পাতি ওলাই অহা মাজনীক দূৰৰপৰা দেখিয়েই মাকে উৎফুল্লিত হৈ ক'লে— তাইৰ মুখখন দেখিয়েই গম পাইছোঁ, তাইৰ পৰীক্ষা ভাল হৈছে বুইছা। মেট্ৰিকটো ভাল হ'লে তাই যি মন যায় তাকে পঢ়িব পাৰে। নহয়নে বাৰু? মেট্ৰিকত লেটাৰ পালে শৰতকো কিবা এটা দিব লাগিব। সি পিছৰখিনি চাই দিলে যে।

হ'ব, ৰ'বাচোন। বেছি ভাবাঁ।

মাজনী ওলাই আহি প্ৰায় দৌৰাৰ দৰে আহি ক'লে— দেউতা চব কৰিছোঁ, দুইনম্বৰ এটা সন্দেহত থাকিল। বাকী God knows. হ'ব, হ'ব। মাৰৰহে চিন্তা বেছি।

তোমাৰ পৰীক্ষা ভাল হৈছে ন, মোৰো ভাল হৈছে। মাজনীক মাইনাই ক'লে। তাকে শুনি মাইনীয়েও ক'লে— মোৰো ভাল হৈছে।

আমাৰ সকলোৰে ভাল হৈছে। আমি তিনিটাৰ পৰীক্ষা ভাল হ'লে মা-দেউতাৰ পৰীক্ষা নিজে নিজে ভাল হয়। আৰু মাত্ৰ এটা আছে। তাৰ পিছত সু... বুলি উৰাজাহাজ উৰাৰ ভাও দেখুৱালে।

ঘৰলৈ আহি মাজনীয়ে ঘোষণা কৰিলে, আজি গধুলি নপঢ়োঁ দেই মা। Social Science আছে। মূৰটো ঠাণ্ডা কৰি কালি ৰাতিপুৱাৰপৰাহে পঢ়িম। এতিয়া অলপ শুম। তাৰ পিছত টিভি চাম। সাঁচাকৈ তাই বিছনাত পৰাৰ লগে লগে টোপনি গ'ল। ঠিক আবেলি ছয় বজাৰ লগে লগে উঠি টিভি লগাই তাই চিঞৰি উঠিল— মা মা।

Maths paper out হৈছে। তাই পগলাৰ দৰে লগৰবোৰলৈ ফোন কৰিলে। ইংৰাজীত অবাইচ মাত ফুটিল। মাক-বাপেকে টিভিৰ বাতৰি উৰাই-ঘূৰাই চালে। সকলোতে একে খবৰ। প্ৰাইভেট স্কুল এখনত অংকৰ পেপাৰখন তিনি ভাগত ভাগ কৰি ল'ৰা-ছোৱালীক শিকালে। তিনিখন গোটাই দেখে কেইটামান শব্দ ইফাল-সিফাল মাথোঁ কৰিছে। শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছে উচ্চস্তৰৰ তদন্ত হ'ব। Chanel বোৰে কোৱা মতে সেই কাম স্কুলখনে আগৰ বছৰো কৰিছিল। মন কৰি থকা এজন সাহসী শিক্ষকে কথাটো জনাজাত কৰিলে। পিছদিনা পেপাৰত আহিল অংকৰ পৰীক্ষা আকৌ পাতিব। মাজনীয়ে লগৰ কাৰোবাৰপৰা গম পালে শৰৎ যিখন স্কুলত সোমাইছে, সেইখনতে পেপাৰ বহু আগতে ল'ৰা-ছোৱালীৰ হাতত পৰিছে।

অংকৰ পৰীক্ষাৰ তাৰিখ ঘোষণা কৰিলে পিছদিনাৰ বাতৰিকাকতত। বিহুৰ পিছৰ প্ৰথম সোমবাৰে হ'ব। মাজনীৰ মাক পগলা হোৱাদি হ'ল। মাইনীয়ে দৌৰি গৈ দেউতাকক ক'লেগৈ— দেউতা দেউতা, মায়ে পেপাৰখন ফালি-চিৰি দিলে।

দেউতাকৰ লগতে তিনিওটা ল'ৰা-ছোৱালীয়ে মাকক আগুৰি ধৰিলে। মাকে মাজনীলৈ পলক নেপেলোৱাকৈ চাই থকা দেখি তাই মাকক বুজালে— পঢ়া হৈয়ে আছে, আকৌ এবাৰ দিম আৰু। খঙো উঠে, মানুহ ইমানো স্বাৰ্থপৰ হ'ব নালাগে। টকানো কাক নালাগে, সেইবুলি এটা প্ৰজন্মক বন্ধকত থৈ নিজৰ মুনাফাৰ কথা কেনেকৈ ভাবিব পাৰে?

তাইৰ হতাশাৰে ভৰা কথা শুনি মাক থিয় হ'ল। ইঁহাৰ দৰে মুখখন কৰি শোৱনি-কোঠালৈ খোজ ল'লে। তেওঁ কাগজ-কলম উলিয়াই খচ্‌খচকৈ কিবা লিখি থাকিল। ল'ৰা-ছোৱালীকেইটাৰ দেউতাকে তেওঁৰ পিঠিত আলফুলকৈ হাত এখন থৈ সুধিলে— কি লিখিছা? প্ৰধান মন্ত্ৰী আৰু শিক্ষামন্ত্ৰীলৈ চিঠি লিখিছোঁ। তেওঁলোকক মই সন্মুখীন হোৱা সকলো পৰিস্থিতি জনাব বিচাৰিছোঁ। কেনেকৈ মাজনী ক্লাছ টেইন পোৱাৰ লগে লগে তাইক পঢ়াৰ পৰিবেশ তৈয়াৰ কৰিবলগীয়া হৈছিল ঘৰখনত। আলহীৰ বাবে ৰখা আছুতীয়া কোঠাটো মাজনীৰ কোঠা কৰাৰ ফলত আমাৰ ঘৰত আপোন পৰিয়াল অহাটো বন্ধ কৰিবলগীয়া হৈছিল। আজি এবছৰ ধৰি বিয়া-সভালৈ গোটেই পৰিয়ালটো একেলগে নোযোৱাকৈ আছোঁ। চাৰিজন মানুহৰ কাশ্মীৰলৈ প্লেনৰ টিকট ৫০,০০০/ টকা আৰু হোটেল বুকিঙৰ টকাখিনিটো আমি ঘূৰাই নাপাওঁ। আমাক ফুৰিব নিবলৈ তুমি অভাৰটাইম কৰি কৰি এইখিনি টকা গোটাবলৈ যাওঁতে তোমাৰ চকু দুটা সোমাই যোৱা দেখিও, তোমাৰ কষ্ট হোৱা দেখিও নেদেখাৰ দৰে মই আৰু ভাওজুৰি থাকিব নোৱাৰোঁ। (আচলতে চকুপানী মচি মচি তেওঁ কৈ গ'ল) সেই অকণমানি ল'ৰা-ছোৱালীহাল কাশ্মীৰ চাব যাম বুলি যি প্ৰস্তুতি চলাইছে, সেইবোৰ মই সকলো ক'ম। প্ৰয়োজনীয় বস্তুবোৰ এপদ এপদকৈ গোটাই যাবলৈ উলিয়াই থোৱা চুটকেছটোত সিহঁতৰ পুতলাবোৰ লুকুৱাই সোমাই থোৱা সিহঁতৰ মনবোৰ ভাঙি গ'লে, মাক-বাপেক হিচাপে তুমি আৰু মই ভৱিষ্যতে কোৱা কথাবোৰ সিহঁত দুটাই বিশ্বাসত ল'বনে আমাক? ডাঙৰ হৈ কথাবোৰ বুজি পালে এই দেশত নাথাকোঁ বুলি ওলাই গুচি নাযাবনে? মই তেওঁক এই অসভ্য স্বাৰ্থান্ধ শিক্ষাক বাণিজ্যলৈ টানি নিয়া মানুহখিনিক এনে শাস্তি দিবলৈ অনুৰোধ কৰিম যে আগলৈ সহজতে এনে কাম কৰাৰ আগতে দহবাৰ ভাবিব লাগিব। (হুকহুকাই কন্দা মানুহজনীয়ে গিৰিয়েকৰ মুখলৈ চাই ক'লে) তাৰ বাহিৰে মই-আমি আৰু কি কৰিব পাৰোঁ? ■

চুটিগল্প...

# পোহৰ আহে এই বাটে

মিনু দাস
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

শান্তনুৱে কলেজৰ গেটতে খন্তেক থমকি ৰ'ল। এটি মৃদু শিহৰণত কঁপি উঠিল। কলেজখনৰ বতাহতো যেন বৈ ৰৈছে আত্মীয়তাৰ সুবাস। দীঘলকৈ উশাহ এটা টানি সি কম্পাউণ্ডটোৰ প্ৰতিটো চুকলৈ চাই পঠিয়ালে... 'এৰা, কলেজখন বহু সলনি হ'ল। দীঘলীয়া অসম আৰ্হিৰ ক্লাছৰুমবোৰৰ ঠাইত বিল্ডিং হ'ল।' সি ভাবি ভাবিয়েই বকুলজোপা থকা ঠাই টুকুৰালৈ চাই পঠিয়ালে... 'আছে!! বকুলজোপা তাতেই আছে। কেৱল সৰু গছজোপা এতিয়া বৃক্ষ হ'ল।' মনটো তাৰ ভাল লাগি গ'ল। আচলতে বহুদিনৰ মূৰত সহপাঠী এজনক লগপোৱাৰ দৰে সুখানুভূতি এটাই তাক মেৰিয়াই লৈছিল।

সি পঢ়ি থকা সময়ত কলেজখন বেচৰকাৰী আছিল। ছাৰ, বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আছিল আত্মিক সম্পৰ্ক, আছিল হৃদয়ৰ সংযোগ। চালুকীয়া আনুষ্ঠানটোৰ সৰু লাইব্ৰেৰীটোৰ কিতাপে ছাত্ৰ-ছাত্ৰীৰ অভাৱ পূৰাবলৈ যথেষ্ট নাছিল। শিক্ষকসকলেই বেছিভাগ কিতাপ যুগুতাই দিছিল। নিজে কিনি পঢ়া আলোচনী, উপন্যাস পাছত ছাত্ৰ-ছাত্ৰীক বিলাই দিছিল। 'আস্... কি যে এক অধ্যয়নশীল সংস্কৃতিৰে চহকী আমাৰ কলেজ।' শান্তনুৱে ভাবি গ'ল।

সেয়েহে তাৰবাবে কলেজখন মন্দিৰতকৈ কোনোগুণে কম নহয়, য'ত ছাত্ৰ-ছাত্ৰী হৈ পৰে ভক্ত আৰু শিক্ষক হৈ পৰে পৰমপুৰুষ। কলেজখন হৈ পৰে শিক্ষক আৰু ছাত্ৰৰ আত্মাৰ সংযোগস্থলী। ছাৰ-বাইদেউহঁতে বিলোৱা জ্ঞানৰ পোহৰত সিহঁতে পাইছিল জীৱনৰ কঠিন পাঠৰ সৰল ব্যাখ্যা, পাইছিল স্বাৱলম্বী হোৱাৰ মানসিকতা, মানুহ হোৱাৰ শিক্ষা।

ভাবি ভাবিয়ে সি এবাৰ কান্ধৰ মোনাটোৰ ভিতৰৰ আলোচনীকেইখন চুই চালে। এগৰাকী শিক্ষয়িত্ৰী তাৰ কাষেৰে পাৰ হৈ যোৱা দেখি সি মাত দিলে...'বাইদেউ... অলপ কথা আছিল... সময় অলপ দিব পাৰি...।'

'আহঁচোন...' বুলি শান্তনুৰ কথাৰ মাজতে মাত দি তেখেত খৰখেদাকৈ আগুৱাই গ'ল। শান্তনুৱে খন্তেক ভাবি লৈ তেওঁৰ পাছে পাছে খোজ দিলে।

TEACHERS COMMON ROOM... দুৱাৰমুখৰ চৌকাঠৰ ওপৰত ডাঙৰ ডাঙৰকৈ লিখা থকা কোঠা এটালৈ তেখেত সোমাই গ'ল।



শান্তনুৱে দুৱাৰমুখৰপৰাই দেখিলে কেইগৰাকীমান শিক্ষকে কথা পাতি আছে। হয়তো ক্লাছ নাই। চিনাকি মুখ বিচাৰি সি প্ৰতিগৰাকী শিক্ষকৰ মুখলৈ ভালদৰে চালে। নাই... চিনাকি মুখ এখনো নাই। নাথাকিবই... সিহঁতৰ সময়ৰ ছাৰ-বাইদেউসকলে চাগে অৱসৰ ল'লে। কোৱাচোন কি ক'ব খুজিছিলা?

শিক্ষয়িত্ৰীগৰাকীৰ মাতত শান্তনু সচকিত হৈ উঠিল। সি খৰধৰকৈ মোনাখনৰপৰা আলোচনী এখন উলিয়াই মানুহগৰাকীলৈ আগবঢ়াই দি কৈ গ'ল— 'বৰ কম মূলধনেৰে আলোচনী এখন উলিয়াইছোঁ। মূল্য প্ৰতিখনত ত্ৰিছ টকা। বছৰেকীয়া গ্ৰাহক হ'লে তিনিশ টকা দিলেই হ'ব।' বাইদেৱে তাৰ হাতৰপৰা আলোচনীখন লৈ মেলি চালে।

শান্তনুৱে এইবাৰ কোঠাটোত আগৰেপৰা বহি থকা আন আন শিক্ষকসকললৈ মন কৰিলে। কথা পাতি থকা দুজনমানে খন্তেক শান্তনুৰ কথা শুনি পুনৰ কথা পতাত লাগি গ'ল। সি আঁৰ চকুৰে কোঠাটোত বহি থকা আটাইকেইজনৰ মুখবোৰ পৰীক্ষা কৰি গ'ল। সকলো কথাত ব্যস্ত। কাৰো মুখত কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল। বোধহয় শান্তনুৰ কথাই কাকো প্ৰভাৱিত কৰিব নোৱাৰিলে।

"অ' শুনাচোন... মোক থ্ৰী নাইনটী নাইনৰ টক্ টাইম এটা ভৰাই দিবাচোন। কালিৰে পৰা হোৱাট্ছএপ অফ, এফ বি চ'ব বন্ধ। দিগদাৰ লাগি গৈছে।" মাতটো অহা দিশে শান্তনুৱে ঘূৰি চালে। সেই মেডামগৰাকীয়ে অলপ আগতে তাৰ হাতৰপৰা লোৱা আলোচনীখন নুৰা পকাই লৈ সন্মুখৰ টেবুলখনত কোবাই কোবাই ফোনত কথা পাতিছে। নুৰাটোৰ কোবটো আহি যেন শান্তনুৰ মূৰত পৰিছিলহি। তাৰ মগজুত যেন দপ্‌দপাই একুৰা জুই জ্বলি উঠিছিল। জ্বলিছিল তাৰ দেহ, পুৰিছিল বুকু। নিজকে নিয়ন্ত্ৰণ কৰি সি হাতখন আগুৱাই দি বাইদেউৰপৰা আলোচনীখন উভতাই বিচাৰিলে। খন্তেক শান্তনুলৈ চাই ফোনটো কাণৰপৰা আঁতৰাই তেওঁ ক'লে।

'কিতাপখন লোৱাৰ কথাটো আমি ডিপাৰ্টমেণ্টত আলোচনা কৰি জনাম দেই।'

শান্তনুৱে মুখেৰে একো নামাতি আলোচনীখন লৈ কোঠাটোৰপৰা ওলাই আহিল। সি যেন উশাহ নোপোৱা হৈছে। এজাক অপসংস্কৃতিয়ে যেন তাক পিছে পিছে খেদিছে... সি দৌৰিছে...

কলেজ এৰি শান্তনু আহি ৰাস্তা পালেহি। হতাশাই তাক আগুৰি ধৰিছেহি। সি যেন আজি বহু কিবাকিবি হেৰুৱালে। তাৰ দুচকুত সযতনে সাঁচি ৰখা এটা উজ্জ্বল পোহৰ যেন লাহে লাহে ম্লান হৈ পৰিল।

'ঐ শান্তনু, কি খবৰ?' ৰাস্তাৰ কাষৰ সৰু চাহ দোকানখনৰপৰা অহা মাতটোত শান্তনু সচকিত হৈ উঠিল। মানুহজনলৈ চায়েই সি একপ্ৰকাৰ চিঞৰি দিয়াদি ক'লে।

'হাৰে!! কুলেনদা আপুনি ?? এইখন আপোনাৰ ??' সৰু তৰ্জাবেৰৰ চাহ দোকানখনলৈ চকুৰে ইংগিত কৰি শান্তনুৱে মানুহজনক প্ৰশ্ন কৰিলে।

'এৰা হে, হায়াৰ ছেকেণ্ডাৰী ফেল মানুহহে মই। হা হা হা... এইখনেৰেই কোনোমতে পৰিয়াল চলাই আছোঁ, বুজিছানে?? ঐ শান্তনু... তোমাৰ কথা কোৱা?' কথাখিনি কৈয়ে কুলেনদাই শান্তনুৰ মুখলৈ চাই ৰৈ গ'ল। শান্তনুৱে দোকানৰ দীঘলীয়া ডেস্কখনত কান্ধৰ মোনাটো থৈ অলসভাৱে বেঞ্চখনত বহি লৈ কৈ গ'ল...

'চাকৰি আৰু নহ'লগৈ দাদা। লিখি ভালপোৱা মানুহ। বোলো আলোচনী এখন উলিয়াই তাৰে পেটৰ ভাতকেইটাৰো ব্যৱস্থা কৰোঁ, লিখাৰ হাবিয়াসো পূৰণ কৰোঁ। পিছে.. সন্দেহ হৈছে। আলোচনীখন চলাব নোৱাৰিমেই চাগে...।'

'কিয় নোৱাৰিবা?? পাৰিবই লাগিব। মোক কেইক'পীমান দি যোৱা। মোৰ ৰেগুলাৰ কাষ্টমাৰকেইজনক দিম। গ্ৰাহকো বিচাৰি দিব পাৰিম ৰ'বা।'

এগিলাচ পানী শান্তনুলৈ আগবঢ়াই দি কুলেনদাই পৰম উৎসাহেৰে কৈ গ'ল। শান্তনুৱে কুলেনদাৰ মুখলৈ চালে। কুলেনদাৰ চকু-মুখেৰে যেন এখন ধীৰ নৈ বাগৰি আহিছে। বাগৰি আহিছে এখন বিশ্বাসৰ নৈ, এখন আস্থাৰ নৈ। মৰম... ভালপোৱা... মহানুভৱতাৰ সেই নৈখনত শান্তনু যেন আকণ্ঠ তিতি ৰৈছে। যেতিয়ালৈকে পৃথিবীত এনে নৈৰ উৎস থাকিব, তেতিয়ালৈকে পোহৰ থাকিব... আশা থাকিব আৰু থাকিব জীয়াই থকাৰ প্ৰেৰণা।

শান্তনুৱে পৰম তৃপ্তিত কুলেনদাৰ হাতৰ পানীগিলাচ পি খালে।... ■

# নিহাৰিকা

(কলেজ সপ্তাহৰ গল্প প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত গল্প)

**জোন্টি খাখলাৰী**
**দ্বিতীয় ষাণ্মাসিক, শিক্ষা বিভাগ**

উদুলি-মুদুলি পৰিবেশৰ মাজত নিহাৰিকা ব্যস্ত। তাইৰ একমাত্ৰ ভনীয়েক ৰাজশ্ৰীৰ বিয়া। কিমান যে কাম পৰি আছে। ১০ বছৰ বয়সতে মাক-বাপেকক হেৰুৱাই তাইৰ একমাত্ৰ ভনীয়েক ৰাজশ্ৰীৰ সম্পূৰ্ণ দায়িত্ব তাই নিজৰ ওপৰত তুলি ল'ব লগা হৈছিল। ফুলকুমলীয়া সেই বয়সতে আনৰ ঘৰত কাঁহী-বাটি ধুই, ঘৰ মচি আদি কৰিয়ে তাই নিজৰ লগতে ভনীয়েকজনীৰ পেট পুৰাইছিল। পিছত যেনিবা এজন ভদ্ৰ লোকৰ কৃপাত এখন কাপোৰৰ দোকানত কাম পাইছিল। সেই দোকানখনত থাকি পোৱা পইচাকেইটাৰে ভনীয়েকৰ পঢ়াৰ খৰচ, ঘৰ ভাৰা, খোৱা-লোৱাৰ ব্যৱস্থা হৈছিল। এতিয়া তাই খুবেই সুখী। কাপোৰৰ দোকানখনত 'ট্ৰেইলৰিং' শিকি এখন নিজাববীয়াকৈ কাপোৰৰ দোকান খুলি লৈছে। নিজৰ জীৱনৰ কথা ভাবোঁতে তাইৰ মনলৈ আহে তাইৰ একমাত্ৰ ভনীয়েকৰ জীৱনৰ কথা। ভনীয়েকৰ সুখৰ কথা ভাবিয়েই তাই ভনীয়েকৰ বিয়া ঠিক কৰিছিল ৰাকেশ নামৰ প্ৰেমিকজনৰ লগত। তাৰ পৰিয়ালো খুব এটা বেয়া নহয়। মাকজনীও ভালেই।

'নিহাৰিকা' ! পিছফালৰ পৰা ভাহি অহা মাতটোত ইমান সময়ে ব্যস্ত হৈ থকা নিহাৰিকাই পিছফালে উভতি চালে।

অভিষেক আহিছে। তাইৰ ভাল বন্ধু সি। ভাল লাগে তাইৰ তাৰ লগত মনৰ কথা পাতি। নিজৰ ভনীয়েকৰ বিয়াৰ বাবে বহুত সহায় কৰিছে সি তাইক। ভাল লাগিল তাৰ মাতটো শুনি। কিন্তু সি চোন মনটো মৰা হৈ আহিছে। আনদিনাৰ দৰে তাৰ মুখত হাঁহি নাই। তাই সুধিলে— 'কি হ'ল অভি? ইমান মনটো মৰা হৈ আহিছাঁ যে?' সি মুখেৰে একো নামাতিলে। ল'ৰালৰিকৈ ম'বাইলটো উলিয়াই নিউজ এটা দেখুৱালে। য'ত লিখা আছিল— 'ব্ৰেকিং নিউজ! বিয়ালৈ অহা বাছ এখনত ৰাকেশ দাসৰ দুৰ্ঘটনাত মৃত্যু।' ■

| কৌতুক | | | | | |
|---|---|---|---|---|---|
| | ১ম ব্যক্তিয়ে ২য় ব্যক্তিক ক'লে— | | | | |
| ১ম | : | ভাইটি কি নাম তোমাৰ? | ১ম | : | ইমান মিলাই মিলাই কথা কেনেকৈ কোৱাহে? |
| ২য় | : | খিতীশ। | ২য় | : | প্ৰেক্টিচ। |
| ১ম | : | দেউতাৰ নাম? | ১ম | : | জিভা কিন্তু তামাম পিছল কৰি ৰাখিছা। |
| ২য় | : | নীতীশ। | ২য় | : | পলিছ। |
| ১ম | : | হয় নেকি, ঘৰ ক'ত তোমাৰ? | ১ম | : | স্বাস্থ্যটো হ'লে পুৰা ভালে ৰাখিছাঁ। |
| ২য় | : | পেৰিছ। | ২য় | : | মালিছ। |
| ১ম | : | বয়স কিমান তোমাৰ? | ১ম | : | পাগল নেকি, কিধৰণৰ মানুহহে তুমি? |
| ২য় | : | পঁচিছ। | ২য় | : | জিনিছ |
| ১ম | : | কি খাই ভাল পোৱা? | ১ম | : | ধেৎতেৰি, তোমাৰ লগত কথা পতাই ভুল দেই। |
| ২য় | : | পেটিছ। | ২য় | : | ফিনিছ। |

*বিকি বসুমতাৰী, উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ*





(কলেজ সপ্তাহৰ গল্প প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত গল্প)

# জীৱনত এন্ধাৰৰ একুৰা জুই

**প্ৰাঞ্জল পাণ্ডে**
**দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ**



বিমলিৰ বিয়া হৈ অহাৰ এবছৰ পিছতে গিৰীয়েকে তাইক এৰি বাহিৰলৈ কামৰ সন্ধানত ওলাই গৈছিল। প্ৰায় দহ বছৰে হ'ল তেওঁ ঘূৰি অহা নাই। বিমলীৰ জীয়েক মানসী দেউতাকক নেদেখাকৈয়ে ডাঙৰ হ'ল। ঘৰখনতো তাইক অনবৰতে কিবা নহয় কিবা কামত শাহুৱেকে দোষ দি দি গালি-শপনি পাৰি থাকে। তাইক ঘৰৰ পৰা ১৭ বছৰ বয়সতে বিক্ৰমলৈ বিয়া দিছিল। বিক্ৰম ঘৰত থাকোঁতেও তাই গিৰীয়েকৰ পৰা বিভিন্ন কাৰণত ঘৰুৱা নিৰ্যাতনৰ বলি হৈছিল। এই কাৰণতেই তাই গিৰীয়েক ঘৰলৈ উভতি নহাটোক লৈ ভালেই পাবনে বেয়াই পাব ভাবি পোৱা নাই।

এদিন হঠাৎ তাই দূৰদৰ্শনত বাতৰি চাই থাকোঁতে বিক্ৰমক দেখা পাইছিল। তাই বাতৰিটো চাই আচৰিত হৈ পৰিল। কাৰণ বাতৰিটোৱে বিক্ৰমক এজন সন্ত্ৰাসবাদীৰ পৰিচয় দিছিল। তাই লগে লগে হতভম্ব, কাৰণ বিক্ৰম হেনো পলাতক অৱস্থাত আছে।

এদিন হঠাৎ পুলিচ আহি তাইক ধৰি লৈ গৈ গিৰীয়েকৰ কথা সুধি নিৰ্যাতনৰ জৰিয়তে জেৰা কৰিলে। তাই বহুত কষ্ট পালে। কিন্তু কি হ'ব, পুলিচে জানো তাইৰ কথা শুনিব !

সন্ধিয়া গাৰ বিষৰ মাজেৰে থানাৰ পৰা ঘৰলৈ উভতি আহোঁতে হঠাতে পদুলিৰ সন্মুখৰ পৰা কোনোবাই মুখত খোপা মাৰি টানি লৈ গ'ল। তাই চিঞৰিবলৈ চেষ্টা কৰিলে যদিও নোৱাৰিলে। পিছত তাই চকু দুটাৰে ভালকৈ মনি মনি চাই দেখিলে, তাইৰ স্বামী বিক্ৰম। তাই উৎফুল্লিত হোৱা হাঁহি এটাৰে তেওঁক সোঁৱৰাই দিলে যে তাইৰ মনটো ভাল লাগিছে। হঠাৎ তাইৰ বাতৰিটোলৈ মনত পৰিল। সেই সুন্দৰ হাঁহিটো যেন হঠাৎ আঁতৰি দুঃখৰ ৰূপ ল'লে। তাই একো নাভাবি গিৰীয়েকক ঘৰৰ ভিতৰলৈ লৈ গ'ল। ঘৰৰ মানুহে মনত বহুত কষ্ট পাই বিক্ৰমক গালি-শপনি পাৰিলে। ছোৱালীজনীৰ সৈতে দেউতাকক চিনাকি কৰাই দিলে। কিন্তু ছোৱালীজনীয়ে দেউতাকক দেখি ভয় খালে। কিয়নো তায়ো বাতৰিটো চাই আছিল।

হঠাৎ দুৱাৰত টুকুৰিওৱাৰ শব্দ আহিল। মানে পুলিচ অহা বুলি তেওঁলোকে গম পালে। লগে লগে গিৰীয়েকক পিছৰ দুৱাৰেৰে খেদাই পঠিয়ালে, পঠিয়াই তাই আগৰ দুৱাৰখন খুলিলে মুখত এক নম্ৰ ভাব লৈ। পুলিচে গিৰীয়েকৰ কথা সোধাত তাই নাই অহা বুলি ক'লে। কিন্তু ওচৰৰ মানুহৰ পৰা বিচাৰ-খোঁচাৰ কৰি গম পালে যে তাই মিছা কৈছে, হঠাৎ গিৰীয়েক পিছৰ দুৱাৰেৰে ভিতৰত সোমাব লৈছিল। লগে লগে পুলিচে তালৈ গুলীয়ালে আৰু গিৰীয়েকক আগভেটি গুলী তাইৰ গাত লৈ ল'লে। এনেকৈ তাই তাইৰ জীৱনটো ধ্বংস কৰিলে। লগে লগে বিক্ৰম পিছৰ দুৱাৰেৰে পলাল। ■

# সন্দেহাতীত সমাজ

সীমা কলিতা
স্নাতক দ্বিতীয় ষাণ্মাসিক, শিক্ষা বিভাগ

ৰাতিপুৱা শুই উঠি ৰমেনে মাকক ক'লে— মা, মই অলপ বাহিৰৰ পৰা আহোঁ। মাকে ৰান্ধনিঘৰৰ পৰাই ক'লে— য'ত যা যা, কিন্তু ভালদৰে। ৰমেন হৈছে বৰ্তমানৰ যুৱক, গতিকে সি কোনোধৰণৰ অন্ধবিশ্বাস আদিত বিশ্বাস নকৰে। সি ম'বাইলটো হাতত লৈ ওলাই গ'ল। ইফালে মাকে পৰিয়ালৰ আন সদস্যৰ লগত ব্যস্ত হৈ পৰিল। ৰমেনে নিজৰ বন্ধুবৰ্গৰ লগত লগ হৈ



ধেমালি কৰাত ব্যস্ত থাকিল আৰু কেনেদৰে দিনটো পাৰ হৈ গ'ল গমকেই নাপালে। ইফালে ঘৰত মাক চিন্তাত পৰিল। ইয়াৰ উপৰি ওচৰৰ পৰিয়ালৰ ব্যক্তিসকলে আহি ৰমেনৰ মাকৰ আগত অযথা কিছুমান কথা কৈ আৰু অধিক চিন্তিত কৰিব ধৰিলে। আজিকালি যেন এইটোৱেই মানুহৰ কৰ্ম যে কটা ঘাত নিমখ দিয়া। এনেতে হঠাৎ ৰমেনৰ ঘৰৰ টেলিফোনটো বাজি উঠিবলৈ পালে। আন এগৰাকী মহিলাই হঠাৎ কৈ উঠিল যে নিশ্চয় কিবা অঘটন ঘটিছে। ৰমেনৰ মাকৰ চকুৰে পানী বৰলৈ ধৰিলে। সেই সময়ছোৱাতেই ৰমেন আহি মাকৰ আগত উপস্থিত হ'ল আৰু মাকক ক্ষমা খুজিলে। ওচৰৰ মানুহবোৰে ৰমেনৰ বিষয়ে বিভিন্নধৰণৰ কথা উলিয়ালে। মাকেও তাক অভিমান কৰি গু... থাকিল। ৰমেনেও নিজৰ কোঠাত গৈ নিজৰ ভুলৰ কথা ভাবিলে। সি আকৌ ভাবিলে যে এয়াই বাৰু সমাজৰ নীতি নেকি যে ৰাতিৰে ঘৰত সোমালেই এজন লোক অসৎ কামত লিপ্ত বুলি সন্দেহ কৰিব। এখন সমাজত যেন এজন ব্যক্তিৰ নিজৰ মতে চলা কোনো অধিকাৰেই নাই। এনেকৈ বহুদিন পাৰ হ'ল। ৰমেনৰ ভণ্টীৰ বিয়া ঠিক হ'ল আৰু আটায়ে আগৰ কথা পাহৰি বিয়াৰ কামত ব্যস্ত হৈ পৰিল। কিন্তু আজিকালি যেন বিয়া নামৰ পবিত্ৰ শব্দটো কোনো মূল্যই নাই। বিয়াৰ পিছদিনাৰপৰাই ৰমেনৰ ভনীয়েক নানাধৰণৰ অত্যাচাৰ কৰা আৰম্ভ কৰিলে আৰু তাৰ কাৰণ আছিল বিয়াত ৰমেনৰ ভনীয়েকে লগত কোনোধৰণৰ যৌতুক অনা নাছিল আৰু বিয়াৰ এসপ্তাহ পিছতেই ৰমেনৰ ভনীয়েকে অত্যাচাৰ সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাছি লয়। ৰমেনৰ মাকে এই খবৰ শুনি ঠাইতে বাগৰি পৰে আৰু তেওঁৰো মৃত্যু হয়। ৰমেনে নিজৰ চকুৰ আগত এইবোৰ দেখি সমাজৰ মানুহৰ মনবোৰ কিমান যে ঘৃণনীয় হ'ব পাৰে তাক বুজি পালে আৰু দুখেৰে নিজৰ জীৱন কটাব ধৰিলে। ■





# সৰু মনৰ চিন্তাৰে

চাইতুন বেগম
উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ

নাজিৰাঘাট এখন ডাঙৰ গাঁও। জবা সেই গাঁৱৰ প্ৰাথমিক বিদ্যালয়খনত পঢ়ে। জবাৰ মাক-দেউতাক দুয়ো চাকৰিয়াল। ঘৰত খেতি-বাতিও আছে। তেওঁলোকৰ ঘৰৰ অৱস্থাও ভাল। জবাহঁতৰ বিদ্যালয়ত বিদ্যালয়ৰ আছুতীয়া পোছাক অৰ্থাৎ ইউনিফৰ্ম আছে। জবা বিদ্যালয়ৰ ভিতৰতে পঢ়াই-শুনাই, কথা-বতৰাই সকলোৰে চকুত লগা ছোৱালী। সৰু ছোৱালী হ'লেও জবাৰ মনত সদায় নতুন ভাল কাম কৰাৰ খুব ইচ্ছা। ৰাস্তাটোৰ সিটো মূৰত দিলীপ মিস্ত্ৰীৰ ঘৰ। তেওঁৰ ছোৱালী দুজনী— পূৰ্ণিমা আৰু জুৰিমা। পূৰ্ণিমা জবাৰ বৰ লগ। জুৰিমা বয়সত সৰু যদিও প্ৰায় সিহঁতৰ সমানেই হৈছে। পঢ়াশালিলৈ সিহঁত তিনিজনী সদায় একেলগে যায়। পূৰ্ণিমা বৰ সৰল অন্তৰৰ ছোৱালী। পঢ়া-শুনাতো তাই বৰ ভাল। জবাৰ মাকেও সিহঁত দুজনীক বৰ মৰম কৰে। এইবাৰ দুৰ্গা পূজাত জবাৰ মাকে পূৰ্ণিমাকো এটা নতুন ফ্ৰক দিছিল।

পূজাৰ বন্ধ খোলাৰ দিনাখন দেখিলে সিদিনা জুৰিমা বিদ্যালয়লৈ অকলে আহিছে। পূৰ্ণিমাৰ হেনো গা বেয়া। পিছদিনাখন পূৰ্ণিমা আহিল জুৰিমা নাই। এনেকৈয়ে কিছুদিন যোৱাৰ পিছত জবাই মন কৰিলে যে আজিকালি পূৰ্ণিমা, জুৰিমা দুয়োজনী একেলগে বিদ্যালয়লৈ নাহে। এজনী আহিলে, এজনী নাই। কথাটো কি বুলি পূৰ্ণিমাক সুধিলে তাই হয়তো ক'বলৈ



সংকোচ কৰিব। গতিকে কথা চহকী জুৰিকেই সুধি চাব লাগিব বুলি ঠিৰাং কৰি পিছদিনা বিদ্যালয়লৈ যাওঁতে জবাই চাৰিটা চকলেট কিনিলে আৰু তাৰে দুটা জুৰিমাক দি সুধিলে— 'জুৰি, কচোন আজিকালি তহঁত দুজনী একেলগে কিয় বিদ্যালয়লৈ নাহ? পৰীক্ষালৈ দহদিনমানহে আছে। এনেকৈ ক্ষতি কৰিলে পূৰ্ণিমাই সমাজ অধ্যয়ন, গণিত আদিত টান নাপাব জানো।' জুৰিয়ে চকলেট এটা মুখত ভৰাই লৈ ক'লে— 'জবা বা, বিদ্যালয়ত তুমি কাকো নক'বা কিন্তু নহ'লে পূৰ্ণিমাই মোক বেয়া পাব। আচলতে কি জানা— আমাৰ কাৰোৱেই বেমাৰ নহয়। আমাৰ বিদ্যালয়লৈ পিন্ধি অহা ফ্ৰক দুয়োটাই ফাটিল। সেয়ে আমি দুয়োজনী বিদ্যালয়লৈ একেলগে আহিব নোৱাৰোঁ। তোমাৰ মাই দিয়া ফ্ৰকটোকে আমি সলনা-সলনিকৈ পিন্ধো।' কথাটো শুনি জবাৰ মনত দুখ লাগিল, তাই একো মাতিব নোৱাৰিলে। তাইৰ নিজৰ অলপ ৰং যোৱা ফ্ৰকটোকে ধৰি বিদ্যালয়লৈ পিন্ধি অহা ফ্ৰক তিনিটা। তদুপৰি তাইৰ যে কত ফ্ৰক, জোতা আছে, তাৰ লেখ নাই।

সিহঁত গৈ বিদ্যালয় পালেগৈ। বিদ্যালয় পাই জবাই মন কৰিলে বিদ্যালয়ৰ বেছিভাগ ল'ৰা-ছোৱালীৰে কাপোৰবোৰ ফটা-পুৰণা। তাই ভাবিলে— আজি ঘৰলৈ গৈ মাক-দেউতাকক কথাটো ক'লে হয়তো দুয়োজনীকে দুটা ফ্ৰক দিব, কিন্তু বিদ্যালয়খনতো এনেকুৱা ফটা পুৰণা কাপোৰ পিন্ধা ল'ৰা-ছোৱালী বহুত আছে, আগলৈও বহুত ওলাব।

গতিকে সকলোৰে বাবে হোৱাকৈ কিবা এটা কৰিব পাৰিলে ভাল। পঢ়াৰ মাজতে জবাই এইবোৰ কথা ভাবি থাকোঁতে কিছুদিন পাৰ হ'ল।

পৰীক্ষা আৰম্ভ হৈ দুদিন যোৱাৰ পিছত সিদিনা সমাজ অধ্যয়নৰ পৰীক্ষাৰ দিনা জবাই খিৰিকীমুখত বহি পঢ়া মেজত পঢ়িব ধৰিলে। নৱেম্বৰ শেষ। গাঁওবোৰত ভাল ঠাণ্ডা পৰিছে। এনেতে তাই দেখিলে, বাহিৰৰ শেৱালিজোপাৰ তলত ঠাণ্ডাত কঁপি কঁপি সৰু ছোৱালী এজনী থিয় হৈ আছে। ভালকৈ চাই দেখিলে সেইজনী জুৰিমা। এই ঠাণ্ডাৰ পুৱাই তাই কিয় বৈ আছে? জবাই ওলাই গৈ জুৰিক সুধিলে— 'এই জুৰি, পুৱাই ইয়াত কি কৰিছ, তহঁতৰ আজি মাতৃভাষাৰ পৰীক্ষা নাই জানো?' জুৰিয়ে ক'লে— 'আজি এবেলাতে দুজনীৰ পৰীক্ষা আছে বাবেইটো দিগদাৰ হ'ল। ফ্ৰক যে আমাৰ এটাই।' তাৰ পিছত সেপ ঢুকি ক'লে— 'তোমাৰ পুৰণা ফ্ৰক এটা আমাক দিবা নেকি জবা বা?' জবাই ভিতৰলৈ গৈ অলপ পুৰণি ফ্ৰক এটা আনি জুৰিক দিলে। জুৰিয়ে আনন্দ মনে ফ্ৰকটো লৈ যোৱা চাই থাকি জবাৰ মনত এটা বুদ্ধি খেলালে। কথাটো ভাবিয়েই জবাৰ মনটো পাতল পাতল লাগিল।

পিছদিনা বিজ্ঞান, হাতত কামৰ পৰীক্ষা। পৰীক্ষাৰ শেষ দিন। তাই সিদিনা বিদ্যালয়ত পিন্ধা ফ্ৰকটো নিপিন্ধি বেলেগ এটা ফ্ৰক পিন্ধিলে আৰু ভিতৰৰ পৰা সৰু মোনা এটাত নিজৰ বাকী দুটা ফ্ৰক ভৰাই লৈ বিদ্যালয়লৈ গ'ল। বিজ্ঞান পৰীক্ষাৰ বহীখন জমা দি তাই প্ৰধান শিক্ষকৰ কোঠালৈ সোমাই গ'ল, হাতত পুৰণা ফ্ৰকৰ পেকেটটো। তাই ছাৰক পূৰ্ণিমা-জুৰিমাৰ সকলো কথা খুলি ক'লে আৰু ক'লে যে 'ছাৰ' এনে ল'ৰা-ছোৱালীৰ বাবে মই এটা কাম আৰম্ভ কৰিব খুজিছোঁ। এইবুলি কৈ বেগৰপৰা পুৰণা ফ্ৰককেইটা উলিয়াই প্ৰধান শিক্ষকৰ হাতত দিলে। প্ৰধান শিক্ষকে কথাটো বুজি পাই বৰ ভাল পালে। তেওঁ উৎসাহেৰে এহাতেৰে জবাক ধৰি আনহাতত ফ্ৰককেইটা লৈ বাহিৰলৈ ওলাই আহি ইফালে-সিফালে দৌৰি ফুৰা ল'ৰা ছোৱালীবোৰক গোট খোৱাই জবাই কৰা আদৰ্শৰ কামটোৰ কথা বুজাই ক'লে। বাকী শিক্ষক শিক্ষয়িত্ৰীয়ে আগুৱাই আহি জবাক মৰম কৰিলে। তাৰ মাজতে দীপালী বাইদেউ আগুৱাই আহি ক'লে যে জবাই দেখুওৱা আদৰ্শতো তোমালোক চতুৰ্থ শ্ৰেণীৰ ল'ৰা-ছোৱালী সকলোৱে ভাগ ল'ব পাৰা। ছাত্ৰ-ছাত্ৰীবোৰেও কথাটো বুজি পাই প্ৰায়বোৰেই ঘৰলৈ দৌৰ মাৰিলে আৰু আধা ঘণ্টামানৰ ভিতৰতে উভতি আহিল। হাতত ভালে থকা পোছাকবোৰ। চাওঁতে চাওঁতে ৩০/৩৫যোৰ কাপোৰ গোট খালে। ল'ৰা-ছোৱালীবোৰ ঘৰলৈ গৈ পাওঁতে দেৰি হোৱা দেখি দুজনমানৰ ঘৰৰ মানুহে বিচাৰি আহি কথাটো শুনি জবাক বৰ প্ৰশংসা কৰিলে। তাৰে এজন অভিভাৱকে ক'লে কাপোৰবোৰ ভালকৈ থ'বলৈ মই এটা ডাঙৰ ট্ৰাংক দিম। আন এজনে ক'লে— এই কামটো এইবাৰেই যাতে শেষ নহয়, এয়া আৰম্ভণিহে। প্ৰতিবছৰে ওলাই যোৱা ছাত্ৰ-ছাত্ৰীবোৰে নিজৰ ঘৰৰ অৱস্থা বুজি ভালে থকা কাপোৰখিনি এইদৰে জমা দিব পাৰিব।

এনেকৈয়ে সৰু ছোৱালী এজনীৰ নিজস্ব চিন্তা-ধাৰণাৰে এটা মহৎ কাম আৰম্ভ হ'ল। প্ৰধান শিক্ষকে সকলোকে সম্বোধি ক'লে— তোমালোক সকলোৱে নিজ নিজ বিদ্যালয়ত এইটো কামৰ আৰম্ভণি কৰিব পাৰা। চহৰৰ ভাল বিদ্যালয়কেইখনতো পুৰণি কাপোৰৰ আদৰ নাই বুলি বাদ নিদি সেইবোৰ গোটাই থৈ বানপানী বা আন প্ৰাকৃতিক দুৰ্যোগত যথাসৰ্বস্ব হেৰুওৱা ল'ৰা-ছোৱালীবোৰলৈ এনে সেৱা আগবঢ়োৱা অনুষ্ঠানৰ যোগেদি পঠোৱাৰ ব্যৱস্থা কৰিব পাৰা। সকলোৱে ভাবাচোন, তোমালোকে অলাগতিয়াল বুলি ভবা কাপোৰখিনিয়ে কাৰোবাক কিমান সহায় কৰিব পাৰিব। ■





# ক'লা ডাৱৰৰ আঁৰে আঁৰে...

প্ৰাঞ্জল পাণ্ডে
স্নাতক তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

গা ধুই থকা ৰঙিলীয়ে হঠাৎ উচপ্ খাই নৈৰ পৰা দৌৰ মাৰি পাৰলৈ উঠি আহিল। বেলি ডুব যাওঁ যাওঁ অৱস্থা তেতিয়া। নৈৰ কাষতে থকা হাবিখনৰ পৰা কাৰোবাৰ হাঁহিৰ শব্দ শুনা গ'ল, মাজে মাজে কিবাই যেন চিঞৰি উঠে। নৈৰ ওচৰ-পাঁজৰ একেবাৰে নীৰৱতাই বিৰাজ কৰি আছিল। এই নীৰৱতাৰ মাজতে এয়া আকৌ কোন? নৈত ৰঙিলীয়ে অকলেই গা ধুই আছিল। সকলোৱে কয়— সেই হাবিখনত হেনো কোনো বেয়া অদৃশ্যই খোপনি পুতি আছে। ৰঙিলীয়ে এইবোৰ কথা বিশ্বাস নকৰে আৰু তাই প্ৰায়েই নৈলৈ গা ধুবলৈ যায়। আনদিনাৰ দৰে তাই সেইদিনাও গা ধুবলৈ গৈছিল। কোনোদিনে নোহোৱা-নোপোজা ঘটনা এটা তাইৰ লগত সংঘটিত হৈছিল। তাই পিন্ধিবলৈ অনা কাপোৰবোৰো পাৰত নাছিল। তাই বহুসময় নৈৰ পাৰতে বহি থাকিল। হঠাৎ তাই গৰু বিচাৰি লৈ যাই থকা ৰমলা খুৰীয়েকক দেখি মাত লগালে। ৰমলা খুৰীয়েকক কথাখিনি ক'লে। ৰমলা খুৰীয়ে ভূত আহিছে আহিছে বুলি চিঞৰি তাৰ পৰা পলাল। ৰঙিলীৰো এতিয়া উপায় নাই, নৈৰ পৰা গাঁৱৰ মাজলৈ এই তিতি থকা সাধাৰণ মেখেলাখন পিন্ধি যাব নোৱাৰে। কিছুসময় পিছত ৰমলা খুৰীয়ে গোটেই গাঁওখনকে কথাটো জনালে। গোটেই গাঁওখন আহি যেতিয়া নৈৰ পাৰত উপস্থিত হ'ল, তেতিয়া ৰঙিলীৰ লগৰী ভেলেণ্ডী হাবিৰ মাজৰ পৰা খিলখিলাই জোৰকৈ হাঁহি হাঁহি ওলাই আহিল। ৰঙিলীৰ লগতে গোটেই গাঁৱৰ মানুহ হতবাক। গোটেই গাঁৱৰ মানুহে ভাবিলে যে ইমান দিনে হাবিৰ মাজত অদৃশ্য বুলি ভাবি থকা এই অদৃশ্য ভেলেণ্ডীহে বুলি। গাঁওবুঢ়াই জনালে যে পিছদিনা নামঘৰত ভেলেণ্ডী আৰু তাইৰ অকলশৰীয়া মাকে আহি ৰাইজৰ ওচৰত শৰাই আগবঢ়াই ক্ষমা খুজিব লাগে। ভেলেণ্ডীয়ে ক'লে যে তাই হেনো আজিহে প্ৰথমবাৰ ৰঙিলীক ভয় খুৱাই ধেমালি কৰিছিল। তাই হেনো কাহানিও এনেকৈ কাকো ভয় খুৱাই পোৱা নাই। গাঁওবুঢ়াই তাইৰ কথা কোনোপধ্যে নামানিলে। পিছদিনা নামঘৰলৈ আহি ক্ষমা খুজিবলৈ আদেশ দিলে। কথামতেই কাম হ'ল— পিছদিনা ভেলেণ্ডীয়ে নামঘৰলৈ আহি ৰাইজৰ ওচৰত ক্ষমা খুজিলে। এনেকুৱা কাম পুনৰাই নকৰাৰ বাবে ভগৱানৰ ওচৰত শপত খুৱালে। পিছদিনা আবেলি ৰঙিলীয়ে পুনৰ কাপোৰ লৈ গা ধুবলৈ ওলাই গ'ল। কাপোৰ ধোৱা হোৱাৰ পিছত তাই নৈত নামি গা ধুবলৈ ল'লে। হঠাৎ পুনৰ হাবিৰ মাজৰ পৰা কিছুমান ভয়ানক শব্দ আহিবলৈ ধৰিলে কিন্তু ৰঙিলীয়ে সেইবোৰলৈ কেৰেপ নকৰি গা ধুবলৈ ল'লে। আকৌ কোনোবাই নৈৰ মাজলৈ মাটিৰ চপৰা দলিয়ালে। তাই এইবোৰ ধেমালি ভেলেণ্ডীয়ে কৰি আছে বুলি জানি তাই গা ধোৱাত লাগিল। পুনৰ শিলগুটি দলিয়াই তাইক ভয় খুওৱাত লাগিল। তাই এইবাৰ ভেলেণ্ডীক মাত লগালে। বহুত সময় ধৰি মাত লগোৱাৰ পিছতো ভেলেণ্ডীয়ে মাত নলগোৱা দেখি তাই গা-পা ধুই বেলি লহিওৱাৰ পৰত ঘৰমুৱা হ'ল। ঘৰত গৈয়ে তাই ভেলেণ্ডীক তামোল মোকোলাই মোকোলাই বহি থকা দেখি তাইক গালি পৰা আৰম্ভ কৰিলে। ভেলেণ্ডীয়ে বহুসময় ধৰি তাইৰ গালি শুনি থাকিল। পিছত তামোলখন শেষ কৰি পিকবোৰ পেলাই ৰঙিলীক ক'লে— 'তই কেতিয়া মোক নৈলৈ যোৱা দেখিলি। ইমানপৰে বোন্দাপৰ দি তোৰ কাৰণে বৈ বৈ বহি আছোঁ, তই আহি আকৌ মোকেই গালি পাৰি আছা।' ভেলেণ্ডীয়ে ৰঙিলীৰ পিঠিত চপৰাই হাঁহি হাঁহি ক'লে।

সেইদিনাৰ ভয়ে আজিও তোৰ পৰা আঁতৰা নাই। যি-তি ভাবি ভাবি গা ধুই থাকে পাগলীজনী। ব'ল বাটে বাটে অলপ ফুৰিবলৈ যাওঁ। দুয়ো বান্ধৱী ফুৰিবলৈ ওলাই আহিল। হঠাৎ বাটত এজন ল'ৰাই ভেলেণ্ডীলৈ চাই হাঁহি মাৰিলে, ভেলেণ্ডীয়ে প্ৰত্যুত্তৰত এটি মিচিকিয়া হাঁহি মাৰিলে। লগে লগে ৰঙিলীয়ে

কৈ উঠিল— 'ঐ তই তাক দেখি হাঁহি মাৰিলি যে। তই তাক চিনি পাৱ নেকি? মই জনাত বেছ চহৰীয়া যেন লাগিছে।' ভেলেন্তীয়ে ক'লে— "অ' সি গুৱাহাটীৰ পৰা আহিছে। হাবিখনৰ সিপাৰৰ গাঁওখনত তাৰ মোমায়েকৰ ঘৰ। অ' তাৰ নামটো নিৰঞ্জন।" ৰঙিলীয়ে ক'লে— 'তই তাৰ বিষয়ে ইমানখিনি কেনেকৈ জানিলি?' ভেলেন্তীয়ে ক'লে— 'অহা-যোৱাৰ মাজতে চা-চিনাকি হৈ কথা-বতৰা পাতিলোঁ।' ভেলেন্তীয়ে ৰঙিলীৰ আগত নিৰঞ্জন আৰু তাইৰ মাজত চলি থকা প্ৰেমৰ কথা নক'লে। কাৰণ ৰঙিলীয়ে এইবোৰ ভাল নাপায়।

পিছদিনা পুনৰ ৰঙিলীয়ে গা ধুবলৈ গৈ থাকোঁতে বাটত নিৰঞ্জনক লগ পালে। নিৰঞ্জনে কি খবৰ বুলি সুধি দিলে। ৰঙিলীয়ে ভাল বুলি উত্তৰ দিলে। বহুসময় ধৰি দুয়োয়ে কথা পাতি থাকিল। কিছুসময় পিছত ৰঙিলীয়ে তাক যাবলৈ কৈ তাই নৈলৈ গা ধুবলৈ ওলাই আহিল। তাই নৈ পাৰ পাওঁতে হঠাৎ নৈৰ মাজৰ পৰা বুৰবুৰকৈ কিবা শব্দ ওলাই আহিল। হঠাৎ নৈৰ পানীবোৰ ৰঙা হ'বলৈ ধৰিলে, তাই লগে লগে ভয়তে তাৰ পৰা দৌৰ দিলে। দৌৰি দৌৰি তাই ৰমনৰ দোকানত গাঁৱৰ ল'ৰাবোৰৰ লগত খেলি থকা নিৰঞ্জন আৰু আন ল'ৰাখিনিক কথাটো জনালে। লগে লগে সকলোৱে দৌৰি দৌৰি নৈলৈ গ'ল। লগত ৰঙিলীও গ'ল। ল'ৰাবোৰ আৰু নিৰঞ্জনে নৈত জাঁপ দি মাজলৈ গৈ ওপঙি থকা তেজেৰে ৰাঙলী হৈ থকা এটা মৃতদেহ দেখিলে। কিছু আগলৈ গৈ আকৌ পাঁচজনী ছোৱালীৰ ৰাঙলী হৈ থকা মৃতদেহ দেখিলে। লগে লগে নিৰঞ্জনে পুলিচলৈ ফোন কৰিলে, সময়মতে পুলিচ আহি মৃতদেহকেইটা উদ্ধাৰ কৰিলে। মৃতদেহকেইটা পাৰলৈ লৈ আহিলে। পাৰলৈ অহাৰ লগে লগে সেই ছোৱালীকেইজনীৰ মাজতে ভেলেন্তীকো ৰঙিলীয়ে দেখিলে। লগে লগে ৰঙিলী চিঞৰি উঠিল। তাই বহুপৰ চিঞৰি চিঞৰি কান্দি কান্দি মূৰ ঘূৰাই পৰি গ'ল। গোটেই গাঁৱৰ মানুহ নৈৰ পাৰলৈ আহিল। ভেলেন্তীৰ মাকে আহি ৰাঙলী হৈ পৰি থকা ভেলেন্তীক সাবটি ধৰি ইনাই-বিনাই কান্দিবলৈ ধৰিলে। আন ছোৱালীকেইজনীৰ মৃতদেহকেইটা বেলেগ বেলেগ গাঁৱৰ বুলি চিনাক্ত কৰিলে। পুলিচে মৃতদেহকেইটা মৰণোত্তৰ পৰীক্ষাৰ কাৰণে পঠাই দিলে। মৰণোত্তৰ পৰীক্ষাৰ ফলাফল মৰ্মে গম পোৱা গ'ল যে গোটেইকেইজনী ছোৱালী অন্তঃসত্বা আছিল। যিবোৰ ছুৰীৰে আঘাত কৰা হৈছিল, সেইবোৰত গোটেইকেইজনী ছোৱালীৰ আঙুলীৰ চাপ পাইছিল। অৰ্থাৎ সিহঁতে আত্মহত্যা কৰিছিল।

পিছদিনা নামঘৰৰ বাকৰিত ৰাইজ মেল মাতি ভেলেন্তীৰ মাকক গাঁওখনৰ পৰা এঘৰীয়া কৰি দিলে। ভেলেন্তীয়ে কৰা ভুলৰ কাৰণে মাকেহে শাস্তি পাব লগা হ'ল। কোনো মানুহে ভেলেন্তীৰ মাকৰ সৈতে কথা-বতৰা নপতা হ'ল। ৰঙিলীকো ভেলেন্তীৰ ঘৰলৈ যাবলৈ বাধা দিয়া হ'ল।

কেইমাহমান পাছত ৰঙিলীয়ে সেই নৈখনলৈ গৈ ভেলেন্তীৰ কথা মনত পেলাবলৈ গ'ল। এইবাৰ তাই গা ধুবলৈ অহা নাই। ভেলেন্তীৰ লগত কটোৱা সময়বোৰৰ কথা মনলৈ আনি নৈৰ পাৰতে থকা শিলটুকুৰাত বহি মূৰে-কপালে হাত দি উচুপিব ধৰিলে। কিছুসময় পিছত হঠাৎ ৰঙিলীৰ মূৰত কোনোবাই আঘাত কৰিলে। তাই অচেতন হৈ মাটিত পৰি গ'ল। অলপ পিছত তাই চেতনা ঘূৰাই পাই দেখিলে যে তাইৰ কাপোৰ ফটা-ছিৰা হৈ আছে। তাইৰ চুলিবোৰো বেয়া হৈ আছিল। তাই গম পালে যে কোনোবাই তাইৰ ওপৰত যৌন নিৰ্যাতন চলাইছে। তাই নৈৰ পাৰত বহি চিঞৰি চিঞৰি কান্দিব ধৰিলে। তাই নৈত নামি গাটো তিয়াই দিলে। পাৰলৈ আহি পুনৰ চিঞৰিব ধৰিলে। তাইৰ চিঞৰ শুনি নিৰঞ্জন তালৈ দৌৰি আহিল। তাই নিৰঞ্জনক কথাটো জনালে। নিৰঞ্জনে তাৰ কামিজটো খুলি ফটা-ছিৰা হৈ থকা তাইৰ কাপোৰখিনি ঢাকিবৰ কাৰণে উৰাই দিলে আৰু তাইক তাৰপৰা লৈ গ'ল। ঘৰলৈ গৈ তাই মাকক কথাখিনি ক'লে। মাকে উধাই-মুধাই ৰঙিলীক মাৰিবলৈ ধৰিলে। কিয়নো মাকে তাইক নৈলৈ যাবলৈ মানা কৰিছিল। কোনো যদি মানুহ নহয় তেনেহ'লে সেয়া নিশ্চয় সেই হাবিৰ মাজত থকা অদৃশ্যৰে কাম হ'ব বুলি ঘৰৰ মানুহে ভাবিলে আৰু মনে মনে থাকিল।

তিনিমাহ পাছত ৰঙিলীয়ে গম পালে যে তাই অন্তঃসত্বা। তাই মনে মনে মাকক কথাটি ক'লে। মাকে কান্দিবলৈ ধৰিলে— 'সেয়া নিশ্চয় সেই অদৃশ্যৰ পোৱালি তোৰ পেটত বাহ লৈছে' এইখিনি কথা তামোল খাবলৈ আহি ৰমলাই শুনা পালে আৰু গোটেই গাঁওখনত গৈ কথাটি বিয়পাই দিলে। গাঁওবুঢ়াই লগে লগে ৰাইজ মেল পাতি ৰঙিলীৰ মুখেৰে গোটেইখিনি কথাৰ উমান ল'লে, ভেলেন্তী আৰু সেই ছোৱালীকেইজনীৰো একেই পৰিস্থিতি হোৱা বুলি ঘোষণা কৰিলে। সেইকাৰণেই হয়তো সিহঁতে আত্মহত্যাৰ পথ বাছি ল'লে। লগে লগে ৰঙিলীক ডাক্তৰৰ ওচৰলৈ লৈ যোৱা হ'ল কেঁচুৱা নষ্ট কৰাৰ কাৰণে। কিন্তু ডাক্তৰে জনালে যে এতিয়া বহুত দেৰি হৈ গ'ল। এতিয়া এইটো কৰিব পৰা নাযাব। ৰঙিলী কান্দোনত ভাগি পৰিল।

পিছদিনা পুনৰ ৰাইজ মেল পাতি ৰঙিলীক ঘৰৰ পৰা যাবলৈ অনুৰোধ জনালে। ৰঙিলীয়ে এতিয়া ক'ত যাব ভাবি তত্ পোৱা নাই। লগে লগে সমাজে এঘৰীয়া কৰি দিয়া ভেলেন্তীৰ মাকে আঁকোৱালি ল'লে। ভেলেন্তীৰ মাক আৰু তাই একেলগে জীৱন কটাব ধৰিলে। এদিনাখন একমাত্ৰ সহায়ক ভেলেন্তীৰ মাকৰো মৃত্যু হ'ল। গাঁৱত হোৱা শংকৰদেৱৰ তিৰোভাৱ তিথিত সংঘটিত বোমা বিস্ফোৰণত। ভেলেন্তীৰ মাকৰ লগতে বহুতো মানুহৰ মৃত্যু হৈছিল।

বহুতো পংগু হৈছিল। ৰঙিলী সেইদিনা চহৰত ডাক্তৰৰ ওচৰলৈ যোৱাৰ কাৰণেহে তাইৰ অঘটন নহ'ল।

হঠাৎ এদিন নিৰঞ্জন আহি ৰঙিলীক বিয়াৰ প্ৰস্তাৱ দিলে। যিহেতু তাই বৰ্তমান অকলশৰীয়া। কিন্তু তাই গ্ৰহণ নকৰিলে।

কেইমাহমান পাছত তাই এটি ধুনীয়া ছোৱালী সন্তানৰ জন্ম দিলে। ছোৱালীজনী দেখাত বেছ দেৱীৰ লেখীয়া। ছোৱালীজনীক অদৃশ্য অথবা ভূতৰ পোৱালি বুলি হাঁহিছিল। আজি সেই গাঁওখনেই আহি ছোৱালীজনীক কোলাত ল'বলৈ হেতা-ওপৰা লগালে।

লাহে লাহে ছোৱালীজনী ডাঙৰ হ'বলৈ ধৰিলে। মাক-দেউতাকে ছোৱালীজনীক লৈ ৰঙিলীক সিহঁতৰ লগত থাকিবলৈ অনুৰোধ জনালে। গাঁওখনেও অনুৰোধ জনালে। কিন্তু তাই আগৰ কথাবোৰ মনত পেলাই গাঁৱৰ মাজলৈ আৰু পৰিয়ালৰ মাজলৈ যাবলৈ অমান্তি হ'ল।

এদিন ৰঙিলীৰ মাকে আহি কান্দি কান্দি তাইক অনুৰোধ জনালে সিহঁতৰ লগত আহিবলৈ। কিন্তু তাই পুনৰ অমান্তি হ'ল। সেয়েহে মাকে ৰঙিলীৰ ছোৱালীজনীকে এদিনৰ কাৰণে লৈ যোৱাৰ কাৰণে ৰঙিলীৰপৰা অনুমতি ল'লে। ৰঙিলীয়ে লৈ যাবলৈ দিলে।

সেইদিনা ৰাতি অকলশৰে থকাৰ সুযোগ লৈ ৰঙিলীক ৰুমালেৰে মুখ বন্ধ কৰি কোনোবাই অচেতন কৰিছে। সেইখিনি সময়তে ছোৱালীজনীয়ে মাকক বিচাৰি কান্দি থকা দেখি ৰঙিলীৰ মাকে ছোৱালীজনীক লৈ আহি মুখত ক'লা কাপোৰ আঁৰি থকা মানুহ এজন দেখিলে আৰু ৰঙিলীক মাটিত অচেতন হৈ পৰি থকা দেখিলে। লগে লগে ৰঙিলীৰ মাকে লাঠিৰে সেই মানুহজনক আঘাত কৰিবলৈ লওঁতে মাকৰ ওপৰত ওলোটাই আঘাত কৰিলে। লগে লগে সেই সৰু ছোৱালীজনীয়ে বাহিৰৰ পৰা এটা শিল আনি তাৰ মূৰত প্ৰচণ্ড মাৰ শোধালে। লগে লগে সি অচেতন হৈ পৰি গ'ল।

কিছুসময় পিছত ৰঙিলীৰ মাক আৰু ৰঙিলীয়ে চেতনা ঘূৰাই পালে। ছোৱালীজনীয়ে আমন-জিমনকৈ বিছনাখনৰ খুৰাত ধৰি বহি থকা দেখি ৰঙিলীয়ে কোলাত তুলি ল'লে। আৰু ৰঙিলীৰ মাকে সেই মানুহজনক টানকৈ বান্ধি থ'লে আৰু গাঁওখনৰ গাঁওবুঢ়াৰ লগতে সকলোকে মাতি আনিলে। গাঁওবুঢ়াই আহি ক'লা কাপোৰখন গুচাই দেখিলে— সেয়া আন কোনো নহয়, নিৰঞ্জন। তাৰ চেতনা ঘূৰি আহোঁতে গাঁৱৰ ৰাইজৰ আগত সি ক'লে যে সি হেনো উগ্ৰপন্থী। সেই হাবিখনত সিহঁতে ঘাটি পাতি আছে। তাৰ আন সংগীবিলাকো সেইখন হাবিতে আছে। গাঁৱৰ বোমা বিস্ফোৰণো সিহঁতেই কৰিছিল। ভেলেন্তীক সি ভালপোৱা বুলি কৈছিল। আন ছোৱালীকেইজনী তাৰেই লগৰবোৰৰ প্ৰেমিকা আছিল।

সিহঁতক বিয়াৰ প্ৰলোভন দিছিল। গাঁওবুঢ়াই লগে লগে পুলিচক ফোন কৰিলে। পুলিচ আহি সিহঁতৰ ঘাটিবোৰ উৎখাত কৰি সকলোকে আটক কৰিলে। গোটেই গাঁওখনে, ৰঙিলীয়ে একো প্ৰত্যুত্তৰ নিদিয়াকৈ ছোৱালীজনীক লৈ গৈ নৈৰ ওপৰত থকা দলঙৰ ওপৰত থিয় হ'ল। ■

# ন্যায়

নিপু শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ



প্ৰাঞ্জলৰ সেই সুন্দৰ-সুঠাম দেহটো তাৰ কমৰ সেই যেনেধনত উমলি আছে। বাহিৰত পিতৃ-মাতৃৰ এক হিয়াভগা কান্দোন, বাহিৰত অগণন লোকৰ ভিৰ, অনন্তলৈ আৰক্ষীৰ প্ৰাঞ্জলৰ কমৰ দুৱাৰ খোলাৰ চেষ্টা।

২০০৩ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। লখিমপুৰৰ পদুমণি গাঁৱত উছাহৰ ধল। ঠিক যেন আৱতৰীয়া বিহু। কাৰণ সেই গাঁৱৰে সকলোৰে মৰমৰ ছাত্ৰ প্ৰাঞ্জলে ৯৬ শতাংশ নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। সন্ধিয়াই পদুমণি গাঁৱৰ লোক খোৱা-বোৱা কৰি আজৰি। কাৰণ আঠ বজাত প্ৰাঞ্জলৰ Talk Show। যথা সময়ত অনুষ্ঠান আৰম্ভ। কথাৰ মাজতে প্ৰাঞ্জলক সাংবাদিকগৰাকীয়ে সুধিলে— 'তোমাৰ জীৱনৰ লক্ষ্য কি?' প্ৰাঞ্জলৰ উত্তৰ— 'APSC পৰীক্ষাৰ যোগেদি আৰক্ষী বিভাগত যোগ দিয়া।' প্ৰাঞ্জলক সকলোৱে শুভেচ্ছা জনালে আৰু যথা সময়ত অনুষ্ঠান শেষ হ'ল।

লাহে লাহে দিন বাগৰিল। উচ্চতৰ মাধ্যমিকৰ লগতে বিভিন্ন পৰীক্ষাত উত্তীৰ্ণ হৈ শেষত ২০১৬ চনৰ APSC পৰীক্ষাত অৱতীৰ্ণ হ'ল। চকুত অযুত সপোন। মনে মনে আনন্দিত, কাৰণ APSC পৰীক্ষা ভাল হৈছে। এইবাৰ চাকৰিটো হৈ যাব লাগে! চাকৰিটো হ'লে ঘৰটো পকা কৰিব লাগিব! এইদৰে বহু পৰিকল্পনা হাতত লৈয়ে পেলালে প্ৰাঞ্জলে।

আজি শনিবাৰ, APSCৰ ফলাফল ওলাব, পদুমণি গাঁওবাসীৰ আনন্দৰ সীমা নাই। ১০ বাজিল। কিন্তু এয়া কি ! APSCৰ ফলাফলৰ তালিকাত প্ৰাঞ্জলৰ নাম নাই। উৎফুল্লিত পদুমণিত যেন হঠাৎ বিষাদ নামি আহিল। কিন্তু প্ৰাঞ্জল এতিয়া গ'ল ক'ৰ? সকলোৱে প্ৰাঞ্জলক বিচৰাত ব্যস্ত, ১২ ঘণ্টা সময় উকলি গ'ল প্ৰাঞ্জলৰ সন্ধান নাই। কিন্তু সকলোৱে প্ৰাঞ্জলক তাৰ কমত বিচাৰি পাহৰিলে। য'ত প্ৰাঞ্জলৰ নিথৰ দেহ ওলমি আছিল।

অন্যায়ৰ বলি হৈ প্ৰাঞ্জলৰ দৰে শ শ যুৱকৰ জীৱন সেই বছৰৰ APSC পৰীক্ষাই ধ্বংস কৰিলে, কাৰণ সেইবাৰ মেধাৰ ভিত্তিত নহয় টকাৰ ভিত্তিতহে চাকৰি দিছিল।

কোনে মাৰিলে প্ৰাঞ্জলক? কিয় মৰিব লগা হ'ল প্ৰাঞ্জল? ইয়াৰ উত্তৰ কোনে দিব। এইধৰণৰ সমাজ সমস্যাৰ পৰা আমাক ন্যায় লাগে! ন্যায় লাগে। ন্যায় লাগে। ■





কথা কবিতা

# বিৰহত মচগুল

নয়নমণি সৰকাৰ
স্নাতক তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

তোমাৰ লগত আজি অন্য এজন ল'ৰা। এতিয়া তোমাক কাষৰ পৰা চাব নোৱাৰোঁ। ক'তও নোৱাৰোঁ ধেমালিতে... কুট্টি, মই তোক বহুত ভালপাওঁ বুলি।... কোনো অজুহাত দেখুৱাই কাষ চাপিব নোৱাৰোঁ এতিয়া, তুমি মোৰ হৈ থকা নাই। কথা দি গুচি গ'লা তুমি অন্য এজনলৈ। হ'ব দিয়া, দুৰে দুৰে বৈ চোৰাৰ দৰে তোমাক চাম। ওঁঠত থকা ক'লা তিলটো— আজিও মনত পৰে— জানা...।

আগতে মাথোঁ মোৰ কলিজাৰ এফাল আছিলা। মনত পৰে জানো তোমাৰ? চিৰিয়াখানাৰ কৃষ্ণচূড়াৰ তলত দুয়ো বহি থাকোঁতে সৰি পৰা তেজৰঙী পাতখিলা লৈ কৈছিলা— 'তোমাৰ তেজেৰে এদিন মই সেন্দুৰ ল'ম।' মই কৈছিলোঁ— 'তুমি মোৰ কলিজাৰ এফাল, তেজ কিয় মোৰ উশাহবোৰ তোমাৰ নামত।' কথা দিছিলা তুমি; চিৰদিন মোৰ উশাহটোক বন্ধ হ'বলৈ নিদিওঁ বুলি। যদিও মোক দেখা নোপোৱা, লগ নোপোৱা, তেন্তে কেতিয়াও মোক পাহৰি নোযোৱা বুলি আৰু কৈছিলা— তুমি দূৰত থাকিলে ভালপোৱা কমি নাযায় বুলি। অভিমান কৰিলেও সদায় মোক ভাল পাই থাকিবা।

আজি বুকুখন বিষাইছে জানা, অচিনাকি এজনৰ সৈতে তোমাক দেখি। পাঁচ বছৰ ভালপোৱা আমাৰ তোমাৰ প্ৰতিটো পলেই আজিও সজীৱ হৈ আছে মোৰ সেউজীয়া বুকুত। ভাল পাব জানিলোঁ, মৰম দিব জানিলোঁ, মাথোঁ নাজানিলোঁ তোমাক পাহৰিব। বাৰে বাৰে কৈছিলোঁ মই কেৱল তোমাৰ হয় ধুনু, তোমাৰ বাহিৰে মই জীয়াই থাকিব নোৱাৰিম। কিন্তু মই ক'লোঁ আৰু তুমি শুনি গ'লা। মই দুখীয়া ঘৰৰ ল'ৰা, তোমাক হিয়াভৰা মৰমৰ বাহিৰে অন্য একো দিব নোৱাৰোঁ। কিন্তু মোৰ মৰমে চাগে তোমাক আমুৱালে।

দুখ নিদিওঁ তোমাক। তোমাৰ হাঁহি বিৰিঙি থকা মুখখনিতেই মোৰ অযুত সুখ লুকাই আছে। আৰু কলিজাজনী, সোণজনী বুলি নামাতিলেও বুকুত মোৰ জীয়াই থাকিবা আজীৱন। তুমি নাথাকিলেও তুমি বেয়া পোৱা কে পি, বিমল, শিখৰ এইবোৰ লৈ জীয়াই থাকিম সদায়।

বুকুখন বিষাইছে জানা, হাজাৰটা চিন্তাই হেঁচা মাৰি ধৰিছে। গুচি যাম চাগে এই পৃথিৱীৰ পৰা চিৰদিনলৈ। তুমি কিন্তু সদায় হাঁহি থাকিবা, আগৰ দৰে ভাল লাগিব। তোমাৰ হাঁহিতেই মোৰ হাঁহি, তোমাৰ সুখতেই মোৰ সুখ। ■

## কুইজ

১। বিশ্বৰ আটাইতকৈ দ্ৰুতবেগী চৰাই কোনবিধ?
উঃ ছুইফ্ট।
২। বিশ্বৰ প্ৰথম মহিলা মহাকাশচাৰীগৰাকীৰ নাম কি?
উঃ ৰাছিয়াৰ ভেলেন্টিনা তেৰেস্কোভা।
৩। ২০১৬ বৰ্ষত অলিম্পিক খেল ক'ত অনুষ্ঠিত হৈছে?
উঃ ব্ৰাজিলৰ ৰিঅ' ডি জেনেইৰ' চহৰত।
৪। বিশ্বৰ প্ৰথম বাতৰি কাকতখনৰ নাম কি?
উঃ এভিছা ৰিলেচন অৰ্ডাৰ জে টুং (জাৰ্মানী)
৫। ভাৰতৰ মানচেষ্টাৰ চিটী বুলি কাক কোৱা হয়?
উঃ গুজৰাটৰ আহমেদাবাদক।
৬। অৰ্জুনৰ ৰথখনৰ নাম কি?
উঃ কপিধ্বজ।
৭। গোবিন্দ পিল্লাই সংগীতৰ লগত জড়িত কোনবিধ বাদ্যৰ বাবে বিখ্যাত?
উঃ বেহেলা।
৮। তিৰুপতি বালাজী মন্দিৰ ভাৰতৰ কোন অংশত অৱস্থিত।
উঃ দক্ষিণ অংশত।

*কবিতা দাস, পঞ্চম ষাণ্মাসিক*

# লি মা ৰি ক

ড° পৰিণীতা শইকীয়া বৰা
অসমীয়া বিভাগ, সহকাৰী অধ্যাপক

ধেমালিৰ দৃষ্টিৰে
লিমাৰিকৰ সৃষ্টি
নাম সোমাল
বুলিয়েই
নকৰিব অসন্তুষ্টি।

মহাবিদ্যালয়ৰ
সমূহ শিক্ষকক লৈ
অকণমান জোকাইছোঁ
বেয়া কিন্তু নাপাব
ক্ষমাও মাগিছোঁ।

**(১) পিন্সিপাল (অধ্যক্ষ)**
মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া
নাম তেওঁৰ ৰীতা দত্ত হাজৰিকা
অফিচত বহি আজৰি সময়ত
তেওঁ আপেল কাটি খায়,
কেতিয়াও আমাক অলপো
নিদিয়ে ভাই।
আজিকালি বাইদেউৰ
হেয়াৰ ষ্টাইল চেঞ্জ হ'ল
কিয়বা কৰিছে তাকো গম পোৱা গ'ল
ৰূপালী জয়ন্তীৰ সামৰণী অনুষ্ঠানত
ধুনীয়া খোপা বান্ধিব
সেইবাবে এতিয়াৰপৰাই বোলে
চুলিবোৰ বঢ়াব।

**(২) উপাধ্যক্ষ**
ব্যামবীৰ, বলিবীৰ
ভূপেন হাজৰিকাদেৱক কৰে
নতশিৰ।
তই, তুমিৰ পাৰ্থক্য নাই,
এয়াই হৈছে আমাৰ
উপাধ্যক্ষ ছাৰ
পৰিচয় মৃণাল মেধিৰ।

শিক্ষক দিৱসত
অসমীয়া বিভাগলৈ যায়
পোহৰৰ লিমাৰিকত
তেওঁৰ নামটো উঠিছেনে
নাই মনে মনে চায়।

তাতো আকৌ গৈ কেৱল
মানুহে মানুহৰ বাবেহে গায়।

**বিভাগসমূহৰ শিক্ষকসকল**

(১)
অসমীয়া বিভাগৰ মুৰব্বী
নামটো তেওঁৰ নীৰা দাস।
পৰম্পৰাগত খাদ্য
বনোৱাত ওস্তাদ।
পিঠা-পনা বাইদেউৰ
বহুত আমি খালোঁ।
কিন্তু বাইদেউৰ
স্পেচিয়েল চি চি পায়স
আমি কেতিয়াও
খাবলৈ নাপালোঁ।
বৰ্তমান তেওঁ হেনো
চভেনিয়াৰত ব্যস্ত
সেইবাবে তেওঁ হেনো
আমাৰ কামত সন্তুষ্ট।

(২)
চিন্তাবিদ, ধৈৰ্যবিদ
আৰু যোগাবিদ
কাকতি ছাৰক দেখিলে
লাগে ছক্ৰেটিছ।

কাৰো লগত কথা নাই
নিজৰ কাম কৰি যায়।
সেয়ে হেনো ৰাতি হ'লে
ফ্ৰীজ খুলি মিঠাই খায়।

এই বছৰ ছাৰে ল'লে
২০খন কিতাপ প্ৰকাশ কৰাৰ প্ৰজেক্ট
সেইকাৰণে হেনো ছাৰে
ঘৰৰ কাম আৰু গান গোৱা
কৰিলে ৰিজেক্ট।

(৩)
অসমীয়া বিভাগৰ
ইৰানী বায়ে
ধুনীয়া কাপোৰ পিন্ধে
আৰু তেওঁ খোজটো
লাহে লাহে দিয়ে।

মিঠাই খাবলৈ তেওঁ
আজিকালি বৰ ভয় কৰে
সেইবাবে প্ৰীতিমালাবাৰ লগত
কাপোৰৰ বজাৰকে কৰে।





(৪)
লেফ্ট ৰাইট লেফ্ট ৰাইটকৈ
এন চি চি কামান লৈ
মিনু বাইদেউ কলেজলৈ আহে
ছাৰ আৰু বিজ্ঞাকো
লগত লৈ আনে।

তেওঁৰ পিছে সাহস দেখিলে
মূলাগাভৰু যেন লাগে।
পিছে চিঞৰটো শুনিলে তেওঁক
গুলছুন গবুৰ যেন লাগে

(৫)
ধুনীয়া চুলিটাৰি
ধুনীয়া ওঁঠযুৰি
ধুনীয়া চকুৰ পাহি
ধুনীয়া কবিতাৰে
ধুনীয়া ধুনীয়া শাৰী।
ধুনীয়া হাত লাহী-পাহি
নামেৰে যোজনা বা
ধুনীয়া ধুনীয়া হাঁহি
পিছে ধুনীয়া ধুনীয়া
খাদ্যৰ বাবে তেওঁ বৰ
আগ্ৰহী।

**অৰ্থনীতি বিভাগ**

(১)
কি ভাবি কি কয়,
চকুত পিন্ধা চছমাযোৰ
দেখোন মূৰতহে লয়।
সেয়া কোন বাৰু জানেনে
অৰ্থনীতি বিভাগৰ মুৰব্বী
জ্যোতিকা বা আমাৰে।

বহুতো কথাই তেওঁ
পাহৰি থাকে।
সেয়ে চাহত বোলে
কেতিয়াবা চেনিৰ সলনি
নিমখহে দিয়ে।

(২)
ডাঙ্গ মাষ্টাৰ জয়ন্ত বৰুৱা
সৰুবেপৰা ভয় কৰে
তেওঁ হেনো পৰুৱা।
আনক পাটী খুৱাবলৈ
বৰকৈ উদ্‌গনি দিয়ে
পিছে তেওঁৰপৰা কেতিয়াও
চাহ-মিঠাই সৰকি নপৰে।
ছাত্ৰ-ছাত্ৰীসকলে
তেওঁক হেনো বৰ ভাল পায়
সেইবাবে তেওঁ হেনো
দিনক দিনে ফুলিহে যায়।

(৩)
গিৰিপ-গাৰাপ খোজেৰে
কোন সেয়া বাৰাণ্ডাইদি যায়
অৰ্থনীতি বিভাগৰ বনজ্যোতি
হ'ব পায়।

ৰংটো পিছে তেওঁৰ বৰ
মৰমলগা
ছাত্ৰ-ছাত্ৰীক গালি পাৰিলে
কিন্তু হয় ভয়লগা।

(৪)
অৰ্থনীতি বিভাগৰ শেষৰজন
নামটো তেওঁৰ ধনমণি
সদায় বাৰু সপোনত
কোনে কৰে আমনি

হয় চাগে কোনোবা তেওঁৰ
সপোন কুঁৱৰী।
তেওঁ পিছে বৰ ভাল
সকলোকে মাতে
কিন্তু মিটিং আদিত তেওঁ
ছোৱালীৰ পিছফালেহে বহে।

**ইংৰাজী বিভাগ**

(১)
ইংৰাজী বিভাগৰ মুৰব্বী
এয়া আমাৰ ৰঞ্জি বা
তেওঁৰ পিছে হ'বীটো শুনা
আনক ঠেলা-হেঁচা কৰি
আগে-ভাগে ফটো উঠা।
ফটো উঠোঁতে তেওঁ
পাৰফিউমো লগায়
জানোচা ফটোখনৰপৰা
সুগন্ধিও ওলায়।
কলেজলৈ তেওঁ বৰ
খৰখেদাকৈ আহে
ভেম লাগিলে পিছে
মনে মনে বহি থাকে।

(২)
শ্বেইক্সপীয়েৰৰ পাণ্ডা
ৰূপলেখা বাৰ মেজৰত
ড্ৰামা পঢ়োৱাৰ
একমাত্ৰ ধাণ্ডা।
নতুন নতুন ব্যঞ্জনৰে
ৰান্ধি ভাল পায়
পিছে খং উঠিলে তেওঁৰ
কপালখন কোঁচ খায়।
জানেনে বাইদেউৰ এটা কমন ৱৰ্ড
সিং তুমি এতিয়া ক'ত?

(৩)
বাহুবলীৰ এটাই চিন্তা
তেওঁৰ ভনীয়েক
ইংৰাজী বিভাগৰ
তেওঁৰ নামটো সুমিত্ৰা।
তেওঁ পিছে ভাল নাপায়
শ্বেলী আৰু কীট্‌ছৰ কবিতা।
কলেজলৈ কাপোৰৰ লগত
জোতাও মিলায়
পিছে চোলাৰ হাত

জাহ্নৱ হ'লে
কেতিয়াও নিচিনায়।

(৪)

সুমুষ্ট মাতেৰে
এয়া ইংৰাজী বিভাগৰ
মুকুতা বা।
অকণমান কথাতে
সৰুকৈ টেনশ্বন লোৱা।

প্ৰায়ে বেঙেনী শাড়ী পিন্ধি
কলেজলৈ আহে
ভিনদেউৰ কথা মনত পৰিলে
অকলে অকলে হাঁহে।

(৫)

ইংৰাজী বিভাগৰ শেষবৰ্ষবাৰ্কী
নামটো তাইৰ মুন্‌মী
তাই খাই ভাল পায়
মালাই আৰু কুলফী।

চুলিখিনি দেখিলে তাইক
বৰ ভাল লাগে।
কিন্তু আজৰি সময়ত কলেজত
মনে মনে ফোনত বা
কাৰ লগত কথা পাতে?

**গণিত বিভাগ**

(১)

গণিত বিভাগৰ মুৰব্বী
নাম তেওঁৰ দেৱজিৎ শৰ্মা
তেওঁ খাই ভাল পায়
ডাঙৰ ডাঙৰ খুৰমা
মৃণাল শৰ্মাৰ লগত
একেখন নাৱৰে যাত্ৰী
সেয়ে সদায় গৈ
নাৱেৎগীত
মৃণাল টী ষ্টলত
মনে মনে কৰে টী পাৰ্টী।

(২)

গণিত বিভাগৰ দ্বিতীয়জন
নাম মৃণাল শৰ্মা
নিজকে ভাবে তেওঁ
বিশ্বকৰ্মা।
কলেজলৈ আহি ছাইন কৰিবলৈ
অনবৰ কলম খোজে
তাকে শুনি কংকনাৰ বোলে
বৰ বেয়া লাগে।
এদিন তেওঁক কংকনাই
দোকানৰপৰা কলম এটা
আনি দিলে।
সেইদিনাৰপৰাই তেওঁ
আনক কলম খোজা
বদ অভ্যাসটো এৰে।

(৩)

গণিত বিভাগৰ শেষবৰ্ষবাৰ্কী
নাম তেওঁৰ কনানী বৰা
সকলো কথাকে তেওঁ বেছিকৈ ভবা
চকলেট কেক, পানী কেক আমাৰ
বিভাগক খুৱালে
বনোৱা পদ্ধতিতো কিন্তু
আমাৰপৰা লুকুৱালে।
জানেনে বাইদেৱে এদিন
বৰ দুখ কৰে
যেতিয়া চিজিল লগাই
নোখোৱাৰ বাবে
ছাৰে হেনো গালি পাৰে।

**দৰ্শন বিভাগ**

(১)

দৰ্শন বিভাগৰ মুৰব্বী
এয়া আকৌ সেবিকা বা
নম্ৰ আৰু সৰুকৈ
কথাবোৰ কয়,
সকলো কথাতে তেওঁ
দৰ্শন লগাই থয়।

এদিন বাইদেউৰ খং উঠিল
চকীখনতে বহি থাকিল
অলপ পিছতে তেওঁ
ভাল হৈ পৰিলে
দৰ্শনৰ কথা আকৌ
ক'বলৈ ধৰিলে।

(২)

অমিতাভ বচ্চনৰ দৰে
ওখ-পাখ
কৰবী বা আমাৰ
দৰ্শন বিভাগৰে
কথাইপতি তেওঁ
বুইছ বুলি কয়
চকু টিপ মাৰিলে তেওঁ
শক্তি কাপুৰ যেন হয়।
খং উঠিলে হেনো তেওঁ
পঢ়া-শুনাহে কৰে
সেইদিনা বোলে তেওঁ
ৰন্ধা-বঢ়াও নকৰে।

জানেনে বাইদেউৰ এটা
ছিক্ৰেট কথা
ইংৰাজী বিভাগত গৈ
মনে মনে টেঙা খোৱা

(৩)

দৰ্শন বিভাগৰ এয়া
পিংকুমণি বা
নিজৰ লগতে ব্যস্ত থকা
গানটো ভাল পায়
মই আৰু মোৰ ছাঁ।
কৈ খ'লৌ পিংকু বাৰ
ছিক্ৰেট কথা।
ছাৰ নহ'লে মনে মনে
পাল মাৰি দৈ ভাত খোৱা।





(৪)

অকণমানি ছোৱালী
ষ্টেমিনাৰে ভৰপূৰ
বিৰাজদাৰ ঘৰৰ বোৱাৰী
শলাগৰ শৰাই দিলে
তেওঁক বৰ ভাল লাগে
পিছে ঘৰত হেনো তেওঁ
থুপুচ-থাপাচ পৰে।

সেয়া জানেনে
গৰিমা শইকীয়া
তেওঁৰ হেনো একেবাৰে
খং-ৰাগ নাইকিয়া।

**বুৰঞ্জী বিভাগ**

(১)

দুৰণিত শুনিছোঁ কি?
এয়া প্ৰীতিমালা বাৰে গৰ্জন
দেখিছোঁ কি?
**Economic life :** The basic economy was agricultural. Wheat cotton barley, fruits and vegetables were grown. They had a highly developed system of craft, production and distribution.

**Trade and transportation :** The economy appears to have developed significantly on trade which was facilitated by major advances in transport technology. They were the first civilisation to use wheeled transport they used bullock carts and ... Extensive maritime trade network operated between Harappa and Mesopotamia civilizations trade contacts extended to Crete and Egypt. The Indus Valley People achieved accuracy in measuring length mass and time. They were among the first to develop a system of uniform weighs and measures.

**Religion :** From the discovery of various articles we can conclude that the people believed in image worship. The image of a female diety resembles the image of Mother Goddess or Sakti. The idea of worshipping male God Shiva Pasupati was popular. Apart from these people worship nature-certain trees, birds and animals. ■





# অসমীয়া বিভাগ
# Department of Assamese

# 'কুন্দ্ৰাক্ষ'

## সম্পাদকীয়

অসমৰ সাংস্কৃতিক ঐতিহ্যবহনকাৰী এটি মূল্যবান অনুষ্ঠান হ'ল কামৰূপী ঢুলীয়া। ই সম্পূৰ্ণভাৱে লৌকিক আৰু হাস্য-ব্যংগ কৌতুকৰে ভৰ অনন্য অনুষ্ঠান। ঢুলীয়া অনুষ্ঠানৰ অভিনয়-কৌশল আৰু হাস্য-ব্যংগ কৌতুকবোৰেই হৈছে এই অনুষ্ঠানৰ মুখ্য আকৰ্ষণ। অসমৰ ২১-২শিৰ তথা দেওবাৰ আৰু ধৰ্মীয় অনুষ্ঠান আদিত ঢুলীয়া অনুষ্ঠান পৰিবেশন কৰা হৈছিল।

এই ঢুলীয়া কলাবিদ্যাৰ কোনোধৰণৰ লিখিত পুথি নাই। জনশ্ৰুতিৰ ওপৰতে ই সীমাবদ্ধ। ঢুলীয়া সংস্কৃতিৰ ইতিহাস অসম তথা পুৰণি কামৰূপী সমাজৰ এক গৌৰৱোজ্জ্বল ইতিহাস। ইয়াৰ সামাজিক মূল্যায়ন কৰাটো অতি প্ৰয়োজন হৈ পৰিছে। কাৰণ এনে এটি মনোৰঞ্জক অনুষ্ঠান সম্প্ৰতি মৃতপ্ৰায়। এই মূল্যবান সংস্কৃতি আমাৰ মাজৰপৰা যাতে হেৰাই নাযায় আৰু এনে এক স্বাধীন সাংস্কৃতিক অনুষ্ঠানক আগৰ প্ৰজন্মবোৰ জীয়াই ৰখাৰ প্ৰচেষ্টাৰে আমাৰ প্ৰাচীৰ পত্ৰিকাৰ মূল বিষয়সূচী হিচাপে কামৰূপী ঢুলীয়াৰ বিশেষ সংখ্যা নিৰ্বাচন কৰি লোৱা হৈছে।

এই প্ৰাচীৰ পত্ৰিকাৰ সম্পাদনাৰ বহুমূলীয়া দিহা-পৰামৰ্শ তথা সহায়-সহযোগৰ বাবে বিভাগৰ অধ্যাপক মণ্ডলীৰ লগতে দাদা, বাইদেউ আৰু মোৰ সহপাঠীসকলৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু অজানিতে হৈ যোৱা ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। — ধন্যবাদ

বনজিৎ কুমাৰ

## কামৰূপী ঢুলীয়া ঃ এটি অৱলোকন

অসমৰ ঐতিহ্য বহনকাৰী এটি মূল্যবান কৃষ্টি হ'ল কামৰূপী ঢুলীয়া। ই সম্পূৰ্ণভাৱে লৌকিক আৰু এক অনন্য অনুষ্ঠান। ঢুলীয়া অনুষ্ঠানটিৰ জাপ লোৱা লোকসকলৰ অভিনয় কৌশল আৰু হাস্য-ব্যংগ কৌতুকবোৰেই অনুষ্ঠানটিৰ মুখ্য আকৰ্ষণ। অসমৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত ঢুলীয়া অনুষ্ঠান পৰিবেশিত হৈছিল।

কামৰূপী ঢুলীয়া অনুষ্ঠানৰ জেনাৰ্ডুল এজনী আকৰ্ষণ ভাও দিয়া উদ্ভিদিনিক মঞ্চ লোৱা হৈছিল। মঞ্চ সজাৰৰ বাবে কলাগছ আৰু কলপাত ব্যৱহাৰ হৈছিল। অনুষ্ঠানটিত বহুত মানুহৰ দল এটি থাকে। যাই ঢুলীয়া, মৰ মৰা ঢুলীয়া, কুড়ি দিয়া ঢুলীয়া, তেঁওৰা মহলদাৰী সুৱৰ ইত্যাদি। তেওঁলোক ভাওৰ শিল্পী। তেওঁলোকৰ কাহিনীৰ কোনো লিখিত ৰূপ নাই। মৌখিকভাৱে আৰু কোনো অনুশীলন নকৰাকৈ তেওঁলোকে কাহিনী প্ৰদৰ্শন কৰিব পাৰিছিল। ঢোল আৰু অভিনয়ৰ প্ৰয়োজনীয় কাঁড়, লাঠি, মাৰি, যাঠি, তোৰ জাতীয় বস্তুবোৰ নিজে হওঁাই লৈছিল। প্ৰসাধনৰ বাবে চাউলৰ গুড়িৰ ব্যৱহাৰ কৰাকৈ কৰা হৈছিল। মতা মানুহে ছুৱলী সাজ-পাৰ পিন্ধি অভিনয় কৰিছিল। মাতটোৰ সাজো সক কৰি উঠিছাইছিল।

প্ৰথমতে বৰঢোলত ওজাপালি মাৰি অনুষ্ঠানটি আৰম্ভ কৰা হয়। তাৰ পিছত অভিনেতা বজাই মঞ্চকুৰোৱা বাট আনি কাৰ্য অনুষ্ঠিত কৰে। তেওঁৰ বাতৰৰ মাৰ কুড়ি, খেল-খেমালি আদি চাকৰিৰ আৰু তেওঁৰ বৈকেহৰে। মুখৰ ব্যৱহাৰ এটি মন কৰিবলগীয়া বৈশিষ্ট্য। ঢুলীয়াই পদ গাই কাহিনী ব্যাখ্যা কৰে। কিন্তু ঢুলীয়া অনুষ্ঠানৰ কোনো লিখিত বিৱৰণ নথকাৰ বাবে ইয়াৰ প্ৰাচীনত্ব নিৰ্ণয় কৰিব তাৰ সঠিকাই কোৱা টান।

ঢুলীয়া শব্দটো আহিছে ঢোল শব্দৰপৰা। ঢুলীয়াসকলৰ প্ৰধান সাংগীতিক আহিলা হ'ল ঢোল। প্ৰধানতঃ তিনিপ্ৰকাৰৰ ঢোল তেওঁলোকে ব্যৱহাৰ কৰে। পতি ঢোল, মাজু ঢোল আৰু বৰ ঢোল। ঢুলীয়াসকলৰ ভাও অৰ্থাৎ অভিনয়ক স্থানীয় ভাষাত ভাইৱাৰি আৰু অভিনেতাসকলক ভাইৱা বোলা হয়।

যোজনাখণ্ডা পাঠক
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

# কামৰূপী ঢুলীয়াৰ সাদৃশ্য থকা ঢেপা ঢুলীয়া

নৱদী লোকসংস্কৃতিৰ এপদ অন্যতম সম্পদ হৈছে ঢেপা ঢুলীয়া। জনজাতীয় কৃষ্টিৰ আধাৰত গঢ় লোৱা এইবিধ সম্পদেই নৱদী ৰজাসকলৰ পৃষ্ঠপোষকতাৰ এক স্বকীয় ৰূপত আত্মপ্ৰকাশ পাইছে। এটা সময়ত নৱদ্বৰ বিবাহ, চূড়াকৰণ, উপনয়ন, বৃক্ষ আৰু পুখুৰী প্ৰতিষ্ঠা আদিত ঢেপা ঢুলীয়া দল আছিল অপৰিহাৰ্য অংগ। ঢেপা ঢুলীয়া অনুষ্ঠানৰ বিষয়ে আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী ডাঙৰীয়াই মঙলদৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থত 'নৱদী লোক-সংগীতত ঢেপা ঢুলীয়া' শীৰ্ষক আলোক সন্ধানী নিবন্ধত এটা প্ৰণালীবদ্ধ আলোচনা আগবঢ়াইছিল।

ঢেপাঢোল দীঘলে প্ৰায় দুহাত আৰু দুয়োটা মূৰ ক্ৰমে সৰু। সোঁহাতৰ মূৰটোৰ বেৰ প্ৰায় দুহাত, বাঁওহাতৰ মূৰটোৰ বেৰ এহাতৰ ওপৰ। ছাগলীৰ ছালেৰে ঢোওৱাটো উল্লেখযোগ্য। এই ঢুলীয়াৰ দল এটাত সাধাৰণতে দুজন ঢুলীয়া আৰু চাৰিজন তালুৱৈ থাকে। ঢেপা ঢুলীয়া আৰু ব্যৱহাৰ কৰা বিভিন্ন বাদীসমূহৰ ভিতৰত কাণকটা বাদী, সৰবাদী, খেদাবাদী, খুন্দাবাদী গাঁথ, মুচুবাবাদী, গোৰবাদী, দেৱবাদী, পাতালবাদী, নিন্দাবাদী আদিয়ে প্ৰধান। এওঁলোকে প্ৰদৰ্শন কৰা নাচবোৰৰ ভিতৰত খুঁটি নাচন, গড়িয়া নাচন, সৰকি নাচন আদিয়ে বিখ্যাত। তদুপৰি উৰা ধুৰণি, চকোৰা গাৰু, তামাল মুচৰা, নেউল বুলনি, বোৱাৰী, ভেকুলী আৰু শিয়াল ভূমিকা নাচে উল্লেখযোগ্য। এই ঢেপা ঢুলীয়াৰ ঢুলীয়া আৰু তালুৱৈ উভয়ে দীঘল চুলি ৰাখিছিল। গায়কজনে হাতত খাৰু, কাণত কাণফুল, মুখত গড়িয়া পাৰা আৰু আঁঠুমূৰীয়া চুৰীয়া, গামোচা পিন্ধিছিল। সংগীত প্ৰদৰ্শনৰ সময়ছোৱাত দুজন ঢুলীয়াই একাধিক ৰঙৰ কাপোৰেৰে চিলোৱা, ঘূৰিলে জাঁপিৰ দৰে বহল হোৱা জামা দুটা পিন্ধি লয়। তালুৱৈসকলে মূৰত গামোচা মাৰে।

অনুপজ্যোতি কলিতা
স্নাতক তৃতীয় বাণ্মাসিক

# কামৰূপী ঢুলীয়া অনুষ্ঠানৰ নাট্যকাৰ শ্ৰীযুত নিৰেন তালুকদাৰৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ

দক্ষিণ কামৰূপ অঞ্চলৰ প্ৰখ্যাত ঢুলীয়া অনুষ্ঠানৰ নাট্যকাৰ শ্ৰীযুত নিৰেন তালুকদাৰৰ সৈতে হোৱা ৬/১০/১৭ তাৰিখে হোৱা সাক্ষাৎকাৰৰ বিৱৰণ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। অসমৰ দক্ষিণ কামৰূপ অঞ্চলৰ ঢুলীয়া সম্পৰ্কে জানিবলৈ আমাৰ বিভিন্ন প্ৰশ্নৰ যি উত্তৰ শ্ৰীযুত নিৰেন তালুকদাৰদেৱে দিছিল, সেই উত্তৰসমূহে অসমৰ কামৰূপী ঢুলীয়া নাট্যানুষ্ঠানৰ গুৰুত্বপূৰ্ণ তথ্য দাঙি ধৰিবলৈ সক্ষম হৈছে।

১। **কুকুৰুক্ষ** : দক্ষিণ কামৰূপৰ ঢুলীয়া অনুষ্ঠানৰ বিষয়ে আপোনালোকৰ কিছু জানিব বিচাৰিছোঁ?

**উত্তৰ** : দক্ষিণ কামৰূপ অঞ্চলত যেতিয়া কোনো এক ডাঙৰ সভা বা পূজা অনুষ্ঠিত হয়, তেতিয়া এই যাত্ৰা অভিনয় প্ৰদৰ্শিত হয়। এই যাত্ৰা অভিনয়ৰ সৈতে সংগতি ৰাখি অভিনয়ৰ আৰম্ভণিতে মাজৰ সময়খিনি কোনো অনুষ্ঠান নাথাকে বা উক্ত হ'ব পাৰে, গতিকে সেই সময়খিনিত দক্ষিণ কামৰূপৰ ঢুলীয়াই ঢুলীয়া অনুষ্ঠান পৰিৱেশন কৰে।

২। এই প্ৰদৰ্শনত নাটক থাকে নে?

**উত্তৰ** : নাথাকে, কেৱল ঢুলীয়া আৰু তাল থাকে।

৩। যি এটা দল থাকে, সেই ঢুলীয়া দলৰ দলীয় প্ৰদৰ্শন দক্ষিণ কামৰূপত দেখা নাযায়।

**উত্তৰ** : হয়। দক্ষিণ কামৰূপ অঞ্চলত ঢুলীয়াত চৰ্কাছ আদি পৰিৱেশন বিশেষ নাই, গতিকে উত্তৰ কামৰূপৰ ঢুলীয়াৰ দলৰ সদস্যৰ সংখ্যাতকৈ দক্ষিণ কামৰূপৰ ঢুলীয়াৰ সদস্য একেবাৰে কম।

৪। দক্ষিণ কামৰূপৰ ঢুলীয়াত আন কিবা বৈশিষ্ট্য আপোনাৰ চকুত পৰিছে নেকি?

**উত্তৰ** : এটা ডাঙৰ বৈশিষ্ট্য হৈছে পূৰ্বে ঢুলীয়া অনুষ্ঠানৰ নাটকত পুৰুষেই নাৰী চৰিত্ৰৰ অভিনয় কৰিছিল কিন্তু বৰ্তমান এই অনুষ্ঠানবিলাকত ছোৱালী বা মহিলাই অভিনয় কৰা দেখা গৈছে।

৫। দক্ষিণ কামৰূপৰ ঢুলীয়া অনুষ্ঠানত চং, চৰ্কাছ একেবাৰে দেখা নাযায় নেকি?

**উত্তৰ** : নিশ্চয় আছে। আমাৰ দক্ষিণ কামৰূপৰ কুকুৰমাৰা অঞ্চলত উত্তৰ কামৰূপৰ ঢুলীয়াসদৃশ ঢুলীয়া দল আছে আৰু তেওঁলোকে কামৰূপী ঢুলীয়াৰ পূৰ্ণ অনুষ্ঠান প্ৰদৰ্শন কৰে।

৬। কামৰূপী ঢুলীয়াৰ প্ৰদৰ্শন দিনত হয় নে ৰাতি হয়?

**উত্তৰ** : ৰাতি হয়, কিন্তু কেতিয়াবা চৰ্কাছ আদি তেওঁলোকে দিনত প্ৰদৰ্শন কৰে। এই চৰ্কাছ প্ৰদৰ্শন কৰিবলৈ এই চৰ্কাছত একোজন ঢুলীয়াৰ নিজৰ পৰিয়ালটো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাটো দেখিবলৈ পোৱা গৈছে। কিন্তু এয়া দক্ষিণ কামৰূপ অঞ্চলত দেখিবলৈ পোৱা নাযায়। এনে চৰ্কাছ নলবাৰী-বৰপেটা অঞ্চলত দুপৰীয়াৰ ভাগতো প্ৰদৰ্শন কৰা দেখা যায়।

৭। কামৰূপী ঢুলীয়াৰ নাটকসমূহত বৰ্তমানে আধুনিক নাটকৰ প্ৰভাৱ পৰাটো পৰিলক্ষিত হৈছে, এগৰাকী নাট্যকাৰ হিচাপে এই বিষয়ে আপুনি কি মতামত দিব?

**উত্তৰ** : হয়, দৰ্শকৰ প্ৰয়োজনৰ খাতিৰতে বৰ্তমান কামৰূপী ঢুলীয়াৰ নাটকত কিছু আধুনিক নাটকৰ প্ৰভাৱ দেখা গৈছে। প্ৰাচীন নাট্য পৰম্পৰাৰ ভেটিত কিছু আধুনিকতাৰ প্ৰয়োগেৰে কামৰূপী ঢুলীয়াৰ নাটকবোৰ সজাই পেলোৱা হয়। ইয়াৰ আঁৰতে আছে দৰ্শকক আকৰ্ষণ কৰাৰ সুস্থ মানসিকতা।

৮। কামৰূপী ঢুলীয়াত অসমৰ জনজাতীয় সংস্কৃতি পোৱা যায় নেকি?

**উত্তৰ** : আছে, কামৰূপীয়া ঢুলীয়াত বড়ো, ৰাভা সংস্কৃতিৰ স্পষ্ট প্ৰভাৱ দেখা যায়।

৯। আপুনি এতিয়ালৈকে কি কি নাটক লিখিছে?

**উত্তৰ** : ধৰ্মৰ জয়, সাৱিত্ৰী, কৌশল্যা, নহিয়সপুৰ, শকুন্তলা, জয়মতী আদি।

১০। কামৰূপীয়া ঢুলীয়াৰ নাটকৰ উদ্দেশ্য কেৱল মনোৰঞ্জনেই নে?

**উত্তৰ** : পৌৰাণিক নাটকবিলাকত কাহিনী, চৰিত্ৰ আদিৰ ক্ষেত্ৰত পুৰাণত বৰ্ণিত মতেই দিয়া হয়। কেৱল চৰিত্ৰৰ মুখৰ সংলাপবোৰ কৌতুকময় হয়। প্ৰত্যেকখন নাটকতেই মানুহৰ মাজলৈ এটা বাৰ্তা দিয়াৰ অভিপ্ৰায়েৰে নাটকৰ কাহিনীভাগ পৰিকল্পনা কৰি উলিওৱা হয়। দৰ্শকসকলৰ মাজত এই বাৰ্তা সমাজ বা ৰাইজৰ মাজত সম্প্ৰসাৰণ কৰাৰ এটা উদ্দেশ্য কামৰূপী ঢুলীয়াৰ নাটকবোৰত প্ৰকাশিত হৈ থাকে।

# কামৰূপী ঢুলীয়াৰ সাজ-সজ্জাৰ এক আলোকপাত

নামনি অসমৰ কামৰূপ জিলা ঢুলীয়াৰ ভাওনা কাৰণে বিখ্যাত। এই অঞ্চলৰ ঢুলীয়াৰ ভাওনা অতিকৈ জনপ্ৰিয় এক সাংস্কৃতিক অনুষ্ঠান।

অংকীয়া ভাওনাৰ দৰে কামৰূপী ঢুলীয়াৰ অনুষ্ঠানো দৃশ্য-শ্ৰব্য কলাশৈলীৰ অন্তৰ্গত। সেয়ে ভাওনা উপভোগ কৰিবলৈ দিবলৈ সা-সঁজুলি, সাজোন-কাচোন, অ-অলংকাৰ, পোছাকৰ ব্যৱস্থা আদি সকলোবোৰৰ সম্ভাৰৰ একান্ত প্ৰয়োজন, ঢুলীয়া অনুষ্ঠানৰ ক্ষেত্ৰতো একে কাৰই প্ৰযোজ্য।

কামৰূপী ঢুলীয়া ভাওনা এক গ্ৰামীণ অনুষ্ঠান। সেয়ে এই ঢুলীয়া দলৰ পোছাক-পৰিচ্ছেদ অনাড়ম্বৰ। ঢুলীয়া দলৰ পোছাক তালীয়া আৰু কালীয়াৰ পোছাকৰ ভিতৰত উৰ্দ্ধাংগ হিচাপে সাধাৰণ ধুতি বা ধুৰি পৰিধান কৰে। ঢোলাৰোৰৰ কিছুমান হাত দীঘল আৰু কিছুমান চুটি। ঢুলীয়াসকলে প্ৰায় দীঘল আৰু কিছু চুটি চোলা ব্যৱহাৰ কৰে। ঢুলীয়াসকলৰ চুলিয়ে দৰ্শকক সহজে আকৰ্ষণ কৰে।

এই অনুষ্ঠানত হাঁহি কৌতুকৰ অৱতাৰণা কৰা ভাৰবীয়াসকলে আৰু নাটক অংশত অভিনয় কৰাজনে প্ৰসাধন ব্যৱহাৰ কৰে। অভিনেতাই মুখত পিঠাগুড়ি, চকমাটিৰ গুড়ি, কাজল, কলু গুড়ি, চুন, সেন্দুৰ, পুৰি শংখৰ গুড়িৰ যৎ বস্তু বা আদি গ্ৰাম্য জীৱনৰ সহজলভ্য বস্তুবোৰ ব্যৱহাৰ কৰে।

কামৰূপী ঢুলীয়া অনুষ্ঠানত মুখাৰ ব্যৱহাৰ অপৰিহাৰ্য। এই অনুষ্ঠানত ব্যৱহাৰ কৰা মুখাবোৰ প্ৰায় অংকীয়া ভাওনাৰ ব্যৱহাৰ কৰা মুখাৰ দৰেই। ইয়াৰ মুখাবোৰ সাজোঁতে প্ৰথমে হাতেৰে মাটিৰ মুখাৰ এটা সাঁচ সাজি উলিয়ায়। তাৰ পিছত সেই সাঁচটোৰ ওপৰত কাপোৰত আঠা লগাই দিয়ে। তাৰ ওপৰত মাটিৰ তাঁঠে আন এটা প্ৰলেপ সানি দিয়ে। তোলা কাঠৰ বাৰি এয়ৰাতে নাক, চকু, মুখুৰি আদি গঢ় দিয়ে। একেবাৰে শেষত মাটিৰ আন এটা পাতলীয়া লেপ দিয়ে। তাৰকৈ ৰ'দত শুকুৱাৰ পিছত তাত প্ৰয়োজনীয় ৰং সানে।

কামৰূপী ঢুলীয়া দলৰ মুখা পদ্ধতি যদিও অংকীয়া ভাওনাৰ দৰেই তথাপি ৰং-ৰঙা ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান ব্যতিক্ৰম দেখা যায়। ঢুলীয়া দলে অতি সহজে পোৱা চুন, কাজল, খৰিমাটি আদি সহজলভ্য সামগ্ৰীৰে মুখত ৰং সানে।

এয়েই হৈছে কামৰূপী ঢুলীয়াৰ সাজ-সজ্জা সম্পৰ্কীয় আলোচনা।

পৰিণীতা শইকীয়া বৰা
সহকাৰী অধ্যাপক

## ঢুলীয়া-চঙৰ বিষয়বস্তু

ঢুলীয়া চঙৰ বিষয়বস্তুৰ কণ চৰকাৰী বিভাগ বিষুমানৰ আজৱ-কাণ্ড, জনস্বাৰ্থবিৰোধী নিয়ম, ঘোচখোৰ বিষয়া, ধৰ্মগুৰুসকলৰ ভণ্ডামি, সমাজৰ মুখিয়ালসকলৰ ভণ্ডামি, দৰিদ্ৰ, ধনীৰ অহংকাৰ আদি নিৰ্বাচন কৰে আৰু হাস্যৰসৰ মাজেৰে ৰূপায়ণ কৰে। উদাহৰণস্বৰূপে ধৰা হ'ল দুখান্তৰ ৰাজসভা চলি আছে। ৰজাই কৰ বিভাগক সোধে— 'ক চোন ক, তুহাৰ উন্নতি কিমান।'

ভাউৰা : মহাৰাজ বহুত, আগতে হাবি, জংঘল অতি আছিল, কাঁড় মাচ্ছিও সৰকি নাজোই, ইটো এইবোৰ গছ-বন কাটি চাফা কৰি দিছু। খাঁকুৰেইটাকো এটা এটাকে মাৰি আছু, সেইবেইটা আছে কাৰণে চোৰাং চিকাৰী আছে, আমিও শান্তিত থাকিব নক। এইবেইটা নাথাকিলে আমাৰো শান্তি, ঘৰোতে বহিয়ে দৰমহা ল'ব পাক। ইত্যাদি

চঙত মহিলাৰ ভাও থাকিলে পুৰুষেই মহিলাৰ সাজপাৰ পৰিধান কৰি অভিনয় কৰে। 'ওজা'ঘৰকীয়ে মাৰ্জিত সাজপাৰ পৰিধান কৰাৰ লগতে বচনবিলাকো মাৰ্জিত আৰু গহীনভাৱে কয়। আগতে সভাৰ 'খলা'তে চাকিৰ পোহৰত মানুহ বহি খৰাৰ মাজতে 'চং' প্ৰদৰ্শন কৰিছিল। বৰ্তমান মঞ্চৰ ওপৰতো চং প্ৰদৰ্শন কৰা দেখা যায়।

সুস্মিতা ছেত্ৰী
স্নাতক তৃতীয় ষাণ্মাসিক

## ঢুলীয়াৰ গীত

দিহা ১ :

যায় এ কি যায় এ
যায় যমুনাৰ জলে
যায় এ কি যায়

পদ :

ঘাটে নায়ং বাটে নায়ং
পানীক নায়ং লাজে
আহৰ কলচী ভাঙিল
লোক অপবাদে এ
আনোৰ বাচা ডাঙৰ-দীঘল
আমাৰ বাচা সৰু
চাবৰা পাৰা বাদনা নৰা
গোলিৰ গৰু এ

দিহা ২ :

অ' মোৰ ডাঙৰ বাপা ঐ
ভাল কৰি নাচন দিবি
অ' মোৰ চনা বাপা ঐ
ভাল কৰি নাচন দিবি
গুৰু পদে সেৱা দি
আৰু এটা জুৰবি
মোৰ ডাঙৰ বাপা ঐ...

হিমাংশু কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

## কামৰূপী ঢুলীয়াৰ অন্তৰ্গত ঃ ঢুলীয়া ভাওনাৰ পৰিচয়

অসমীয়া সংস্কৃতিৰ পৰিবেশ্য কলাৰ ভিতৰত ঢুলীয়া ভাওনা এবিধ ঐতিহ্য বহনকাৰী কলা। প্ৰকৃততে ঢুলীয়া ভাওনাই অসমীয়া লোকনাট্য অনুষ্ঠানত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। যেনেকীয়া অভিনয়, ভাওনা, চাৰ্কাছ, নৃত্যগীতৰ বাদন সংমিশ্ৰণৰ এই অনুষ্ঠানে লোকসমাজত স্থান পাই আহিছে।

ঢুলীয়া দলসমূহৰ মাধ্যমতে পৌৰাণিক পৰিৱেশনৰ ভাৱৰীয়া থাকে আৰু প্ৰতিটো দলত একোজন অভিজ্ঞ ওজাই নেতৃত্ব দিয়ে। এই ঢুলীয়া ভাওনাত মূল ওজাজনে বহুতোল বা ডবি ঢোলেৰে ভাওনাৰ অৱতাৰণা কৰে। যাক 'যাগেশী' বোলা হয়। এই 'যাগেশী'ৰ পিছতেই অন্য ঢুলীয়াসকলে নাচি নাচি তাল বজায়। ঢুলীয়াসকলৰ লগত কাঁহৰ কৰতাল বাজনাও সংগত কৰা হয়।

এই ঢুলীয়া অনুষ্ঠান বিভিন্ন পূজা, মেলা, সভা আদিত নানাধৰণৰ 'চং' বা 'ভাইৱামী' প্ৰদৰ্শন কৰে। ভাৱৰীয়াসকলৰ অদ্ভুত শৰীৰৰ অংগী-ভংগীয়ে ঢুলীয়া ভাওনাক হাঁহিৰ খোৰাক দিয়াত সক্ষম হৈছে।

হিমাক্ষী পাঠক
স্নাতক প্ৰথম ষাণ্মাসিক





# কামৰূপী ঢুলীয়াৰ 'চং'

বাদ্য, নাচ, গীত, চাৰ্কাছ, অভিনয়, অনাবিল হাস্যৰস আদিৰে পৰিপূৰ্ণ কামৰূপী ঢুলীয়াৰ আকৰ্ষণীয় অনুষ্ঠান হ'ল 'চং'। সমাজৰ দোষ-ত্ৰুটিৰ নিৰ্মোহ সমালোচনা 'চং'বিলাকৰ মাধ্যমেৰে আগবঢ়াই ঢুলীয়া শিল্পীসকলে সমাজৰ মানুহক সঠিক পথলৈ আনিবলৈ চেষ্টা কৰে। ইয়াৰ মুখ্য আকৰ্ষণ হৈছে 'ভাউৰা'গৰাকী। ভাৱৰীয়া শব্দটোক কামৰূপী উপভাষাত 'ভাউৰা' বোলে। কিন্তু ঢুলীয়াৰ 'ভাউৰা বুলি ক'লে বিশেষ সাজ-পোছাক পৰিধান কৰা আৰু কৌতুক অভিনয়ত সুদক্ষ লোকজনকহে বুজা যায়। তেওঁ সাজ-পোছাক, খোজৰ ভংগী, দেহৰ ভাষা, মুখৰ ভাষা, আচৰণ সকলোৰে মাধ্যমেৰে হাস্যৰস প্ৰকাশ কৰে। চাৰ্কাছৰ বহুয়াৰ দৰে সাজপাৰ, কেতিয়াবা বস্তাৰ কোট চোলা, মুখমণ্ডলত চুণৰ ফোঁট, পানী মেটেকাৰ দাড়ি আদি পৰিধান কৰি কৌতুক অভিনয়ত সুদক্ষ লোকজনহে সমাজৰ মাজলৈ ওলায়। তেওঁৰ লগত 'ওজা' ঢুলীয়াই অংশগ্ৰহণ কৰাৰ লগতে আন আন ভাৱৰীয়াসকলেও সহযোগ কৰে। চংখনৰ বাবে পৰিকল্পনা থাকে। কিন্তু নিৰ্দিষ্ট কোনো বচন নাথাকে। 'ভাউৰা'সকলে নিজৰ দক্ষতাৰে উপস্থিত বুদ্ধিৰে যিকোনো সাৰ্থক বচন মাতিব পাৰে আৰু অভিনয় কৰিব পাৰে। সেয়ে সমগ্ৰ দলটোৰ ভিতৰত 'ভাউৰা'গৰাকীৰ দায়িত্ব সৰ্বাধিক।

সৰোজ কাকতি
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

## কামৰূপী ঢুলীয়াৰ বিশেষ সংখ্যা ষষ্ঠ বৰ্ষৰ সম্পাদনা সমিতি

| | | |
|---|---|---|
| তত্বাৱধায়ক | : | মিনু দাস |
| সভাপতি | : | নিশা তালুকদাৰ |
| সম্পাদক | : | ৰনজিৎ তুমুং |
| সহকাৰী সম্পাদক | : | ৰেচমা খাতুন |
| সদস্য | : | পল্লৱী দাস |
| | | মনোজ কুমাৰ নাথ |
| | | অঞ্জলি হাজং |
| | | নিহাৰিকা কাকতি |

## ৰাজনীতি বিজ্ঞান বিভাগ
## Department of Political Science

# ৰাষ্ট্ৰমঞ্চ

# আহোমৰ শাসন প্ৰণালী

অসমৰ শাসন ব্যৱস্থাত আহোমসকলৰ বিশেষ অৱদান আছে। অসমত আহোমসকলৰ ছশ বছৰীয়া ৰাজত্ব বিশেষ প্ৰণিধানযোগ্য। ১২১৮ খ্ৰীঃ চৌকান গিৰিপথ অতিক্ৰম কৰি পাটকাই পাহাৰ পাৰ হৈ দুঃসাহসী চুকাফাই ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম ৰাজ্যৰ পাতনি মেলিছিল। ছশ বছৰীয়া প্ৰবল খ্যাতিৰে ৰাজত্ব কৰা অসমৰ আহোমসকলৰ পূৰ্বপুৰুষ দক্ষিণ-পূব এছিয়াৰ টাই মংগোলীয় গোষ্ঠীৰ লোক আছিল। আহোমৰ শাসন প্ৰণালীৰ বিশেষত্বসমূহ তলত আলোচনা কৰা হ'ল।— আহোমৰ শাসন প্ৰণালীৰ ভালেমান বিশেষত্ব আছিল। এই শাসন যন্ত্ৰটোৰ মুখ্য নায়কজন আছিল ৰজা নিজে। কিন্তু ৰাজকাৰ্যত তেওঁক তিনিজন গোহাঁয়ে সহায় কৰিছিল। এই গোহাঁই তিনিজনক কেতবোৰ অঞ্চলৰ ভাৰ দিয়া হৈছিল আৰু সেই অঞ্চলবোৰত তেওঁলোক প্ৰায় সৰ্বেসৰ্বা আছিল। কিন্তু ৰাজ্যখনৰ সাধাৰণ প্ৰশাসন নাইবা অন্য কোনো শক্তিৰ সৈতে যোগাযোগৰ ক্ষেত্ৰত কিন্তু তেওঁলোক কেৱল পৰামৰ্শদাতা আছিল। এইবোৰ ক্ষেত্ৰত গোহাঁইসকলৰ নিজস্ব মত নাথাকিছিল। আনহাতে ৰজাই কেতবোৰ বিষয়ে যেনে— যুদ্ধ ঘোষণা নাইবা অন্য ৰাজ্য বা শক্তিৰ সৈতে সম্বন্ধ স্থাপনৰ ক্ষেত্ৰত গোহাঁইসকলৰ সৈতে পৰামৰ্শ কৰিবলগীয়া হৈছিল।

**উত্তৰাধিকাৰৰ ক্ষেত্ৰত থকা বিধানসমূহ :** পূৰ্বনিকালত আহোম ৰজাসকলে উত্তৰাধিকাৰীৰ সূত্ৰত মৃত্যুৰ পিছত ৰাজপাটত বহিছিল। ৰজাৰ মৃত্যুৰ পিছত তেওঁৰ বৰপুত্ৰজন ৰাজপাটত বহিছিল। কিন্তু পিছলৈ এই নিয়মত ব্যতিক্ৰম ঘটিছিল। কেতিয়াবা পুত্ৰৰ বাহিৰে ভাতৃসকলেও ৰাজপাট লাভ কৰাৰ নিদৰ্শন আছে। আনহাতে আগৰ ৰজাজনৰ ইচ্ছাৰ প্ৰতি সন্মান জনাই তেওঁৰ মনোনীত প্ৰাৰ্থীক ৰাজকাৰ্যৰ ভাৰ দিয়াৰ নিদৰ্শনো আছে। প্ৰচলিত বিধানমতে তিনিজন গোহাঁয়ে ৰাজ নিৰ্বাচনৰ সময়ত আগৰ ৰজাজনৰ ওচৰ স-সম্বন্ধীয় প্ৰাৰ্থীক বিশেষ গুৰুত্ব দিছিল। আহোমসকলৰ প্ৰচলিত বিধান মতে ৰাজবংশ নহ'লে কোনোৱে সিংহাসনত আৰোহণ কৰিব নোৱাৰিব, ৰজাজন হ'ব লাগিব পবিত্ৰ আৰু তেওঁৰ গাত কোনো ঘুণ থাকিব নোৱাৰিব।

**ৰাজ অভিষেক :** ৰাজ অভিষেক নীতি-নিয়ম আছিল কিছু ব্যতিক্ৰম। ৰজাই ডিঙিত ছোমদেওৰ মূৰ্তি ধাৰণ কৰি হাতত ৰাজপৰিয়ালৰ হেংদাং লৈ মতা হাতীত উঠি চৰাইদেউলৈ গৈ এটা আঁহতৰ পুলি ৰুইছিল। ইয়াৰ পিছত ৰজা আৰু ৰাণী উভতি পাটঘৰত প্ৰৱেশ কৰিছিল। পাটঘৰত পুৰোহিতে তেওঁলোকৰ গালৈ মন্ত্ৰপূত পানী ছটিয়াইছিল। ইয়াৰ পিছত ৰজা-ৰাণীয়ে চেলেংঘৰত নিজ নিজ আসন লৈছিল।

**গোহাঁইসকল :** বিদৰে আহোমসকলৰ দিনত নিৰ্দিষ্ট কোনো এটা পৰিয়ালৰ লোকেহে ৰাজপাটত বহিব পাৰে, ঠিক সেইদৰে প্ৰত্যেকজন আছিল বংশানুক্ৰমিক। দেউতাকৰ মৃত্যুৰ পিছত ডাঙৰ পুত্ৰ গোহাঁই নিযুক্ত হৈছিল। আহোম ৰাজত্বৰ প্ৰথমতঃ গোহাঁই আছিল দুজন বুঢ়াগোহাঁই।

**বৰবৰুৱা :** ডেভিদ স্কটৰ মতে এজোন গোহাঁইৰ অধীনত ১০,০০০ পাইকে খাটিছিল। পইচাৰ হিচাপত এই পাইকসকলৰ কামৰ মূল্য ডেভিদ স্কট বছৰি প্ৰায় ১০,০০০ টকা হয়গৈ বুলি গণ্য কৰিছিল। আহোমসকলৰ ৰাজ্যৰ পৰিসৰ বৃদ্ধি হোৱাত ৰজাৰ দায়িত্ব বাঢ়িল। পিছলৈ এই দায়িত্বসমূহ কেতবোৰ বিষয়াৰ হাতত ভগাই দিয়াৰ কথা চিন্তা কৰা হ'ল। তাৰ ফলত বৰবৰুৱা আৰু বৰফুকন আদি পদৰ সৃষ্টি হৈছিল।

**বৰফুকন :** অসমৰ পশ্চিমৰ কেতবোৰ ঠাই আহোম ৰাজ্যৰ অন্তৰ্গত হোৱাত আহোমৰ শক্তি বৃদ্ধি হয়। আহোমৰ ক্ষমতা বৃদ্ধিৰ লগে লগে বৰবৰুৱাতকৈ বৰফুকন পদ অধিক ক্ষমতাশালী আৰু মানী হয়। বিশেষকৈ গুৱাহাটীত তেওঁলোকৰ শক্তি প্ৰসাৰিত হৈছিল। তদুপৰি বৰফুকনসকলে দোষীক মৃত্যুদণ্ড দিয়াৰ ক্ষমতাও পাইছিল।

**অন্যান্য স্থানীয় প্ৰশাসকসকল :** আহোম ৰাজ্যত সময়ে সময়ে স্থানীয় প্ৰশাসক নিযুক্তি দিয়া হৈছিল। আহোম ৰাজ্যত প্ৰশাসকসকল শদিয়া খোৱা গোহাঁই, মৰঙী খোৱা গোহাঁই, সলাল গোহাঁই, কাজলি খোৱা গোহাঁই আদি নামেৰে কাৰ্য অনুসৰি ভাগ কৰিছিল। ৰাজ্যৰ উচ্চ বিষয়াসকলক সাধাৰণ উল্লিখিত পোন্ধৰটা পৰিয়ালৰপৰা লোৱা হৈছিল। উচ্চ শ্ৰেণীৰ লোকক নিযুক্তি দিয়া হৈছিল।

**ফুকনসকল :** আহোমৰ বিষয়াসকলৰ ভিতৰত আটাইতকৈ মৰ্যাদাপূৰ্ণ পদ আছিল ফুকনৰ। ফুকনসকলৰ ভিতৰত ছজনক চৰুৱা ফুকন বুলিছিল। এওঁলোকে যুটীয়াভাৱে বৰবৰুৱাৰ শাসনকাৰ্যত সহায় কৰিছিল। তদুপৰি তেওঁলোক প্ৰত্যেকৰে নিজ নিজ দায়িত্বও আছিল। দায়িত্ব অনুসৰি তেওঁলোকক নাৰৈকো ফুকন, ন-ফুকন, দিহিঙীয়া ফুকন আদি পদবীত ভাগ কৰিছিল।

**বৰুৱাসকল :** ফুকনৰ তলৰ খাপৰ বিষয়াসকল আছিল বৰুৱা আৰু তেওঁলোকৰ সংখ্যা হ'ল একুৰি বা তত্ৰোধিক। ভাণ্ডাৰী বৰুৱাই ৰাজভঁৰালৰ দায়িত্বভাৰ লৈছিল। ৰজাৰ সোণসমূহৰ দায়িত্বত আছিল দুলীয়া বৰুৱা। মৃত্যুদণ্ড কাৰ্যকৰী কৰাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক চাওদাঙীয়া বৰুৱা বোলা হৈছিল। ৰজাৰ মুখ্য কবিৰাজ আছিল বনিকৰ বৰুৱা আৰু ৰাজপৰিয়ালৰ চিকিৎসকজন আছিল বেজবৰুৱা। হাতীৰ দায়িত্বত আছিল হাতী বৰুৱা আৰু ঘোঁৰাৰ দায়িত্বত ঘোঁৰা বৰুৱা।

**ৰাজখোৱা, কটকী, কাকতি আৰু দলৈ :** ৰাজখোৱা পদ ভোগকাৰী কৰ্মচাৰীৰ সংখ্যা আছিল ১২জন। তেওঁলোকৰ উপৰি ভালেমান কটকী, কাকতি আৰু দলৈ আছিল। ৰাজখোৱাসকল ৩,০০০ পাইকৰ গৰাকী আছিল। তেওঁলোক বৰবৰুৱাৰ অধীনত জনহিতকৰ কাম-কাজৰ তদাৰকৰ দায়িত্বত আছিল। বিদেশী ৰাজ্যৰপৰা বা পাহাৰীয়া জনজাতিসকলৰ সৈতে ৰজাৰ প্ৰতিনিধি হিচাপে কটকীসকলে দায়িত্ব বহন কৰিছিল। আনহাতে, কাকতিসকল আছিল লেখক, দলৈসকল আছিল জ্যোতিষ শাস্ত্ৰ বিশাৰদ আৰু কোনো বিশেষ কামৰ কাৰণে শুভদিনবোৰ তেওঁলোকে নিৰ্ণয় কৰিছিল।

**পাইক প্ৰথা :** ৰাজপৰিয়াল, ৰজাঘৰীয়া বিষয়া, পুৰোহিত শ্ৰেণীৰ লোক, উচ্চ জাতিৰ লোক আৰু তেওঁলোকৰ লগুৱাবোৰৰ বাহিৰে বাকী ১৫ বছৰৰপৰা ৫০ বছৰলৈকে প্ৰত্যেকজন পুৰুষ প্ৰজাই সৰ্বাৰেউ আৰু ৰাজ্যৰ বাবে গা খটাৰ নিয়ম আছিল। এনে লোকসকলক পাইক বোলা হৈছিল।

**আইন আৰু ন্যায় বিচাৰ :** আহোমসকলে পিছলৈ হিন্দু আইনসমূহ গ্ৰহণ কৰিছিল। ব্ৰাহ্মণসকলৰ প্ৰভাৱেই ইয়াৰ মূল কাৰণ। কিন্তু তাৰ আগেয়ে ৰাজ্যখনত পৰম্পৰাগতভাৱে চলি অহা নীতি-নিয়মবোৰেই অন্যায়ৰ মান ঠিক কৰিছিল। ফৌজদাৰী আইনৰ বিধান বৰ কঠোৰ আছিল। অংগচ্ছেদ, অংগ হানি, লো উপৰাই শৰীৰত দাগ দিয়াকে আদি কৰি নৃশংস শাস্তিসমূহৰ প্ৰচলন আছিল। বিদ্ৰোহীসকলে গুৰুতৰ শাস্তি পাইছিল। অন্যায়ে মৃত্যুদণ্ড, জীয়াই জীয়াই কুঁঠাবোৰে ফলা শূলত দিয়া আৰু কঁঠিত ওলমোৱা আদি শাস্তি পাইছিল।

ন্যায় বিচাৰৰ ভাৰ অৰ্পণ কৰা হৈছিল তিনিজন গোহাঁই, বৰবৰুৱা আৰু বৰফুকনৰ ওপৰত। তেওঁলোকে নিজ নিজ অঞ্চলত নিজে নাইবা তেওঁলোকৰ তলতীয়া বিষয়াৰদ্বাৰা গোচৰ শোধাইছিল। কোনো গোচৰৰ ৰায় মনঃপূত নহ'লে আপীল কৰাৰো নিয়ম আছিল।

এনেদৰেই আহোমৰ ৰাজত্বকালত শাসন প্ৰণালী পৰিচালিত হৈছিল। আহোমসকলৰ দিনৰ মুদ্ৰাৰ প্ৰচলন, বাদ্যযন্ত্ৰ, সামাজিক ভোজনে আদি বিষয়সমূহেও আহোমসকলৰ শাসন প্ৰণালীত বিশেষ স্থান পাইছিল।

# আহোম যুগৰ সমাজ ব্যৱস্থা

১৩শ শতিকাৰপৰা ঊনৈছ শতিকাৰ অসমত আহোমসকলে ৰাজত্ব কৰিছিল। আহোমসকলৰ সুদীৰ্ঘ অসম শাসনৰ মূলতে আছিল তেওঁলোকৰ উদাৰ সমাজনীতি। তেওঁলোকে সমসাময়িক যুগৰ জাতি-ভেদ প্ৰথাক গণ্য নকৰিছিল। আহোম যুগৰ সামন্তবাদী সমাজখনক মূলতঃ দুভাগত ভগাব পাৰি— সম্ভ্ৰান্ত শ্ৰেণী আৰু অধীনস্থ প্ৰজাসকল। ৰাজ্যৰ সকলো স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ প্ৰধান আছিল ৰজা। ৰজাই ৰাজ বিষয়াকে ধৰি সম্ভ্ৰান্ত লোকসকলক ভূ-সম্পত্তি বা পাইকৰ ওপৰত ভোগ কৰাৰ স্বত্ব দিছিল।

**দাস প্ৰথা :** আহোমৰ সমাজত দাস প্ৰথা আছিল। সাধাৰণতে ধন পৰিশোধ কৰিব নোৱৰা লোকসকল দাস হৈছিল। আনহাতে মুকলি বজাৰত দাস কিনা-বেচাও হৈছিল।

**মহিলাৰ স্থান :** আহোম যুগত মহিলাৰ স্থান উচ্চ আছিল। তেওঁলোকক বিদ্যালয়ৰ ক্ষেত্ৰত কোনোধৰণৰ কাৰ্পণ্য কৰা নহৈছিল।

**সাজপাৰ :** আহোমৰ দিনত বিভিন্ন সাজপাৰৰ সমন্বয় ঘটিছিল। আহোম পুৰুষে ক'লা ৰঙৰ বৰাচোলা আৰু চুৰীয়া পিন্ধিছিল। কিন্তু পিছলৈ বাৰভূঞাসকলৰ হাচতি আৰু বচোৱাল ব্যৱহাৰ কৰিছিল, তিৰোতাসকলে ৰিহা, মেখেলা-চাদৰ ব্যৱহাৰ কৰিছিল।

**আহাৰ :** হিন্দু ধৰ্মত দীক্ষিত হোৱাৰ পূৰ্বে আহোমসকলৰ গো-মাংস নিষিদ্ধ খাদ্য নাছিল। আহোমৰ যুগত অসমীয়া মানুহে ভাত, মাছ, মাংস, ফল-মূল আদি গ্ৰহণ কৰিছিল।

**বিবাহ প্ৰথা :** আহোমৰ দিনত চকলং বিবাহ পদ্ধতি প্ৰচলিত আছিল। ৰাজকাৰেঙত ৰজা-ৰাণীৰ বিবাহ সম্পন্ন হৈছিল। বংশ পৰম্পৰা আৰু সম্বন্ধ বিচাৰ কৰাত গুৰুত্ব আৰোপ কৰিছিল।

**খেল-ধেমালি :** আহোমসকলে খেল-ধেমালি বৰ ভাল পাইছিল। ৰুদ্ৰ সিংহই শালকাঠেৰে ৰংঘৰ সাজিছিল। প্ৰমত্ত সিংহৰ দিনত ইটাৰে দুমহলীয়া ৰংঘৰ সজা হয়। এই ৰংঘৰৰ বাকৰিত হাতীযুঁজ, ম'হযুঁজ মালযুঁজ আদি বিভিন্নধৰণৰ খেল হৈছিল।

আহোম বুৰঞ্জী আৰু কোঁচসকলৰ ৰাজ বংশাৱলীয়ে মধ্য যুগৰ প্ৰথম ভাগৰ বিষয়ে বিশেষ চিত্ৰ দাঙি ধৰিব নোৱাৰে যদিও সেই সময়ৰ সাহিত্য লিপি আৰু আন ঘটনাৱলীৰ জৰিয়তে চলিত অৰ্থনীতিৰ বিষয়ে কিছু তথ্য লাভ কৰিব পৰা যায়। সেই তথ্যসমূহৰ বিষয়ে তলত চমুকৈ দাঙি ধৰা হ'ল—

**মধ্য যুগৰ গাঁও আৰু নগৰসমূহ :** গাঁওসমূহ গোষ্ঠীৰ ভিত্তিত গঠিত হৈছিল। যেনে কুমাৰ গাঁও, দা-দগ গাঁও ইত্যাদি। নামনি অসমত তাঁতিকুছি, কুমাৰকুছি আদি গাঁও পৰিলক্ষিত হৈছিল। গাঁওসমূহত কিছুমান বৃত্তিধাৰী লোকে বাস কৰিছিল। যদিও গাঁওসমূহ মূলতঃ কৃষিভিত্তিক আছিল। সাধাৰণতে নৈৰ পাৰত থূপ খোৱাকৈ গাঁওসমূহ পতা হৈছিল। কম জনবসতিপূৰ্ণ অঞ্চললৈ ঘনবসতি অঞ্চলৰপৰা মানুহ তুলি নি সংস্থাপিত কৰা হৈছিল।

**কৃষি ব্যৱস্থা :** ধান আছিল মধ্য যুগৰ প্ৰধান খেতি। কৃষি ৰাজ্যখনৰ আয়ৰ প্ৰধান উৎস আছিল। স্বৰ্গদেউ আৰু ৰাজপৰিয়ালৰ আন সদস্য, পাত্ৰ-মন্ত্ৰীসকলৰ মাজত খাত আৰু খেল ভাগ কৰি দিয়া হৈছিল। আন বিষয়াসকলেও নিজৰ মৰ্যাদা অনুসৰি মাটি লাভ কৰিছিল। পাইকসকল গা মাটি দিয়াৰ বাবদ দুপৰা মাটি (কৰবিহীন) ভোগ কৰিবলৈ দিয়া হৈছিল।

**ব্যৱসায় আৰু বাণিজ্য :** বাণিজ্য ব্যৱস্থাৰ বাবে আহোমৰ দিনত বিভিন্ন হাট বজাৰ খোলা হৈছিল। সেই হাটবোৰৰ জৰিয়তে ওচৰ-চুবুৰীয়া অঞ্চলৰ লোকসকলৰ লগতো আদান-প্ৰদান হৈছিল।

**শিল্প আৰু উদ্যোগ :** মধ্য যুগত অসমত বিভিন্ন কুটীৰ শিল্প আৰু উদ্যোগ আছিল। কাপোৰ, আ-অলংকাৰ, হাঁতী দাঁতৰ বিভিন্ন কাম, লোৰ বিভিন্ন কাম আছিল উল্লেখযোগ্য। কাঠ, বেঁত, চামৰা আদিৰ শিল্প অতি উন্নত মানৰ আছিল। প্ৰতিখন গাঁৱতে ব্ৰাহ্মণ, গণক, কহাৰ, কুমাৰ, ধোবা আদি লোকে বাস কৰিছিল কমাৰকুছি, দাধৰা, কুমাৰপাৰা আদিত তেওঁলোকে বাস কৰা কিছু গাঁৱৰ নাম।

গতিকে দেখা যায় যে আহোম যুগত অৰ্থনৈতিক ব্যৱস্থাৰ যথেষ্টখিনি অগ্ৰগতি লাভ কৰিছিল। সেই সময়ত এক শক্তিশালী অৰ্থনীতি গঢ়ি তোলা হৈছিল। কিন্তু ৰজাইহে সৰ্বোত্তম সুবিধাখিনি ভোগ কৰিছিল। সেয়েহে এই অৰ্থনৈতিক ব্যৱস্থা সম্পৰ্কে এক সম্যক ধাৰণা থকাটো সকলোৰে বাবে প্ৰয়োজন।





# WOMEN IN POLITICS DURING AHOM PERIOD

Assam has a glorious history about women participation in politics and administration. In the Ahom weigh. Women has a remarkable position in polities. The chief queen of the Ahom king Tao-kham thi was put in charge of the kingdom. When the king was out for an expedition Nangbakla Gabharu, the wife of tao-mong Bargohain, one of the three great counsellors of the Ahom kingdom owed revoke a way or decision of the king in council by her coverage and determination. Auother sech lerave woman was Mula Ghabharu who died fighting against the Muslim general Turbka Khan of Bengal in 1532 A.D. to revenge the death of her of husband at the hands of the every Phuleswari the chief consort of the Ahom king Siva Singha (1714-44) was the first queen of Assam to govern the kingdom directly. She was given the title of 'Ber Raja'. She minted Coins in the joint name of herself and her husband. She inspired the translation of the 'Sakuntala' into Assamese verse and established a school in the place campus for teaching Sanskrit. She had the Gaurisagar tank excavated near the present town of Sibsagar and three temples dedicated to Siva, Vishnu and Devi erected on its side, Besides, she made a member of land grants to Brahmana persecutors and temples. Phukswaris successor Ambika 'Bar-Raja' was a great patron of learning and education. She was the inspiring soul behind the composition of the Hasti Vidyarnava' a very famous work on elephant ology. She had also the famous Sibasagar tank excavated. The last Bar-Raja Enadarialias Sarbeswari was a patron of music, weaving and literate. All these three queens had actually governs the Kingdom one after another. Whether the king acted simply as advisers. Woman of the upon lasses kept themselness inform of the political affairs of the Country. Ramani Gabharu, Jaymoti Kuwari, Mula Ghabharu, Queen Kamaleswari Devi etc. Were prominest women of Ahom period took active part in political affairs. Despite having a glorious history. The participation of women in Assam political. Today is very law. Though as voters Assamese women showed a remarkable progress, but still these participation in active political is negligible.

# ASSAM DURING AHOM RULE

The Ahom are the dencendants of the tai. People from the mong mao kingdom in the present day yunnan province in the china. It all started when siu-ka-pha an adventurow mango mao prince along with his fallswers, decided to expand their terri tories. The prince and his followers crossed the treacheroul Patkai Hills and unterd The Brahmaputra vally in 1228. This marked luginning of the Ahom rule. The architect of modern day Assam. Su-ka-phaa finally established his capital at Charaideo (Present day Sinarij) in 1258 and started the talk of state formation. The first caluatty in process of expanion of the Ahom kingdom was the sutiys. This kingdom was annexed in 1522. The next kingdom to fall was Ahom expansion plan was that of the Dimasa Kacheris. They were uproated from their capital Dimapur in 1536. Aftar the Battle Itakhuli in 1682. Which heralded the end of Ahom Mughal conflicte. The koch hajo fell into the hands of the Ahoms By the end of the 17th century. The Ahoms were in control of the warioul trileal groups and regione along the Brahmaputta Vally. But all good things came to an end this adage held tree for the Ahom Kingdom as well as melullione and invalions marked the decline of their rule. The Burmese army invaded their kingdom and uprouted their capital to words the end of the his pawd the way for the Brithish pallies and thus bring an end to Agom rule.

## हिन्दी विभाग
## Department of Hindi

# पूर्वोत्तर भारत

**प्रस्तावना**

पूर्वोत्तर भारत को जानकारी अधिकतर भारतीयों को बहुत कम है। उनके लिए कुछ रोचक तथ्य नीचे पेश है। इस क्षेत्र से संबन्धित ऐसे कई तथ्य हैं जो अधिकतर भारतीयों के लिए अज्ञात हो सकते है। पूर्वोत्तर भारत अपने चित्र-परिपूर्ण परिदृश्य, सांस्कृतिक विविधता, त्योहारों सम्प्रदायों और क्षेत्र के आकर्षण को बढ़ाने के साथ कई पर्यटक आकर्षणों का घर है। यहाँ मैरी कौम बाइचुंग भुटिया, सम्प्देव, सरिता देवी जैसे नाम है, जो भारतीय खेलों के कुछ महत्वपूर्ण प्रतीक है। और यहाँ मनोरंजन उद्योग मे जातिन हुसैन, पापोन महंत जुबिन गर्ग आदि महत्वपूर्ण व्यक्ति है।

**उगते सूर्य की भूमि**

भारत में उगते सूर्य की भूमि अरुणाचल प्रदेश को माना जाता है क्योंकि यहाँ सबसे पहले सूर्योदय होता है। यह देश का पूर्वी राज्य है। इस राज्य में तीन देशों भूटान, चीन और म्यानमार की अन्तर्राष्ट्रीय सीमाएं भी हैं।

**दुनिया में सबसे बड़ा नदी द्वीप** - असम में माजुली एशिया का सबसे बड़ा नदी द्वीप है। यह अपने वैष्णव धार्मिक केन्द्रों और उर्जा उत्पादन और सबसे आकर्षक सूर्यास्त स्थल के लिएभी जाना जाता है।

**सबसे छोटा नदी द्वीप** - यह द्वीप गौहाटी असम में है ब्रह्मपुत्र नदी का उमानन्द द्वीप। उमानन्द नाम से एक मंदिर भी है।

**एशिया का सबसे स्वच्छ गाँव** - शिलांग मेघालय में मावलिनौंग सबसे स्वच्छ गाँव है। यह छोटा सा गाँव स्वच्छता के मामले में शहरी स्थलों के लिए भी एक प्रेरणा का स्रोत हो सकता है।

**पृथ्वी पर सबसे ज्यादा बरसात** - मेघालय के मौसिनराम मे सबसे अधिक बारिस होती है, क्योंकि इस जगह पर सबसे ज्यादा औसत वर्षा (लगभग 12000 मि. मी) का अनुमान लगाया जाता है।

**देशका पहला टेल का कुआँ और टेल की शोध शाला** - असम के डिगबोई में सबसे पुराना टेल का कुआँ और टेल को शोध शाला है। इसे 1901 ई. मे पुनः स्थापित किया गया था। ऐसा कहा जाता है कि डिगबोई आज भी दुनिया में सबसे पुराना टेल उत्पादन करने वाला प्रसिद्ध क्षेत्र है।

**दुनिया का सबसे बड़ा चाय उत्पादक** - चाय उत्पादन में असम सबसे आगे है। अजीब बात है कि भारत का एक छोटा सा राज्य पूरे विश्व के लिए सबसे बड़ा चाय निर्यातक क्षेत्र है।

---

# मिजोरम के त्योहार और संस्कृति

मिजोरम भारत का एक उत्तर पूर्वी राज्य है। मिजोरम की राजधानी आईजोल है।

मिजो लोग मुलतः किसान हैं। अतः उनकी सारी गतिविधियाँ तथा त्योहार भी वनों की कटाई करके की जाने वाली झुम खेती से ही जुड़े है।

मिजोरम राज्य संगीत और संस्कृति में बहुत आगे है। और यहाँ के लोगो को संगीत बहुत पसंद है। यहा के लोग ड्रम बजाते है जिन्हे स्वैंग कहते है जो लकड़ी और पशुओं की चर्बी से बने होते हैं। चपचार कुट मिजोरम राज्य का बहुत प्रसिद्ध त्यौहार है। मिजोरम के साथ ८७ फीसदी ईसाइ धर्म तीन राज्यों में से सबसे ज्यादा है, मिजोरम राज्य में बाई एक प्रकार का डिश हैं, सरल, सुन्दर रंगीन और सुन्दर डिजाईन मिजोरम के लोगो को आकर्षित विशेषताए है। मिजोरम की विशेष व्यंजन है वाँकसा रेप, कोट पीठा संपीओ, मीसा माच पुरा।

लोक नृत्य - चौरो, ... लाम, खुल्लम

त्यौहार - मिम कुट, पौंल कुत चपचार कुट

मिजोरम में अधिकसंख्य जनसंख्या ईसाई है, इसलिए क्रिसमस का त्योहार यहाँ मनाया जाता है।

**Sabita Mahato**
B.A. 1st sem





# असम में विहु

असम के लोग हिन्दू धर्म के सभी त्योहारो को मनाते है, लेकिन उनका सर्वाधिक महत्वपूर्ण पर्व बिहु है। जो वर्ष मे तीन बार मनाया जाता है। मूलतः ये कृषि पर्व है, जिन्हे लोग धर्म और जाति के भेदभाव को भूलकर सम्मिलित से मनाते है।

पहला और मुख्य बिहु पर्व वसंत मे मनाया जाने वाला बहाग बिहु है, जो नए वर्ष के आगमन की खुशी मे मनाया जाता है। इसे रंगाली बिहु के नाम से भी जाना जाता है। यह नृत्य और संगीत का उत्सव है। इस दिन स्त्रियाँ अपने परिवार के सदस्यों को हाथ से बुना हुआ गमछा भेंट मे देती है।

दूसरा माघ बिहु फसल कटने के उपलक्ष्य मे मनाया जाता है। भोगाली बिहु के नाम से प्रसिद्ध इसमें प्रीति भोज खाया जाता है। यह आग जलाकर खुशियाँ मनाने का पर्व है।

तीसरे और अंतिम काटि बिहु को कंगाली बिहु नाम से जाना जाता है, क्योंकि वर्ष के इस भाग मे आम आदमी का घर अगली फसल कटाई से पहले भंडारण के खतम होजाने के कारण खाद्यान्न रहित हो जाता है।

बुनाई असम के लोगो, विशेषकर महिलाओ के सांस्कृतिक जीवन का एक अभिन्न अंग है। प्रत्येक असमी घर मे चाहे वह किसी भी धर्म, जाति या समाज का हो, कम से कम एक हथ करघा अवश्य देखने को मिल जाएगा। हर स्त्री का महीन रेशम एवं सूती वस्त्रो के उत्पादन की कला मे पारंगत होना जरूरी है।

त्योहारः वैष्णव लोग समुख वेष्णव संतो को जंयती तथा पुण्यतिथि पर भजन गाते है और परंपरागत नाट्य मे भावना नामक नाटको का मंचन करते है।

कामाख्या मंदिर मे अंबुबाशी और उमानंद तथा शिव मंदिर के पास अन्य स्थानो पर शिवशक्ति मेल दीपावली अशोकाष्टमी मेला, पोष मेला, परसुराम मेला उदयापन किया जाता है।

**Sabita Mahato**
B.A. 1st Sem

# नागालैण्ड की संस्कृति

नागालैण्ड भारत का एक उत्तर पूर्वी राज्य है। इसकी राजधानी कोहिमा है। नागालैण्ड का सबसे बड़ा शहर डीमापुर है। नागालैण्ड जनजातियों की भूमि है। नागा लोग भयंकर योद्धा है और इनके पसंद का अस्त्र भाला है।

जनजातियो की अलग अलग भाषा है। वे एक ही राज्य के है, परंतु उनकी भोजन, परंपराओं और कपड़ों के प्रति दृष्टिकोण अलग है। प्रत्येक जनजाति इनके कपड़े पर विशिष्ट बनाकर पहनता है। नागा लोगों ने नागमिस नामक एक अलग भाषा का विकास किया है जो विभिन्न नागा भाषाओं और असमिया का एक मिश्रण है। मुख्य रूप से नागालैण्ड में अंग्रेजी भाषा इस्तेमाल किया जाता है।

सभी जनजातियों में अपने स्वयं के त्योहारों और अनुष्ठानो की परंपरा है। कृषि उनके काम और अर्थव्यवस्था का एक प्रमुख हिस्सा है। इसलिए त्योहारों का समारोह भी फसल और कृषि से सम्बंधित है। नागालैण्ड के प्रमुख त्योहारो में है- मोआत्सु, सेकरेन्यी, नकन्युलेम, सुकुनिये, बुशु लोकुम, मिंकुट, ओलांग मोन्यू, येमशे, तोखु, एमौंग मोन्यू, एग्सो, नगाड़ा, तुलुनी, मोन्योंग, मेटमन्यु, हेलिबंबे।

**इनकी प्रमुख भाषाः** कुकी-चिन-नागा भाषाएँ है। नागालैण्ड मे १६ जनजातियो पाई जाती है, अंगामी, आओ, चखेसंग, दिमासा कछारी, खियमनियुंगन, कोन्याक, लोथा, फोम, पोचुरी, रेंगमा, सगंतम, सुमी, इंपुरेर, कुकी और जेलियांग।

नागा लोगो का प्रमुख भोजन है - कुत्ते का मांस, भैसे का मांस, सुअर का मांस, गाय का मांस, मटन, चिकेन, मछली। नागालैण्ड मे हरी सब्जियो खूब मिलता है। नागालैण्ड आदिवासियों की धरती अपनी प्राकृतिक खुबसुरती अतुलनीय है।

**Ratna Das**
B.A. 1st sem

## ब्रह्मपुत्र नदी

ब्रह्मपुत्र (असमिया, बांग्ला) एक नदी है। [illegible]

[illegible]

Sarita Kumari

[illegible]

## अरुणाचल प्रदेश की संस्कृति और लोग

[illegible]

Suchitra Kumari Ray

B.A. 1st sem

## शिलगं का प्राकृतिक सौन्दर्य

शिलगं भारत के पूर्वोत्तर राज्य मेघालय की राजधानी है। मेघालय का अर्थ होता है मेघों का निवास। इसका यह नाम दुनिया में सर्वाधिक सबसे ज्यादा वर्षा होने के वजह से पड़ा। यह भारत के सबसे खूबसूरत पर्यटन स्थानों में से एक है। शिलगं की यात्रा भारत की [illegible] संस्कृति और भौगोलिक विविधता से [illegible] है। यहाँ झरने, हरी भरी, वादियां, धरती का सर्वाधिक वर्षा वाला स्थान और पेड़ की जड़ों व शाखाओं से बने खूबसूरत पुल देखने को मिलता है। यहाँ खासी [illegible] समुदाय में घर की मुखिया महिला होती है। शिलगं को पूर्व का स्काटलैंड कहा जाता है। मेघालय की राजधानी शिलगं कई झरनों का घर है। शिलगं की यात्रा [illegible] प्रमुख आकर्षण में रोमांचक पर्वतीय चोटियों [illegible] गोल्फ कैसे संग्रहालय और चिड़ियाघर है। प्राकृतिक सुन्दरता के [illegible] मेघालय के प्रवेश द्वार के रूप में माना जाता है, जो कि भारी बारिश के लिए प्रसिद्ध राज्य है, सुन्दर परिदृश्य और अद्भुत लोगों और संस्कृति के लिए प्रसिद्ध है। यह समुद्र तल से 4,908 फीट की औसत ऊँचाई पर स्थित है [illegible] 6,449 फीट पर सबसे ऊँचा स्थान है। भारत में शिलगं मेघालय की राजधानी और पहाड़ी केन्द्र है, यह भारत के सबसे छोटे राज्य में से एक है। जिसे 'द [illegible] ऑफ [illegible]' भी कहा जाता है।

Kanya Roy

B.A. 1st Sem







## सत्रीया नृत्य

[illegible]

[illegible] (B.A. 3rd Sem)

## बांस

[illegible]

[illegible], 1st Sem

## Why I love North East?

North East is a traveler's paradise
Which is famous for natural beauty,
diversely unique and rare cultural
people and wildlife. More than 100
different tribes with different languages
And cultural make North East India
a fantastic holiday destination.
throughout the year many festivals are
celebrated demonstrating diversity of
culture through their folk dance, food art
arts etc. wildlife sanctuaries and National
park where rare birds, plant and animal
become captivating sights to the visitors.

पिंकी कुमारी

(B.A. 5th Sem)

## त्रिकूट

[illegible]

[illegible], B.A. 1st Sem

## দৰ্শন বিভাগ
## Department of Philosophy

# VISION

## গৌতম বুদ্ধ আৰু বৌদ্ধ ধৰ্ম

বৌদ্ধ ধৰ্মৰ প্ৰবৰ্তক গৌতম বা সিদ্ধাৰ্থ। হিমালয়ৰ নামনিৰ তৰাই অঞ্চলত কপিলাবস্তু নামৰ নগৰৰ লুম্বিনী নামৰ ঠাইত খ্ৰীঃপূঃ ৫৬৩ত গৌতম বুদ্ধই জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম শুদ্ধোধন আৰু মাতৃৰ নাম মায়াদেৱী। ক্ষত্ৰিয় বংশত জন্মগ্ৰহণ কৰা গৌতম বা সিদ্ধাৰ্থ সৰুৰেপৰাই ভোগ-বিলাস, আনন্দ-উৎসৱৰ প্ৰতি নিস্পৃহ আছিল, বৰং গভীৰভাৱে চিন্তাশীল আছিল। যুদ্ধ-বিগ্ৰহ, ৰোগ-ব্যাধি, মৃত্যু আদিৰপৰা পৰিত্ৰাণ বিচাৰি ২৯ বছৰ বয়সত পুত্ৰ-পৰিবাৰ এৰি এদিন মাজৰাতি তেওঁ সংসাৰ ত্যাগ কৰে। সংসাৰৰ দুখ নিবাৰণৰ বাবে তেওঁ কঠোৰ তপস্যাত ব্ৰতী হয়। বুদ্ধগয়া নামৰ ঠাইত তপস্যা কৰি তেওঁ দিব্যজ্ঞান লাভ কৰে। যিজোপা গছৰ তলত তেওঁ দিব্যজ্ঞান লাভ কৰিছিল, সেই গছজোপা বোধিদ্ৰুম বুলি খ্যাত হয়। দিব্যজ্ঞান লাভ কৰাৰ পিছৰেপৰা তেওঁ গৌতম বুদ্ধ অৰ্থাৎ পৰম জ্ঞানী বুলি জনাজাত হ'ল। শাক্য বংশত জন্মগ্ৰহণ কৰাৰ বাবে বুদ্ধৰ আন এটা নাম শাক্যমুনি। গৌতম বুদ্ধৰ বাণীসমূহ অনুসৰণ কৰা লোকসকল বৌদ্ধধৰ্মী হিচাপে জনাজাত হ'ল।

গৌতম বুদ্ধই যি বাণী বা মতবাদ প্ৰচাৰ কৰিছিল। সেইবোৰ আছিল অতি সহজ-সৰল আৰু সাধাৰণ মানুহৰ বাবে উপযোগী। বুদ্ধৰ মতে মানৱ জীৱন দুখেৰে পৰিপূৰ্ণ আৰু সেই দুখৰ কাৰণো থাকে। মানুহে দুখ নিবাৰণ কৰিব পাৰে আৰু তাৰ উপায়ো আছে। এইবিলাকৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে মানুহে আঠটা উপায় অৱলম্বন কৰিব পাৰিব। এয়াই হৈছে 'অষ্টাংগিক মাৰ্গ'। এই অষ্টাংগিক মাৰ্গসমূহ হ'ল— সৎ চিন্তা, সৎ সিদ্ধান্ত, সৎ বাক্য, সৎ আচৰণ, সৎ কৰ্ম, সৎ চেষ্টা, সৎ স্মৃতি আৰু সৎ ধ্যান। বৌদ্ধ ধৰ্মৰ মতে হিংসা, বিদ্বেষ, ব্যভিচাৰ, মদ্যপান, মিছা কথা কোৱা পাপ। জীৱ বধো মহাপাপ।

বুদ্ধই প্ৰচাৰ কৰা ধৰ্মমতত ঈশ্বৰৰ উল্লেখ নাই। বেদৰ মাহাত্ম্যও বৌদ্ধ মতবাদত স্বীকাৰ কৰা নহয়। বৌদ্ধ ধৰ্মৰ মতে 'কৰ্মই ধৰ্ম'। সৎ কাম কৰিলেহে সৎ ফল পোৱা যায়। জাতিভেদ প্ৰথাৰ স্থান বৌদ্ধ ধৰ্মত নাই।

আদিতে বুদ্ধৰ বাণীসমূহ পালি ভাষাত মুখে মুখে চলি আহিছিল। তেওঁৰ মৃত্যুৰ পিছত পুথিৰ আকাৰত এইসমূহ প্ৰকাশ পায়। 'ত্ৰিপিটক' বৌদ্ধ ধৰ্মৰ মূল গ্ৰন্থ। বৌদ্ধ ধৰ্মৰ উপাসকসকল পিছলৈ দুটা ভাগত ভাগ হৈ পৰিল। বৌদ্ধ ধৰ্মৰ প্ৰচাৰ— বুদ্ধই তেওঁৰ বাণীসমূহ সাৰনাথ নামৰ ঠাইৰপৰা প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল। পিছলৈ এই বাণীসমূহ ভাৰতৰ বিভিন্ন ঠাইত প্ৰচাৰ কৰা হৈছিল। বৌদ্ধ ধৰ্মৰ মতবাদসমূহ প্ৰচাৰ কৰিবলৈ বৌদ্ধ সংঘ আৰু বৌদ্ধ বিহাৰ প্ৰতিষ্ঠা হৈছিল। বৌদ্ধ ধৰ্মত দীক্ষা ল'বলৈ মাত্ৰ তিনিটা মন্ত্ৰৰ উচ্চাৰণেই যথেষ্ট আছিল। সেইকেইটা হ'ল— বুদ্ধং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি, ধৰ্মং শৰণং গচ্ছামি।

বৌদ্ধ সংঘ আৰু বৌদ্ধ বিহাৰবোৰ বুদ্ধৰ বাণী প্ৰচাৰৰ ঘাই কেন্দ্ৰ আছিল। দেশ-বিদেশৰ বহু লোক এই বৌদ্ধ সংঘ আৰু বৌদ্ধ বিহাৰলৈ আহি বৌদ্ধ ধৰ্ম চৰ্চা কৰিছিল। পৰৱৰ্তী সময়ত বৌদ্ধ বিহাৰবোৰ একোখন মহৎ শিক্ষানুষ্ঠানলৈ পৰিবৰ্তিত হৈছিল। নালন্দা, তক্ষশীলা, বিক্ৰমশীলা আদি বিশ্ববিদ্যালয় এই শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অন্যতম।

**শংকৰ লোধ, স্নাতক পঞ্চম যাণ্মাসিক**





## বুদ্ধৰ চাৰি আৰ্যসত্য

সিদ্ধাৰ্থ বা গৌতম বুদ্ধ বৌদ্ধ দৰ্শনৰ তথা বৌদ্ধ ধৰ্মৰ প্ৰতিষ্ঠা। বুদ্ধই মানুহৰ দুখ-কষ্ট নিবাৰণ কৰি মুক্তি লাভ কৰাৰ উপায় উদ্ভাৱন সম্পৰ্কে জ্ঞান দিয়াৰ চেষ্টা কৰিলে। মানৱ জীৱনৰ তিনিটা দুখদায়ক সত্য— ৰোগ, জৰা, মৃত্যুৰ চাৰিটা মহান সত্যৰূপে মানুহৰ মাজত প্ৰচাৰিত হৈছিল। সেই জ্ঞানক আৰ্যসত্য নামে পৰিচিত। আৰ্য শব্দৰ অৰ্থ উৎকৃষ্ট বা মহান গতিকে আৰ্যসত্যৰ অৰ্থ 'মহৎ সত্য' (Noble truth) যি সত্যৰ সন্ধান পালে মানুহ জ্ঞানী হয় আৰু নিৰ্বাণ লাভ কৰে।

বুদ্ধৰৰ চাৰিটা আৰ্যসত্য হৈছে ঃ

১) জীৱনত দুখ আছে (দুঃখ)
২) এই দুখৰ কাৰণ আছে (দুঃখ সমুদয়)
৩) দুখৰ নিবৃত্তি আছে (দুঃখ নিৰোধ)
৪) দুখ নিবৃত্তিৰ উপায় আছে (দুঃখ নিৰোধ মাৰ্গ)

১) **জীৱনত দুখ আছে ঃ** বুদ্ধৰ প্ৰথম মহান সত্য হ'ল মানৱ জীৱন দুখেৰে পৰিপূৰ্ণ। জন্মৰ লগে লগে জীৱই এই জৰা-যন্ত্ৰণাময় জীৱনৰ আৰম্ভ হয়। আসক্তিয়ে উৎপন্ন কৰা সকলো বস্তুতে দুখ আৰু যাতনা থাকিবই। সাধাৰণতে আমি যিবোৰক সুখ বুলি ভাবোঁ, সেইবোৰ অতি ক্ষণস্থায়ী, অসত্য। এই সুখ অৰ্জন কৰোঁতে দুখ, ৰক্ষা কৰোঁতেও দুখ আৰু এই সুখৰ অন্ত হ'লেও দুখ ভুগিব লাগে। অলপ চিন্তা কৰিলে দেখা যায় যে যি বস্তুৱে সুখ দিয়ে বুলি আমি ভাবোঁ, প্ৰকৃততে সেইবোৰ বস্তু ক্ষণস্থায়ী বা ক্ষন্তেকীয়া। বুদ্ধই অষ্টাংগিক মাৰ্গৰদ্বাৰা দুখ মোচনৰ পথৰ নিৰ্দেশ দি সুখ অৰ্জন কৰাটো সম্ভৱ হ'ব বুলি কৈছে।

২) **এই দুখৰ কাৰণ আছে ঃ** বৌদ্ধ দৰ্শনত 'দুঃখ সমুদয়' দ্বিতীয় মহান সত্য নামে পৰিচিত। জীৱনত দুখ আছে আৰু সেই দুখৰ কাৰণো আছে। দুখৰ কাৰণ স্বীকাৰ কৰি বুদ্ধই কাৰ্যকাৰণ তত্ত্ব নামে এটা বিশেষ মতাবাদ আগবঢ়াইছে। এই কাৰ্য কাৰণ তত্ত্বক বৌদ্ধ দৰ্শনত। 'প্ৰতীত্যসমুৎপাদ' নামে জনা যায়। বুদ্ধদেৱে কৈছে যে জড় জগত আৰু মনোজগতৰ প্ৰতিটো ঘটনাৰ অস্তিত্ব পূৰ্ববৰ্তী এটা ঘটনাৰ ওপৰত নিৰ্ভৰশীল। কাৰণবিহীন বা স্বনিৰ্ভৰ বুলি একো নাই। গতিকে দুখৰো নিশ্চয় এটা কাৰণ আছে। এই দুখৰ মূল কাৰণ হৈছে অবিদ্যা। অবিদ্যাৰ অৰ্থ অজ্ঞানতা বা ভ্ৰম।

৩) **দুখৰ নিবৃত্তি আছে ঃ** বুদ্ধৰ দ্বিতীয় সত্য অনুসৰি দুখৰ কিছুমান চৰ্তৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে এই চৰ্তবোৰ আঁতৰ কৰিব পাৰিলে দুখবো সমাপ্তি ঘটিব। অৰ্থাৎ দুখৰ কাৰণ দূৰ কৰিব পাৰিলে দুখো দূৰ হ'ব। এই দুখৰপৰা জীৱই পৰিত্ৰাণ লাভ কৰাই হৈছে নিৰ্বাণ বা মুক্তি। দুখৰ অস্তিত্ব আৰু কাৰণ যিদৰে সত্য, সেইদৰে দুখ নিৰোধ বা নিৰ্বাণ লাভ কৰাটোও এটা চৰম সত্য। এইটোৱে হৈছে বুদ্ধৰ তৃতীয় আৰ্যসত্য। নিৰ্বাণ শব্দৰ বুৎপত্তিগত অৰ্থ নুমাই যোৱা বা বিলীন হোৱা। বুদ্ধৰ মতে নিৰ্বাণে কেৱল দুখৰ নিবৃত্তি ঘটায় আৰু পুনৰ্জন্মৰ কাৰণসমূহ বিলোপ সাধন কৰে।

৪) **দুখ নিবৃত্তিৰ উপায় আছে ঃ** এটা চতুৰ্থ আৰ্যসত্য। দুখৰ যেনেদৰে কাৰণ আছে, সেইদৰে দুখ নিবৃত্তিৰ উপায়ো আছে। চতুৰ্থ আৰ্যসত্য অনুসৰি জীৱই দুখৰপৰা সম্পূৰ্ণ মুক্তি লাভ কৰাৰ পথ বা মাৰ্গ আছে। বুদ্ধই মুক্তিলাভৰ কাৰণে আঠটা নিয়ম মানি চলিবলৈ পৰামৰ্শ দিছে। এই আঠটা নিয়মক 'অষ্টাংগিক মাৰ্গ' বোলা হয়।

সম্যক দৃষ্টি, সম্যক সংকল্প, সম্যক বাক, সম্যক কৰ্মান্ত, সম্যক আজীৱ, সম্যক ব্যায়াম, সম্যক স্মৃতি, সম্যক সমাধি।

### বুদ্ধদেৱৰ বাণী (Budha quotes)

1) 'Nothing is permanent. Errything is subject to change. Being is aways Becoming'
2) "Do not dwell in the past, do not dream of the future, concentrate the the mind on the present moment"
3) "Help is the gratest gift, contentment the greatest wealth, faithfulness the best relationship."
3) 'Open your mouth only if what you are going to day is more beautiful than silence."
6) "No one saves us but ourselves. No one can and no one may, We ournelves must walk the path."
7) "Each morning we are bornm again. what we do today is what matlers most".
8) "How people treat you is their karma how you react is yours."

**অনু ছেত্ৰী**
**স্নাতক তৃতীয় ষাণ্মাসিক**

# বৌদ্ধ গ্ৰন্থ

বৌদ্ধ ধৰ্মৰ মূল গ্ৰন্থখনক ত্ৰিপিটক নামেৰে জনা যায়। 'পিটক'ৰ অৰ্থ হ'ল পাচি। সূত্ত পিটক, অভিধৰ্ম্ম পিটক আৰু বিনয় পিটক এই তিনিখন পিটককে একেলগে ত্ৰিপিটক নামেৰে জনা যায়।

**বিনয় পিটক :** বিনয় পিটকত বৌদ্ধ ভিক্ষুসকলৰ বা বৌদ্ধ সংঘৰ নীতি-নিয়ম আচাৰ ব্যৱহাৰৰ কথা আছে।

**সূত্ত পিটক :** সূত্ত পিটকত বুদ্ধৰ বাণী আৰু বৌদ্ধ মতবাদ সাধাৰণ ব্যাখ্যা আছে।

**অভিধৰ্ম্ম পিটক :** অভিধৰ্ম্ম পিটকত বৌদ্ধ দৰ্শনৰ কথা আছে।

বৌদ্ধ ধৰ্মৰ মূল গ্ৰন্থবোৰ পালি ভাষাত ৰচিত। এই গ্ৰন্থবোৰ ২৪১ খ্ৰীঃপূঃৰ আগতে লিখা হৈ গৈছিল। এইটো সময় আছিল অশোকৰ দিনত পতা তৃতীয় বৌদ্ধ সুত্তপিটক পাঁচোটা অধ্যায়ত বিভক্ত। প্ৰতিটো অধ্যায়কে নিকায় বোলা হয়।

এই পাঁচটা নিকায় হ'ল—

১) দীঘ নিকায়। ২) মজ্ঝিম নিকায়।

৩) সংযুক্ত নিকায়। ৪) অংগুত্তৰ নিকায়।

৫) খুদ্দক নিকায়

**বিনয় পিটক :** ইয়াৰ সুত্ৰবোৰ দীঘল বাবে ইয়াক দীঘ নিকায় বোলে।

**মজ্ঝিম পিটক :** মজ্ঝিম মানে মধ্যম। ইয়াৰ সুত্ৰবোৰ মজলীয়া দীঘলৰ বাবে ইয়াক মজ্ঝিম নিকায় বোলে।

**সংযুক্ত নিকায় :** ইয়াৰ সুত্ৰবোৰ সংযুক্ত বা সংযোগ নামৰ সভাৰ লগত জড়িত বাবে এই নাম।

**অংগুত্তৰ নিকায় :** ইয়াৰ প্ৰতিটো পিছৰ বিষয় এটা এটাকৈ বাঢ়ি যোৱা বাবে এই নাম।

**খুদ্দক নিকায় :** ইয়াৰ খুদ্দক পাঠ নামৰ অংশ থকা বাবে এই নাম।

অভিধৰ্ম্ম পিটক ৭টা খণ্ডত বিভক্ত। এই সাতটা খণ্ড হ'ল— (১) পট্ঠান, (২) ধম্মসংগনি, (৩) ধাতুকথা, (৪) পুগ্গল পঞ্ঞত্তি, (৫) বিভঙ্গ, (৬) যমক আৰু (৭) কথাবত্থু।

এই পিটকৰ ভিতৰৰ মিলিন্দ পঞহ (ৰজা মিলিন্দৰ প্ৰশ্ন) এখন উল্লেখযোগ্য।

বিনয় পিটক তিনি খণ্ডত বিভক্ত। এই তিনি খণ্ড হ'ল— (১) সুত্তবিভংগ, (২) খণ্ডক আৰু (৩) পৰিবাৰ। সুত্তবিভংগ আকৌ দুভাগত বিভক্ত— (ক) পাৰাজিক আৰু (খ) পাচিত্তিয়া। সেইদৰে খণ্ডকো দুভাগত বিভক্ত— (ক) মহাবগ্গ আৰু (খ) চুল্লবগ্গ।

নৱনীতা দাস

স্নাতক প্ৰথম ষাণ্মাসিক

# বৌদ্ধ ধৰ্মৰ মূল বৈশিষ্ট্য

পৃথিৱীৰ ভিতৰত একমাত্ৰ বৌদ্ধ ধৰ্মতে ঈশ্বৰ আৰু আত্মাৰ ধাৰণা নাই। সেই হিচাপে ই এক আচৰুৱা ধৰ্ম। কাৰণ কতো মানুহে ঈশ্বৰ আত্মা নোহোৱা ধৰ্মৰ কথা ভাবিব নোৱাৰে। আকৌ বৌদ্ধ ধৰ্মই জীৱন আৰু জগত সম্পূৰ্ণ চলমান আৰু অনিত্য বুলি কৈছে। ইয়াৰ অন্তৰালত কোনো স্থায়ী সত্তাৰ কথা নাই। কোনো অলৌকিক কথাৰ অৱতাৰণা নকৰি নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দিয়াটো বৌদ্ধ ধৰ্মৰ অন্যতম বৈশিষ্ট্য। অৱশ্যে ই পূৰ্বজন্মৰ কথা কৈ ই ইয়াৰ ইহলৌকিক গুৰুত্বক কিছু অৱমাননা নকৰা নহয়।

বৌদ্ধ ধৰ্ম গঢ়ি উঠিছিল বৈদিক ধৰ্মৰ ক্ৰিয়া-কাণ্ডৰ বিৰোধিতাৰ ভিত্তিত। সেয়ে বুদ্ধই তেওঁৰ ধৰ্মকপৰা যাজ্ঞিক ক্ৰিয়া-কাণ্ডক উঠাই দিলে।

সেইদৰে নিৰ্দেশৰ ধাৰণাও বৌদ্ধ ধৰ্মত অন্যতম। হিন্দু ধৰ্মৰ মুক্তিৰ ধাৰণাৰপৰা আঁতৰি আহি ই নোহোৱা হৈ যোৱাৰ এক ধাৰণা দিছে।

অহিংসাৰ ওপৰত গুৰুত্ব বৌদ্ধ ধৰ্মৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। বৌদ্ধৰ বাবে অহিংসাই পৰম ধৰ্ম। অন্য ধৰ্মত অহিংসাৰ ধাৰণা নোহোৱা নহয়, কিন্তু বৌদ্ধ ধৰ্মই ইয়াৰ ওপৰত সৰ্বাত্মক গুৰুত্ব দিছে, সেই গুৰুত্ব আন কোনো ধৰ্মই দিয়া নাই। অৱশ্যে জৈন ধৰ্মৰ কথা কিছু সুকীয়া।

গাৰ্গী শৰ্মা

স্নাতক প্ৰথম ষাণ্মাসিক



Narangi Anchalik Mahavidyalaya

# বৌদ্ধ ধৰ্মৰ বিকাশ

বুদ্ধৰ মৃত্যুৰ পাছত ৪৮৭ খ্ৰীঃপূঃত ৰাজগৃহত প্ৰথম বৌদ্ধ মহামেল বহে। ইয়াতে ৫০০ বৌদ্ধভিক্ষু গোট খাই বৌদ্ধ শাস্ত্ৰসমূহৰ ওপৰত অধ্যয়ন আৰু বিচাৰ চলায়। এই মহাসভাৰ সভাপতি আছিল মহাকশ্যপ। ইয়াত বিনয় পিটক আৰু ধৰ্ম পিটক সংকলন কৰা হয়।

দ্বিতীয় বৌদ্ধ মহামেল বহে ৩৮৭ খ্ৰীঃপূঃত বুদ্ধৰ মৃত্যু হোৱাৰ ১০০ বছৰৰ পিছত। এই মহামেলত বিনয় পিটকৰ ব্যাখ্যা লৈ ভিক্ষুসকল দুভাগত বিভক্ত হয়। যিসকলে বৌদ্ধ ধৰ্মৰ প্ৰাচীন মতবাদৰ প্ৰতি নিষ্ঠা প্ৰদৰ্শন কৰিলে, তেওঁলোক 'স্থবিৰ' নামৰ দলত আৰু যিসকলে পৰিবৰ্তন বিচাৰিলে তেওঁলোক 'মহাসংঘিক' নামৰ দলত বিভক্ত হ'ল। সাধাৰণতে বিভক্ত হোৱা সম্প্ৰদায় দুটা হীনযান আৰু মহাযান নামে জনাজাত।

অশোকৰ শাসনকালত পাটলিপুত্ৰত তৃতীয়খন বৌদ্ধ মহামেল বহে। এই মহামেল বুদ্ধৰ মৃত্যুৰ ২৩৬ বছৰৰ পাছত অনুষ্ঠিত হৈছিল। এই মহামেলত সভাপতিত্ব কৰিছিল মোগলিপুত্ৰ তিস্যই। ইয়াতে বিনয় আৰু ধৰ্ম্ম পিটকৰ লগত অভিধৰ্ম্ম পিটক যোগ দিয়া হয়। এই পিটকত আগৰ দুখন পিটকৰ কথাখিনিৰ দাৰ্শনিক ব্যাখ্যা আছে। এই মহামেলত দ্বিতীয়খন মহামেলত দেখা দিয়া দ্বৈতমতৰ কিছু উপশম ঘটোৱা হয়।

চতুৰ্থখন বৌদ্ধ মহামেল কোনোৰ মতে কাশ্মীৰ আৰু কোনোৰ মতে জলন্ধৰত অনুষ্ঠিত হয়। এইখনেই শেষ বৌদ্ধ মহামেল। কনিষ্কৰ ৰাজত্বকালত বসুমিত্ৰ আৰু অশ্বঘোষৰ পৃষ্ঠপোষকতাত এই মেল পতা হৈছিল। কাশ্মীৰ সৰ্বাস্তিবাদী আৰু গান্ধাৰ সৰ্বাস্তিবাদীসকলৰ মাজত যি বিবাদ ইতিমধ্যে আৰম্ভ হৈছিল, তাক এই মহামেলত কিছু মীমাংসা কৰা হয়। এই মহামেলত তিনিখন পিটকৰ ওপৰত 'বিভাষা' নামৰ তিনিখন সুবিস্তৃত ভাষ্য প্ৰস্তুত কৰা হয়।

এই বৌদ্ধমেল চাৰিখনে বৌদ্ধ ধৰ্মৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগায়।

পূজা ৰবা

স্নাতক প্ৰথম ষাণ্মাসিক

# বৌদ্ধ দৰ্শনৰ বিভিন্ন সম্প্ৰদায়

বুদ্ধই সদায় তাত্ত্বিক আলোচনা পৰিহাৰ কৰি চলিছিল আৰু তেওঁৰ শিষ্যসকলকো উপদেশ দিছিল। কিন্তু এই উপদেশ আৰু সাৱধানতাৰ পিছতো বুদ্ধৰ মৃত্যুৰ পিছত শিষ্যসকলে তাত্ত্বিক আলোচনাত মগ্ন হৈছিল আৰু ইয়াৰ ফলস্বৰূপে বৌদ্ধ দৰ্শন বিভিন্ন সম্প্ৰদায়ত বিভক্ত হৈছিল। যদিও বুদ্ধৰ মৃত্যুৰ পিছত ই কেইবাটাও সম্প্ৰদায়ত বিভক্ত হৈছিল, তথাপি ইয়াৰ ভিতৰত মূলতঃ দুটা প্ৰধান মতবাদ পোৱা যায়। ইয়াৰে এটা হৈছে মহাযান আৰু আনটো সম্প্ৰদায় হৈছে হীনযান।

১) **হীনযান :** এই শ্ৰেণীৰ লোকসকলে কঠোৰ সংযম তথা অতি ভক্তিভাৱে বুদ্ধই কৈ যোৱা কথাবিলাক আৰু পদতে তেওঁ দেখুৱাই যোৱা পথবোৰ মানি চলিছিল। হীনযানসকলৰ মতে বুদ্ধৰ বাণী তথা বুদ্ধৰ জীৱনেই মানুহৰ মুক্তিৰ আশা বহন কৰি আনে। মুক্তি বা নিৰ্বাণ প্ৰাপ্তিৰ কাৰণে কোনো লোকৰ আধ্যাত্মিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰিবলগা নহয়। কৰ্মানুসাৰেহে সকলো নিয়ন্ত্ৰিত হৈ আছে। তেওঁলোকৰ মতে মানুহে নিজৰ কৰ্মশক্তি তথা সৎ কৰ্মদ্বাৰা নিৰ্বাণৰ পথ মুকলি কৰিব লাগে। হীনযানৰ মূল বৈশিষ্ট্য হৈছে আত্মনিৰ্ভৰশীলতা আৰু আত্মবিশ্বাস। প্ৰত্যেকেই নিজ নিজ প্ৰচেষ্টাৰে মুক্তিৰ পথ সৃষ্টি কৰা উচিত। হীনযানীসকলৰ মতে নিৰ্বাণ হৈছে চৈতন্যৰ নিবৃত্তি বা বিলুপ্তি। এই মতবাদীসকলে জড় আৰু মন দুয়োটাকে অস্তিত্বক স্বীকাৰ কৰে। হীনযানীসকলৰ মূল আদৰ্শ হৈছে বুদ্ধৰ বাণী আৰু আদৰ্শক কঠোৰভাৱে পালন কৰা। হীন শব্দৰ অৰ্থ হৈছে সৰু বা কম আৰু যান শব্দৰ অৰ্থ হৈছে বাহন। অৰ্থাৎ কমসংখ্যক ব্যক্তি কঢ়িয়াব পৰা বাহন। সৌত্ৰান্তিক আৰু বৈভাষিকসকল হীনযানৰ অন্তৰ্গত। ব্ৰহ্মদেশ, থাইলেণ্ড, শ্ৰীলংকা আদি দেশত হীনযানৰ প্ৰভাৱ দেখা যায়।

২) **মহাযান :** ইতিমধ্যে আমি হীনযান সম্প্ৰদায়ৰ আলোচনা কৰোঁতে পাইছোঁ যে হীনযানসকলে বুদ্ধই কৈ যোৱা কথাবিলাক অতি কঠোৰভাৱে পালন কৰিছিল, যাৰফলত কিছুসংখ্যক লোকেহে ইয়াক মানি চলিব পাৰিছিল। সাধাৰণতে মহাযান সম্প্ৰদায়ৰ সৃষ্টি হৈছিল সৰ্বসাধাৰণ লোকৰ কাৰণে। এই ধৰ্মৰ প্ৰচাৰ হৈছিল চীন, জাপান, কোৰিয়া আদিত।

মিতু তালুকদাৰ

স্নাতক পঞ্চম ষাণ্মাসিক

# The Dalai Lama
## *The role of the Dalai Lama*

Dalai Lama is the head monk of Tibetan Buddhism and traditionally has been responsible for the governing of Tibet, until the Chinese Government took control in 1959. Before 1959, his official residence was Patala Palace in Lhasa, the capital of Tibet.

The Dalai Lama belongs to the Gelugpa traditional of Tibetan Buddhism, which is the largest and most influential tradition in Tibet.

The institution of the Dalai Lama is a relatively recent one. There have been only 14 Dalai Lamas in the history of Buddhism, and the first and Second Dalai Lamas were given the title posthumously.

According to Buddhist belief, the current Dalai Lama is a reincarnation of a past lama who decided to be reborn again to continue his important work instead of moving on from the wheel of life. A person who decides to be continually reborn is known as tulku.

Bhuddhist believe that the first tulku in this reincarnation was Gedun Drub, who lived from 1391-1474 and the second was Gendun Gyatso.

However, the name Dalai Lama, meaning Ocean of Wisdom, was not conferred until the third reincarnation in the form of Sonam Gyatso in 1578.

**Articles and messages by His Holiness the Dalai Lama relating to Buddhism :**

1. Closing Address by His Holiness the Dalai Lama to the Global Buddhist Congregation 2011.
2. Buddhism and Democracy
3. Science at the Crossroads
4. Bring Quality Back into Buddhist pursuits.
5. 1st International conference on Buddhism and literature.
6. His Holiness keynote Address at the Buddhist conference in Delhi.
7. A collaboration between science and religion
8. Sakyadhita International Conference on Buddhist women in Taiwan.
9. Ordination in the Tibetan Buddhist Tradition.

# Ashoka Chakra

The Ashoka Chakra is a depiction of the Buddhist dharmachakra, represented with 24 spokes. It is so called because it appears on a numbers of edicts of Ashoka, most prominent among which the lion Capital of Sarnath.

The most visible use of the Ashoka Chakra today is the centre of the National flag of the Republic of India (adopted on 22 July 1947), where it is rendered in a Navy-blue colour on white background, by replacing the symbol of Chakra (spinning wheel) of the pre-independence versions of the flag.

